চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি.বি.চি.এছ্‌এন ই পি ২০২০ অনুসৰি)

ইতিহাস

অসমৰ ইতিহাসৰ পৰিচয়

বুনিয়াদী/ বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্য বিষয়

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

ড° পাৰমিতা দাস, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বর্ণালী শর্মা, সহযোগী অধ্যাপিকা, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° প্রীতি সলিলা ৰাজখোৱা, সহঃ অধ্যাপিকা (কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়)

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,২,৬	মুকুতাৰ ৰহমান শইকীয়া, ছেইণ্ট জন মহাবিদ্যালয়, ডিমাপুৰ	চেলিম মঃ শইকীয়া
	গার্গী শর্মা, প্রাগজ্যোতিষ মহাবিদ্যালয়	তুলিকা দেৱা
৩,৭	মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	কণ্যাকুমাৰী দাস
	সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	
৪,৫	মামণি শর্মা, ললিত চন্দ্র ভৰালী মহাবিদ্যালয়; সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	
৮, ৯	মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	চেলিম মঃ শইকীয়া
	সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	তুলিকা দেৱা
১০	মামণি শর্মা, ললিত চন্দ্র ভৰালী মহাবিদ্যালয়; সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	কণ্যাকুমাৰী দাস
১১	অৱিন্দম তালুকদাৰ, বজালী কলেজ; প্রীতি সলিলা ৰাজখোৱা, কৃ. কা. স. ৰা. মু. বি.	
১২	মালবিকা দাস, সন্দিকৈ ছোৱালী মহাবিদ্যালয়; সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	
১৩	বিনোদ শর্মা, ফৰকাটিং মহাবিদ্যালয়, সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.	
১৪	বিনোদ শর্মা,ফৰকাটিং মহাবিদ্যালয় ; প্রীতি সলিলা ৰাজখোৱা, কৃ. কা. স. ৰা. মু. বি.	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ ড° পাৰমিতা দাস, অধ্যাপিকা, ইতিহাস বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় বর্ণালী চৌধুৰী, আইড'ল (IDOL)
ইংৰাজী সংস্কৰণ	ঃ অধ্যাপক ৰবীন গোস্বমী, কটন মহাবিদ্যালয়, সুকমায়া লামা, কৃ. কা. স. ৰা. মু. বি.
ভাষা সম্পাদনা	ঃ ড° নিভাৰাণী ফুকন, সহকাৰী অধ্যাপিকা (অসমীয়া), কৃ.কা. স. ৰা. মু. বি, ড° প্রীতি সলিলা ৰাজখোৱা, সহঃ অধ্যাপিকা
গাঁথনিক সম্পাদনা	ঃ ড° প্রীতি সলিলা ৰাজখোৱা, সহঃ অধ্যাপিকা

জানুৱাৰী, ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব। *কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা

নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **প্রাচীন অসমৰ সমল সমূহ** ৭-১৪
সাহিত্যিক সমল, পূৰাতাত্বিক সমল, বিদেশী সমল

অধ্যায় ২ ঃ **ঐতিহাসিক যুগ** ১৫-২০
নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকল, নৰকৰ বিভিন্ন কাহিনী

অধ্যায় ৩ ঃ **প্রাচীন অসমৰ শাসকীয় বংশ** ২১-২৭
বর্মণ বংশ, শালস্তম্ভ বংশ, পাল বংশ

অধ্যায় ৪ ঃ **প্রাচীন অসমৰ প্রশাসন** ২৮-৩১
প্রাচীন অসমৰ প্রশাসনিক ব্যৱস্থাঃ কেন্দ্রীয়, স্থানীয়, ন্যায় পালিকা, সামৰিক

অধ্যায় ৫ ঃ **প্রাচীন অসমৰ সমাজ, অর্থনীতি আৰু ধর্ম** ৩২-৩৯
সামাজিক অৱস্থা, অর্থনৈতিক অৱস্থা, ধর্মীয় অৱস্থা,

অধ্যায় ৬ ঃ **মধ্যযুগীয় অসমৰ ইতিহাসৰ সমল সমূহ** ৪০-৪৬
সাহিত্যিক সমল, পূৰাতাত্বিক সমল, বিদেশী সমল

অধ্যায় ৭ ঃ **পাল সকলৰ পৰৱর্তি সময়ছোৱাত ৰাজনৈতিক পৰিস্থিতি** ৪৭-৫৪
কমতাপুৰ, বাৰ-ভূঞাসকল, চুতীয়াসকল, কছাৰীসকল

অধ্যায় ৮ ঃ **আহোমসকল** ৫৮-৬৬
আহোমসকলৰ আদিমূল, অহোমসকলৰ আগমন, ১২২৮ খৃঃ ৰ পৰা ১৮২৬
খৃঃলৈ সংঘটিত হোৱা ঘটনাৱলী

অধ্যায় ৯ ঃ **কোচসকল** ৬৭-৭২
কোচসকলৰ আদিমূল, বিশ্বসিংহ, নৰনাৰায়ণ, কোচ ৰাজ্যৰ বিভাজন

অধ্যায় ১০ ঃ **আহোমসকলৰ অধীনত মধ্যযুগীয় অসমৰ সমাজ, অর্থনীতি, ধর্ম আৰু প্রশাসন** ৭৩-৮৭
সামাজিক অৱস্থা, অর্থনৈতিক অৱস্থা, ধর্মীয় বিশ্বাস, নৱ-বৈষ্ণৱবাদ আন্দোলন,
আহোম প্রশাসন পদ্ধতি- পাইক প্রথা

অধ্যায় ১১ ঃ বৃটিছ শাসনৰ প্ৰতিষ্ঠা আৰু বৃটিছ বিৰোধী আন্দোলন ৮৮-৯৯
ইংগ-মান যুদ্ধ, ইয়াণ্ডাবু সন্ধি আৰু বৃটিছৰ অসম দখল, বৃটিছ প্ৰশাসন পদ্ধতি, ১৮৫৭ চনৰ বিদ্ৰোহ

অধ্যায় ১২ ঃ ঔপনিৱেশিক শাসনকালত অসমৰ আৰ্থ-সামাজিক পৰিৱৰ্তন ১০০-১০৭
অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্তন, কৃষক বিদ্ৰোহ, আধুনিক যুগ অভিমুখে অসমৰ সামাজিক ৰূপান্তৰ

অধ্যায় ১৩ ঃ ৰাজনৈতিক সচেতনতাৰ উন্মেষ ১০৮-১১৪
অসমীয়া জাতীয়তাবাদৰ উত্থান, বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ জন্ম

অধ্যায় ১৪ ঃ ৰাষ্ট্ৰীয় আন্দোলনত অসমৰ অংশগ্ৰহণ ১১৫-১২৮
বংগ আৰু অসমৰ বিভাজন, অসমত অসহযোগ আন্দোলন, অসম আৰু আইন অমান্য আন্দোলন, অসমত ভাৰত ত্যাগ আন্দোলন, বৰ্গীয়কৰণ সমস্যা আৰু স্বাধীনতা

পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ চাৰিবছৰীয়া স্নাতক পাঠ্যক্রমৰ অন্তর্গত ইতিহাস বিষয়ৰ প্রথমটো পাঠ্যবিষয় হৈছে অসমৰ ইতিহাসৰপৰিচয়। কাকতখনে আপোনালোকক প্রাচীন কালৰে পৰা স্বাধীনতা আন্দোলনৰ সময়ছোৱালৈ অসমৰ ইতিহাসৰ সৈতে পৰিচয় কৰাই দিব। কাকতখনৰ বাবে সাতটা অধ্যায় পঢ়িব লাগিব।

প্রথম অধ্যায়টিৰ শিৰোনাম হ'ল 'প্রাচীন অসমৰ সমল সমূহ' এই অধ্যায়টিত প্রাচীন অসমৰ ইতিহাস আৰু ইয়াৰ প্রাসংগিকতা অধ্যয়ন কৰিবলৈ বিভিন্ন সহজলভ্য সামগ্রী আৰু সমল সমূহৰ বিষয়ে অধ্যায়টিত আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টি শিৰোনাম হ'ল 'ঐতিহাসিক যুগ '। এই অধ্যায়টিত আহোম সকলৰ আগমণৰ পূর্বে প্রাচীন অসমত শাসন কৰা নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টোৰ শিৰোনাম হৈছে 'অসমৰ শাসকীয় বংশ সমূহ'। এই অধ্যায়টিৰ জৰিয়তে প্রাচীন অসমৰ ৰাজনৈতিক ইতিহাস বিশদভাৱে আলোচনা কৰা হৈছে। অধ্যায়টি পঢ়াৰ পাছত আপোনালোকে অসমত শাসন কৰা প্রাচীন ৰাজবংশবোৰৰ লগতে ৰজাসকলৰ গৰিমামণ্ডিত সফলতাৰ কাহিনী বর্ণনা কৰিব পাৰিব।

চতুর্থ অধ্যয়টো শিৰোনাম হৈছে 'প্রাচীন অসমৰ প্রশাসন'। এই অধ্যায়টিত প্রাচীন অসমৰ ৰাষ্ট্র পৰিচালনা পদ্ধতি আৰু উন্নয়ন সম্পর্কে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টোৰ শিৰোনাম হ'ল 'প্রাচীন অসমৰ সমাজ,অর্থনীতি আৰু ধর্ম' । অধ্যায়টিত প্রাচীন অসমৰ সামাজিক বিন্যাস, অর্থনৈতিক গাঁথনি, ধর্মীয় ব্যৱস্থা আৰু প্রশাসনিক কার্য-প্রণালীৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

ষষ্ঠ অধ্যায়টোৰ নাম হ'ল ' মধ্যযুগীয় অসমৰ ইতিহাসৰ সমল সমূহ '। এই অধ্যায়টিৰ পৰা মধ্যযুগৰ অসমৰ বিষয়ে অধ্যয়ন কৰিবলৈ প্রয়োজন হোৱা বিভিন্ন উৎস আপোনালোকে চিনাক্ত কৰিব পৰিব। অধ্যায়টি পঢ়াৰ পাছত আপোনালোকে এই সময়ছোৱাৰ সাহিত্যিক আৰু পুৰাতাত্বিক সমলবোৰৰ বিষয়ে বহলাই আলোচনা কৰিব পাৰিব।

সপ্তম অধ্যায়টোৰ শিৰোনাম হ'ল 'পাল সকলৰ পৰৱর্তি সময়ছোৱাত ৰাজনৈতিক পৰিস্থিতি' ।এই অধ্যায়টিত কমতাপুৰ,বাৰ-ভূঞাসকল, চতীয়াসকল, কছাৰীসকলৰ বিষয়ে আলোচনা কৰিব পাৰিব।

অষ্টম অধ্যায়টো হৈছে 'আহোমসকল'ৰ জৰিয়তে আপোনালোকক অসমত কেনেদৰে আহোম শাসন প্রতিষ্ঠা হ'ল সেয়া জনোৱা হ'ব। অধ্যায়টিৰ জৰিয়তে চুকাফাৰ পৰা আৰম্ভ কৰি ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিত স্বাক্ষৰ কৰালৈকে আহোম শাসকৰ অধীনস্থ অসমৰ ৰাজনৈতিক ইতিহাসৰ চমু আভাস পাব।

নৱম অধ্যায়টো হৈছে 'কোচসকল' কোচসকলৰ উৎপত্তি আৰু উত্থান সম্পর্কে আলোচনা কৰা হৈছে। অধ্যায়টিত আহোমসকলৰ সমসাময়িক হিচাপে কোচসকলৰ ইতিহাসৰ বৈশিষ্ট্য ব্যাখ্যা কৰা হৈছে।

দশম অধ্যায়টি হ'ল 'আহোমসকলৰ অধীনত মধ্যযুগীয় অসমৰ সমাজ, অর্থনীতি, ধর্ম আৰু প্রশাসন'। অধ্যায়টিত আহোম যুগত সমাজ আৰু নাগৰিকৰ স্থিতি তথা ধর্মীয় ব্যৱস্থা সম্পর্কে ব্যাখ্যা দাঙি ধৰা হৈছে। ইয়াৰ উপৰি সেই কালছোৱাৰ প্রশাসনিক ব্যৱস্থা আৰু অর্থনৈতিক কার্যকলাপো অধ্যায়টিৰ আন দুটা আলোচ্য বিষয়।

একাদশ অধ্যায়টিৰ শিৰোনাম হ'ল 'বৃটিছ শাসনৰ প্রতিষ্ঠা আৰু বৃটিছ বিৰোধী আন্দোলন'। অধ্যায়টি পঢ়ি আপোনালোকে আহোমসকলৰ পতন আৰু অসমলৈ বৃটিছৰ আগমনৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব। অধ্যায়টিত ইংগ'-বার্মা যুদ্ধ আৰু বৃটিছ

বিৰোধী আন্দোলনৰ প্ৰাৰম্ভিক সময়ছোৱাৰ বৰ্ণনাও সামৰি লোৱা হৈছে।

দ্বাদশ অধ্যায়টি হ'ল ' ঔপনিৱেশিক শাসনকালত অসমৰ আৰ্থ-সামাজিক পৰিৱৰ্তন'। অধ্যায়টি পঢ়ি আপোনালোকে ঔপনিৱেশিক নীতি আৰু এই নীতিবোৰে অসমৰ সামাজিক তথা অৰ্থনৈতিক ক্ষেত্ৰলৈ কেনে পৰিৱৰ্তন কঢ়িয়াই আনিছিল সেই বিষয়ে জানিব পাৰিব। অধ্যায়টিত অসমৰ জনসাধাৰণৰ ওপৰত ঔপনিৱেশিক নীতিয়ে কেনে প্ৰভাৱ পেলাইছিল আৰু কৃষকসকলে কিয় তাৎক্ষণিকভাৱে বিদ্ৰোহ আৰম্ভ কৰিছিল সেই বিষয়েও আলোচনা কৰা হৈছে।

ত্ৰয়োদশ অধ্যায় ' ৰাজনৈতিক সচেতনতাৰ উন্মেষ 'ৰ জৰিয়তে আপোনালোকক অসমৰ জনসাধাৰণৰ মনত জাগৃত হোৱা জাতীয়তাবাদী মনোভাৱৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। অধ্যায়টিত জনগণৰ সমূহীয়া স্বাৰ্থৰ হকে কাম কৰিবলৈ গঠিত হোৱা বিভিন্ন -প্ৰতিষ্ঠানৰ বিকাশৰ কথাও আলোচনা কৰা হৈছে।

চতুৰ্দশ অধ্যায়টি শিৰোনাম হ'ল ' স্বাধীনতা সংগ্ৰামত অসমৰ যোগদান '। অধ্যায়টিত সাধাৰণ লোকৰ মাজত বৃদ্ধি পোৱা ৰাজনৈতিক সচেতনতা আৰু স্বাধীনতা আন্দোলনত তেওঁলোকৰ অংগগ্ৰহণৰ বিষয়ে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টো অধ্যয়ন কৰোঁতে আপুনি প্ৰত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চৰ্চা কৰক' শীৰ্ষক বাকচত নিৰ্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে সেই সম্পৰ্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্ৰগতিৰ খতিয়ান' শীৰ্ষক শাখাটোত 'অগ্ৰগতি নিৰীক্ষণ'ৰ প্ৰশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষাৰ্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ 'প্ৰসংগ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ প্রাচীন অসমৰ সমল সমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সাহিত্যিক সমল
১.৪ স্থানীয় বা দেশীয় সাহিত্যিক সমল
১.৫ বিদেশী সাহিত্যিক সমল
১.৬ পুৰাতাত্ত্বিক সমল
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ অধ্যয়নৰ বিভিন্ন তথ্য সমলসমূহক চিহ্নিত কৰিব পাৰিব,
- প্রাচীন অসমৰ সাহিত্যিক আৰু পুৰাতাত্ত্বিক সমলসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্রাচীন অসমৰ অধ্যয়নৰ বাবে বিদেশী সমলসমূহ বর্ণনা কৰিব পাৰিব ।

১.২ পৰিচয়

এই অধ্যায়ত আমি চমুকৈ প্রাচীন অসমৰ সমলসমূহৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো। প্রচীন অসমৰ ইতিহাসে সাধাৰণতে মহাকাব্যসমূহৰ সময়ৰ পৰা খ্রীষ্টাব্দ ১৩শ শতিকাৰ প্রথম চোৱালৈ সামৰি লয়।

প্রাচীন অসমৰ ইতিহাসৰ এক গভীৰ অধ্যয়নৰ বাবে আমি বিভিন্ন প্রকাৰৰ উৎস বা সমলৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। প্রাচীন অসমৰ ঐতিহাসিক অতীতক পুনর্গঠন কৰাৰ বাবে যিবোৰ সমলে সহায় কৰে, সেইসমূহক প্রধানকৈ দুটা ভাগত ভগাব পাৰি- সাহিত্যিক আৰু পুৰাতাত্ত্বিক।

১.৩ সাহিত্যিক সমল

অতীতৰ পুর্নগঠনৰ বাবে প্রয়োজনীয় তথ্যৰ ক্ষেত্রত সাহিত্যিক সমলসমূহ হৈ ছে অতি গুৰুত্বপূর্ণ উৎস। এই সমলসমূহক আকৌ স্থানীয় আৰু বিদেশী সাহিত্য এই দুটা উপভাগত বিভক্ত কৰিব পাৰি। আমি এতিয়া স্থানীয় আৰু বিদেশী সাহিত্যিক সমল উভয়ৰ বিষয়ে আলোচনা কৰিম।

১.৪ স্থানীয় বা দেশীয় সাহিত্যিক সমল

বৈদিক সময়ৰ আৰম্ভণি আৰু পিছৰ সময়খিনিত ৰচিত ব্রাহ্মণ্যিক কর্মৰাজি আর্য্য আৰু অনার্য্যসকলৰ সৈতে পূব ভাৰতৰ সাংস্কৃতিক সম্বন্ধ অধ্যয়নৰ গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। '*শতপথ ব্রাহ্মণ*'ত আর্য্য সভ্যতাৰ অগ্রগতি শদনীৰা নদীলৈকে আৰু ঐতৰেয় ব্রাহ্মণ'ত কামৰূপলৈকে আর্য্য সংস্কৃতিৰ বিস্তাৰ হোৱাৰ উল্লেখ আছে। '*গোপথ ব্রাহ্মণ*'ত কামৰূপ নামৰ উৎপত্তিৰ ক্ষেত্রত এক প্রচলিত ৰীতিৰ বর্ণনা আছে যিয়ে এই দিশত আর্য্য আৰু অনার্য্য উপাদানসমূহৰ এক আগতীয়া সংস্পর্শৰ কথা উনুকিয়াই।

প্রাচীন অসমৰ ইতিহাসৰ পুনৰ গঠনৰ বাবে পু�ৰাণসমূহ মূল্যবান। এই সমূহৰ প্রায় ভাগতেই যেনে '*গৰুড় পুৰাণ*', '*মার্কণ্ডেয় পুৰাণ*', '*নাৰদ পুৰাণ*', *ব্রাহ্মণ পুৰাণ*', '*স্কণ্ড পুৰাণ*', '*অগ্নি পুৰাণ*' আৰু '*বিষ্ণু পুৰাণ*'ত প্রাচীন অসম আৰু ইয়াৰ শাসকসকলৰ কথাৰ উল্লেখ পোৱা যায়। '*গৰুড় পুৰাণ*'ত কামৰূপ আৰু কামাখ্যাক এক গুৰুত্বপূর্ণ তীর্থকেন্দ্র ৰূপে উল্লেখ আছে। '*মার্কণ্ডেয় পুৰাণ*'ত প্রাগজ্যোতিষক উদয়াচল, লৌহিত্য আৰু কামৰূপৰ সৈতে একেলগে পূব দিশৰ দেশ ৰূপে উল্লেখ আছে। '*কালিকা পুৰাণ*'ত প্রাগজ্যোতিষ কামৰূপৰ পৰম্পৰাগত চাৰি সীমাৰ এক স্পষ্ট চিত্র পোৱা যায়; লগতে অসমৰ জনসাধাৰণৰ ধর্মীয় জীৱনত দেৱী কামাখ্যাৰ গুৰুত্বৰ কথাও ইয়াত পোৱা যায়।

পুৰাণসমূহৰ বাহিৰেও, পূব ভাৰত, তিব্বত আৰু নেপালৰ তান্ত্রিক বৌদ্ধ সাহিত্যসমূহত প্রাচীন অসমৰ ধর্মীয় আৰু ৰাজনৈতিক ইতিহাস সম্পকীয় তথ্য পোৱা যায়। এনে সমলসমূহৰ কিছু যেনে খ্রীষ্টাব্দ ৮শ শতিকাৰ '*হেবজ্র তন্ত্র*' 'কামৰূপ-যাত্রা, নামৰ সংস্কৃতত ৰচিত কৃতি, '*তিক্কখা-কল্প*', *কামাখ্যা* তন্ত্রআৰু যোগিনী তন্ত্র' ইত্যাদি। এই সমূহ সকলোতে কামৰূপ-কামাখ্যা আৰু অসমৰ অন্য পীঠসমূহৰ কথাৰ উল্লেখ পোৱা যায়।

ৰামায়ণ আৰু মহাভাৰতৰ দৰে পুৰাণসমূহ য'ত প্রাগজ্যোতিষ কামৰূপৰ কথাৰ প্রসংগ উল্লেখ আছে, এক অমূল্য সমলৰূপে প্রমাণিত হৈছে। একেদৰেই সংস্কৃত সাহিত্যসমূহে প্রাচীন অসমৰ ভৌগোলিক চাৰিসীমা, ৰাজনৈতিক আৰু সামাজিক- সাংস্কৃতিক ইতিহাসৰ বর্ণময় তথ্য প্রদান কৰে। এই সমূহৰ ভিতৰত লেখত ল'বলগীয়া হ'ল- কৌটিল্যৰ *অর্থশাস্ত্র*, কালিদাস ৰচিত *ৰঘূবংশ*, বাণভট্টৰ *হর্ষচৰিত*, বিলহন ৰচিত *বিক্রমাংকদেৱ চৰিত*, কলহনৰ *ৰাজতৰংগিনী*, সোমদেৱৰ *কথাসৰিৎসাগৰ*, বৰাহমিহিৰৰ *বৃহৎ সংহিত* আৰু সন্ধ্যাকৰ নন্দীৰ '*ৰামচৰিত*'।

বৌদ্ধ আৰু জৈন সাহিত্যসমূহেও প্রাচীন অসমৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে যদিও এইসমূহ এতিয়াও অন্য সাক্ষ্যৰ দ্বাৰা নিশ্চিত কৰা হোৱা নাই। '*নিকায়*'ত 'লোহিচ্চ' ৰ কথা উল্লেখ আছে যাক মগধ ৰাজ্যলৈ অহা দুজন ব্রাহ্মণৰ সৈতে জড়িত কৰি 'লৌহিত্য' ৰূপে চিহ্নিত কৰা হৈছে। বৌদ্ধ সাহিত্যসমূহত প্রাচীন অসমক ভগবান বুদ্ধৰ মহাপৰিনির্বাণৰ সৈতে জড়িত কৰিছে। এই সমূহৰ মতে বুদ্ধৰ মহাপৰিনির্বাণ স্থানক আধুনিক সময়ত হাজো বুলি জনা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোন পুৰাণত তীর্থকেন্দ্র ৰূপে কামৰূপৰ উল্লেখ আছে?

.....

প্রশ্ন নং ২ ঃ তান্ত্রিক বৌদ্ধ সাহিত্য কিছুমানৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৩ ঃ বৃহৎ সংহিতাৰ ৰচকৰ নাম উল্লেখ কৰক।

.....

১.৫ বিদেশী সাহিত্যিক সমল

বিদেশী সাহিত্যিক কর্মৰাজিয়ে কামৰূপ আৰু ইয়াৰ অধিবাসীসকলৰ কথা উল্লেখ কৰিছে। কিন্তু এই সমূহত উল্লেখ কৰা স্থানসমূহ আৰু অধিবাসীসকলক সঠিকভাৱে চিনাক্ত কৰাটো কঠিন। মেগাস্থিনিছ আৰু ষ্ট্ৰাবই পূব দিশৰ দেৱদাই ৰ কথা উল্লেখ কৰিছে, যিসকল তেওঁলোকৰ স্বর্ণ কর্মৰ বাবে প্রখ্যাত আছিল। সম্ভৱতঃ ইয়াত এই অঞ্চলৰ পার্বত্য এলেকাৰ উল্লেখ কৰিছিল। প্লিনিৰ "নেচাৱেল হিষ্ট্ৰী" (Natural History)ত সীমান্তৱর্তী আৰু হিমালয়-অতিক্রমী অঞ্চলৰ কিছু সংখ্যক অধিবাসীৰ কথা উল্লেখ পোৱা যায়, যিসকলক অসমৰ কিছুমান তিব্বত- বর্মীয় জনজাতি ৰূপে চিহ্নিত কৰিব পাৰি। *'পেৰিপ্লাছ অফ দ্যা ইৰিথ্ৰিয়ান ছী'* আৰু ট'লেমিৰ *'জিঅ'গ্রাফী'*ত আমি কিছু সংখ্যক লোকৰ আৰু স্থানৰ উল্লেখ পাও যিসকলক প্রাচীন অসমৰ বুলি ধাৰণা কৰিব পাৰি।

চীনা সাহিত্যিক কর্মৰাজি অন্য এক গুৰুত্বপূর্ণ সমল। আই-চিঙে তেওঁৰ বিৱৰণত পূব ভাৰতৰ ৰজা দেৱবর্মাৰ কথা উল্লেখ কৰিছে যিয়ে নালন্দ অঞ্চলকৈ কর্তৃত্ব বিস্তাৰ কৰিছিল। দেৱবর্মাক ৰজা অৱন্তীবর্মন ৰূপে চিনাক্ত কৰা হৈছে। আটাইতকৈ গুৰুত্বপূর্ণ চীনা সমল হৈছে খ্রীষ্টাব্দ ৬২৯-৬৪৫ ত ভাৰতলৈ অহা চীনা তীর্থযাত্রী হিউৱেন-চাঙৰ ৰচিত *'চ্যি-য়্যু-কি'*। ইয়াত আমি হিউৱেন চাঙৰ কামৰূপ ভ্রমণৰ বিৱৰণ আৰু ৰজা ভাস্কৰবর্মনৰ ৰাজসভাত তেওঁৰ উপস্থিতিৰ কথা পাও। ইয়াত অসমৰ অধিবাসীসকলৰ ৰাজনৈতিক, সামাজিক আৰু ধর্মীয় জীৱনৰ বিষয়ে তথ্য পোৱা যায়।

আৰবী আৰু পার্ছী ভাষাত ইছলামধর্মী পণ্ডিতসকলে ৰচনা কৰা কর্মৰাজীয়েও অসমৰ প্রাচীন ইতিহাসৰ ওপৰত আলোকপাত কৰে। ১০৩০ খ্রীঃত আলবেৰুণীয়ে আৰবীত ৰচনা কৰা *"তাৰিখ-উল- হিন্দ"*ত কামৰূপৰ অৱস্থিতি কনৌজৰ পূব দিশত বুলি উল্লেখ পোৱা যায়। মিনহাজ উদ্দিন ছিৰাজে পার্ছী ভাষাত ৰচনা কৰা *'তবকাত-ই-নাছিৰি'*ত মহম্মদ-ই-বখতিয়াৰৰ কামৰূপৰ মাজেৰে তিব্বতলৈ চলোৱা অভিযান আৰু গুৱাহাটীৰ ওচৰত তেওঁৰ সেনাবাহিনীৰ বিশাল অংশ ধ্বংস হোৱাৰ তথ্য পাওঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তলত দিয়াসমূহ মিলাওক ঃ

(i) প্লিনি..... তাৰিখ-উল-হিন্দ

(ii) আলবেৰুণী..... ত্তকাত-ই-নাছিৰি

(iii) মিনহাজউদ্দিন চিৰাজ..... প্রাকৃতিক ইতিহাস

(iv) হিউৱেন-চাং..... চ্যি-য়্যু-কি

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক ঃ

(i) মেগাস্থিনিছ আৰু..... য়ে পূবদিশৰ দেৱদাইসকলৰ কথা উল্লেখ কৰিছে, যিসকল তেওঁলোকৰ স্বর্ণ কর্মৰ বাবে প্রখ্যাত আছিল।

(ii) .....ত মহম্মদ-ই-বখতিয়াৰৰ অভিযানৰ বিৱৰণ পোৱা যায়।

১.৬ পুৰাতাত্ত্বিক সমল

সাহিত্যিক সমলসমূহৰ বাহিৰে, পুৰাতাত্ত্বিক সমলসমূহেও অসমৰ ঐতিহাসিক অতীতৰ পুনর্গঠন কৰাত এক মুখ্য ভূমিকা পালন কৰে। পুৰাতাত্ত্বিক সমলসমূহৰ অধ্যয়নৰ সুবিধার্থে সিবিলাকক তিনিটা বেলেগ ভাগত ভগাব পাৰি— শিলালিপি, তাম্রলিপি বা স্তম্ভলিপি, মুদ্রা বা মুদ্রালিপিগত সমল আৰু ভগ্নাৱশেষ।

- **লিপিগত সমল ঃ** লিপিগত সমল বুলিলে তাম্র লিপি বা শিলৰ আৰু মাটিৰ ওপৰত খোদিত কৰা লিখনী আৰু মাটিৰ মোহৰত সাঁচ কৰি কৰা লিখনীকে বুজায়। লিপিগত প্রমাণসমূহক, যিবোৰ বহু পৰিমাণে নির্ভৰযোগ্য তাক বাদ দি প্রাচীন অসমৰ কোনো প্রকৃত ইতিহাস লিখা সম্ভৱ নহয়। অসমত যথেষ্ট পৰিমাণে স্থানীয় শিলালিপি-তাম্রলিপি বা স্তম্ভলিপি পোৱা যায়। এই সমূহ তামেৰে নির্মিত ফলক, শিলৰ চেপেটা খণ্ড, শিল, স্তম্ভ, গুহাৰ বহিঃ অংশ, মন্দিৰ আৰু অন্যান্য নির্মাণকার্য্যত খোদিত কৰা আছে।

  এতিয়ালৈকে প্রাচীন সময়চোৱাৰ পঞ্চাশতকৈও অধিক লিপি আৱিস্কাৰ কৰা হৈছে। থাৱৰ কৰা মতে ৰজা হর্জৰ বর্মনৰ তেজপুৰ শিলালিপিয়েই, প্রাচীন অসমৰ আটাইতকৈ প্রাচীন, শিলালিপি। ই ৫১০ গুপ্ত শতিকা অর্থাৎ ৮২৯ খ্রীঃৰ বুলি ঠাৱৰ কৰা হৈছে। এই লিপিসমূহৰ বেছিভাগেই তাম্র দান পত্র। এই সমূহৰ ভিতৰত উমাচল শিলালিপি, বৰগংগা শিলা লিপি আৰু ডুবি তাম্র পত্রৰ পৰা বর্মন ৰাজ বংশৰ বিষয়ে তথ্য পোৱা যায়। তেজপুৰ শিলালিপি, হায়ুংঠাল তাম্রপত্র, তেজপুৰ তাম্রপত্র আৰু পর্বতীয়া তাম্রপত্রৰ পৰা আমি শালস্তম্ভ ৰাজবংশৰ বিষয়ে জানিব পাৰো। পাল ৰাজবংশৰ ইতিহাসৰ বিষয়ে চৰাতবাৰী তামৰ ফলি , বৰগাওৰ তামৰ ফলি, শুৱালকুছি তামৰ ফলি আৰু গুৱাহাটী তামৰ ফলি পৰা জানিব পৰা যায়।

  ইয়াৰ ওপৰিও অন্য কিছু স্থানীয় লিপিয়েও আমাক প্রাচীন অসমৰ বিষয়ে তথ্য প্রদান কৰে।

এই সমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— কামাউলী দানলিপি, অসম ফলি আৰু কানাই বৰশী বোৱা শিলালিপি। বাৰানসত আৱিষ্কাৰ হোৱা বৈদ্যদেৱৰ কামাউলী দানলিপিত গৌড়ৰ শাসক ৰামপালৰ সেনাপতি মায়নৰ কামৰূপৰ ৰজাৰ ওপৰত বিজয় সাব্যস্তকৰণ আৰু বৈদ্যদেৱৰ কামৰূপৰ পশ্চিম অংশত জয় লাভ কৰাৰ তথ্য খোদিত আছে। বল্লভদেৱৰ (১১৮০-১২০০ খ্ৰীঃ) অসম ফলিত তিনিজন ৰজাৰ নামৰ উল্লেখ পোৱা যায় , যিসকল সম্ভৱতঃ বৈদ্যদেৱৰ উত্তৰাধিকাৰী আছিল। ১২০৫ খ্ৰীঃ বুলি ঠাৱৰ কৰা কানাই বৰশী বোৱা শিলালিপিত কামৰূপ আক্ৰমণ কৰোতে তুৰ্কী সৈন্যবাহিনী ধ্বংশ হোৱাৰ কথা লিপিবদ্ধ হৈছে।

ভাৰতবৰ্ষৰ অন্য কিছুমান অংশৰ সমসাময়িক কিছুমান লিপিৰ পৰাও প্ৰাচীন অসমৰ ইতিহাসৰ বিষয়ে তথ্য পোৱা যায়। সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিত কামৰূপৰ নাম এক সীমান্তৱৰ্তী ৰাজ্য হিচাপে উল্লেখ আছে, যাৰ ৰজাই সম্ৰাট সমুদ্ৰগুপ্তৰ প্ৰতি আনুগত্যৰ ভাৱ আছিল। যশোধৰ্মনৰ মান্দাছোৰ লিপিত লৌহিত্যৰ ওচৰচুবুৰীয়া অংশসমূহলৈকে যশোধৰ্মনৰ অভিযানৰ উল্লেখ আছে। আদিত্যসেনৰ অফ্শদ লিপিত মহাসেনগুপ্ত আৰু কামৰূপৰ ৰজা সুস্থিতবৰ্মনৰ (৫৮৫-৫৯৩ খ্ৰীঃ) সংঘাতৰ উল্লেখ পোৱা যায়।

কাঠমাণ্ডুৰ পশুপতি মন্দিৰৰ লিপিত আমি নেপালৰ ৰজা জয়দেৱ পৰাক্ৰমৰ বিষয়ে তথ্য পোৱা যায়, যিয়ে ভগদত্তৰ বংশৰ ৰজা হৰ্ষদেৱৰ জীয়াৰী ৰাজ্যমতীক বিৱাহ কৰিছিল। গৌড়ৰ ৰজা নাৰায়ণপালৰ ভাগলপুৰ দানলিপিত দেৱপালৰ ৰাজত্বৰ সময়ত প্ৰাগজ্যোতিষ, গৌড় আৰু উৰিষ্যাৰ মাজৰ কূটনৈতিক সম্বন্ধৰ বিষয়ে উল্লেখ পোৱা যায়। ভোজবৰ্মনৰ বেলৱা দানলিপিত বংগৰ জাতবৰ্মন আৰু কামৰূপৰ এজন শাসকৰ মাজৰ সংঘাত লিপিবদ্ধ হৈ আছে। প্ৰহাস নামৰ এগৰাকী ব্ৰাহ্মণৰ চিলিমপুৰ শিলালিপিত পোৱা যায় যে কামৰূপৰ ৰজা জয়পালে ব্ৰাহ্মণ গৰাকীক অন্যান্য উপহাৰৰ সৈতে নিজৰ শৰীৰৰ ভৰৰ সমান ৯০০ স্বৰ্ণমুদ্ৰা আগবঢ়াইছিল।

- **মুদ্ৰাগত সমল ঃ** যিকোনো স্থানৰে প্ৰাচীন ইতিহাস অধ্যয়নত নিৰ্ভৰযোগ্য সমলসমূহৰ ভিতৰত মুদ্ৰাগত সাক্ষ্য এক প্ৰধান সমল, বিশেষকৈ যিহেতু মুদ্ৰাই আমাক কোনো এক ৰাজবংশৰ বংশানুক্ৰম নিৰ্ধাৰণ কৰাত সহায় কৰে। দুৰ্ভাগ্যবশতঃ প্ৰাচীন অসমৰ অতি কম সংখ্যক মুদ্ৰাহে উদ্ধাৰ হৈছে।

এতিয়ালৈকে অসমত প্ৰাপ্ত আহোম পূৰ্ব কালৰ মুদ্ৰাৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত পাগলাটেকত আৱিস্কৃত কিছু সংখ্যক গুপ্ত আৰ্হিৰ অনুৰূপ স্বৰ্ণ মুদ্ৰাৰ বিষয়ে উল্লেখ কৰিব পাৰি। একেই ধৰণৰ মুদ্ৰা বাংলাদেশ আৰু ত্ৰিপুৰাত পোৱা গৈছে যিয়ে অসম-বংগৰ মাজৰ বাণিজ্যিক সম্বন্ধৰ বিষয়ে তথ্য প্ৰদান কৰে। তেজপুৰৰ ওচৰৰ ধুলাপাদুং চাহ বাগিচাত কিছুমান প্ৰায় ঘূৰণীয়া আকৃতিৰ আৰু বিভিন্ন ওজনৰ তামৰ মুদ্ৰা আৱিষ্কৃত হৈছে। এই মুদ্ৰাসমূহৰ ওলোটা পিঠি উকা আৰু বিপৰীত দিশত এটা বৰ্ণ 'ভ' 'হ' আৰু 'ভ' বৰ্ণই (ভ) বনমালবৰ্মন 'ব'ই বলবৰ্মন আৰু 'হ'ই হৰ্জৰ বৰ্মনক সূচিত কৰিছে। প্ৰহাসৰ "চিলিমপুৰ শিলা লিপিত ৰজা জয়পাল, যাক সাধাৰণতে প্ৰাচীন অসমৰ শেষ জন পাল বংশৰ ৰজা বুলি

চিহ্নিত কৰা হয়,তেওঁৰ ৯০০ স্বর্ণ মুদ্রাৰ লগতে এক "তুলাপুৰুষ" উপহাৰ দিয়াৰ কথা লিপিবদ্ধ হৈ আছে। অন্যহাতে পিছৰ সময়চোৱাত গুৱাহাটীত প্রাপ্ত আমবাৰী শিলালিপিত সমুদ্রগুপ্তৰ নাম লিপিবদ্ধ হৈ আছে।

- **ভগ্নাৱশেষ ঃ** নিওলিথিক, মেগালিথ আৰু পাত্রৰ অৱশিষ্টৰ পৰা প্রচীন অসমৰ অনির্ণেয় সময়চোৱাত ইতিহাসৰ অৱশিষ্ট পোৱা যায় যিয়ে আমাক অসমত আর্য্য পূর্ব আৰু অনার্য্য উপাদানসমূহ অধ্যয়নত সহায় কৰে। অসমৰ বিভিন্ন স্থানত ৫ ম ৰ পৰা ১২ শ শতিকাৰ সময়চোৱাৰ প্রাচীন কীর্তিস্তম্ভ দেখা যায়। এইসমূহৰ ভিতৰত স্থাপত্য আৰু দুর্গৰ অৱশিষ্ট, ভাস্কর্য্যৰ আর্হি আৰু বিভিন্ন দেব-দেৱীৰ প্রতিমূর্ত্তিয়েই প্রধান। ইতিহাস অধ্যয়নৰ বিষয়বস্তু হিচাপে এই সমূহ একমাত্র শিল্পগত মূল্যৰ বাবেই গুৰুত্বপূর্ণ নহয়, এইসমূহে ইয়াৰ লগতে জনসাধাৰণৰ ধর্মীয় অৱস্থাৰ ওপৰতো আলোকপাত কৰে। মন্দিৰ আৰু বিভিন্ন পন্থাৰ দেৱ দেৱীৰ প্রতিমূর্ত্তিসমূহে আমাক অধিবাসীসকলৰ সামাজিক আৰু ধর্মীয় জীৱনৰ বিষয়ে তথ্য যোগান ধৰে।

  কিছুমান উল্লেখযোগ্য কীর্তিস্তম্ভ হ'ল দ-পর্বতীয়াৰ তোৰণ, তেজপুৰৰ বৃহৎ সূর্য্য মন্দিৰৰ অৱশিষ্ট আৰু বিভিন্ন স্থানত সিঁচৰিত হৈ থকা বৌদ্ধ, শৈৱ, শক্তি আৰু বৈষ্ণৱ মঠ মন্দিৰ সমূহ। মাত্র কিছুমান স্থানতহে সন্তোষজনকভাৱে খনন কার্য্য কৰা হৈছে। তেজপুৰৰ ওচৰৰ দ-পর্বতীয়াৰ গুপ্ত সময়ছোৱাৰ কিছুমান ভাস্কর্য্য আৰু মূর্তি উদ্ধাৰ হৈছে। কিছু বছৰ আগতে নৰকাসু�ৰগাঁওত ভালে সংখ্যক প্রাচীন অৱশিষ্ট উদ্ধাৰ হৈছে। ইয়াৰ উপৰি গুৱাহাটী চহৰৰ আমবাৰীত প্রাচীন সময়ৰ মনোমোহা স্থাপত্যৰ অৱশেষ মহিষমর্দিনী দূর্গা, সূর্য্য আৰু ইন্দ্রৰ মূর্ত্তিৰ সৈতে আৱিস্কৃত হৈছে। এইদৰেই, প্রাচীন স্থাপত্য আৰু কীর্তিস্তম্ভসমূহে আমাক আমাৰ পূর্বপুৰুষসকলৰ শিল্প আৰু সাংস্কৃতিক বিকাশৰ ক্রমবিকাশ বুজাত যথেষ্ট সহায় কৰে। এইসমূহে আমাক ইয়াৰ লগতে আমাক কলাৰ বিভিন্ন ধাৰা, ইয়াৰ বিকাশ আৰু ইয়াৰ ওপৰত বহিৰাগত বা বিদেশী প্রভাৱৰ পৰিমাণৰ বিষয়েও আৱগত কৰায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ প্রাচীন অসমৰ আটাইতকৈ প্রথম লিপিখন কি?

.....

প্রশ্ন নং ৭ ঃ কামৰূপৰ ওচৰত তুর্কী সৈন্যবাহিনী ধ্বংস লিপিবদ্ধ থকা শিলালিপিখনৰ নাম লিখা?

.....

প্রশ্ন নং ৮ ঃ চিলিমপুৰ শিলালিপিখন কাৰ?

.....

প্রশ্ন নং ৯ ঃ ভাগলপুৰ দানলিপিখন কোনজন শাসকৰ সময়ৰ?

.....



১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যায়ন কৰি আপুনি—

- প্রাচীন অসমৰ অধ্যয়নৰ বাবে বিভিন্ন সাহিত্যিক সমলসমূহৰ বিষয়ে জানিব পাৰিলে।
- আমাৰ ঐতিহাসিক অতীতক চিহ্নিত কৰা স্থানীয় আৰু বিদেশী লেখকসমূহৰ পাণ্ডিত্যপূর্ণ কর্মৰাজিৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিলে।
- স্থাপত্য আৰু অৱশেষ আৰু প্রাচীন অসমৰ ইতিহাসক অধ্যয়নত ইয়াৰ গুৰুত্ব কি সেই বিষয়ে বিস্তৃত আলোচনা কৰিবলৈ তথ্য লাভ কৰিলে।



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গৰুড়পুৰাণ

২ নং প্রশ্নৰ উত্তৰ ঃ হেবজ্র তন্ত্র, তিক্কা- কল্প আৰু কামাখ্যা তন্ত্র

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰৰাহ মিহিৰ

৪ নং প্রশ্নৰ উত্তৰ ঃ

(i) প্লিনি..... নেচাৰেল হিষ্ট্রী

(ii) আলবেৰুণী..... তাৰিখ-উল-হিন্দ

(iii) মিনহাজউদ্দিন চিৰাজ..... তবকাত-ই-নাছিৰি

(i v) হিউৱেন চাঙ..... চ্যি-য়্যু- কি

৫ নং প্রশ্নৰ উত্তৰ ঃ

(i) ষ্ট্রাবো

(ii) তবকাত-ই-নাছিৰি

৬ নং প্রশ্নৰ উত্তৰ ঃ তেজপুৰ শিলালিপি

৭ নং প্রশ্নৰ উত্তৰ ঃ কানাই ৰৰশী বোৰা শিলালিপি

৮ নং প্রশ্নৰ উত্তৰ ঃ প্রহাস

৯ নং প্রশ্নৰ উত্তৰ ঃ গৌড়ৰ নাৰায়ণপাল



১.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰহাস কোন আছিল?

প্ৰশ্ন ২ ঃ প্ৰাচীন অসমৰ ইতিহাসৰ ওপৰত আলোকপাত কৰা কিছু সংখ্যক সংস্কৃত সাহিত্যিক সমলৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ কানাই বৰশী বোৱা শিলালিপি কোন সময়ৰ?

প্ৰশ্ন ৪ ঃ পশুপতি মন্দিৰ লিপি ক'ত অৱস্থিত?

চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ এলাহাবাদ প্ৰশস্তিত কি লিপিবদ্ধ হৈছে?

প্ৰশ্ন ২ ঃ "চ্যু-য়্যু- ক্যি" ক কিয় এক গুৰুত্বপূৰ্ণ সাহিত্যিক সমল বুলি ধৰা হয়?

ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমৰ ইতিহাসৰ পুনৰ্গঠনত মুদ্ৰাগত সমলৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ শিলালিপিসমূহৰ দ্বাৰা প্ৰাচীন অসমৰ ৰাজনৈতিক ইতিহাসৰ বৰ্ণনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ প্ৰাচীন অসমৰ ইতিহাসৰ অধ্যয়নত বিদেশী ভ্ৰমণকাৰীসকলৰ কৰ্মৰাজিৰ বৰ্ণনা দিয়ক।

প্ৰশ্ন ৪ ঃ প্ৰাচীন অসমৰ ইতিহাস লেখনত সাহিত্যিক কৰ্মৰাজিত স্থানীয় ৰচনাসমূহৰ গুৰুত্ব আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ঐতিহাসিক যুগ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকল
২.৪ নৰকৰ ঐতিহাসিক আখ্যান সমূহ
২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলো
২.৬ অগ্রগতিৰ খতিয়ন
২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- নৰকক কেন্দ্র কৰি উদ্ভৱ বিভিন্ন কাহিনীসমূহৰ বর্ণনা আগবঢ়াব পাৰিব,
- নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ শাসনৰ সৈতে জড়িত ঐতিহাসিক আখ্যান সমূহৰ বিষয়ে জানিব পাৰিব।

২.২. পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি প্রাচীন অসমৰ বিভিন্ন উৎসৰ বিষয়ে আলোচনা কৰিলো য'ত উভয় দেশীয় বা থলুৱা আৰু বিদেশী সাহিত্য, মুদ্রা, লিপি ইত্যাদি অন্তর্ভুক্ত হয়। এই অধ্যায়টোত আমি ৰজা নৰকৰ লগত জড়িত ঐতিহাসিক আখ্যান আলোচনা কৰিম।

প্রাচীন অসমৰ ইতিহাস বহুতো ঐতিহাসিক আখ্যান সমুহক কেন্দ্র কৰি আৱর্তিত হয় আৰু এনে এক কিংবদন্তি হ'ল ৰজা নৰক বিষয়ে, যাক ঐতিহাসিক লিখনীসমূহত প্রায়ে অসমলৈ আর্য্য সংস্কৃতিৰ আগমনৰ সৈতে জড়িত কৰা হয় । ইয়াৰ উল্লেখ অবিহনে কামৰূপৰ আদি ইতিহাস অধ্যয়ন আংশিক হৈ ৰ'ব।

২.৩ নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকল

নৰক আৰু তেওঁৰ উত্তৰাধিকাৰী ভগদত্ত আৰু ব্রজদত্তৰ সম্বন্ধসূত্রে আমি মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত প্রথমবাৰৰ বাবে প্রাগজ্যোতিষ আৰু প্রাগজ্যোতিষপুৰৰ কথাৰ উল্লেখ পাওঁ। মহাভাৰতত নৰকৰ আদি উপাখ্যানসমূহ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে উল্লেখ পোৱা যায় । তেওঁক অসমৰ এক অন্যতম প্রাচীন ৰজা ৰূপে, যাক ভৌম (পৃথিৱী বা ভূমিৰ পুত্র) আৰু অসুৰ নামেৰেও জনা যায়, বুলি চিহ্নিত কৰা হৈছে । প্রবাদ মতে ৰজা নৰকে দেৱী

অদিতিৰ কুণ্ডল চুৰি কৰিছিল আৰু ভগৱান বিষ্ণুৰ অন্যতম ৰূপ কৃষ্ণ বাসুদেৱে তেওঁক হত্যা কৰি কুণ্ডল উদ্ধাৰ কৰিছিল । পিছৰ এক পংক্তিত বর্ণিত পোৱা যায় যে বিষ্ণুৱে ইন্দ্ৰৰ অনুৰোধত নৰকক হত্যা কৰিছিল । কাৰণ পদমর্য্যাদা নৰকৰ দ্বাৰা বিপদাপন্ন হৈছিল, একেদৰেই বর্ণিত আছে যে নৰকৰ মাতৃ পৃথিৱীয়ে ভগৱান বিষ্ণুৰ পৰা পুত্ৰৰ বাবে "ব্ৰহ্মাস্ত্ৰ" লাভ কৰিছিল । পিছত, এই ব্ৰহ্মাস্ত্ৰ নৰকৰ পুত্ৰ ভগদত্তৰ হাতলৈ যায়।

> পৌৰাণিক কাহিনী কি? এইটো কিংবদন্তীতকৈ কেনেকৈ পৃথক?
>
> এই দুটা শব্দ আমি প্ৰায়ে আন্তঃ-পৰিৱর্তনশীলভাৱে শব্দটো ব্যৱহাৰ কৰোঁ, কিন্তু ইয়াৰ বিভিন্ন অর্থ আছে। পৌৰাণিক কাহিনীবোৰ ঈশ্বৰ আৰু ঈশ্বৰৰ কাহিনীৰ বিষয়ে। সেইবোৰ পবিত্ৰ আখ্যান। আনহাতে কিংবদন্তীসকলে প্ৰকৃত নায়কসকলৰ সৈতে সম্পর্ক ৰাখে, যাক অতি-মানুহ হিচাপে কল্পনা কৰা হয়। পৌৰাণিক কাহিনীবোৰৰ এটা আধ্যাত্মিক আধাৰ আছে আনহাতে কিংবদন্তিসকলৰ কিছু ঐতিহাসিক আধাৰ আছে।

মহাভাৰতত নৰকৰ পুত্ৰ ভগদত্তৰ বিষয়ে অসংখ্য উল্লেখ পোৱা যায় । ভগদত্ত প্ৰাগজ্যোতিষৰ শাসক হোৱাৰ লগতে দেৱৰাজ ইন্দ্ৰ আৰু কুৰু বংশৰ যুৱৰাজ পাণ্ডৱ বন্ধু আছিল। কথিত আছে যে তেওঁ যুধিষ্ঠীৰৰ 'ৰাজসূয়' যজ্ঞৰ উপলক্ষে তেওঁ যুধিষ্ঠীৰক এটা লোৰ পাত্ৰ আৰু হাতীদাঁতৰ নালযুক্ত তৰোৱাল উপহাৰ দিছিল । তেওঁ কুৰু ৰজা দুর্য্যোধনক সৈনিক যোগান ধৰিছিল য'ত "চীনা" আৰু "কিৰাত" সকল অন্তর্ভুক্ত আছিল । ভগদত্তই কুৰুক্ষেত্ৰৰ যুদ্ধত দুর্য্যোধনৰ পক্ষতহে যুদ্ধ কৰিছিল । কথিত আছে যে ভগদত্তক অর্জুনে বধ কৰিছিল আৰু তেওঁৰ পুত্ৰ বজ্ৰদত্তই যুধিষ্ঠীৰৰ অশ্বমেধ যজ্ঞৰ ঘোৰাক বাধা দিওতে অর্জুনৰ হাততে নিহত হৈছিল ।

মহাভাৰতৰ সভাপর্বৰ দিগ্বিজয় ভাগত উল্লেখ আছে যে ভগদত্ত তেওঁৰ অনুগামীসকলৰ সৈতে পূব সাগৰত, সাগৰতীৰৰ অধিবাসীসকলৰ সৈতে বসবাস কৰিছিল । কথিত আছে যে অর্জুনে তেওঁৰ উত্তৰ দিশলৈ কৰা যাত্ৰাৰ সময়ত প্ৰাগজ্যোতিষৰ ৰজাৰ সৈতে মুখামুখি হৈছিল, যাক অর্জুনে পৰাস্ত কৰিছিল । অনুৰূপ ভাৱে উল্লেখ আছে যে ভীমে তেওঁৰ পূব দিশৰ অভিযানৰ সময়ত ম্লেছ ৰজা আৰু তেওঁৰ সাগৰীয় উপকূলৰ অধিবাসীসকলক পৰাজিত কৰিছিল । কোৱা হয় যে ভীমে এই অভিযানত লৌহিত্য অর্থাৎ ব্ৰহ্মপুত্ৰৰ পাৰত উপনীত হৈছিল ।

*পুৰাণ*সমূহত নৰকক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা আখ্যানসমূহৰ এক বেলেগ ৰূপ বা ভাষ্য পোৱা যায় । অৱতাৰ বাদ অনুসৰি হিন্দু দেৱতা বিষ্ণুৱে মানৱ জাতিক ৰক্ষা কৰিবলৈ পৃথিৱীৰে দহটা বেলেগ ৰূপত নামি আহিছিল বা অৱতাৰ ধাৰণ কৰিছিল । ৰাম আৰু কৃষ্ণ হৈছে বিষ্ণুৰ দুটা আতাইতকৈ প্ৰখ্যাত অৱতাৰ । অৱতাৰবাদ অনুসৰি বিষ্ণুৰ বৰাহ অৱতাৰ আৰু ভূমিদেৱী পৃথিৱীৰ পৰা নৰকৰ জন্ম হৈছিল । *শতপথ ব্ৰাহ্মণ*'ত বিষ্ণুৱে বৰাহৰ ৰূপ ধাৰণ কৰি সাগৰৰ পৰা পৃথিৱীক উদ্ধাৰ কৰাৰ কথা বর্ণিত আছে । পৰৱর্তী সময় চোৱাৰ তৈতেৰেয় আৰাণ্যকত বিষ্ণুৰ বৰাহ ৰূপ কৃষ্ণ বর্ণৰ আৰু এশখন হস্ত যুক্ত বুলি বর্ণিত আছে । পিছৰ সময়চোৱাৰ উপাখ্যানসমূহত ভগৱান বিষ্ণুক প্ৰজাপতি ৰূপে উল্লেখ কৰা হৈছে । *হৰিবংশ*'ত পৃথিৱী আৰু ইয়াৰ ৰক্ষক বিষ্ণুৰ মিলনৰ ফলত নৰকৰ জন্ম হোৱাৰ এক ইংগিত পোৱা যায় ।

'*কালিকা পুৰাণ*' অনুসৰি বিষ্ণুৰ বৰাহ ৰূপ আৰু ভূদেৱী (পৃথিৱী) ৰ মিলনৰ ফল আছিল এক শক্তিশালী পুত্ৰ, ধৰাৰ ভালৰ বাবে যাৰ জন্মত বিলম্ব কৰা হৈছিল । বিষ্ণুৱে পৃথিৱীক তেওঁৰ গৰ্ভত তেওঁৰ পুত্ৰক সত্য যুগ শেষ নোহোৱা পৰ্য্যন্ত ধাৰণ কৰি থাকিবলৈ উপদেশ দিছিল । আনহাতে বিদেহৰ ৰজা জনক সন্তানহীন আছিল আৰু সন্তান লাভৰ বাবে এক যজ্ঞৰ আৰম্ভ কৰিছিল । ইয়াৰ ফলত দুজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ জন্ম হৈছিল । ইয়াৰে কন্যা সন্তান গৰাকীক (সীতা) পৃথিৱীৰ বুকু খান্দি উলিয়াব লগীয়া হৈছিল । নাৰদৰ উপদেশ অনুসৰি, ৰজা জনকে পৃথিৱীৰ খনন কৰিছিল আৰু পৃথিৱীয়ে কন্যা শিশুটিক জনকক অর্পণ কৰি অনুৰোধ কৰিছিল যাতে ৰজা জনকে সীতা যি স্থানৰ পৰা জন্ম হৈছিল সেই একেই স্থানৰ পৰা জন্ম পাব লগীয়া পৃথিৱী বা ভূদেৱীৰ পুত্ৰসন্তানটিৰ লালন পালন কৰে । ভগৱান বিষ্ণুৰ অন্য এক অৱতাৰ ৰামৰ দ্বাৰা ৰাৱণৰ নিধন হোৱাৰ পিছত, পৃথিৱী সীতা জন্ম হোৱা সেই যজ্ঞভূমিলৈ যায় আৰু নৰকক জন্ম দিয়ে । ভগৱান বিষ্ণুৱে এই সন্তানটিক বৰ প্ৰদান কৰে যে এই সন্তানটি এক গুপ্ত সাম্ৰাজ্যৰ শাসক হ'ব আৰু কয় যে তেওঁ মানৱ প্ৰকৃতিৰ অধিকাৰী হৈ থকা পৰ্য্যন্ত সম্পদশালী হৈ থাকিব। কিন্তু মানৱ প্ৰকৃতি ত্যাগ কৰাৰ লগে লগে নিজৰ ধবংস মাতি আনিব । ৰজা জনকে এই সন্তানটিক তুলি লয় আৰু ঋষি গৌতমে লাওখোলাৰ ভিতৰত পোৱা বাবে সন্তানটিক নৰক নামেৰে নামা কৰণ কৰে । যোল্ল বছৰলৈকে নৰক ৰজা জনকৰ ৰক্ষণাবেক্ষণত আৰু কাত্যায়ণী নামেৰে ধাত্ৰী ৰূপী পৃথিৱীৰ দ্বাৰা লালিত পালিত হৈ ডাঙৰ হয় । যোল্ল বছৰ পূৰ্ণ কৰাৰ পিছত, বিষ্ণুৱে তেওঁক প্ৰাগজ্যোতিষ নগৰলৈ লৈ যায় । প্ৰাগজ্যোতিষ নগৰ কামৰূপৰ সোমাজত অৱস্থিত আছিল আৰু ইয়াত শিৱ আৰু কামাখ্যাক মুখ্য দেৱ- দেৱীৰূপে উপাসনা কৰা কিৰাতসকল বসবাস কৰিছিল । বিষ্ণুৰ উপদেশ মৰ্মে নৰকে কিৰাতসকলৰ ৰজা ঘটকক হত্যা কৰে আৰু কিৰাতসকলক পূব দিশলৈ দিক্কৰবাসিনী (দিখৌ) নৈৰ সিপাৰলৈ বিতাৰিত কৰে ।

নৰকৰ ৰাজ্যাভিষেক বিষ্ণুৰ দ্বাৰা কৰা হয় । নৰকৰ ৰাজ্যৰ সীমা কৰতোৱা নদীৰ পৰা পুব দিশলৈ দিক্কৰবাসিনী দেৱীৰ মন্দিৰ পৰ্য্যন্ত বিস্তাৰিত আছিল । নৰকৰ ৰাজ্যত ব্ৰহ্মাৰ পুত্ৰ লৌহিত্য বা ব্ৰহ্মপুত্ৰ আৰু অন্য মুখ্য দেৱ দেৱীৰ বাহিৰেও মহামায়া যোগিনী অর্থ্যাৎ কামাখ্যাৰ বসতিস্থল আছিল । এই স্থান পিছলৈ কামৰূপ নামেৰে জনাজাত হৈ উঠিল য'ত কথিত আছে যে বিষ্ণুৱে বেদশাস্ত্ৰত পাৰঙ্গত ব্ৰাহ্মণ, চাৰি বৰ্ণৰ সদস্য আৰু অন্যান্যসকলক স্থাপিত কৰিছিল । এইসময়তে নৰকে বিদৰ্ভৰ ৰাজকুমাৰী মায়াক বিবাহ কৰিছিল আৰু বিষ্ণুৱে তেওঁক এদাল দিব্য যাঠী উপহাৰ আগবঢ়াই আত্মৰক্ষাৰ বাহিৰে এই অস্ত্ৰক মানৱৰ বিপক্ষে ব্যৱহাৰ নকৰিবলৈ উপদেশ দিছিল । বিষ্ণুৱে লগতে নৰকক কেৱল দেৱী কামাখ্যাক উপাসনা কৰিবলৈ আৰু কেতিয়াও ব্ৰাহ্মণ, দেৱতা আৰু ঋষিসকলক ক্ষতি নকৰিবলৈ সকীয়াইছিল ,যাৰ অন্যথা নৰকে নিজৰ মৃত্যুক আমন্ত্ৰণ জনাব।

বহু বৰ্ষলৈকে নৰকে সুচাৰুৰূপে শাসনকার্য্য পালন কৰে আৰু তেওঁৰ ৰাজ্যলৈ ঐশ্বৰ্য-সমৃদ্ধিৰ আগমন ঘটিছিল । কিন্তু সোনকালেই তেওঁ শোণিতপুৰৰ (শোণিতপুৰ জিলাৰ তেজপুৰ বুলি চিহ্নিত কৰা হৈছে) অসুৰ ৰজা বাণৰ প্ৰভাৱলৈ আহে । বাণ শিৱৰ উপাসক আছিল আৰু

ব্রাহ্মণসকলৰ প্ৰতি অসন্মান আৰু অৱহেলা প্ৰকাশ কৰিবলৈ ধৰে । কথিত আছে যে এবাৰ ঋষি বশিষ্ঠই কামাখ্যাৰ উপাসনা কৰিব আহিছিল। কিন্তু নৰকে ইয়াৰ অনুমতি দিয়া নাছিল । ক্ষুণ্ণ হৈ ঋষি বশিষ্ঠই নৰকক অভিশাপ দিয়ে যে নৰক বিষ্ণুৰ মানৱ ৰূপৰ দ্বাৰা নিহত হ'ব আৰু যেতিয়ালৈকে নৰক জীয়াই থাকিব কামাখ্যা পৃথিৱীৰ পৰা আদৃশ্য হৈ থাকিব । নৰক এই সময়চোৱাতে বাণৰ সৈতে ঘনিষ্ঠতা বজাই ৰাখে আৰু লৌহিত্যৰ পাৰত এহেজাৰ মানৱ বৰ্ষ ধৰি থিয় হৈ থাকি ব্ৰহ্মাক সন্তুষ্টি কৰিবলৈ চেষ্টা কৰে। ব্ৰহ্মাই প্ৰসন্ন হৈ তেওঁক বৰ প্ৰদান কৰে। কিন্তু লগতে সাৱধানবাণী শুনাই যে নৰকে যেন তিলোত্তমাকে আদি কৰি অন্যান্য অপ্সৰাসমূহ, নৰক অহাৰ আগেয়ে যিসকলৰ পৃথিৱীত জন্ম ধাৰণ কৰিছিল, তেওঁলোকৰ ওপৰত নিৰ্যাতন নচলায় যেন। বাণৰ পৰামৰ্শ অনুসৰি নৰকে শীঘ্ৰেই দেৱতা, ঋষি আৰু অন্যান্যসমূহক আক্ৰমণ কৰে । তেওঁৰ এই কৰ্মত তেওঁক তেওঁৰ চাৰিপুত্ৰ ক্ৰমে ভগদত্ত, মহশিৰ্ষ, মদৰত আৰু সুমালিন আৰু লগতে হয়গ্ৰীৱ, মাৰু আৰু অন্যান্য অসুৰবোৰে সহায় কৰিছিল । নৰকে অদিতিৰ কাণৰ কুণ্ডল চুৰ কৰিছিল আৰু পৃথিৱী আৰু স্বৰ্গত অত্যাচাৰ চলাইছিল । ইয়াৰ বাবে বিষ্ণুৱে কৃষ্ণৰ অৱতাৰ গ্ৰহণ কৰে আৰু প্ৰাগজ্যোতিষলৈ গৈ নৰকক হত্যা কৰে । নৰকৰ পুত্ৰ ভগদত্তক ৰজা পতা হয় আৰু তেওঁ পিতৃ নৰকৰ বিষ্ণুপ্ৰদত্ত যাঠী লাভ কৰে । কৃষ্ণই কুণ্ডল, মণিপৰ্বত আৰু বৰুণৰ ছত্ৰ লৈ দ্বাৰাকালৈ প্ৰত্যাৱৰ্তন কৰে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক।

(i) মহাভাৰতৰ সভা পৰ্বৰ.....ভাগত উল্লেখ আছে যে ভগদত্তই তেওঁৰ অনুগামীসকলৰ সৈতে পূবসাগৰত বসবাস কৰিছিল ।

(ii) .....ত প্ৰজাপতিয়ে গাহৰি/বৰাহ ৰূপত সাগৰৰ পৰা পৃথিৱীক উদ্ধাৰ কৰাৰ কথা উল্লেখ আছে ।

(iii) হৰিবংশই আমাক..... আৰু তেওঁৰ ত্ৰাণকৰ্ত্তা বিষ্ণুৰ মিলনৰ ফলত নৰকৰ জন্ম হোৱাৰ ইংগিত দিয়ে ।

(iv) নৰকক অসমৰ অন্যতম প্ৰাচীন ৰজা যাক..... আৰু..... নামেৰে জনা যায়, বুলি চিহ্নিত কৰা হৈছে ।

২.৪ ঐতিহাসিক আখ্যানসমূহ

মধ্যযুগৰ শেষৰ পিনে ৰজা নৰকৰ কিংবদন্তিক ন সংযোজন আৰু পৰিবৰ্তনৰ দ্বাৰা আৰু অধিক অলংকৃত কৰি তোলা হয় । ১৭ শতিকাৰ আৰম্ভণীৰ পিনে ৰচিত কালিৰাম দাসৰ বেংগলী *মহাভাৰত*'ত আধাৰিত কৰি অসম আৰু বেংগলত ভগদত্তক দুৰ্য্যোধনৰ পত্নী ভানুমতিৰ পিতৃ বুলি গণ্য কৰা হয় । অন্য কিছুসংখ্যক পৰম্পৰা মতে ভগদত্তই দুৰ্য্যোধনৰ ভগ্নীক বিবাহ

কৰাইছিল। যদিও ভগদত্ত আৰু দুর্য্যোধনৰ মাজৰ এনে সম্বন্ধৰ কথা পুৰাণত পোৱা নাযায়, তথাপি এতিয়াও মানুহে বিশ্বাস কৰে যে দুর্য্যোধন আৰু ভানুমতিৰ মাজৰ বিবাহৰ শুভ উপলক্ষে গুৱাহাটীত এটা পুখুৰী খন্দা হৈছিল ।

কলহনৰ *ৰাজতৰংগিনী*'ত এনে এক ধৰণৰ আখ্যান পোৱা যায় যত উল্লেখ আছে যে কাশ্মীৰৰ ৰজা মেঘবাহনে প্ৰাগজ্যেতিষৰ ৰজাৰ কন্যা, অমৃতপ্ৰভাৰ স্বয়ম্বৰত উপস্থিত আছিল। তেওঁ এই কন্যা গৰকীক বিবাহ কৰিছিল আৰু বৰুণৰ ছত্ৰ লাভ কৰিছিল। যেতিয়া মেঘবাহনে এই ছত্ৰ বৰুণক ঘূৰাই দিছিল, বৰুণে কয় যে এই ছাত্ৰটি তেওঁৰ পৰা তেওঁৰ শহুৰেকৰ পিতৃয়ে লৈ গৈছিল । ইয়াৰ পৰা অনুমান কৰিব পাৰি যে অমৃতপ্ৰভা নৰকৰ নাতিনী আছিল ।

হৰ্ষচৰিত'ত ভাস্কৰবৰ্মনৰ পূৰ্বপুৰুষৰ তালিকাত পুষ্পদত্তৰ নাম উল্লেখ কৰা হৈছে আৰু তেওঁৰ নাম ভগদত্ত আৰু ব্ৰজদত্তৰ পিছত স্থান দিয়া হৈছে। কিন্তু এই তথ্যক অন্য কোনো সমলৰ দ্বাৰা নিশ্চিত কৰা হোৱা নাই । অন্য কিছু সংখ্যক লেখকে কুৰুক্ষেত্ৰৰ যুদ্ধত পাণ্ডৱ নকুলৰ হাতত নিহত পুষ্পদত্তক ভগদত্তৰ পুত্ৰ ৰূপে উল্লেখ কৰিছে। প্ৰথম সময়চোৱাৰ সাহিত্যিক আৰু লিপিগত সমল বা পৰপস্পৰাৰ বিপৰীতে, মধ্যযুগৰ অসমৰ লিপিসমূহে ব্ৰজদত্তৰ লোকবিশ্বাস সমূহক এক বিস্তৃৰ্ণ ৰূপ দিয়া দেখা যায় । কথিত আছে যে ভগদত্তই প্ৰাগজ্যোতিষৰ অধিপতি হোৱাৰ পিছত তেওঁৰ কনিষ্ঠ ভাতৃ ব্ৰজদত্তই অৰণ্যলৈ গৈ তেওঁৰ উপাস্যদেৱতা শিৱক কঠোৰ তপস্য কৰিবলৈ আৰম্ভ কৰে । তেওঁ এই কার্য্যত সফল হয় আৰু শিৱৰ দ্বাৰা উপৰিপট্টনৰ অধিপতি আৰু প্ৰাগজ্যোতিষৰ ভৱিষ্যতৰ অধিপতি হোৱাৰ বৰ লাভ কৰে । ডুবি তাম্ৰপত্ৰৰ পঞ্চম স্তৱকত ব্ৰজদত্তৰ দ্বাৰা বহু ঘোৱা উৎসৰ্গা কৰাৰ কথা উল্লেখ পোৱা যায় । *যোগিনীতন্ত্ৰ, হৰগৌৰীসংবাদ, আইন-ই-আকৰৰ*(১৫৯৫ খ্ৰীষ্টাব্দত ৰচনাকার্য্য সমাপ্ত হোৱা) আৰু *মণ্ডলপঞ্জী* আদি কৰ্মৰাজিত নৰকৰ আখ্যান আৰু তেওঁৰ উত্তৰাধিকাৰী সকলৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ ঃ কালিৰাম দাসৰ বাংলা মহাভাৰত ৰচনা কৰা হৈছিল ?

.....

প্ৰশ্ন নং ৩ ঃ অমৃতপ্ৰভা কোন আছিল ?

.....

প্ৰশ্ন নং ৪ ঃ নৰকৰ উপাখ্যান আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে উল্লেখ থকা তান্ত্ৰিক বৌদ্ধ সাহিত্যিক কৰ্মৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৫ ঃ কোনখন লিপিত ব্ৰজদত্তৰ দ্বাৰা ঘোৱা উৎসৰ্গা কৰাৰ কথা পোৱা যায়।

.....



২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাহিত্যিক পাঠসমূহত উল্লেখ থকা ৰজা নৰকৰ বিষয়ে জানিবলৈ সমর্থ হ'ল।
- নৰকৰ উত্তৰাধিকাৰীসকলৰ লগত জড়িত ঐতিহাসিক আখ্যান সমূহৰ বিষয়ে জ্ঞাত হ'ল ।
- পুৰাণ আৰু অন্যান্য সাহিত্যিক পাঠসমূহত গুৰুত্বপূর্ণ বুলি উল্লেখ কৰা ঐতিহাসিক সময়চোৱাৰ বিষয়ে জানিব পাৰিলে।



২.৬ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (i) দিগ্বিজয়
(ii) হৰিবংশ
(iii) পৃথিৱী
(iv) ভৌম আৰু অসুৰ

২ নং প্রশ্নৰ উত্তৰ ঃ ১৭শ শতিকাৰ আৰম্ভণীত

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রাগজ্যোতিষৰ ৰজাৰ কন্যা

৪ নং প্রশ্নৰ উত্তৰ ঃ যোগিনী তন্ত্র

৫ নং প্রশ্নৰ উত্তৰ ঃ ডুবি তাম্র পত্র লিপি



২.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বাণ ৰজা কোন আছিল?

প্রশ্ন ২ ঃ নৰকৰ সাম্রাজ্যৰ ক্ষেত্রৰ পৰিসীমাৰ উল্লেখ কৰক?

প্রশ্ন ৩ ঃ নৰকক নিধন কৰাৰ পিছত, কৃষ্ণই দ্বাৰকালৈ কিছু সামগ্রী সহ প্রত্যাৱর্তন কৰিছিল। এই সামগ্রীসমূহৰ নাম উল্লেখ কৰক।

চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমু টোকা লিখক
(ক) ভগদত্ত (খ) জনক (গ) বৰাহ

ৰচনাধর্মী ৰচনা (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ নৰকৰ উপাখ্যান আৰু তেওঁৰ উত্তৰাধিকাৰীসমূহৰ গুৰুত্ব প্রকাশ কৰাত পুৰাণসমূহৰ ভূমিকাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ ঃ মহাভাৰতে আমাক ৰজা নৰকৰ বিষয়ে কি জানিবলৈ দিয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ সাহিত্যিক সমলসমূহৰ দ্বাৰা নৰক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ সময়ৰ প্রাগজ্যোতিষৰ চিত্র ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ নৰকৰ ঐতিহাসিক সময়চোৱাৰ ধর্মৰ বিষয়ে সাহিত্যিক পাঠসমূহে কি আলোকপাত কৰক।

*** ***** ***

অধ্যায় ৩ ঃ প্রাচীন অসমৰ শাসকীয় বংশসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বৰ্মন

৩.৪ শালস্তম্ভ বংশ

৩.৫ পাল বংশ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ শাসকীয় বংশসমূহৰ বিষয়ে বর্ণনা কৰ্ত্তিলৈ সমর্থ হ'ব,
- শালস্তম্ভ আৰু পাল বংশীয় শাসকসকলৰ বিষয়ে বিস্তৃতভাৱে বর্ণনা কৰিব পাৰিব,
- প্রাচীন অসমৰ আৰম্ভনীৰ সময়চোৱাৰ ৰাজবংশসমূহৰ শাসনৰ সময়ছোৱাৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি নৰক আৰু তেওঁৰ উত্তৰাধিকাৰী সকলৰ কিংবদন্তিমূলক যুগটোৰ কথা আলোচনা কৰিলো। এই অধ্যায়ত আমি প্রাগজ্যোতিষ আৰু কামৰূপ নামেৰে জনাজাত এই ৰাজ্যৰ শাসকীয় বংশসমূহৰ এক চমু অধ্যয়নৰ দ্বাৰা প্রচীন অসমৰ ৰাজনৈতিক ইতিহাসৰ বিষয়ে অধ্যয়ন কৰিম।

প্রাচীন অসমৰ প্রাৰম্ভিক শাসকীয় বংশসমূহ আছিল ক্রমে বৰ্মন বংশ (৩৫০-৬৫০ খ্রীঃ), শালস্তম্ভ (৬৯৫-৯০০ খ্রীঃ) আৰু পাল বংশ (৯০০-১১০০ খ্রীঃ) এতিয়া আমি ইয়াৰে অন্তর্গত বৰ্মন বংশৰ পৰা আৰম্ভ কৰো আহক—

৩.৩ বৰ্মন বংশ

চতুর্থ শতিকাৰ প্রথম বা শেষার্দ্ধৰ পিনে বৰ্মনসকলে প্রচীন অসমৰ কামৰূপ অংশত এক ৰাজ্য প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। প্রায় তিনি শতিকা ধৰি শাসন কৰা এই বৰ্মন বংশৰ প্রথমজন জানিব পৰা ঐতিহাসিক ৰজা আছিল পুষ্যবৰ্মন।

তেওঁ মগধৰ গুপ্ত সাম্ৰাট, সমুদ্রগুপ্তৰ (৩৩৫-৩৭৬ খ্ৰীঃ) ৰ শেষ সময়চোৱাৰ সমসাময়িক আছিল। তেওঁ নৰকৰ উত্তৰসুৰী আছিল বুলি দাবী কৰিছিল। পুষ্যবৰ্মন এজন অভিযানপ্রিয় নেতা আছিল আৰু তেওঁ সমসাময়িক কামৰূপৰ ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ নিজকে এই স্থানৰ শাসক ৰূপে প্রতিষ্ঠা কৰে। পুষ্যবৰ্মনৰ বংশক নৰক-ভৌম বংশ বুলি কোৱা হৈছিল। ইয়াৰ উপৰি, এই বংশক বৰ্মন বংশ বুলিও জনা গৈছিল। যিহেতু এই বংশৰ ৰজাসমূহৰ নামৰ শেষ 'বৰ্মন' শব্দৰে হৈছিল।

পুষ্যবৰ্মনক গুপ্ত শাসকৰ অধীনস্থ মিত্র ৰূপে গণ্য কৰা হৈছিল। সমুদ্রগুপ্তৰ এলাহাবাদ স্তম্ভ লিপিত কামৰূপৰ ৰজাক *"প্রত্যন্ত নৃপতি"* বুলি উল্লেখ কৰা হৈছে। আকৌ, ডুবি ফলকত সংলগ্ন হৈ থকা ভাস্কৰবৰ্মনৰ মোহৰত পুষ্যবৰ্মনক *"মহাৰাজাধিৰাজ"* আৰু *"প্রাগজ্যোতিষৰ অধিপতি"* বুলি উল্লেখ কৰা হৈছে। ইয়াৰে 'মহাৰাজাধিৰাজ' উপাধিয়ে পুষ্যবৰ্মনৰ স্বাধীন স্থিতিক উনুকিয়াই। অনুমান কৰিব পাৰি যে প্রথমাৱস্থাত পুষ্যবৰ্মন গুপ্ত ৰজা অধীনস্থ এক সামন্ত ৰজা আছিল। কিন্তু পিছলৈ তেওঁ এক স্বাধীন শাসক হয় আৰু কামৰূপক এক উচ্চ অৱস্থানলৈ উন্নীত কৰে।

তেওঁৰ উত্তৰাধিকাৰী সমুদ্রবৰ্মনে নিজৰ দক্ষতাৰ পৰিচয় দিছিল। পুষ্যবৰ্মন আৰু সমুদ্রবৰ্মনৰ উত্তৰাধিকাৰী সকলে তেওঁলোকৰ সাম্ৰাজ্যলৈ গৌৰৱ আৰু কৃতিত্ব কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। বৰ্মন বংশৰ আটাইতকৈ উল্লেখযোগ্য শাসক আছিল সুপ্রতিষ্ঠিত বৰ্মনৰ কনিষ্ঠ ভাতৃ ভাস্কৰবৰ্মন। জ্যেষ্ঠ ভাতৃৰ মৃত্যুৰ পিছত ভাস্কৰবৰ্মন ৬০০ খ্ৰীঃত কামৰূপৰ সিংহাসনত অধিষ্ঠিত, হয় আৰু ৬৫০ খ্ৰীঃলৈকে ৫০ বছৰ কাম শাসন কৰে। বৰ্মন বংশৰ শাসকসকলৰ ভিতৰত ভাস্কৰবৰ্মন আটাইতকৈ লব্ধপ্রতিষ্ঠ আছিল। তেওঁৰ কৰ্মৰাজি কেৱল তেওঁৰ ৰাজ্যৰ পৰিসীমাতেই সীমাবদ্ধ হৈ থকা নাছিল।

তেওঁৰ সিংহাসনত আৰোহণ কৰা সময়ত, মহাসেনগুপ্ত আৰু শশাংকৰ হাতত পুন্দ্রবর্ধন পৰাজয় হোৱাৰ ফলত কামৰূপৰ গৌৰৱ অৱনমিত হৈছিল। মগধ আৰু কনৌজৰ অধিপতীৰূপে গৌড়ৰ শশাংকৰ উত্থান ভাস্কৰবৰ্মনে স্বীকাৰ কৰি ল'ব পৰা নাছিল। এনে এক পৰিস্থিতিত ভাস্কৰবৰ্মনে থানেশ্বৰৰ ৰজা হর্ষবর্ধনৰ সৈতে মিত্রতা গঢ়ি তোলে।

এই যৌথ আক্রমণৰ সন্মুখীন হ'ব নোৱাৰি শশাংকই উৰিষ্যালৈ পলাই যায় য'ত তেওঁ ৬১৯-৬২০ খ্ৰীঃলৈ শাসন কৰে। এই বিজয়ৰ দ্বাৰা গৌড় ইয়াৰ ৰাজধানী কর্ণসুবর্ণসহ ভাস্কৰবৰ্মনৰ হাতলৈ আহে। এই উপলক্ষক চিৰ স্মৰণীয় কৰিবলৈ তেওঁ কর্ণসুবর্ণৰ বিজয়ী শিবিৰৰ পৰা পুনবর্ধনত ভূতিবৰ্মনে কৰা ভূমি দানক পুনিশ্চিত কৰি নিধনপুৰ দানলিপি জাৰি কৰে। পিছলৈ ভাস্কন্দ্রৰবৰ্মনে হর্ষবর্ধনে আয়োজন কৰা কনৌজৰ ধর্মীয় সভা আৰু প্রয়াগত অনুষ্ঠিত ধর্মীয় সমাবেশ ত অংশগ্রহণ কৰিছিল। চীনা তীর্থযাত্রী পৰিব্রাজক হিউৱেন চাঙে কামৰূপ ৰাজ্য ভ্রমণ কৰিছিল আৰু ৰজা ভাস্কৰবৰ্মনৰ ৰাজসভাত উপস্থিত আছিল। হিউৱেন চাং ভাস্কৰবৰ্মনৰ অতিথ্যত আৰু কামৰূপ ৰাজ্যত বিৰাজ কৰা শান্তি আৰু সমৃদ্ধিত সন্তোষ লাভ কৰিছিল। ভাস্কৰবৰ্মন অবিবাহিত আছিল আৰু সিংহাসনৰ কোনো উত্তৰাধিকাৰী নোহোৱাকৈ মৃত্যুবৰণ কৰে। ইয়ে বৰ্মন বংশৰ শাসন কালৰ অন্ত পেলায়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ বর্মন বংশৰ প্রথম শাসকজনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ২ ঃ পুষ্যবর্মনৰ উত্তৰাধিকাৰী কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ ভাস্কৰবর্মনে কোনজন শাসকৰ সৈতে আৰু কাৰ বিৰুদ্ধে মিত্র জোঁট স্থাপন কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ বর্মন বংশৰ প্রথম শাসকজনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৫ ঃ ভাস্কৰবর্মনৰ সময়ত কামৰূপ ৰাজ্য ভ্রমণ কৰা চীনা পৰিব্রাজকজনৰ নাম উল্লেখ কৰক।

.....

৩.৪ শালস্তম্ভ বংশ

ভাস্কৰবর্মনৰ মৃত্যুৰ লগে লগে কামৰূপ ৰাজ্যৰ শাসনভাৰ ম্লেছসকলৰ হাতলৈ যায়। শালস্তম্ভসকলৰ পিছত শাসনাধীস্থ হোৱা পালবংশীয় ৰজা ৰত্নপালে জাৰী কৰা বৰগাওঁ তাম্র লিপিয়ে সূচিত কৰে যে ম্লেছসকলৰ নেতা শালস্তম্ভই (৬৫৫-৬৭০ খ্রীঃ) ত এটা নতুন ৰাজবংশৰ শাসন প্রতিষ্ঠা কৰে যাক তেওঁৰ নাম অনুযায়ী শালস্তম্ভ বংশ বুলি জনা যায়।

ৰত্নপালৰ বৰগাওঁ তাম্রফলকত উল্লেখ আছে যে শালস্তম্ভ বংশৰ ২১ জন ৰজা আছিল আৰু শেষৰজনৰ নাম ত্যাগসিংহ আছিল। কিন্তু আমি শালস্তম্ভ বংশৰ কেৱল ১৫ জন ৰজাৰ বিষয়েহে জানিব পাৰো। শালস্তম্ভক এই অঞ্চলৰ আদিম অধিবাসীসকলৰ এজন নেতা বুলি অনুমান কৰা হয়। কিন্তু ম্লেচ বংশৰ ৰজাসকলে তেওঁলোকক নিজকে নৰকৰ বংশোভৱ বুলি দাবী কৰিবলৈ আৰম্ভ কৰে। নৰক এজন বৰ শক্তিশালী ৰজা আছিল। এইখিনিতে এইটোও উল্লেখ পোৱা যায় যে শালস্তম্ভৰ পিছত বিজয় পালক, কুমাৰ আৰু বজ্রদেৱ ৰজা হৈছিল যদিও তেওঁলোকৰ শাসনকাল বৰ গুৰুত্বপূর্ণ নাছিল।

ৰজা হর্জৰবর্মনৰ (৮১৫-৮৩৭খ্রীঃ) আগলৈকে শালস্তম্ভ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে সামান্য মাত্রহে জনা যায়। শালস্তম্ভৰ বাহিৰে ৰজা হর্জৰবর্মনৰ আগৰ শালস্তম্ভীয় বংশৰ ৰজাসকলৰৰ ভিতৰত হর্ষবর্মনৰ (৭২৫-৭৪৫ খ্রীঃ) ৰাজত্বকালচোৱা কামৰূপ ৰাজ্যৰ ইতিহাসৰ অন্য এক গৌৰৱময় অধ্যায় আছিল। তেওঁৰ শাসন কালত কামৰূপ কিছু সময়ৰ বাবে গৌৰৱোজ্বল

হৈ উঠে। হর্ষবর্মনৰ পিছত আটাইতকৈ গুৰুত্বপূর্ণ ৰজা আছিল হর্জৰবর্মন। (৮১৫-৮৩৭খ্ৰীঃ) তেওঁ কামৰূপৰ ৰজাসমূহৰ ভিতৰত প্রথম আছিল যিয়ে মহাৰাজাধিৰাজ পৰমেশ্বৰ পৰমভট্টাৰক'ৰ দৰে অলংকাৰপূর্ণ উপাধি গ্রহণ কৰিছিল। হর্জৰবর্মনে তেওঁৰ ৰাজধানী হাৰুপেশ্বৰত যাক আধুনিক সময়ৰ তেজপুৰ বুলি চিহ্নিত কৰা হৈছে তাত 'হেতুকা চুলিন'ৰ বাবে এক সুউচ্চ মন্দিৰ নির্মাণ কৰিছিল।

হর্জৰবর্মনৰ পিছত তেওঁৰ পুত্র বনমাল বর্মন (৮৩৭-৮৫৫খ্ৰীঃ) শাসনাধীস্থ হয়। বনমালবর্মনেও তেওঁৰ পিতৃৰ দৰেই পূব দিশৰ পিনে আর্য্য সংস্কৃতিৰ প্রসাৰ ঘটাবলৈ চেষ্টা কৰে আৰু উত্তৰ কুলৰ ব্রাহ্মণসকলক ভূমি দান আগবঢ়ায়। বনমালা বর্মনে তেওঁৰ পুত্র জয়লাই ৰাজসিংহাসন লাভ কৰাৰ সুবিধার্থে সিংহাসন ত্যাগ কৰে আৰু উপবাসে থাকি মৃত্যু বৰণ কৰে।

দ্বিতীয় বলবর্মন (৪৬০-৪৯০খ্ৰীঃ) শালস্তম্ভ বংশৰ শেষজন শক্তিশালী শাসক আছিল। তেওঁৰ শাসনকালৰ তিনিটা সমল এৰি থৈ গৈছে ক্রমে হাওঁৰাঘাট তাম্র লিপি, নগাওঁৰ তাম্র লিপি আৰু উলুবাৰী তাম্র লিপি। তেওঁ শালস্তম্ভ বংশাৱলী ২১ তম সদস্য আছিল। তেওঁৰ পিছত উত্তৰাধিকাৰীৰ অনুপস্থিত শালস্তম্ভ বংশ বিলুপ্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

(i) ৰজা ৰত্নপালৰ.....ত উল্লেখ আছে যে শালস্তম্ভ বংশত ২১ জন ৰজা আছিল।

(ii) .....য়ে হেতুকা চুলিনৰ বাবে এক সুউচ্চ মন্দিৰ নির্মাণ কৰিছিল।

(iii) .....শালস্তম্ভ বংশৰ অন্তিম শাসক আছিল।

(iv) .....প্রথমজন কামৰূপৰ ৰজা আছিল যিয়ে মহাৰাজধিৰাজ পৰমেশ্বৰ পৰমভট্টাৰকৰ দৰে উচ্চ অলংকাৰযুক্ত উপাধি গ্রহণ কৰিছিল।

৩.৫ পালবংশ

ত্যাগসিংহৰ মৃত্যুৰ পিছত সিদ্ধান্ত গ্রহণ কৰা হয় যে নৰকৰ বংশৰ কোৱোবাক কামৰূপৰ শাসকৰূপে নিয়োগ কৰা উচিত। এনে এক পৰিস্থিতিত ব্রহ্মপালে (৯০০-৯২০খ্ৰীঃ) তেওঁক নিজকে ভৌম-নৰকৰ বংশৰ সৈতে বংশগত সম্বন্ধ থকা বুলি কৰা দাবীৰ বাবে ৰজাৰূপে নির্বাচন কৰা হয়। পাল শাসকসকলে ভৌম নৰকৰ বংশৰ ৰজাসকলৰ সৈতে তেওঁলোকৰ সম্বন্ধ দেখুৱাবলৈ তেওঁলোকৰ নামৰ পিছত 'বর্মন' শব্দটি যোগ দিয়ে।

সম্ভৱতঃ ব্রহ্মপাল ৰাজ্যৰ পশ্চিম অংশৰ ৰাজ্যপাল আছিল। তেওঁৰ পুত্র ৰত্নপালে জাৰী কৰা শিলালিপিত ব্রহ্মপালক এক বিখ্যাত যোদ্ধা ৰূপে বর্ণনা কৰা হৈছে আৰু মহাৰাজাধিৰাজ বুলি আখ্যায়িত কৰা হৈছে। ৰত্নপালৰ বৰগাঁও তাম্র লিপিত উল্লেখ আছে যে ব্রহ্মপালে তেওঁৰ পুত্র ৰত্নপালৰ শাসনাধীষ্ঠ হোৱাহ সুবিধায়ে পদত্যাগ কৰিছিল। ৰত্নপাল (৯২০-৯৩০খ্ৰীঃ) এজন ক্ষমতাশালী পাল বংশীয় শাসক আছিল।

ৰত্নপালে তেওঁৰ তিনিখন দান লিপি ক্রমে চৰাতবাৰী তাম্রলিপি, বৰগাও তাম্রলিপি আৰু শুৱালকুছি তাম্রলিপিত ৰত্নপালক পৰমেশ্বৰ-পৰমভট্টাৰক মহাৰাজাধিৰাজ ৰত্নপালবর্মনদেৱ বুলি বর্ণিত আছে যিয়ে তেওঁৰ ৰাজকীয় অৱস্থানক সূচিত কৰে। ৰত্নপালৰ প্রখ্যাত পৌত্র গোপালৰ গছতল তাম্র লিপিৰ পৰা জানিব পৰা যায় যে ৰত্নপালে গৌড়ৰ ৰজা ৰাজ্যপালক পৰাস্ত কৰিছিল। তেওঁক পিছত তেওঁৰ নাতিয়েক ইন্দ্রপাল শাসনাধীষ্ঠ হৈছিল।

গোপালৰ গছতল তাম্রলিপিত উল্লেখ আছে যে ইন্দ্রপালে গৌড়ৰ ৰজাক পৰাস্ত কৰা বংগৰ শ্রীচন্দ্রৰ পুত্র কল্যাপচন্দ্রক পৰাস্ত কৰিছিল। ৰাষ্ট্রকূটসকলৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰি তেওঁ নিজৰ স্থিতি শক্তিশালী কৰি তুলিছিল। তেওঁৰ গুৱাকুছি দানলিপিয়ে তেওঁৰ উত্তৰ বংগৰ ওপৰত নিয়ন্ত্রণক প্রতীয়মান কৰে। তেওঁৰ গুৱাহাটী লিপিৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে তেওঁৰ শাসনকাল শান্তি আৰু সমৃদ্ধিৰ আছিল।

পৰৱর্তী পাল বংশীয় শাসক আছিল গোপাল (৯৯০-১০১৫খ্রীঃ), তেওঁ ৰাষ্ট্রকূট ৰাজকন্যা ৰাজ্যদেৱী আৰু ইন্দ্র পালৰ পুত্র। ধর্মপালৰ খনামুখ তাম্রলিপি আৰু "শুভংকৰপতাকা" দানলিপিত উল্লেখ থকা অনুসৰি ৰজা গোপাল আকর্ষণীয় ব্যক্তিত্বৰ অধিকাৰী আছিল। গুণ, বুদ্ধিমত্তা, দাশীলতা আৰু বিজেতা হিচাপে তেওঁ অতুলনীয় ৰজা আছিল।

হর্ষপালৰ পুত্র ধর্মপাল (১০৩৫-১০৬০খ্রীঃ) আছিল পাল বংশৰ অন্তিমজন উল্লেখযোগ্য ৰজা। আমি তেওঁৰ সময়ৰ তিনিখন লিপি পাবলৈ সক্ষম হৈছো। সেই কেইখন হৈছে ক্রমে খনামুখ তাম্রলিপি, শুভংকৰ পতাকা দানলিপি আৰু পুষ্পভদ্র তাম্রলিপি। তেওঁ বৰ শক্তিশালী ৰজা আছিল তথা উত্তৰ বংগ আৰু সম্ভৱতঃ তেওঁৰ ৰাজ্যৰ দক্ষিণ-পশ্চিম দিশৰ সাগৰৰ পিনে অঞ্চলত বিজয়ী হৈ কামৰূপৰ ৰাজ্যৰ হেৰুওৱা গৌৰৱ পুনঃ স্থাপন কৰিছিল। গুৱাহাটীত প্রাপ্ত ১৩ শ শতিকাৰ আমবাৰী শিলাখণ্ড লিপিত সমুদ্রপালৰ নাম লিপিবদ্ধ হৈ আছে, যিয়ে সেই সময় পর্য্যন্তলৈকে পালসকলৰ শাসন বর্তি থকাটো সূচীত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলত দিয়াসমূহ মিলাওৱা ঃ

(i) বৰগাও তাম্রলিপি ..... (i) গোপাল

(ii) গছতল তাম্রলিপি ..... (ii) ধর্মপাল

(iii) খনামুখ তাম্র লিপি ..... (iii) ৰত্নপাল

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰণ কৰক ঃ

(i) .....পাল বংশৰ অন্তিমজন গুৰুত্বপূর্ণ ৰজা আছিল।

(ii) .....ত উল্লেখ আছে যে ইন্দ্রপালে বংগৰ ৰজা কল্যাণ চন্দ্রক পৰাস্ত কৰিছিল।

(iii) .....ত লিপিবদ্ধ হৈ আছে যে ব্রহ্মপালে তেওঁৰ পুত্র ৰত্নপালৰ সুবিধার্থে পদত্যাগ কৰিছিল।



৩.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ শাসকীয় বংশসমূহৰ বিষয়ে জানিব পাৰিলে, য'ত বর্মনসকল, শালস্তম্ভসকল আৰু পালসকল অন্তর্ভূক্ত আছে।
- খ্রীঃ চতুর্থ আৰু দ্বাদশ শতিকাৰ মাজত হোৱা ৰাজনৈতিক বিকাশৰ বিষয়ে বিতংভাৱে আলোচনা কৰ্ব্বি পাৰিলে, যাতে এই সময়ছোৱাৰ ৰাষ্ট্র ব্যৱস্থাৰ বিষয়ে এক সম্যক বিৱৰণ লাভ কৰিব পৰা যায়।
- বর্মন, শালস্তম্ভ আৰু পালবংশৰ বাহিৰে, প্রাচীন কামৰূপ ৰাজ্যক কিছুসংখ্যক কম গুৰুত্বপূর্ণ ৰজা সকলে শাসন কৰিছিল, তাৰ বিষয়ে জানিব পাৰিলে।

৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পুষ্যবর্মন

২ নং প্রশ্নৰ উত্তৰ ঃ সমুদ্রবর্মন

৩ নং প্রশ্নৰ উত্তৰ ঃ থানেশ্বৰৰ ৰজা হর্ষবর্ধনৰ সৈতে শশাংকৰ বিৰুদ্ধে

৪ নং প্রশ্নৰ উত্তৰ ঃ হর্ষবর্ধন

৫ নং প্রশ্নৰ উত্তৰ ঃ হিউৱেন চাঙ

৬ নং প্রশ্নৰ উত্তৰ ঃ (i) ৰৰগাও তাম্রলিপি
(ii) হর্জ্জৰবর্ষণ
(iii) ত্যাগসিংহ
(iv) হর্জৰ বর্মন

৭ নং প্রশ্নৰ উত্তৰ ঃ

(i) ৰৰগাও তাম্রলিপি	..... (i) ৰত্নপাল
(ii) গছতল তাম্রলিপি	..... (ii) গোপাল
(iii) খনামুখ তাম্রলিপি	..... (iii) ধর্মপাল

৮ নং প্রশ্নৰ উত্তৰ ঃ
(i) ধর্মপাল
(ii) গছতল তাম্রলিপি
(iii) ৰৰগাও তাম্রলিপি



৩.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বৰ্মন বংশক আৰু কি নামেৰে জনাজাত আছিল?

প্ৰশ্ন ২ ঃ কোনজন ৰজা পৰাস্ত হোৱাৰ ফলত গৌড় ভাস্কৰবৰ্মনৰ হাতলৈ আহিছিল?

প্ৰশ্ন ৩ ঃ ধৰ্মপালৰ সময়ৰ কিছু লিপিৰ নাম উল্লেখ কৰক?

চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

(ক) নৰক ভৌম বংশ (খ) হৰ্জবৰ্মন

(গ) থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধন (ঘ) ইন্দ্ৰপাল

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০- ৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাস্কৰবৰ্মনৰ শাসনৰ অধীনত এক ৰাজ্যৰূপে কামৰূপৰ উত্থানৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ কিমান দূৰলৈকে পালসকলে কামৰূপৰ হেৰুওৱা গৌৰৱ পুনঃ স্থাপন কৰিবলৈ সক্ষম হৈছিল বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ শালস্তম্ভসকলৰ সময়ছোৱাত হোৱা সামাজিক সাংস্কৃতিক বিকাশৰ বিষয়ে বিতংভাৱে লিখক।

*** ***** ***

অধ্যায় ৪ ঃ প্রাচীন অসমৰ প্রশাসন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ প্রাচীন অসমৰ প্রশাসন
৪.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলো
৪.৫ অগ্রগতি ৰ খতিয়ান
৪.৬ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ প্রশাসনীয় ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্রাচীন অসমত প্রচলিত ৰাজহ প্রশাসনৰ বিৱৰণ দিব পাৰিব,
- প্রাচীন অসমত প্রচলিত সামৰিক প্রশাসনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি কামৰূপ নামৰ ভূ-খণ্ডত শাসন চলোৱা ৰাজবংশ আৰু ৰজাসকলৰ বিষয়ে অধ্যয়ন কৰিছিলো। এই অধ্যায়ত আমি প্রাচীন অসমত প্রচলিত প্রশাসনৰ বিষয়ে অধ্যয়ন কৰিম।

এখন ৰাজ্যৰ ৰাজনীতি আৰু প্রশাসন অন্তঃ সংযোগী হৈ থাকে। প্রকৃতার্থত ৰাজনীতি হৈছে নীতি নির্দেশনা, যাৰ ওপৰত ভিত্তি কৰি ৰাজ্যৰ সংহতি ৰক্ষা কৰিব পৰাকৈ আৰু প্রজাবর্গৰ কল্যাণৰ দিশ চোৱা-চিতা কৰিব পৰাকৈ ৰাজ্যৰ প্রশাসনীয় ব্যৱস্থা কেনে হ'ব নির্ধাৰণ কৰা হয়। চৰকাৰৰ প্রকৃতি কেনে হ'ব, চৰম ৰাজতন্ত্র হ'ব নে সীমিত ৰাজতন্ত্র হ'ব, সকলোবোৰ জনসাধাৰণৰ ইচ্ছাৰ ওপৰত নির্ভৰ কৰে, যাক সর্বোচ্চ বুলি গণ্য কৰা হয়।

৪.৩ প্রাচীন অসমৰ প্রশাসন

সমসাময়িক ভাৰতত প্রচলিত সাধাৰণ ধৰনৰ ব্যৱস্থাৰে অসমতো প্রশাসন যন্ত্র পৰিচালিত হৈছিল। প্রাচীন অসমত ৰাজতন্ত্রৰ প্রচলন আছিল। প্রশাসনৰ মুৰব্বীৰূপে ৰজাই ৰাষ্ট্রৰ শাসন পৰিচালনা কৰিছিল। ৰজাক মুখ্যৰূপে ৰাজাধিৰাজ আখ্যা দিয়া হৈছিল। প্রাচীন অসমৰ শাসকসকলে নিজকে ঐশ্বৰিক ধাৰণাৰ সৈতে সংযুক্ত কৰিছিল। তেওঁলোকে আনকি নিজকে বহুসময়ত ভগৱানৰ সৈতেও তুলনা কৰিছিল।

আইন ব্যৱস্থাৰ সুপৰিচালনালৈ লক্ষ্য কৰি ৰাষ্ট্ৰপ্ৰধান ৰূপে ৰজাই শাসন ব্যৱস্থাৰ সুচাৰুৰূপ পৰিচালনাৰ প্ৰতি দৃষ্টি ৰাখিছিল। তেওঁলোকে ব্ৰাহ্মণসকলক ভূমি দান কৰিছিল, বিদ্বানসকলক উৎসাহ যোগাইছিল আৰু বিভিন্ন কলা আৰু হস্তশিল্পৰ উন্নীতকৰণৰ পদক্ষেপ লৈছিল।

প্ৰশাসন পৰিচালনা কৰিবলৈ ৰজাই একশ্ৰেণীৰ মন্ত্ৰী নিয়োগ কৰিছিল। কালিকা পুৰাণৰ মতে ৰজাই বিদ্বান আৰু জ্ঞানী ব্ৰাহ্মণক মন্ত্ৰী ৰূপে নিযুক্তি দিব লাগে আৰু কমৌলি অনুদানৰ মতে এই পদৱীসমূহ সাধাৰণতে ব্ৰাহ্মণসকলে দখল কৰি উত্তৰাধিকাৰ সূত্ৰে ভোগ কৰিছিল। লিখনিসমূহত মন্ত্ৰীসকলক মন্ত্ৰীন, অমাত্য আৰু সচিব ৰূপে উল্লেখ কৰা হৈছে। এক বিশেষ শ্ৰেণীৰ বিষয়াই ৰজাক দায়িত্ব পালনত সহায় কৰিছিল আৰু এইসকলৰ ভিতৰত উল্লেখযোগ্য হৈছে ৰাজগুৰু, ভেষজ, মহাদ্বাৰপতি, মহাপ্ৰতিহাৰ আদি। বাৰ্তা কঢ়িয়াই নিবলৈ বিভিন্ন শ্ৰেণীৰ দূত আছিল আৰু এইসকলে এঠাইৰ পৰা আন ঠাইলৈ বাৰ্তা অনা-নিয়া কৰাৰ লগতে শান্তিৰ বাহক ৰূপে কাৰ্য কৰিছিল। আনহাতে লেখকসকলে প্ৰশাসনীয় বিষয় আৰু কাৰ্যাৱলী লিপিবদ্ধ কৰি গৈছিল।

সাম্ৰাজ্যক কেইবাটাও ভাগত বিভক্ত কৰা হৈছিল যেনে ভুক্তি, মণ্ডল, বিষয়া, পুৰা আৰু অগ্ৰহাৰ। স্থানীয় গোটবোৰে অৱশ্যে ইমান স্বায়ত্ব শাসনৰ অধিকাৰ পোৱা নাছিল। ভুক্তিসমূহ আছিল সৰ্ববৃহৎ প্ৰশাসনীয় বিভাজন। আধুনিক জিলাৰ দৃষ্টিত সেই সময়ত বহুতো বিষয় আছিল। ইয়াৰ তলত আছিল পুৰা যি আছিল চহৰ। আনহাতে কেইবাখনো গাওঁ লগ হৈ অগ্ৰহাৰ গঠন হৈছিল।

প্ৰাচীন অসমৰ লিখনিসমূহৰ পৰা লক্ষ্য কৰিব পাৰি যে ন্যায় হিন্দু ন্যায় গ্ৰন্থ মতে প্ৰদান কৰা হৈছিল। ৰাজধানী আৰু স্থানীয় প্ৰশাসনীয় গোটসমূহত ন্যায়ৰ বাবে আদালত থকাৰ কথা জানিব পৰা যায়। কেতবোৰ বিষয়া যেনে ন্যায়কৰ্ণিকা, ব্যৱহাৰিকা, কায়স্থ, দণ্ডিকা, দণ্ডপছিক আদিয়ে ন্যায় প্ৰদানৰ কাম কৰিছিল। লিপিসমূহত আমি দুই ধৰণৰ আৰক্ষী বিষয়াৰ নাম উল্লেখ কৰা দেখিছো আৰু এয়া হৈছে চৌৰধাৰণিকা আৰু চট-ভাটা। অপৰাধীক কেনে ধৰণৰ শাস্তি প্ৰদান কৰা হৈছিল সেই বিষয়ে জানিব পৰা নগৈছিল যদিও জৰিমনা বিহাৰ কথা জানিব পৰা যায়।

- **ৰাজহ প্ৰশাসন**

প্ৰাচীন অসমত শাসকসকলে এক কাৰ্যকৰী ৰাজহ প্ৰশাসন পৰিচালনা কৰিছিল। অৱশ্যে ৰাজহৰ প্ৰধান উৎস আছিল ভূমিৰ পৰা সংগৃহীত কৰ। কৰ আৰু উপকৰ নামেৰে ইয়াক জনা গৈছিল আৰু উপকৰসমূহ কৃষকৰ পৰা নগদ ধন অথবা শ্ৰমৰ ৰূপত আদায় কৰা হৈছিল। কৃষকসকলৰ পৰা বিশেষ সময়ত উপৰিকৰ আৰু উৎক্ষেতনা নামৰ বিশেষ কৰো আদায় কৰা হৈছিল। ইয়াৰ লগতে নিয়মীয়া আৰু অনিয়মীয়া সামৰিক আৰু আৰক্ষী বাহিনীৰ আগমনৰ সময়ত চট-ভাট-প্ৰৱেশন সংগ্ৰহ কৰা হৈছিল। বাণিজ্যিক কৰৰ ভিতৰত শুল্ক বিভাগৰ কৰ আদিক অন্তৰ্ভুক্ত কৰা হৈছিল। ভূমিৰ কৰ সংগ্ৰহৰ বাবে গাওঁসমূহক ১২খন অথবা তাতোকৈ কম গাঁৱৰ

সমষ্টিত ভাগ কৰা হৈছিল।

ৰাজহ সংগ্রহৰ বাবে থকা প্রশাসনত আছিল দত্তকৰপুর্ণ (কৰ সংগ্রহকাৰী), উপৰিকা (উপৰিকৰ সংগ্রহৰ দায়িত্বত থকা বিষয়া), উৎক্ষেতিকা (উৎক্ষেতনা কৰ সংগ্রহৰ দায়িত্বত থকা বিষয়া) আদি। স্থানীয় প্রশাসনীয় গোটৰ মুৰব্বীৰ দ্বাৰাও ভূমি ৰাজহ সংগ্রহ কৰা হৈছিল। লগতে ক্লার্ক, হিচাপৰক্ষী বিষয়া আৰু আন বিষয়াৰ ব্যৱস্থা ৰাজহ বিভাগত আছিল। ব্রাহ্মণসকলক দান দিয়া ভূমিক কোৱা হৈছিল ব্রহ্মদয়া ভূমি আৰণ্টন আৰু এই ভূমি সম্পূর্ণৰূপে কৰ মুক্ত আৰু ভোক্তাসকলে নির্ভয়ে সেই ভূমি ভোগ কৰিব পাৰিছিল। মন্দিৰ আৰু অন্যান্য ধর্মীয় অনুষ্ঠানকো ভূমি দান দিয়া হৈছিল আৰু ইয়াক কোৱা হৈছিল ধর্মোত্তৰা আৰু দেৱোত্তৰা ভূমি আৰণ্টন। ভূমি আৰণ্টনৰ সকলো নথি-পত্র অধিকৰণৰ নথি জমা ৰখা কার্যালয়ত কাৰনিকা(নথি-পত্রৰ পঞ্জীয়ক)ৰ ওচৰত জমা ৰখা হৈছিল।

- **সামৰিক প্রশাসন**

সেনা পৰিচালনাৰ ক্ষেত্রত ৰজাক সহযোগিতা কৰিছিল যুদ্ধ মন্ত্রীয়ে। তেওঁৰ অধীনত আছিল এজন মহাসেনাপতি আৰু ইয়াৰ পিছত একাদিক্রমে সেনাধ্যক্ষ, বলাধ্যক্ষ আদি । যুদ্ধৰ সময়ত ৰজাক নিজৰ নিজৰ সেনাসহবহুতো স্থানীয় নেতাইও সহায় কৰিছিল। পৰম্পৰাগতভাৱে সেনাৰ চাৰিটা ভাগ আছিল সেইকেইটা হৈছে পদবাহিনী, অশ্ববাহিনী, গজবাহিনী আৰু নদীৰ বুকুৰেদি সেনা অনা নিয়া কৰা জাহাজ। ব্রাহ্মণকে ধৰি সকলো শ্রেণীৰ লোককে সেনাবাহিনীত মকৰল কৰা হৈছিল। স্থাপত্যৰ অৱশেষ আৰু সাহিত্যিক নিদর্শনৰ পৰা প্রাচীন অসমত বহুসংখ্যক দুর্গ থকাৰ কথা জানিব পৰা যায়। প্রাচীন যুগৰ দুর্গ আৰু শিবিৰৰ প্রকৃত অৱশেষ পোৱা যায় গুৱাহাটী, ডিমাপুৰ, বিশ্বনাথ, নুমলীগঢ়, তেজপুৰ আৰু শদিয়াত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়াবোৰ মিলাওক ঃ

(ক) দত্তকর্ণপুর্ণা	.....	চহৰ।
(খ) চট-ভাট	.....	সেনাধ্যক্ষ।
(গ) পুৰা	.....	কৰ সংগ্রহকাৰী।
(ঘ) মহাসেনাপতি	.....	আৰক্ষী বিষয়া।

৪.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমত প্রচলিত প্রশাসনৰ বিভিন্ন দিশৰ বিষয়ে খৰচি মাৰি আলোচনা কৰিবলৈ বিভিন্ন তথ্য আৰু সমল লাভ কৰ্ব্বি পাৰিলে।
- প্রাচীন অসমত প্রচলিত ৰাজহ প্রশাসন আলোচনাকৰ্ব্বি পাৰিলে।
- প্রাচীন অসমত প্রচলিত সামৰিক প্রশাসনআলোচনাকৰ্ব্বি পাৰিলে।



৪.৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

ক) দত্তকর্ণপূর্ণ ..... কৰ সংগ্রহকাৰী।

খ) চট-ভাট ..... আৰক্ষী বিষয়া।

গ) পুৰা ..... চহৰ।

ঘ) মহাসেনাপতি ..... সেনাধ্যক্ষ।



৪.৬ আৰ্হি প্রশ্ন

অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কামাউলি অনুদানে প্রশাসনৰ বিষয়ে কি কয়?

প্রশ্ন ২ ঃ ব্রহ্মদয় ভূমিৰ সংজ্ঞা দিয়ক।

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অগ্রহৰা কিহৰ দ্বাৰা গঠিত আছিল?

প্রশ্ন ২ ঃ কেতবোৰ বিশেষ ভূ-খণ্ডক ৰাজহ অথবা কৰৰ পৰা মুক্ত কৰি দিয়া হৈছিল। নাম উল্লেখ কৰা।

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰাজহ প্রশাসনৰ ওপৰত বিশেষ প্রসংগৰ সৈতে অসমৰ আৰম্ভণিতে প্রশাসন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ প্রাৰম্ভিক অসমৰ প্রশাসনত ৰজাৰ স্থিতি বর্ণনা কৰক।

অধ্যায় ৫ ঃ প্ৰাচীন অসমৰ সমাজ, অৰ্থনীতি আৰু ধৰ্ম

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ প্ৰাচীন অসমৰ সমাজ

৫.৪ প্ৰাচীন অসমৰ অৰ্থনীতি

৫.৫ প্ৰাচীন অসমৰ ধৰ্ম

৫.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো

৫.৭ অগ্ৰগতি ৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাচীন অসমৰ সামাজিক পৰিস্থিতি ব্যাখ্যা কৰিব পাৰিব,
- প্ৰাচীন অসমত প্ৰচলন থকা অৰ্থনৈতিক ব্যৱস্থাৰ বিৱৰণ দিব পাৰিব,
- প্ৰাচীন অসমৰ জনসাধাৰণৰ ধৰ্মীয় জীৱনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি কামৰূপ নামৰ ভূ-খণ্ডত শাসন চলোৱা ৰাজবংশ আৰু ৰজাসকলৰ বিষয়ে অধ্যয়ন কৰিছিলো। এই অধ্যায়ত আমি প্ৰাচীন অসমত প্ৰচলিত সামাজিক পৰিস্থিতি, অৰ্থনৈতিক ব্যৱস্থা আৰু ধৰ্মীয় প্ৰথাৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াত সেই যুগৰ মানুহৰ দৈনন্দিন জীৱনৰ অ-ৰাজনৈতিক দিশসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

৫.৩ প্ৰাচীন অসমৰ সমাজ

পঞ্চম শতিকাৰ শেষাৰ্ধতআৰম্ভ হোৱা আৰ্য আৰু ব্ৰাহ্মণসকলৰ মিশ্ৰিত প্ৰব্ৰজনে প্ৰাচীন অসমৰ সংস্কৃতি প্ৰভাৱিত কৰিছিল। প্ৰাচীন অসমত জাতিভেদ প্ৰথা ইমান কঠোৰ নাছিল। সমাজ ব্যৱস্থা প্ৰধানকৈ বৰ্ণাশ্ৰম ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ় লৈছিল যদিও ইয়াত বাধ্য-বাধকতা নাছিল। ষষ্ঠ শতিকাৰ সংগৃহিত লিপিত কায়স্থ, কৰণ, লেখক, বৈদ্য, কুম্ভকাৰ, কৈৱৰ্ত আৰু তন্ত্ৰব্যাস আদি শ্ৰেণীৰ লোকৰ উল্লেখ আছে। লাহে লাহে ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ মাজৰ পাৰ্থক্য নোহোৱা হৈছিল। প্ৰচলিত চাৰিটা বৰ্ণৰ ঠাইত তিনিটা বৰ্ণৰ ধাৰণাই গা কৰি উঠিছিল। পৰৱৰ্তী সময়ত সমাজ প্ৰধানকৈ দুটা ভাগত বিভক্ত হৈ পৰে- ব্ৰাহ্মণ আৰু শূদ্ৰ, ইয়াৰে দ্বিতীয়

ভাগটোৰে সকলো অ-ব্রাহ্মণক সামৰি লোৱা হৈছিল। যদিও যাগিনীতন্ত্র সমসাময়িক গ্রন্থ নাছিল, তথাপিও ইয়াৰ মাজত অসমৰ সামাজিক পৰিস্থিতিৰ বিষয়ে তথ্য লাভ কৰিব পাৰি। ব্রাহ্মণসকলে সমাজত এক উচ্চ আসন লাভ কৰিছিল।

পৰিয়াল আছিল সমাজৰ আটাইতকৈ ক্ষুদ্র গোট। যুটীয়া পৰিয়ালৰ ব্যৱস্থাৰ বহুল প্রচলন আছিল। বিবাহক অতি পবিত্র সংস্কাৰ বিবেচনা কৰা হৈছিল। বিবাহৰ বিভিন্ন প্রকাৰসমূহ আছিল ব্রাহ্ম, প্রজাপত্য, দৈৱ, অৰ্শ আৰু অসুৰ।

উচ্চ শ্রেণীৰ মহিলাসকলে শিক্ষা লাভৰ সুযোগ লাভ কৰাৰ লগতে তেওঁলোক সামাজিকভাৱে আগ�ৰণুৱা হোৱাটো কামনা কৰা হৈছিল। প্রাচীন যুগৰ ভাস্কর্যসমূহত মহিলাৰ মূর্তিক সাংগীতিক বাদ্য বজাই থকা আৰু নৃত্যৰত অৱস্থাত দেখা পোৱা যায়। ইয়াৰ পৰা বুজা যায় যে মহিলাসকল তেনেকুৱা সৃষ্টিশীল কার্যত লিপ্ত আছিল। পর্দা প্রথাৰ প্রচলন নাছিল আৰু সতী প্রথাৰ একমাত্র উদাহৰণ পোৱা যায় ভাস্কৰবর্মনৰ এগৰাকী ৰক্ষিতা সতী হোৱা ঘটনাৰ পৰা। ব্রাহ্মণসকল আৰু কায়স্থসকলৰ মাজত বাল্যবিবাহৰ প্রথা প্রচলন আছিল। নিম্নশ্রেণীৰ লোকসকলৰ মাজত বিধৱা বিবাহ আৰু বর্ণবর্হিভূত বিবাহৰ প্রচলন আছিল। বহুবিবাহ প্রথাৰ বহুল প্রচলন আছিল। প্রাচীন লিপিসমূহত নগৰীয়া সুন্দৰী, দৰবাৰী আৰু দেৱদাসী অথবা মন্দিৰত নৃত্য কৰা কন্যাসকলৰ জীৱন বর্ণনা কৰা হৈছে। 'তেজপুৰ অনুদান' ত বেশ্যাসকলৰ বিষয়ে উল্লেখ আছে। ৰত্নপালাৰ বৰগাঁও অনুদানত উল্লেখ কৰা অনুসৰি ৰাজধানী চহৰ দুর্জয়াত এইসমূহৰ এক বিশেষ স্থান আছিল।

অসমৰ ৰাইজৰ মূল আহাৰ আছিল ভাত। উচ্চ শ্রেণীৰ লোকসকলৰ মাজত সু�ৰাপান এক অভ্যাস আছিল। আনহাতে নিম্নশ্রেণীৰ লোকে লাওপানী বা চাউলৰ পৰা প্রস্তুত কৰা সুৰা গ্রহণ কৰিছিল। জনসাধাৰণৰ মাজত পাণ-চূণৰ সৈতে তামোল খোৱাৰ অভ্যাসৰ বহুল প্রচলন আছিল ।

প্রাচীন অসমৰ লোকসকলে কেনে ধৰণৰ বস্ত্র-অলংকাৰ পৰিধান কৰিছিল তাৰ তথ্য পোৱা যায় বিভিন্ন লিপি, সাহিত্য আৰু ভাস্কর্যসমূহৰ পৰা। পুৰুষসকলৰ নিম্নাংশৰ সাজৰ ভিতৰত আছিল ধূতী আৰু উচ্চাংশত পৰিধান কৰা বস্ত্র। বিশেষকৈ উচ্চ শ্রেণীৰ লোকসকলে উত্তৰীয় পৰিধান কৰিছিল । সন্মানীয় লোকসকলে পাগুৰী পৰিধান কৰিছিল। মহিলাসকলে শৰীৰৰ উর্ধাংশ আৰু নিম্নাংশত দুখন পৃথক বস্ত্র পৰিধান কৰিছিল। মহিলাসকলে কস্তুৰী, কিংকিনি, মুক্তাৰ মালা আদি পৰিধান কৰিছিল। লগতে তেওঁলোকে কুণ্ডল আৰু নূপুৰ ব্যৱহাৰ কৰিছিল।

প্রাচীন অসমৰ লোকসকলে ঊল আৰু কাপোৰ উভয়তে ৰং দিয়াৰ কৌশল জানিছিল। কালিকা পু�ৰাণত উল্লেখ কৰা অনুসৰি লোকসকলে ধর্মীয় কাম-কাজত নীলা আৰু ৰঙা ৰঙৰ বস্ত্র পৰিধান কৰিছিল। অসমৰ পার্বত্য এলেকাৰ জনজাতিসকলৰ মাজত কাপোৰত ৰং দিয়া প্রথাৰ বহুল প্রচলন আছিল। জুৰা খেল আছিল ঘৰৰ ভিতৰত খেলা এক জনপ্রিয় খেল। চিকাৰ আৰু মাছধৰা কার্য বহুত জনপ্রিয় আছিল। মনো�ৰঞ্জনৰ প্রধান আহিলা আছিল নৃত্য আৰু সংগীত।

সেই সময়ৰ সমাজত দুই ধৰণৰ উত্তৰাধিকাৰ প্রথা আছিল। জনজাতি অনুসৰি এই

প্ৰথাৰ নাম আছিল মিতাক্ষৰ আৰু দয়াভাগ। মিতাক্ষৰ ব্যৱস্থা অনুসৰি এটি শিশুৱে জন্মৰ লগে লগে পৈত্ৰিক সম্পত্তিৰ অধিকাৰ লাভ কৰে। আনহাতে দয়াভাগ প্ৰথাত পিতৃৰ মৃত্যুৰ পিছতহে পুত্ৰই সম্পত্তি দাবী কৰিব পাৰে। হিন্দু বৈদিক নিয়ম অনুসৰি মৃতকৰ সৎকাৰ কৰা হৈছিল। শ্ৰদ্ধাহৰ ব্যৱস্থা আছিল। অঞ্চলভেদে বিভিন্ন জনগোষ্ঠীৰ মাজত এই প্ৰথাৰ ভিন্নতা আছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাগজ্যোতিষ-কামৰূপৰ সমাজ কি ব্যৱস্থাৰ ওপৰত আধাৰিত আছিল?

.....

প্ৰশ্ন নং ২ ঃ প্ৰাচীন অসমত প্ৰচলন থকা দুই প্ৰকাৰৰ বিবাহৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৩ ঃ কোন লিপিত বেশ্যাৰ বিষয়ে উল্লেখ আছে?

.....

প্ৰশ্ন নং ৪ ঃ প্ৰাচীন অসমত উচ্চ শ্ৰেণীৰ লোকে উৰ্ধাংশত পৰিধান কৰা বস্ত্ৰবিধৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৫ ঃ প্ৰাচীন অসমত প্ৰচলিত অন্ত্যেষ্টিক্ৰিয়া প্ৰথাৰ পৰিৱৰ্তনৰ কাৰণ কি আছিল?

.....

৫.৪ প্ৰাচীন অসমৰ অৰ্থনীতি

অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড আছিল ভূমি। ভূমিক জনপদ (গ্ৰামাঞ্চল), পূৰা অথবা নগৰ (মহানগৰ, চহৰ) আৰু বন (অৰণ্যভূমি) ত বিভক্ত কৰা হৈছিল। জনপদক পুনৰ গ্ৰাম অথবা গাঁৱৰ ৰূপত ভাগ কৰা হৈছিল আৰু এইসমূহৰো উপ ভাগ আছিল ক্ষেত্ৰ (কৃষি উপযোগী), খিলা (পৰিত্যক্ত ভূমি), গো-প্ৰা-চৰ ভূমি(পশুধন চৰোৱা স্থান) আৰু ৰাস্তু ভূমি (নিৰ্মিয়মান ক্ষেত্ৰ)। এই সকলোবোৰ ভূমিৰ আৱণ্টন ৰজাই কৰিছিল আৰু ভূমিৰ গৰাকী সত্ব ৰজাৰ ওচৰত আছিল। অৰণ্য, খনি এইবোৰ ৰাষ্ট্ৰৰ সম্পদ আছিল। তেজপুৰ আৰু বৰগাঁও লিপিত ব্যক্তিসকলে ৰাষ্ট্ৰৰ পৰা বাসগৃহ সহ ভূমি, কৃষিক্ষেত্ৰ, তৃণক্ষেত্ৰ আদি লাভ কৰিছিল।

বহু পুৰণি সময়ৰ পৰা ঝুম প্ৰথাৰে কৃষিকাৰ্য সম্পন্ন কৰা হৈছিল। এই প্ৰথাৰ পৰিবৰ্তে হালবাই খেতি কৰা প্ৰথা আৰম্ভহোৱাত পলম হৈছিল। পাৰ্বত্য এলেকাৰ অধিকাংশ জনজাতিয়ে এতিয়াও ঝুম প্ৰথাৰে খেতি কৰে। বিভিন্ন প্ৰকাৰৰ ধানৰ লগতে ৰাইজে দাইল, সৰিয়হ, কুঁহিয়াৰ আৰু বিভিন্ন প্ৰকাৰৰ ফল তথা শাক-পাচলিৰ খেতি কৰিছিল।

কালিকা পুৰাণত বৃহৎ সংখ্যক মূল্যৱান বৃক্ষ যেনে দেৱদাৰু, শাল, চন্দন, অগৰু আদিৰ উল্লেখ আছে। মহাভাৰতত উল্লেখ কৰা অনুসৰি যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ সময়ত প্ৰাগজ্যোতিষপুৰৰ

ৰজাই বিভিন্ন ধৰণৰ মূল্যবান উপহাৰ প্ৰেৰণ কৰিছিল যিসমূহৰ ভিতৰত আছিল বহুমূলীয়া গহণা, চামৰা, সোণ, চন্দন, ঘৃতকুমাৰীৰ কাঠ আৰু সুগন্ধি দ্ৰব্য। লগতে মাছো প্ৰেৰণ কৰিছিল। কৈৱৰ্ত নামৰ এক বিশেষ সম্প্ৰদায় মাছ ধৰা কাৰ্যৰ সৈতে জড়িত হৈ আছিল।

চহৰসমূহ আছিল বৈদেশিক বাণিজ্যৰ কেন্দ্ৰ। আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কেন্দ্ৰৰূপে পৰিচালিত হৈ চহৰসমূহে অৰ্থনৈতিক ক্ষেত্ৰলৈ অৰিহণা যোগাইছিল। প্ৰাচীন অসমত গুৰুত্বপূৰ্ণ চহৰসমূহ যেনে হাৰুপেশ্বৰা, দুৰ্জয়া, কামৰূপানগৰ আৰু প্ৰাগজ্যোতিষপুৰত আহল-বহল পথৰ ব্যৱস্থা আছিল আৰু ৰজা আৰু বিষয়া-সামন্তসকলে হাতীৰ পিঠিত উঠি এই পথেৰে অহা-যোৱা কৰিছিল। তেজপুৰ অনুদানত আহল-বহল পথৰ ব্যৱস্থা থকাৰ কথা উল্লেখ আছে আৰু এইসমূহেৰে বাণিজ্যৰ সামগ্ৰী বৃহৎ চহৰসমূহলৈ অনা হৈছিল।

নদীপথসমূহকো পৰিবহন আৰু বাণিজ্যিক কাম-কাজত ব্যৱহাৰ কৰা হৈছিল। ব্ৰহ্মপুত্ৰ আৰু গংগা নদীপথেৰে প্ৰধানকৈ চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে বাণিজ্য কৰা হৈছিল। প্ৰাচীন অসমৰ বাণিজ্যিক সম্পৰ্ক প্ৰধানকৈ আছিল চুবুৰীয়া ৰাজ্যসমূহৰ লগতে শ্ৰীলংকা, ম্যানমাৰ(বৰ্মা), চীন আৰু তিব্বতৰ দৰে বিদেশী ৰাষ্ট্ৰসমূহৰ সৈতে। বাণিজ্যৰ মূল সামগ্ৰীসমূহ আছিল ৰেচম, ৰেচমী কাপোৰ, লা, ঘৃতকুমাৰী কাঠ, কস্তুৰী, সোণ, হাতী দাঁত আদি। সকলো ধৰণৰ বাণিজ্য বিনিময় প্ৰথাৰে কৰা হৈছিল। হৰজৰবৰ্মনৰ তেজপুৰ শিলালিপিত উল্লেখ থকা অনুসৰি কৰ-কাটল আদায় আৰু সৰু-সুৰা কিনা-বেচাৰ বাবে কড়িৰ ব্যৱহাৰ কৰা হৈছিল।

সোণ পৰিষ্কাৰ কৰা আৰু গহণা প্ৰস্তুতকৰণ সেই যুগৰ অন্যতম বৃত্তি আছিল বুলি ধাৰণা কৰিব পাৰি। অসমৰ বহুতো নৈৰ বুকুত প্ৰচুৰ পৰিমাণে সোণ পোৱা গৈছিল।

তেজপুৰ লিপিত উল্লেখ থকা অনুসৰি লৌহিত্য-সিন্ধুয়ে কৈলাশ পৰ্বতত থকা সোণৰ বৃহৎ টুকুৰাৰ পৰা সোণৰ চেকুৰা কঢ়িয়াই আনিছিল।

তৰকা ট-ই-নাছিৰিত সোণ আৰু ৰূপৰ বহু সংখ্যক ছবিৰ লগতে গঢ়িত সোণৰ এক বৃহৎ ছবিও উল্লেখ আছে। ৰত্নপালৰ বৰগাঁও শিলালিপিত তেওঁৰ সাম্ৰাজ্যত তামৰ বৃহৎ খনি থকাৰ কথা জানিব পৰা যায় আৰু এই খনিৰ পৰা তেওঁৰ যথেষ্ট উপাৰ্জন হৈছিল। বৃহৎ সংখ্যক ভাস্কৰ্য আৰু স্থাপত্যৰ অৱশেষৰ নিদৰ্শনৰ পৰা সেই সময়ত শিলৰ মিস্ত্ৰী আৰু শিলৰ শিল্পীৰ অৱস্থিতিৰ বিষয়ে জানিব পৰা যায়। সেইদৰে আন একাংশ লোকে হাতীৰ দাঁতত ধাতুৰ কাম আৰু শিলৰ বুকুত কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল।

বিভিন্ন ধৰণৰ সৰু-সুৰা কাম যেনে ইটা নিৰ্মাণ, বাঢ়ৈৰ কাম, হাতী দাঁতৰ পৰা সামগ্ৰী নিৰ্মাণ, শংখ আৰু বেতৰ সামগ্ৰী নিৰ্মাণ আছিল সেই যুগৰ মানুহৰ আন আন বৃত্তি। প্ৰাচীন অসমৰ বাঢ়ৈসকল আছিল সুনিপুণ শিল্পী। অসমত নিৰ্মিত হাতী দাঁত আৰু শংখৰ সামগ্ৰীৰ চাহিদা কামৰূপ সাম্ৰাজ্যৰ ভিতৰে-বাহিৰে সমান আছিল। আন এক গুৰুত্বপূৰ্ণ উৎপাদিত সামগ্ৰী আছিল বাঁহ। লিখনিসমূহত উল্লেখ কৰা অনুসৰি আৱণ্টিত ভূমিৰ চাৰিসীমাৰ চিহ্ন নিৰ্ধাৰণ কৰিবলৈ বাঁহৰ অৰণ্য ৰোপণ কৰা হৈছিল। লগতে প্ৰাচীন লিখনিসমূহত উল্লেখ থকা অনুসৰি গাঁওসমূহত

কুমাৰ শিল্পৰ স্থান অতি গুৰুত্বপূৰ্ণ আছিল। হৰ্ষচৰিতত চামৰাৰ কাম কৰা লোক আৰু সুৰা প্ৰস্তুতকাৰীৰ বিষয়ে উল্লেখ আছে। অসমৰ বনাঞ্চলৰ পৰা কিচ মিচ, সুগন্ধি কাঠ আদি দেশৰ লগতে বিদেশলৈ ৰপ্তানি হৈছিল। প্ৰাগজ্যোতিষত ৰঙা চন্দনৰ উৎপাদন হৈছিল। লগতে অসমত প্ৰচুৰ পৰিমাণে অগৰু পোৱা গৈছিল। অসমত কস্তুৰী প্ৰস্তুত হৈছিল ।

প্ৰাচীন অসমৰ লোকসকলে কাপোৰত ৰং দিয়া কলাও আয়ত্ব কৰিছিল। লা, নীল আৰু আন সামগ্ৰীৰে কাপোৰত ৰং দিয়া হৈছিল। লা প্ৰস্তুতিৰ সংস্কৃতি আছিল প্ৰাচীন অসমৰ লোকসকলৰ বিশেষত্ব। প্ৰাচীন লিখনিসমূহত তন্তুব্যাস নামৰ এক বিশেষ দক্ষ শ্ৰেণীৰ তাঁতীৰ বিষয়েও উল্লেখ কৰা হৈছে। অসমৰ ৰাইজে পলু পুহি বিভিন্ন প্ৰকাৰৰ ৰেচমৰ কাপোৰ প্ৰস্তুত কৰা কলাও জানিছিল। হৰ্ষচৰিতত তিনিবিধ বিভিন্ন প্ৰকাৰৰ ৰেচমৰ কাপোৰৰ উল্লেখ আছে।

অগ্ৰগতিৰ নিৰীক্ষণ



প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) ..... সকল মাছ ধৰা কাৰ্যৰ সৈতে জড়িত আছিল।

(খ) .....ৰ পৰা মূল্য আদায়ৰ বাবে কড়িৰ ব্যৱহাৰৰ কথা জনা যায়।

(গ) ..... ত তিনিবিধ ৰেচমৰ কাপোৰৰ উল্লেখ আছে।

(ঘ) ৰত্নপালৰ.....ত তামৰ খনিৰ বিষয়ে উল্লেখ আছে।

(ঙ) ..... আছিল প্ৰাচীন অসমৰ অৰ্থনৈতিক জীৱনৰ মেৰুদণ্ড।

৫.৫ প্ৰাচীন অসমৰ ধৰ্ম

প্ৰাগজ্যোতিষত আৰ্যসকলৰ আগমন, ব্ৰাহ্মণ্য প্ৰভাৱ, বৈদিক নিয়মৰ প্ৰভাৱৰ পূৰ্বে প্ৰাচীন লোকসকলে পূৰ্বপুৰুষৰ পূজা, উৰ্বৰতা আৰাধনা আদি অনুসৰণ কৰিছিল। প্ৰাচীন অসমত বৈদিক সংস্কৃতি মহীয়ান হৈছিল অনা আৰ্যসকলৰ ধৰ্মীয় প্ৰবাদ আৰু ৰীতি-নীতিৰ সংমিশ্ৰণত।

ব্ৰাহ্মণসকলে প্ৰচলন কৰা ধৰ্ম আছিল ব্ৰাহ্মণ্য। অসমৰ ৰজাসকলে তাম্ৰলিপিত ৰাজহ মুক্ত ভূমি আৰণ্টন দি অসমৰ মাটিত নিগাজী হ'বলৈ ব্ৰাহ্মণসকলক আমন্ত্ৰণ জনাইছিল। এই ব্ৰাহ্মণসকল বিভিন্ন গোত্ৰৰ আছিল। ব্ৰাহ্মণসকলে বিভিন্ন বেদ অধ্যয়ন কৰিছিল, ৰীতি-নীতি পালন কৰিছিল আৰু বহু পৌৰাণিক দেৱ-দেৱীক আৰাধনা কৰিছিল। ৰাজকীয় পৃষ্ঠপোষকতাত পঞ্চম শতিকাত প্ৰাচীন অসমত ব্ৰাহ্মণ্যবাদী হিন্দু ধৰ্মই নতুন মাত্ৰা লাভ কৰিছিল। ব্ৰত, দান আদি আছিল ব্ৰাহ্মণ্য ধৰ্মৰ গুৰুত্বপূৰ্ণ দিশ। অনা আৰ্যসকলৰ সংস্কৃতিৰ প্ৰভাৱৰ বাবে ব্ৰাহ্মণ্য ধৰ্মত কেতবোৰ গুৰুত্বপূৰ্ণ বিকাশ সাধন হৈছিল। ধৰ্মীয় প্ৰথাত বহু দেৱ-দেৱীৰ পূজা-অৰ্চনাই গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল। ফলত ইয়াৰ বিশেষ ৰীতি-নীতি আৰু ধৰ্মীয় বিশ্বাস গঢ়ি উঠিছিল। প্ৰাচীন কামৰূপত প্ৰচলিত আটাইতকৈ পুৰণি ধৰ্ম আছিল শৈৱ। শাসনাধিষ্ঠিত বংশসমূহৰ ওপৰত

এই ধৰ্মৰ প্ৰভাৱ সৰ্বাধিক আছিল। কালিকা পু�ৰাণত অসমৰ শৈৱসকলৰ কেইবাটাও ভাগৰ বিষয়ে উল্লেখ আছে- যেনে কালিকা আৰু পাশুপত্য। ষোড়শ শতিকাৰ যোগিনী তন্ত্ৰত শিৱ আৰু শক্তিৰ আৰাধনা কৰা শৈৱ ধৰ্মৰ আন দুটা ভাগৰ কথা জনা যায় সেইকেইটা হৈছে কৌল আৰু অৱধূত। আদিবাসী আৰু আৰ্য উভয় সম্প্ৰদায়ৰে মাজত শিৱ অতি জনপ্ৰিয় দেৱতা আছিল। হেতুকা চুলিন (শৈৱ)ৰ ভগ্নপ্ৰায় মন্দিৰটো ৰজা বনমালা বৰ্মনে মেৰামতি কৰিছিল। গছতল লিপিত উল্লেখ কৰা অনুসৰি ৰজা ইন্দ্ৰপালে বগা মাৰ্বলেৰে নিৰ্মিত বহুসংখ্যক শিৱ মন্দিৰ নিৰ্মাণ কৰিছিল। প্ৰাচীন অসমত প্ৰচলিত শৈৱধৰ্মৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল দেৱদাসী প্ৰথা।

শক্তিবাদত নাৰী শক্তিক সৰ্বোচ্ছ আসনত ৰাখি আৰাধনা কৰা হয়। এই দেৱীৰ অনেক ৰূপ, দেৱী দূৰ্গা, কালী, কালিকা, কামাখ্যা, তাৰা আদি। কালিকা পুৰাণত বহুকেইখন শক্তিস্থলৰ উল্লেখ আছে আৰু ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ আছিল শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ য'ত কেচাঁইখইতী গোঁসানীক আৰাধনা কৰা হৈছিল। নৰবলি আৰু পশুবলিৰে ইয়াত দেৱীক আৰাধনা কৰা হৈছিল। তন্ত্ৰ আৰু পুৰাণত এই দেৱীক দিক্কৰবাসিনী নামেৰে জনা যায়।

মাকণ্ডেয় পুৰাণত উল্লেখ থকা অনুসৰি প্ৰাচীন অসমত সূৰ্য আৰাধনা অথবা সূৰ্যক ভগৱান ৰূপে পূজা কৰাৰ উল্লেখ আছে। ৰজা ৰাজ্যবৰ্ধনে নিজৰ যৌৱন ধৰি ৰাখিবলৈ সূৰ্য আৰাধনা কৰিছিল। ব্ৰাহ্মণ্যবাদী আন আন দেৱসকলৰ ভিতৰত সূৰ্য আৰাধনাই এক বিশেষ স্থান দখল কৰিছিল। কালিকা পুৰাণত সূৰ্য ভগৱানৰ আৰাধনাৰ প্ৰসংগ সন্নিবিষ্ট আছে, ইয়াত উল্লেখ থকা অনুসৰি ৰবিক্ষেত্ৰ ৰূপে তত্ব পাহাৰত সূৰ্য আৰাধনা হৈছিল আৰু এই পাহাৰকে বৰ্তমান শ্ৰীসূৰ্য পাহাৰ বুলি জনা যায়। গৃহ সূত্ৰ অনুসৰি প্ৰাগজ্যোতিষ আছিল সূৰ্য আৰাধনাৰ কেন্দ্ৰস্থল। তাৰানাথৰ মতে বৌদ্ধধৰ্মৰ প্ৰচলনৰ পূৰ্বে কামৰূপৰ লোকসকলে সূৰ্য উপাসনা কৰিছিল।

বহু পুৰণি সময়ৰ পৰা বৈষ্ণৱ ধৰ্মৰ প্ৰচলন কামৰূপত আছিল। প্ৰাগজ্যোতিষ দীৰ্ঘ সময়ৰ পৰা বিষ্ণু আৰাধনাৰ সৈতে জড়িত আছিল। বিষ্ণুৰ বৰাহ অৱতাৰৰ পৰা নৰকৰ পূৰ্বপুৰুষৰ জন্ম হোৱা বুলি প্ৰবাদ আছে। বৰগনা লিখনিত ৰজা ভূতিবৰ্মনক পৰম-দেৱতা-পৰমভগৱত বুলি জনা যায়।

হিউৱেন চাঙৰ ভ্ৰমণৰ পূৰ্বে প্ৰাচীন অসমত বৌদ্ধধৰ্মৰ প্ৰচলন আছিল। তাৰানাথৰ মতে কামৰূপত বৌদ্ধধৰ্মৰ প্ৰৱৰ্তন কৰিছিল ধিতিকাই। ৰাজতৰংগিনীত কল্হানে উল্লেখ কৰা অনুসৰি কাশ্মীৰৰ ৰজা মেঘবাহনৰ পত্নী তথা কামৰূপৰ জীয়ৰীয়ে নিজৰ পিতৃৰ দৰবাৰৰ পৰা এগৰাকী বৌদ্ধ ভিক্ষুক কাশ্মীৰলৈ লগত লৈ গৈছিল আৰু ইয়াৰ দ্বাৰা সেই সময়ত বৌদ্ধ ধৰ্মৰ প্ৰচলনৰ কথা জানিব পৰা যায়।

এইসমূহ প্ৰধান ধৰ্মৰ লগতে গণেশ, কাৰ্তিক, ইন্দ্ৰ, অগ্নি, কুবেৰ আৰু মনসা উপাসনাৰ মাধ্যমত সেই সময়ত ধৰ্মৰ আন কেতবোৰ উপশাখা দেখিবলৈ পোৱা যায়। এইসমূহ ধৰ্মৰ বিস্তৃত তথ্য উপলব্ধ নহয়। শাসকসকলে বৈদিক ধৰ্ম আৰু সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰিছিল। এই সমূহ ধৰ্মীয় বিশ্বাসৰ মাজত কোনো ধৰণৰ পাৰস্পৰিক বিবাদ থকা দেখা নাযায়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ৭ ঃ শৈৱবাদৰ কৌল আৰু অৱধূত বিভাজনৰ বিষয়ে কোন লিখনিত উল্লেখ আছে?

.....

প্রশ্ন নং ৮ ঃ শদিয়াৰ তাম্রেশ্বৰী মন্দিৰৰ বিষয়ে কোন লিখনিত উল্লেখ আছে?

.....

প্রশ্ন নং ৯ ঃ কাৰ মতে বৌদ্ধধৰ্মৰ প্রচলনৰ পূৰ্বে কামৰূপৰ লোকসকল সূৰ্য উপাসক আছিল?

.....

প্রশ্ন নং ১০ ঃ কি লিখনিত প্রাগজ্যোতিষক সূৰ্য উপাসনাৰ কেন্দ্র বুলি উল্লেখ কৰা হৈছে?

.....

৫.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ লোকসকলৰ সামাজিক জীৱনৰ বৈচিত্র্যপূৰ্ণ দিশসমূহৰ বিষয়ে জানিব পাৰিলে।
- প্রাচীন অসমৰ অৰ্থনীতিৰ বিষয়ে এটা ধাৰণা লাভ কৰিব পাৰিলে।
- প্রাচীন অসমত প্রচলিত থকা বিভিন্ন ধৰ্মৰ ধাৰাৰ বিষয়ে স্পষ্ট আৰু সৰস ধাৰণা লাভ কৰিব পাৰিলে।

৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বৰ্ণাশ্রমধৰ্ম।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্ম, প্রজাপত্য, দৈৱ, অৰ্শ আৰু অসুৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ তেজপুৰ লিপি।

৪ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰীয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক হিন্দু ধৰ্মৰ প্রভাৱ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) কৈৱৰ্ত।

খ) হৰ্জৰ তেজপুৰ শিলালিপি।

গ) হৰ্ষচৰিত।

ঘ) ৰত্নপালৰ বৰগাওঁ শিলালিপি।

ঙ) ভূমি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ যোনীতন্ত্ৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কালিকা পুৰাণ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ তাৰানাথ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কালিকা পুৰাণ।

৫.৮ আৰ্হি প্ৰশ্ন

অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ কৰ কি?

প্ৰশ্ন ২ ঃ শুল্ক কি?

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমত প্ৰচলিত উত্তৰাধিকাৰ প্ৰথাৰ নাম কি আছিল?

প্ৰশ্ন ২ ঃ *বৰ্ণাশ্ৰমধৰ্ম* বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ তন্তব্যাস কোন?

প্ৰশ্ন ৪ ঃ প্ৰাচীন অসমৰ কেইখনমান চহৰৰ নাম উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমীয়া সমাজত নাৰীৰ স্থান ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাচীন অসমত ব্যৱসায়-বাণিজ্যৰ ব্যৱস্থা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰাচীন অসমত শক্তি পূজাৰ উত্থান ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ মধ্যযুগীয় অসমৰ ইতিহাসৰ সমলসমূহ

অধ্যায় গাঁথনি ঃ

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সাহিত্যিক সমলসমূহ
৬.৪ পূৰাতাত্বিক সমলসমূহ
৬.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৬.৬ অগ্রগতি ৰ খতিয়ান
৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন অসমৰ অধ্যয়নৰ বিভিন্ন উৎসসমূহ আলোচনা কৰিব পাৰিব,
- সাহিত্যিক উৎসসমূহ বিস্তৃতভাৱে বিশ্লেষণ কৰিব পাৰিব,
- স্থাপত্যমূলক উৎসসমূহ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি প্রাচীন অসমৰ সমাজ, অর্থনীতি, ধর্ম আৰু প্রশাসন সম্বন্ধে আলোচনা কৰিলো। প্রাচীন অসমৰ অধ্যয়নৰ বাবে উপলব্ধ উৎসসমূহৰ তুলনাত মধ্যযুগীয় অসমৰ ইতিহাসৰ অধ্যয়নৰ উৎসসমূহ যথেষ্ট অধিক। আমি আহোমসকলৰ লগতে সমসাময়িক শাসকসকলৰ বিষয়ে লিখা বহুসংখ্যক বুৰঞ্জী লাভ কৰিছো।

এই ঐতিহাসিক লিখনিসমূহৰ বাহিৰে বহুসংখ্যক চৰিত পুথি অথবা সন্তসকলৰ জীৱনীভিত্তিক গ্রন্থ, পার্চীসকলৰ লিখনী, মুদ্রা আৰু বৃহৎ সংখ্যক মন্দিৰ আৰু আন সংৰচনাই আমাক মধ্যযুগীয় অসমৰ ইতিহাসৰ বহু ভিতৰুৱা তথ্যৰ যোগান ধৰে।

৬.৩ সাহিত্যিক সমল সমূহ

মধ্যযুগৰ থলুৱা সাহিত্যৰ ভিতৰত বুৰঞ্জীসমূহ আছিল উল্লেখযোগ্য। আহোমসকলে নির্দিষ্ট সময়ৰ সকলো ঘটনা নথিভুক্ত কৰি গৈছিল যাক বুৰঞ্জী বুলি কোৱা হয়। প্রকৃততে এয়া আছিল সেই যুগৰ ৰাজনৈতিক ঘটনাৱলীৰ ধাৰাবিৱৰণী। প্রথম অৱস্থাৰ বুৰঞ্জীসমূহ টাই-আহোম ভাষাত লিখা গৈছিল। অৱশ্যে চুহুংমুহুঙৰ(১৪৯৭-১৫৩৯) সময়ৰ পৰা বুৰঞ্জীসমূহ অসমীয়া

ভাষাতো লিখা হৈছিল।

খুনলুং আৰু খুনলাইৰ আহোম বুৰঞ্জীয়ে খুনলুং আৰু খুনলাইৰ দিনৰ পৰা ৰুদ্র সিংহৰ দিনলৈকে শাসনকালক সামৰি লোৱা লৈছে। ইয়াৰ লগতে উপলব্ধ আহোম বুৰঞ্জীত একেবাৰে পূৰ্বৰ সময়ৰ পৰা পুৰন্দৰ সিংহ (১৮৩২-১৮৩৮) ৰ দিনলৈকে সামগ্রিক আৰু বিস্তৃত সময়ক টাই আহোম ভাষাত বৰ্ণনা কৰা হৈছে। পুৰণি অসম বুৰঞ্জীত চুকাফাৰ পৰা গদাধৰ সিংহলৈকে সময়ছোৱাক তুলি ধৰা হৈছে। ইয়াত আহোম আৰু মুছলমানৰ মাজত হোৱা যুদ্ধ কেইখনৰ বিৱৰণ অসমীয়াত লিপিবদ্ধ হৈছে। *সাতসৰী অসম বুৰঞ্জী* হৈছে সাতখন পুৰণি অসম বুৰঞ্জীৰ সংগ্রহ। *দেওধাই অসম বুৰঞ্জীত* আহোমসকলৰ সৈতে চুবুৰীয়া জনজাতি যেনে কোঁচ, জয়ন্তীয়া, কছাৰী, মিকিৰ, চুতিয়া, নৰ আৰু মানতৰাসকলৰ সৈতে সম্পর্ক, আহোম-মোগলৰ সম্পর্ক, সামাজিক ৰীতি, আহোমসকলৰ প্রশাসন আদিৰ বৰ্ণনা কৰা হৈছে। *অসম বুৰঞ্জী* পুথি হৈছে প্রথমৰ পৰা ব্রিটিছসকলে অসম দখল কৰা সময় লৈ থকা ইতিহাস। অসমৰ পদ্য বুৰঞ্জীত দুটা ছন্দবদ্ধ ধাৰাবিৱৰণী সন্নিবিষ্ট কৰা হৈছে, *কালিভাৰত বুৰঞ্জী* আৰু *বেলিমাৰ বুৰঞ্জী*। ইয়াত ১৬৭৯ চনৰ পৰা ১৮৫৮ চনলৈকে সময়ছোৱাক তুলি ধৰা হৈছে। এই বুৰঞ্জীত অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ আৰম্ভণি আৰু আহোম ৰাজত্বৰ সামৰণিৰ সন্ধিক্ষণত আভ্যন্তৰীণ বিবাদ আৰু বিদেশীসকলৰ অভিযানৰ ইতিহাস তুলি ধৰা হৈছে। তুংখুঙীয়া বুৰঞ্জীত স্বর্গদেউ গদাধৰ সিংহৰ পৰা কমলেশ্বৰ সিংহৰ দিনলৈকে (১৬৮১-১৮১০ খ্রীষ্টাব্দ) আহোমৰ তুংখুঙীয়া বংশৰ শাসনক সন্নিবিষ্ট কৰা হৈছে।

অসমৰ জনজাতিসকলক লৈও কেতবোৰ বুৰঞ্জী আছে। *চুতিয়া বুৰঞ্জীত* ১১৮৯ চনৰ পৰা ১৬ শতিকাত সাম্রাজ্যৰ পতনলৈকে চুতিয়াসকলৰ ইতিহাস তুলি ধৰা হৈছে। শকাব্দ অনুসৰি তাৰিখ উল্লেখ কৰি একাদিক্রমে ৰজাসকলৰ নাম ইয়াত সন্নিবিষ্ট কৰা হৈছে। *কছাৰী বুৰঞ্জীত* ১৪ শতিকাৰ অন্তিম সময়ৰ পৰা ১৮ শতিকাৰ আৰম্ভণিলৈকে আহোম-কছাৰীৰ সম্পর্কক বৰ্ণনা কৰা হৈছে। এই বুৰঞ্জীত কছাৰীসকলৰ পূৰ্বৰ বসতিৰ বিষয়ে কেতবোৰ তথ্য তুলি ধৰা হৈছে। *জয়ন্তীয়া বুৰঞ্জী* আৰু *ত্রিপুৰা বুৰঞ্জীত* জয়ন্তীয়া আৰু ত্রিপুৰা ৰাজ্যৰ সৈতে আহোমসকলৰ কূটনৈতিক সম্পর্কক বৰ্ণনা কৰা হৈছে।

পাদশাহ বুৰঞ্জীত ভাৰতত মুছলমানসকলৰ আধিপত্য প্রতিষ্ঠাৰ পৰা ১৭ শতিকাৰ দ্বিতীয়ার্ধ পর্যন্ত দিল্লীৰ বাদছাহসকলৰ বিষয়ে উল্লেখ আছে। আহোম স্বর্গদেউ প্রতাপ সিংহ, জয়ধ্বজ সিংহ, চক্রধ্বজ সিংহ আৰু গদাধৰ সিংহৰ ৰাজত্বকালত মুছলমানসকলৰ সৈতে সংঘটিত যুদ্ধৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা আছে *কামৰূপৰ বুৰঞ্জীত*। *অসম বুৰঞ্জী*'ত আহোম ৰাজত্বৰ আৰম্ভণিৰ পৰা ১৬৮১ খ্রীষ্টাব্দত স্বর্গদেউ গদাধৰ সিংহ ৰাজপাটত উঠালৈকে ঘটনাপ্রৱাহক স্থান দিয়া হৈছে।

বংশাৱলীসমূহ আছিল বিভিন্ন ৰাজ্যৰ ৰাজকীয় পৰিয়াল আৰু উচ্চ বংশৰ অসমীয়া লোকসকলে পুৰুষানুক্রমে লিপিৱদ্ধ কৰা তথ্য। *দৰং ৰাজ বংশাৱলী* হৈছে কোচ ৰাজ্যৰ উত্থানৰ পৰা পৰীক্ষিতৰ মৃত্যু পর্যন্ত কোচ ৰজাসকলৰ বিষয়ে আটাইতকৈ বিস্তৃত ইতিহাস। ভূঞাসকলে

নিজৰ বংশানুক্রম আৰু ইতিহাস লিপিবদ্ধ কৰিছিল ভূঞাৰ পুথি নামৰ এক শ্রেণীৰ বংশাৱলীত। ইয়াৰ লগতে সত্রীয়া বংশাৱলীসমূহত সত্রসমূহৰ প্রতিষ্ঠা, সত্রাধিকাৰসকলৰ জীৱন-কর্মাৱলী আৰু শাসনাধিষ্ঠিত শক্তিৰ সৈতে থকা তেওঁলোকৰ সম্পর্কৰ বিষয়ে তথ্য পোৱা যায়। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে *মায়ামৰা সত্রৰ বংশাৱলী* আৰু *দিহিং সত্রৰ বংশাৱলী*।

বুৰঞ্জীসমূহৰ বাহিৰে বৈষ্ণৱ সাহিত্যসমূহৰ পৰাও মধ্যযুগীয় অসমৰ আর্থ-সামাজিক ইতিহাসৰ তথ্য লাভ কৰিব পাৰি। বৈষ্ণৱ সাহিত্যৰ মূল বিষয়বস্তু আছিল ধর্ম আৰু ইয়াত প্রধানকৈ গুৰুত্ব প্রদান কৰা হৈছিল বৈষ্ণৱ ধর্মগুৰুসকলৰ জীৱন আৰু কর্মৰ ওপৰত। এই গ্রন্থসমূহক চৰিত পুথি বুলিও জনা যায়। উদাহৰণস্বৰূপে কথা গুৰুচৰিত।

এইক্ষেত্রত সমসাময়িক বিদেশী পৰিব্রাজকসকলৰ লিখনিয়ে মধ্যযুগীয় অসমৰ থলুৱা উৎসসমূহৰ সৈতে অধিক সমল যোগাইছিল। মিনহাজ উল- চিৰাজৰ তবকাত ই নাছিৰিত অসমত মুছলমানসকলৰ প্রথম তিনিটা আক্রমণৰ তথ্য সন্নিবিষ্ট কৰা হৈছে। জিয়াউদ্দিন বাৰানীৰ তাৰিখ-ই-ফিৰোজশ্বাহীজ কমতাপুৰৰ বিষয়ে বহু গুৰুত্বপূর্ণ তথ্য আছে। শ্বেইখ আবুল ফজলৰ আকবৰনামা আৰু আইন এই আকবৰীত উত্তৰ-পূর্বাঞ্চলৰ প্রতি মোগলসকলে গ্রহণ কৰা দমনমূলক আৰু পৰৱর্তী সময়ৰ কোচ-মোগলৰ সম্পর্কৰ ওপৰত আলোকপাত কৰা হৈছে। বাৰাউনিৰ আব্দুল কাদিৰৰ *মুনতাখাব-উত-তাৰিখ*ত মোগল আৰু অসমৰ সম্বন্ধ বিষয়ক বহলাই বর্ণনা কৰা হৈছে।

সম্রাট জাহাংগীৰৰ আত্মজীৱনী *তুজুক-ই-জাহাংগিৰি*ত ১৬ শতিকাৰ অন্তিমভাগত আহোম-মোগলৰ সংঘাত আৰু মোগলসকলৰ কোচ হাজো দখলৰ বিষয়ে বর্ণনা আছে। আব্দুল হামিদ লাহোৰীৰ *পাদছাহনামা*ত কোচ বিহাৰৰ লক্ষ্মী নাৰায়ণ আৰু কোচ হাজোৰ পৰীক্ষিত নাৰায়ণৰ পাৰিবাৰিক বিবাদৰ বিষয়ে উল্লেখ আছে।

মির্জা মহম্মদ কাজিমৰ *আলমগিৰনামা*'ত কোচ বিহাৰ আৰু অসমত মীৰ জুমলাৰ সাম্রাজ্যবাদী আগ্রাসনৰ তথ্য পোৱা যায়। চিহাবুদ্দিন তালিছৰ *ফতিয়াহ-ই-ইব্রিয়াহ* হৈছে কোচ বিহাৰ আৰু অসমত মীৰ জুমলাৰ বিজয়ৰ পৰা ১৬৬৩ চনৰ মার্চত তেওঁৰ মৃত্যু আৰু বিজয়ী সেনাৰ উভটনিৰ সময় পর্যন্তৰ ইতিহাস। ইয়াৰ লগতে ৰজা ৰাম সিঙলৈ সম্রাট ঔৰংগজেৱৰ *'ফৰমান'*সমূহ হৈছে ১৬৬৭-১৬৭১ ৰ অসম-মোগল সংঘাতৰ গুৰুত্বপূর্ণ সমল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ১ ঃ আটাইতকৈ পুৰণি বুৰঞ্জীখন কি ভাষাত লিখা হৈছিল?

.....

প্রশ্ন নং ২ ঃ বংশাৱলী বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ৩ ঃ *পাদছাহনামা*ৰ গ্ৰন্থকাৰৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ মীৰ জুমলাৰ বিজয়ৰ বিষয়ে কোন গ্ৰন্থত উল্লেখ আছে?

.....

প্ৰশ্ন নং ৫ ঃ চৰিত পুথি বুলিলে কি বুজে?

.....

৬.৪ পূৰাতাত্ত্বিক সমল সমূহ

পূৰাতাত্ত্বিক সমলৰ ভিতৰত লিপিসমূহ হৈছে সমসাময়িক মূল্যৱান আৰু বিশ্বাসযোগ্য সমল। বংশৰ ভিত্তিত খোদিত লিখনিসমূহক কোচ, আহোম, বংগৰ চুলতান আৰু মোগলৰ ৰূপত ভাগ কৰিব পাৰি। কোচ আৰু আহোমসকলৰ লিপিৰ অধিকাংশৰে ভাষা আছিল অসমীয়া আৰু সংস্কৃত। আনহাতে বংগৰ চুলতান আৰু মোগলসকলৰ খোদিত লিপিৰ ভাষা আছিল পাৰ্চী ভাষা।

১৬ শতিকাৰ দ্বিতীয়াৰ্ধত কোচসকলৰ কেৱল দুখন শিলালিপি পোৱা যায়। প্ৰথমখন আছিল কামাখ্যা মন্দিৰত শুক্লধ্বজে খোদিত কৰা লিপি। দ্বিতীয়খন শিলালিপিত কোচ-হাজোৰ ৰজা ৰঘু দেৱৰ দ্বাৰা হাজোৰ মণি পাহাৰত হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পুনৰ নিৰ্মাণৰ বিষয়ে উল্লেখ আছে। *দৰং ৰাজবংশাৱলী*ত নৱনাৰায়নে তেওঁ কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত বিভিন্ন শ্ৰেণীৰ পাইকে আগবঢ়োৱা সেৱাৰ বাবে তামৰ ফলিত লিখিতভাৱে সন্মান প্ৰদান কৰাৰ উল্লেখ আছে।

আহোম যুগৰ আৰম্ভণিৰ সময়ৰ লিপিৰ নিৰ্দশন হৈছে ১৩৬২ খ্ৰীষ্টাব্দৰ *গছতলৰ শিলালিপি*। সংস্কৃত ভাষাত লিখা এই লিপিত ১৩৬২ খ্ৰীষ্টাব্দ অৰ্থাৎ ১২৮৪ শকত অসমত চুলতান ছিকন্দৰ শ্বাহৰ অভিযানৰ বিষয়ে বৰ্ণনা আছে। ১৬১৬ চনৰ চামধৰাৰ গড়ৰ শিলালিপিত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ বিজয়ৰ বিষয়ে উল্লেখ আছে। কানাই বৰশী বোৱা শিলালিপিত লাচিতৰ হাতত ছৈয়দ ছানা আৰু ছৈয়দ ফিৰোজৰ পৰাজয় আৰু মৃত্যুৰ পিছত ডিচেম্বৰ মাহত আহোমসকলে নিৰ্মাণ কৰা দুৰ্গৰ লগতে বিভিন্ন আহোম বিষয়াসকলৰ নাম উল্লেখ আছে। ১৬৬৭ চনৰ ফটাশিল শিলালিপিত সংস্কৃত ভাষাত লাচিত বৰফুকনৰ হাতত মোগলসকলৰ পৰাজয়ৰ বিষয়ে চমুকৈ বৰ্ণনা আছে।

ধৰ্মীয় ভৱনসমূহৰ গাত খোদিত লিপিসমূহেও অসমৰ মধ্যযুগৰ ইতিহাসৰ বিষয়ে শুদ্ধ তথ্য যোগান ধৰে। উদাহৰণস্বৰূপে শ্বাহ নফাহৰ দৰগাহৰ পূৱ দিশৰ দেৱালত পাৰ্চী ভাষাত খোদিত *মুংগেৰ শ্বাহ নফাহ লিপি*ত আলাউদ্দিন হুছেইন শ্বাহ (১৪৯৮)ৰ অসম অভিযানৰ বিষয়ে জানিব পৰা যায়।

হাজোৰ মছজিদত গুৱাহাটীৰ মোগল ফৌজদাৰ মীৰ লুটফুল্লাহ চিৰজীয়ে খোদিত

কৰা লিপিৰ পৰা জানিব পৰা যায় যে কামৰূপত ইছলাম ধর্ম প্রচাৰৰ বাবেই এই মছজিদ নির্মাণ কৰা হৈছিল।

মুদ্রাসমূহ হৈছে গুৰুত্বপূর্ণ ঐতিহাসিক সমল। মুদ্রাই নির্দিষ্ট সময়ৰ অর্থনৈতিক আৰু সামাজিক অৱস্থাৰ বিষয়ে সম্যক জ্ঞান তুলি ধৰে। টাক্কা অর্থাৎ এটা স্বাভাৱিক আহোম মুদ্রাৰ ওজন আছিল এক তোলা বা ১৭৬ গ্রাম। আটাইতকৈ পুৰণি মুদ্রা থকাৰ নিদর্শন পোৱা যায় জয়ধ্বজ সিংহৰ(১৬৪৮-৬৩ খ্রীষ্টাব্দ) দিনত। আহোম মুদ্রাত আহোম, দেৱনাগৰী আৰু অসমীয়া, এই তিনিওটা ভাষা ব্যৱহাৰ হৈছিল। কোচ ৰজা নৰনাৰায়নে নিয়মীয়াকৈ মুদ্রা প্রস্তুত কৰিছিল। এইসমূহ মুদ্রা সোণ, ৰূপ, তাম আৰু পিতল আদি বিভিন্ন ধাতুৰে নির্মাণ কৰা হৈছিল। মুদ্রাবোৰৰ এটা পিঠিত প্রবাদ আৰু বিভিন্ন বিশেষণৰ সৈতে ৰজাৰ নাম থকাৰ লগতে আনটো পিঠিত সংস্কৃত আৰু বাংলা ভাষাত শকাব্দত তাৰিখ উল্লেখ থাকে। কোচ শাসকসকলে মোগলসকলৰ সৈতে সন্ধি কৰাৰ পিছত টাংকা অর্থাৎ পূর্ণ মুদ্রা চাপ মাৰি প্রস্তুত কৰিব নোৱাৰা হৈ পৰে। কোচ মুদ্রাবোৰক শাসকসকলৰ নামৰ সমাপ্তিৰ প্রভাৱত নাৰায়ণী বুলি জনা গৈছিল।

কোচ আৰু মোগলসকলৰ বিভিন্ন ৰাজহুৱা কার্যৰ ঐতিহাসিক মূল্যই প্রচলিত সাহিত্যিক সমৃদ্ধিশালী কৰাৰ লগতে মুদ্রাৰ সমলে এক বিশ্বাসযোগ্য ইতিহাস লিখাত আমাক সহায় কৰে। কোচসকলৰ দিনত নির্মিত আটাইতকৈ গুৰুত্বপূর্ণ ভৱনৰ নিদর্শন হৈছে মন্দিৰসমূহ। প্রবাদ অনুসৰি বিশ্বসিংহৰ ওপৰত মা কামাখ্যাৰ বিশেষ আর্শীবাদ আছিল আৰু তেওঁৰ পুত্রসকলে নীলাচল পাহাৰৰ বুকুত মন্দিৰৰ পুনৰ নির্মাণ কৰিছিল। ৰঘূদেৱে দক্ষ শিল্পী শ্রীধৰৰ দ্বাৰা ১৫৮৩ খ্রীষ্টাব্দত হাজোৰ মণি পাহাৰত(মণিকূট) বিষ্ণু(বা হয়গ্রীৱ মাধৱ) মন্দিৰ নির্মাণ কৰাইছিল।

আহোম শাসকসকলৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল তেওঁলোকে বহুতো ৰাজহুৱা কাম কৰিছিল। ৰুদ্র সিংহই ৰংপুৰত এখন ইটাৰে নির্মিত নির্মাণ গঢ় দিছিল। আনহাতে প্রমত্ত সিংহই গড়গাঁৱত নতুন ভৱন আৰু কলাসুলভ তোৰণৰ লগতে ৰংপুৰত ৰংঘৰ নির্মাণ কৰাইছিল। লগতে তেওঁ গুৱাহাটীত ৰুদ্রেশ্বৰ আৰু শুক্রেশ্বৰ মন্দিৰ নির্মাণ কৰাইছিল। হিন্দুত্ববাদৰ প্রভাৱৰ বাবে পৰৱর্তী সময়ৰ আহোমসকলৰ দিনত বহুসংখ্যক মন্দিৰ নির্মাণ কৰা হৈছিল। দেৱগাঁও আৰু বিশ্বনাথত শিৱ মন্দিৰ নির্মাণ কৰাইছিল প্রতাপ সিংহই। সেইদৰে গদাধৰ সিংহই উমানন্দ মন্দিৰ নির্মাণ কৰাইছিল।

মুছলমান চুলতানসকলৰ লগতে আন আন শাসকসকলৰ দিনত নির্মিত ধর্মীয় ভৱনৰ ৰূপত কেতবোৰ স্থাপত্যমূলক অৱশেষ পোৱা যায়। ইয়াৰ ভিতৰত অন্যতম হৈছে হাজোৰ সমীপৰ পোৱামক্কাত মুছলমান পীৰ চুলতান ঘিয়াছউদ্দিন আউলিয়াৰ স্মৃতিত নির্মিত ভৱন। শিখ গুৰু টেগ বাহাদুৰৰ ভ্রমণৰ পিছত দমদমাত গুৰুদ্বাৰ নির্মাণ কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক—

ক) আটাইতকৈ পুৰণি মুদ্রাৰ নিদর্শন পোৱা যায়.....ৰ দিনত।

খ) কোচ মুদ্রাক.....বুলি জনা গৈছিল।

গ) .....চুলতান ঘিয়াছউদ্দিন আউলিয়াৰ স্মৃতিত নির্মাণ কৰা হৈছিল।

ঘ) .....বংপুৰত ৰংঘৰ নির্মাণ কৰাইছিল।

ঙ) উমানন্দৰ মন্দিৰ নির্মাণ কৰাইছিল.....।

প্রশ্ন নং ৭ ঃ তলৰ প্রশ্নৰ উত্তৰ দিয়া—

ক) কোনখন লিপিৰ পৰা লাচিত বৰফুকনে মোগলক পৰাস্ত কৰাৰ কথা জানিব পাৰি?

.....

খ) আহোম লিপিত ব্যৱহাৰ কৰা লিপিৰ বিষয়ে উল্লেখ কৰক।

.....



৬.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায় অধ্যয়ন কৰি আপুনি—

- মধ্যযুগীয় অসমৰ ইতিহাসৰ বিষয়ে স্বদেশী আৰু বিদেশী বিদ্বানসকলে লিখা সমৃদ্ধিশালী সাহিত্যিক সমলৰ বিষযে বিস্তৃত তথ্য লাভ কৰিলে।
- মধ্যযুগীয় সময়ত শাসনাধিষ্ঠিত বংশসমূহৰ স্থাপত্যমূলক অৱশেষৰ বিষয়ে সমৃদ্ধ তথ্য লাভ কৰিলে
- তথ্যনির্ভৰ ইতিহাস লিখাৰ ক্ষেত্রত এইসমূহ সমলৰ গুৰুত্বৰ বিষয়ে বহুত কথাই জানিব পাৰিলে।



৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ টাই-আহোম ভাষা।

২ নং প্রশ্নৰ উত্তৰ ঃবংশাৱলীসমূহ আছিল বিভিন্ন ৰাজ্যৰ ৰাজকীয় পৰিয়াল আৰু উচ্চ বংশৰ অসমীয়া লোকসকলে পুৰুষানুক্রমে লিপিবদ্ধ কৰা তথ্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ আব্দুল হামিদ লাহৰী।

৪ নং প্রশ্নৰ উত্তৰ ঃ ফতিয়াহ-ই-ইব্রিয়াহ।

৫ নং প্রশ্নৰ উত্তৰ ঃ সন্তসকলৰ জীৱনী।

৬ নং প্রশ্নৰ উত্তৰ ঃ খালী ঠাই পূৰণ কৰক-

ক) জয়ধ্বজ সিংহ।

খ) নাৰায়ণী।

গ) পোৱা মক্কা।

ঘ) প্রমত্ত সিংহ।

ঙ) গদাধৰ সিংহ।

৭নং প্রশ্নৰ উত্তৰ ঃ (ক) ফটাশিল শিলালিপি।

(খ) আহোম, দেৱনাগৰী আৰু অসমীয়া লিপি।



৬.৭ আৰ্হি প্রশ্ন

অতি চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভূঞা বংশাৱলী কি বিষয়ৰ ওপৰত আধাৰিত?

প্রশ্ন ২ ঃ কোচ শাসকসকলে পূর্ণ মুদ্রা প্রস্তুত কৰিব নোৱাৰাৰ কাৰণ কি আছিল?

প্রশ্ন ৩ ঃ অসমৰ পদ্য বুৰঞ্জীত দুটা ছন্দোময় বিৱৰণী আছে। কি কি?

চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমু টোকা লিখক—

ক) বুৰঞ্জী খ) কোচ স্মৃতিসৌধ গ) বৈষ্ণৱ সাহিত্য।

ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ মধ্যযুগীয় অসমৰ ইতিহাস লিখাৰ ক্ষেত্রত মুদ্রাগত সমলৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ মধ্যযুগীয় অসমৰ অধ্যয়নৰ ক্ষেত্রত বিদেশী সাহিত্যিক সমলৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ লিপিসমূহে মধ্যযুগীয় অসমৰ ধর্মীয় দিশৰ বিষয়ে কি তথ্য প্রদান কৰে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ঃ পাল সকলৰ পৰৱৰ্তি সময়ছোৱাত ৰাজনৈতিক পৰিস্থিতি

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ কমতাপুৰ
৭.৪ বাৰ-ভূঞাসকল
৭.৫ চুতীয়াসকল
৭.৬ ভূঞাসকল
৭.৭ কছাৰীসকল
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- পৰৱৰ্তী পাল যুগৰ ৰাজনৈতিক অৱস্থা জানিব পাৰিব,
- কামতাপুৰ ৰাজ্যৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- চুতীয়াসকলৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- বাৰ ভূঞা আৰু কাচাৰিসকলৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

পাল ৰাজবংশে অসমত প্রায় দুশ বছৰ শাসন কৰিছিল। পাল শাসনৰ সমাপ্তিৰ পিছত অসমৰ ৰাজনৈতিক অৱস্থা অস্থিৰ হৈ পৰে। পৰিস্থিতিৰ সুযোগ লৈ গৌড় (আধুনিক বংগ) ৰ পাল শাসকসকলে অসম আক্রমণ কৰে আৰু কিছু সময়ৰ বাবে ৰাজ্যখনৰ পশ্চিম অংশত তেওঁলোকৰ অধিকাৰ ক্ষেত্র স্থাপন কৰাত সফল হয়। ইফালে ১১৯২ চনত মুহাম্মাদ ঘোৰীৰ হাতত পৃথ্বীৰাজ চৌহানৰ পৰাজয়ৰ ফলত দিল্লী চুলতানৰ শাসন আৰম্ভ হয়। ত্রয়োদশ শতিকাৰ আৰম্ভণিতে উত্তৰ ভাৰতৰ এটা বৃহৎ অংশ তেওঁলোকৰ আধিপত্যৰ তললৈ আহিছিল। বংগ বিজয়ৰ পিছত, বংগৰ চুলতানসকলে অসম জয় কৰিবলৈ চেষ্টা কৰিছিল।

এনেদৰে এই সময়ছোৱাত অসমত প্রথম মুহাম্মাদ আক্রমণো দেখা গৈছিল। এনেদৰে পশ্চিমৰ পৰা আক্রমণ-পালা যুগৰ মুখ্য বৈশিষ্ট্য আছিল। একেসময়তে কিছুমান সৰু মুৰব্বীয়ে কিছুমান অঞ্চলৰ ওপৰত তেওঁলোকৰ কর্তৃত্ব প্রতিষ্ঠা কৰিবলৈ আৰম্ভ কৰিছিল। এই অধ্যায়ত আমি চুতীয়া, বৰা ভূঞা আৰু কাচাৰিসকলৰ বিষয়ে আলোচনা কৰিম।

৭.৩ কমতাপুৰ

দ্বাদশ শতিকাৰ আৰম্ভণিতে পালৰ পতনৰ লগে লগে, কামৰূপাৰ শক্তিশালী ৰাজ্যৰাজনৈতিক পৰিৱর্তন আৰু নতুন ভূ-ৰাজনৈতিক স্থান সৃষ্টিৰ দ্বাৰা চিহ্নিত হৈ বিভক্ত হৈ পৰে। এই সময়ছোৱাত বিদ্যুৎ কেন্দ্রটো কামৰূপনগৰৰ পৰা কামতাপুৰলৈ স্থানান্তৰিত হয় আৰু অসমৰ ইতিহাসৰ এক আকর্ষণীয় ৰূপ দিয়ে। পালসকলৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে আমাৰ ওচৰত বেছি তথ্য নাই। আমি শ্রী ভালভাদেৱ নামৰ এজন ৰজাৰ নাম পাইছো যিয়ে নিজকে কামৰূপাৰ শাসক বুলি নকয়, অৱশ্যে তেওঁ যিবোৰ গাওঁৰ সীমা প্রদান কৰিছিল তাৰ নাম ("konci")ত শেষ হৈছে যিটো অসমৰ কামৰূপ জিলাৰ বাবে বিশেষ।

ইফালে পশ্চিম অসমৰ কিছু অংশত সামন্ততান্ত্রিক প্রধানসকলে শাসন কৰিছিল যিসকলে গৌড় বা বংগৰ পাল্ছৰ প্রতি আনুগত্য ৰখা ৰখা হৈছিল। সন্ধ্যাকৰণানন্দিনৰ ৰামচাৰীতাই কয় যে ৰামপালৰ এজন সেনাপতি মায়ানাই (গ.১০৭২-১১২৬খ্রী) কামৰূপা জয় কৰিছিল। ৰামপালে তিংঘ্যাদেৱক সামন্ততান্ত্রিক প্রধান হিচাপে নিযুক্ত কৰিছিল। বৈদ্যদেৱৰৰ কামাউলি কপাৰপ্লেটৰ দ্বাৰা ইয়াক সমর্থন কৰা হৈছে (গ.১১২৬-১১৪০ খ্রীপূ. অসমৰ পাল ৰাজবংশৰ সমাপ্তি ঘটিছিল আৰু গৌড়ৰ প্রাগজ্যোতিষ ভূক্তিত কামৰূপ মণ্ডল হৈ পৰিছিল। কামাউলি অনুদানে আমাক আৰু কয় যে ৰামপালৰ মৃত্যুৰ পিছত তিঙ্গ্যদেৱ বিদ্রোহ কৰিছিল আৰু ৰামপালৰ পুত্র আৰু উত্তৰাধিকাৰী কুমাৰপালৰ মন্ত্রী আৰু জেনেৰেল বৈদ্যদেৱে টিঙ্গ্যদেৱক পৰাজিত কৰিছিল। প্রথমতে তেওঁ বংগৰ সামন্ততান্ত্রিক হিচাপে শাসন কৰিছিল, কিন্তু কুমাৰপালৰ মৃত্যুৰ পিছত তেওঁৰ স্বাধীনতাৰ ওপৰত জোৰ দিছিল। তেওঁ "মহাৰাজাধিৰাহ পৰমেশ্বৰ পৰামাৰৈস্নাভা, পৰমভট্টৰাকা"ৰ দৰে সম্পূর্ণ সাম্রাজ্যিক উপাধি গ্রহণ কৰিছিল আৰু কামৰূপ জি লাৰ হামচা কোঞ্চিত তেওঁৰ মুৰ-চতুর্থাংশৰ পৰা ভূমি-অনুদান জাৰী কৰিছিল। কিন্তু গুৱাহাটী অঞ্চলত, সমুদ্রপালা নামৰ এজন ৰজাই শাসন কৰি থকাৰ সময়ত অতি কমেও ১২৩২ খ্রী.পূ. লৈকে পালা শাসনৰ অৱশিষ্টাংশ অব্যাহত আছিল। সাকা ১১৫৮ (১২৩২ খৃষ্টাব্দ) তাৰিখৰ আম্বাৰী শিলালিপিত সমুদ্রপালাক শাসন কৰা বুলি উল্লেখ কৰা হৈছে গুৱাহাটী অঞ্চল। ইফালে অসমে তুর্কো-আফগান আক্রমণৰ সন্মুখীন হ'ব লগা হৈছিল। সন্ধ্যা আছিল অন্তিম পাল শাসক, যাক ৰামচৰণ ঠাকুৰৰ গুৰু চৰিত্রই উল্লেখ কৰিছে। এই কামৰ কথা উল্লেখ কৰি কে.এল. বৰুৱাই তেওঁৰ কথা প্রতিষ্ঠা কৰে যে ভূঞা আৰু কাচাৰিসকলৰ পৰা বাঢ়ি অহা সমস্যাৰ বাবে সন্ধ্যাই তেওঁৰ ৰাজধানী কমাৰুপানগৰৰ পৰা কামতাপুৰলৈ স্থানান্তৰিত কৰিছিল।

৭.৪ বাৰ ভূঞা সকল

বহুতো বিৱৰণ আছে যিয়ে বাৰ ভূঞাৰ উৎপত্তিৰ কথা কয় কিন্তু ই ইজনে সিজনৰ বিপৰীতে চলে। শংকৰদেৱে তেওঁৰ ভাগৱতপুৰাণত তেওঁৰ দেউতাকক কুসুমাভাৰা (প্রধান ভৌমিকা) বুলি উল্লেখ কৰিছে। শিৰোনামটোৱে সূচায় যে তেওঁৰ পৰিয়ালটো ভূঞা পৰিয়ালৰ আছিল। বংগতো বাৰ ভূঞা পৰম্পৰা বিৰাজ কৰিছিল, যি আইন-ই-আকবৰী আৰু আকবৰ-নামাহত উল্লেখ পাইছে।

দ্বাদশ শতিকাত প্রাচীন কামৰূপ ৰাজ্যৰ পতন ঘটাৰ পাচত উত্থিত হোৱা নতুন শাসক শ্রেণীটো আছিল ভূঞাসকল। ইয়াৰ পূর্বে তেওঁলোকে ব্রহ্মপুত্রৰ উত্তৰ পাৰৰ দিক্ৰাই আৰু বৰনদীৰ মাজত পৰা অঞ্চলটোৰ লগতে কপিলী উপত্যকাত শাসন চলাইছিল। ভূঞাসকলে ৰাজতান্ত্রিক শাসন ব্যৱস্থাৰ প্রচলন ঘটোৱা নাছিল। 'ভূঞা' শব্দৰ অর্থ হ'ল ভূস্বামী। পার্চী ভাষাৰ 'জমিনদাৰ' শব্দটোৰ অর্থৰ সৈতে 'ভূঞা' শব্দৰ অর্থৰ মিল আছে। 'ভূঞা' শব্দৰ মূল হ'ল সংস্কৃত শব্দ 'ভূমি'। অসমৰ উপৰি বংগ, বিহাৰ আৰু ওড়িশাত ভূঞাসকলে বাস কৰি আহিছে। অসমৰ ভূঞাসকলে সংঘৱদ্ধ ৰূপত শাসন চলাইছিল। অসমৰ বেছিভাগ ভূঞাই কায়স্থ সম্প্রদায়ৰ লোক। বংগতো ভূঞাসকলৰ সামাজিক অনুষ্ঠানৰ অস্তিত্ব আছে।

অসমৰ ভূঞাসকলৰ উৎপত্তি আৰু ৰাজ্য গঠন প্রক্রিয়াৰ সৈতে দুটা মতবাদ জড়িত হৈ

ৰজা ধর্মনাৰায়ণ আৰু কমতা ৰজা দুর্লভ নাৰায়ণৰ মাজত স্বক্ষৰিত হোৱা এক শান্তি চুক্তিৰ পাচত অসমলৈ ভূঞাসকলৰ আগমন ঘটিছিল। কমতা ৰজাই ভূঞাসকলক হাজোৰ পূৱ দিশত অৱস্থিত লেঙামাগুৰীত বসতি স্থাপন কৰাৰ সুবিধা দিছিল। কিন্তু লেঙামাগুৰীৰ ভিতৰুৱা পথবোৰেৰে ভূটীয়া লোকৰ সঘন আহ-যাহৰ বাবে ভূঞাসকল বেছিদিন সেই অঞ্চলত নাথাকিল। আনটো মতবাদ অনুসৰি ভূঞাসকল অসমৰ খিলঞ্জীয়া বাসিন্দা। তেওঁলোক আৰিমত্ত ৰজাৰ মন্ত্রী সমুদ্রৰ উত্তৰপুৰুষ। আছে। এটা মতবাদ অনুসৰি ভূঞাসকল গৌড় ৰাজ্যৰ পৰা অহা লোক। চতুর্দশ শতিকাত গৌড ৰজা ধর্মনাৰায়ণ আৰু কমতা ৰজা দুর্লভ নাৰায়ণৰ মাজত স্বক্ষৰিত হোৱা এক শান্তি চুক্তিৰ পাচত অসমলৈ ভূঞাসকলৰ আগমন ঘটিছিল। কমতা ৰজাই ভূঞাসকলক হাজোৰ পূৱ দিশত অৱস্থিত লেঙামাগুৰীত বসতি স্থাপন কৰাৰ সুবিধা দিছিল। কিন্তু লেঙামাগুৰীৰ ভিতৰুৱা পথবোৰেৰে ভূটীয়া লোকৰ সঘন আহ-যাহৰ বাবে ভূঞাসকল বেছিদিন সেই অঞ্চলত নাথাকিল। আনটো মতবাদ অনুসৰি ভূঞাসকল অসমৰ খিলঞ্জীয়া বাসিন্দা। তেওঁলোক আৰিমত্ত ৰজাৰ মন্ত্রী সমুদ্রৰ উত্তৰপুৰুষ।

ভূঞা বিষয়াসকলক নগদ ধনৰ দৰমহাৰ সলনি মাটি অনুদান দিয়া হৈছিল। এই অনুদানহিচাপে পোৱা মাটি কিন্তু বংশানুক্রমিকভাৱে ব্যৱহাৰ কৰিব পৰা নগৈছিল যদিও মৃত বিষয়াৰ পুত্রই এনে মাটি ব্যৱহাৰ কৰিব পাৰিছিল। অর্থাৎ ভূঞাসকলে সামন্তবাদী প্রথাৰে ৰাজ্য গঠন প্রক্রিয়াটো আগবঢ়াই নিছিল। কৃষকৰ পৰা সংগ্রহ কৰা ৰাজহ আছিল ভূঞা ৰাজ্যৰ আয়ৰ প্রধান উৎস। ভূস্বামীসকলে একাধিক গাওঁ একেলগ কৰি একোটা গোট গঠন কৰিছিল। ইয়াৰ প্রধান উদ্দেশ্য আছিল এটা নির্দিষ্ট অঞ্চলৰ পৰা আর্জিত আয়ৰ মূল্যায়ন কৰা। গাওঁবোৰৰ এনে গোট একোটাক 'চাক্লা' বোলা হৈছিল। এনে 'চাক্লা' নিয়ন্ত্রণ কৰা বিষয়াজনক ভূঞা বোলা হৈছিল। যদি এটা 'চাক্লা'ত বাৰখন গাওঁ থাকে তেন্তে তত্ত্বাৱধায়ক ভূঞাগবাকীক 'বাৰভূঞা বুলি সম্বোধন কৰা হৈছিল। বাৰখনতকৈ কম গাঁৱৰ তত্ত্বাৱধানৰ দায়িত্বত থকা বিষয়াজনক 'ছোটাভূঞা' নাইবা 'সৰু ভূঞা' নাইবা 'ভূঞা' বোলা হৈছিল। কেতিয়াবা ভূঞাসকলে ৰজা,

ছোটা-ৰাজ, গোমাথা ইত্যাদি উপাধি গ্রহণ কৰিছিল।

প্রতিজন ভূঞাই নির্দিষ্ট এলেকাৰ ভিতৰত স্বতন্ত্রভাৱে কাম কৰিছিল। তেওঁ নিজাকৈ সৈন্যবাহিনী গঠন কৰিব পাৰিছিল। ভূঞাসকলে স্বতন্ত্র মুখিয়ালৰ দৰে শাসন কৰিছিল। ষোড়শ শতিকাৰ প্রথমার্দ্ধত আহোমসকলে ভূঞাসকলক নিজৰ তলতীয়া কৰিছিল। ভূঞাসকলে নিজ নিজ এলেকাত ন্যায়িক ক্ষমতাও প্রয়োগ কৰিছিল। ভূঞাসকলৰ ব্যক্তিগত আদালতক 'কাৰখানা' বোলা হৈছিল।

কমতা ৰাজ্যৰ ভূঞাসকল অতি ক্ষমতাশালী আছিল। কমতা ৰজা নীলধ্বজ সমগ্র ৰাজ্যখনৰে সার্বভৌম শাসকত পৰিণত হৈছিল। পাচত ভূঞাসকলৰ নেতৃত্বত হুছেইন শ্বাহৰ চৰকাখনক ক্ষমতাচ্যুত কৰা হৈছিল।

কোচসকলৰ উত্থানৰ লগে লগে কমতা ভূঞা সকলৰ শক্তি হ্রাস পাইছিল। কোচ ৰাজ্যৰ প্রতিষ্ঠাপক বিশ্বসিংহই অধিকাংশ ভূঞাকে বশ কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১। শুদ্ধ বা অশুদ্ধ লিখক-

(ক) তেজ আৰু লোৰ নীতিৰ দ্বাৰা চুকাফাৰ দ্বাৰা মোৰান আৰু বাৰাহিসকলক বংশ কৰা হৈছিল।
(খ) বৰফুকনৰ পদটো প্রতাপ সিঙে সৃষ্টি কৰিছিল।
(গ) মন্ত্রীসকলক ডাংগাৰিয়া বুলি জনা গৈছিল।

৭.৫ চুতীয়াসকল

পাল ৰাজবংশৰ পতনৰ পাচত অসমৰ ৰাজনৈতিক জগতত উত্থান ঘটা উজনি ব্রহ্মপুত্র উপত্যকাৰ এখন শক্তিশালী ৰাজ্য আছিল চুতীয়া ৰাজ্য। চুতীয়াসকল অসমৰ খিলঞ্জীয়া বাসিন্দা। মংগোলীয় মূলৰ চুতীয়াসকলৰ ভাষা বড়ো ভাষাৰ সৈতে মিলে।

আনুমানিক ১১৮৭ খৃষ্টাব্দত বীৰপালে চুতীয়া ৰাজ্য প্রতিষ্ঠা কৰিছিল। তেওঁ চুতীয়াসকলৰ মুখিয়াল আছিল। পাল বংশৰ পতন আৰু আহোম বংশৰ উত্থানৰ আগতে চুতীয়া ৰাজ্য আছিল অসমৰ সর্ববৃহৎ ৰাজ্য। অসমৰ পূৰ অংশ আৰু অৰুণাচল প্রদেশ সামৰি গঠন হোৱা

চুতীয়া ৰাজ্যৰ অস্তিত্ব প্ৰায় ৪০০ বছৰ বর্তি আছিল। সম্প্ৰতি চুতীয়া ৰাজ্যৰ ৰাজধানী নগৰখনৰ নির্ভুল অৱস্থান বিচাৰি উলিওৱা সম্ভৱ নহয়। কিন্তু এই কথা সাধাৰণভাৱে স্বীকাৰ কৰি লোৱা হয় যে কুণ্ডিল নদীৰ পাৰত চুতীয়া ৰাজ্যৰ ৰাজধানীখন আছিল। ৰাজধানী নগৰখনক কুণ্ডিল নগৰ নাইবা ভীষ্মক নগৰ বুলি জনা গৈছিল। লগতে এয়াও অনুমান কৰা হয় যে বর্তমানৰ শদিয়া আৰু ৰত্নপুৰেই আছিল চুতীয়া ৰাজ্যৰ ৰাজধানী। অসমৰ ডিব্রুগড়, লখিমপুৰ, শিৱসাগৰ, দৰং আৰু দুৱাৰ অঞ্চল হ'ল চুতীয়াসকলৰ বর্তমান বাসস্থান।

চুতীয়া ৰাজ্যৰ পশ্চিম প্ৰান্তত আছিল শিশি নৈ। এই নৈখন সুবণশিৰি নদীৰ উপনৈ। ব্ৰহ্মকুণ্ড আছিল চুতীয়া ৰাজ্যৰ পূব সীমা। ৰাজ্যখনৰ উত্তৰ দিশত পাহাৰ আৰু দক্ষিণ দিশত বুঢ়ীদিহিং নদী আছিল। চুতীয়াসকলে ৰাজতান্ত্ৰিক চৰকাৰ গঠন কৰিছিল। ৰজা আছিল ৰাজ্যৰ মুৰব্বী। ৰজাক বিষয়াবর্গই সহায় কৰিছিল। অধিকাংশ চুতীয়া ৰজাই নিজৰ নামৰ পাচত 'নাৰায়ণ' ব্যৱহাৰ কৰিছিল। চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাপক বীৰপালে নিজকে কিংবদন্তি ৰজা ভীষ্মকৰ বংশধৰ বুলি দাবী কৰিছিল। চুবুৰীয়া মুখিয়াল পৰিচালিত অঞ্চলবোৰ নিজৰ অধীনলৈ অনাৰ পাচত বীৰপালে 'গয়াপাল' উপাধি ব্যৱহাৰ কৰিবলৈ লৈছিল।

বীৰপালৰ পুত্ৰ গৌৰীনাৰায়ণ অথবা ৰত্নধ্বজপালক চুতীয়া ৰাজ্যৰ সবাতোকৈ ক্ষমতাশালী ৰজা বুলি কোৱা হয়। বৃহৎ সৈন্যদলে ভদ্ৰসেন ৰজাক পৰাস্ত কৰিছিল। ভদ্ৰসোনৰ পুত্ৰ চুতীয়া ৰাজ্যৰ কৰতলীয়া ৰজাত পৰিণত হৈছিল। এই যুদ্ধৰপাচত গৌৰীনাৰায়ণে ৰত্নধ্বজপাল নাম গ্ৰহণ কৰিছিল। তেওঁ চুবুৰীয়া ৰজা ন্যায়পালকো নিজৰ অধীন কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু ন্যায়পালে তেওঁৰ জীয়ৰীক চুতীয়া ৰজালৈ বিয়া দিয়াৰ প্ৰস্তাৱ আগবঢ়াই এই আক্ৰমণ ৰোধ কৰিছিল। চুতীয়া ৰাজ্যত কে পৰাক্ৰমী সৈন্য বাহিনী আছিল। বাহিনীটোৱে অনায়াসে চুবুৰীয়া মুখিয়াল শাসিত অঞ্চলবোৰ বশ কৰিছিল। চুবুৰীয়া পাহাৰীয়া জনগোষ্ঠীবোৰৰ আগ্ৰাসন ৰোধ কৰিবলৈ পাহাৰৰ পাদদেশত ৰত্নধ্বজপালে বহুকেইটা দূৰ্গ নির্মাণ কৰোৱাইছিল। তেওঁৰ সৈন্যবাহিনীয়ে কমতেশ্বৰ ৰাজ্যত প্ৰৱেশ কৰিছিল। অৱশেষত কমতা ৰজা সন্ধাই তেওঁৰ জীয়ৰীক ৰত্নধ্বজপালৰ পুত্ৰ বিজয়ধ্বজপাললৈ বিয়া দিছিল।

বৈদেশিক সম্পর্কৰ ক্ষেত্ৰত চুতীয়া ৰজাসকলে কূটনৈতিক কৌশল অৱলম্বন কৰিছিল। ৰজা গত্নাধ্বজপালে গৌড়ৰ ৰজাৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক বর্তাই ৰাখিছিল। আনুমানিক চতুর্দশ শতিকাৰ মাজভাগত চুতীয়া আৰু আহোম ৰাজ্যৰ মাজত ৰাজনৈতিক সম্পর্ক স্থাপন হৈছিল। শক্তিশালী আহোম ৰজা চুহুংমুং অথবা দিহিঙ্গিয়া ৰজাই অৱশেষত চুতীয়া ৰাজ্য জয় কৰিছিল। ১৫২৩ খৃষ্টাব্দত চুতীয়া ৰাজ্যক আহোম ৰাজ্যৰ সৈতে চামিল কৰা হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২। চুতীয়া ৰাজ্য কোনে প্রতিষ্ঠা কৰিছিল?

প্রশ্ন ৩। ভূঞাসকলে প্রশাসনীয় সুবিধাৰ বাবে একগোট কৰি লোৱা গাওঁবোৰৰ সমষ্টি একেটাক কি নামেৰে জনা গৈছিল?

প্রশ্ন ৪। ভূঞাসকলে পোন প্রথমে ক'ত বসতি স্থাপন কৰিছিল?

৭.৬ কছাৰীসকল

কছাৰীসকল হ'ল ইণ্ড'-মংগোলীয় গোষ্ঠীৰ এটা ঠাল। পাল ৰাজবংশৰ পতনৰ পাচত কছাৰীসকলৰ তাৎপর্যপূর্ণ উত্থান ঘটিছিল। ত্রয়োদশ শতিকাত আহোমসকলৰ আগমনৰ পূর্বে কছাৰীসকল আছিল নিজ ৰাজ্যত সুখ-শান্তিৰে বসবাস কৰি থকা সবাতোকৈ সংগঠিত জনগোষ্ঠী। কছাৰী ৰাজ্যৰ পূৱ দিশত দিখৌ নদী আৰু পশ্চিম দিশত কপিলী নদী আছিল। বর্তমানৰ উত্তৰ কাছাৰ জিলাও এসময়ত কছাৰী ৰাজ্যৰ অন্তর্গত আছিল।

সম্ভৱতঃ আহোম ৰজা চুকাফাৰ সমসাময়িক কছাৰী ৰজা আছিল বিচাৰপতিফা। বুৰঞ্জীবোৰৰ পৰা গম পোৱা যায় যে চুকাফাই নাগা পাহাৰৰ পাদদেশত এক বৃহৎ সংখ্যক কছাৰী সৈন্যৰ সৈতে যুঁজ কৰিছিল। ১৫২৬ চনত চুহুংমুং দিহিঙ্গিয়া ৰজাই কছাৰী ৰাজ্যক ৰণত পৰাস্ত কৰি ৰাজ্যখন আহোম ৰাজ্যৰ অন্তর্গত কৰিছিল। সেই সময়ৰ পৰা কছাৰী ৰজাবোৰক আহোমসকলৰ দ্বাৰা 'থাপিত সঞ্চিত' (স্থাপিত আৰু সংৰক্ষিত) নামেৰে জনা গৈছিল। পৰৱর্তী সময়ত তেওঁলোকে আহোমৰ বিৰুদ্ধে বিদ্রোহ কৰি ৰাজধানী নগৰ ডিমাপুৰৰ নিয়ন্ত্রণ নিজৰ হাতলৈ নিছিল। ১৫৬২ চনত কোচসকলে কছাৰী ৰাজ্যক পৰাস্ত কৰি নিজৰ তলতীয়া কৰিছিল। আহোম স্বর্গদেউ ৰুদ্রসিংহৰ আক্রমণত অৱশেষত কছাৰী ৰাজ্যৰ পতন হৈছিল।

কছাৰীসকলে এক উন্নত প্রশাসনিক ব্যৱস্থাৰ প্রচলন ঘটাইছিল। তেওঁলোকৰ প্রশাসন আছিল ৰাজতান্ত্রিক পদ্ধতিৰ। কছাৰী ৰাজ্যত ৰজাই আছিল সর্বোচ্চ কর্তৃপক্ষ। কছাৰী ৰাজ্যত কোনো বিধান সভা পতাৰ তথ্য ক'তো উল্লেখ নাই। ৰজাক কেইজনমান মন্ত্রীয়ে সহায় কৰিছিল। ৰজাসকলে বংশানুক্রমিকভাৱে ৰাজপাটত বহিছিল।

কছাৰী ৰাজ্যত এটা দক্ষ সামৰিক প্রশাসন আছিল। সৈন্যবাহিনীত পদাতিক, হিলৈদাৰী, গজাৰোহী সৈন্য আছিল। ৰজা আছিল ন্যায়িক আৰু সামৰিক বিভাগৰ মুৰব্বী। যুদ্ধৰ সময়ত ৰজা আছিল সেনাধিনায়ক।

প্রশাসনিক গোটৰ দ্বিতীয় স্থানত আছিল মন্ত্রীসকল। সম্ভ্রান্ত পৰিয়ালৰ লোকক মন্ত্রীৰূপে নিযুক্তি দিয়া হৈছিল। সংকটাৱস্থাত তেওঁলোকে ৰজাক দিহা-পৰামর্শ দিছিল। কছাৰী প্রশাসনত

বিভিন্ন প্রশাসনিক বিভাগ আছিল। প্রদেশবোৰত গভর্নৰে শাসন চলাইছিল।

কছাৰী ৰজাসকলে সোণ আৰু ৰূপৰ মুদ্রা জাৰি কৰিছিল। তেওঁলোকে চুবুৰীয়া জাতি-জনগোষ্ঠী আৰু আহোমসকলৰ সৈতে বাণিজ্যিক সম্পর্ক বৰ্তাই ৰাখিছিল। ৰাজ্যিক ৰাজহৰ প্রধান উৎস আছিল বস্ত্র, কাঠ আৰু নিমখৰ ৰপ্তানি। বিত্ত বিভাগে ব্যৱসায়-বাণিজ্যৰ দিশটো চোৱাচিতা কৰিছিল। ৰাজ্যই বাসিন্দাৰ ওপৰত গৃহ শুল্ক, বজাৰ শুল্ক আৰু ভূমি ৰাজহ আৰোপ কৰিছিল। আমদানি কৰা সামগ্রীৰ ভিতৰত খনিজ পদার্থৰ উল্লেখ পোৱা যায়।

কছাৰী ৰাজ্যৰ বহুতো নগৰ প্রসিদ্ধ আছিল। ইয়াৰে ভিতৰত কাছমাৰী, সোণাপুৰ, বনপুৰ, মাইবং আৰু খাছপুৰ অন্যতম। নগৰ কেন্দ্রবোৰৰ বিকাশে ৰাজ্যখনৰ পৌৰ প্রশাসনৰ উন্নত অৱস্থাৰ কথাকে সূচায়। নগৰবোৰৰ প্রশাসনিক কাম-কাজত ৰজাই প্রত্যক্ষভাৱে তদাৰক কৰিছিল। কছাৰী গাওঁবোৰত গাওঁপ্রধানৰ শাসন চলিছিল।

জানি থওঁ আহক

মৰাণ আৰু বৰাহিসকল-পালা শাসনৰ পতনৰ পিছত মৰাণ আৰু বৰাহিসকলৰ ৰাজ্যৰ উদ্ভৱ হৈছিল। বড়ো-কচাৰী জাতিৰ এজন সদস্য, খুৱ কম সংখ্যক লিখনি আছে যিয়ে সেইবোৰ বিষয়ে বিৱৰণ দিয়ে। সর্বাধিক, এইটো ক'ব পাৰি যে তেওঁলোক এটা সৰু সম্প্রদায় আছিল আৰু আহোমৰ নিয়ন্ত্রণ আহিছিল।

চিন্তা-চর্চা কৰক

আহোম-কছাৰী সম্পর্কৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....

.....

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি পঢ়ি আমি জানিব পাৰিলোঁ যে-

- পাল শাসনৰ সমাপ্তিৰ পিছত অসমৰ ৰাজনৈতিক অৱস্থা অস্থিৰ হৈ পৰে।
- বীৰপালে ১১৮৭ খৃষ্টাব্দত চুতীয়া ৰাজ্য প্রতিষ্ঠা কৰিছিল। চুতীয়া ৰাজ্য ৰাজতান্ত্রিক পদ্ধতিৰে পৰিচালনা কৰা হৈছিল।

- 'ভূঞা' শব্দৰ অর্থ হ'ল 'ভূস্বামী'। ভূঞাসকলৰ ৰাজ্যশাসন পদ্ধতি ৰাজতান্ত্রিক নাছিল।
- ত্রয়োদশ শতিকাত কছাৰী ৰাজ্যই এক শক্তিশালী ৰূপ গ্রহণ কৰিছিল। কছাৰীসকলে ৰাজতান্ত্রিক পদ্ধতিৰ শাসনৰ প্রচলন ঘটাইছিল।

৭.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1. Barpujari,H.K(2003):*The Comprehensive History of Assam:Vol II*, Publication Board,Assam,Guwahati.
2. Gait,Edward(2005):*A History of Assam,LBS Publication,*Guwahati
3. Boruah, Nirode. *Kamrup to Kamata: The Political Transitions and the Neo-Geo Political Trends and Spaces in* Proceedigs of the Indian History Congress. 2011. Vol. 72 (Part 1) pp.78-86

৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰঃ (ক) অশুদ্ধ

(খ) শুদ্ধ

২ নং প্রশ্ন উত্তৰঃ বীৰ পাল।

৩ নং প্রশ্ন উত্তৰঃ চাক্‌লা।

৪ নং প্রশ্ন উত্তৰঃ লেঙামাগুৰী

৭.১০ আৰ্হি প্রশ্ন

(ক)অতি চমু প্রশ্ন (৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ চুকাফা কোন আছিল? তেওঁ কেনেকৈ অসমত আহোম ৰাজবংশ প্রতিষ্ঠা কৰিছিল?

প্রশ্ন ২ ঃ কোনে তেওঁৰ ৰাজধানী কামৰূপনগৰৰ পৰা কমতাপুৰলৈ স্থানান্তৰ কৰিছিল? নাম উল্লেখ কৰক।

(খ) চমু প্রশ্ন (১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ চুতীয়া ৰাজ্য কোনে প্রতিষ্ঠা কৰিছিল?

প্রশ্ন ২ ঃ মৰাণ আৰু বৰাহি সকল কোন আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভূঞাসকল কোন আছিল? তেওঁলোকৰ ৰাজ্য গঠন প্রক্রিয়াটো কেনেধৰণৰ আছিল? আলোচনা কৰক।

প্রশ্ন ২ ঃ কছাৰীসকল কোন আছিল? কছাৰীসকলৰ ৰাজ্য গঠন প্রক্রিয়াটো চমুকৈ আলোচনা কৰক।

*** **** ***

অধ্যায় ৮ ঃ আহোমসকল

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ আহোমসকলৰ পৰিচয়
৮.৪ আহোমসকলৰ আগমন
৮.৫ ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈ সামৰি লোৱা ঘটনাৱলী
৮.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৮.৭ অগ্ৰগতিৰ খতিয়ান
৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আহোম শাসকসকলৰ মূলৰ আলোচনা কৰিব পাৰিব,
- আহোমসকলৰ অসমলৈ আগমনৰ বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব,
- ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খীষ্টাব্দলৈ ঘটনাৱলীৰ বিৱৰণ আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়ত আমি অসমত আহোম শক্তিৰ উত্থানৰ বিষয়ে আলোচনা কৰিম। স্থানীয় জনজাতীয় লোকসকলৰ সৈতে আৰু লগতে তুৰ্ক-আফগান আক্ৰমণকাৰীসকলৰ সৈতে মুখামুখি হৈ আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে কৰা সংগ্ৰামৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

চুকাফাই প্ৰতিষ্ঠা কৰা সাম্ৰাজ্যখনত আহোমসকলে ছশ বছৰ ৰাজত্ব কৰিছিল আৰু আটাইতকৈ ক্ষমতাশালী সাম্ৰাজ্য হৈ পৰিছিল। এই অধ্যায়ত আমি আহোমসকলৰ ক্ষমতাৰ উত্থানৰ বিষয়ে আৰু পিছলৈ মান আৰু বৃটিছৰ আগমনৰ বাবে হোৱা ভাবুকি আৰু পৰৱৰ্তী আহোম শাসকসকলৰ দুৰ্বলতাৰ বাবে আহোমৰ শক্তিৰ কিদৰে হ্ৰাস পাইছিল তাৰ বিষয়ে আলোচনা কৰিম।

৮.৩ আহোমসকলৰ পৰিচয়

আহোমসকল দক্ষিণ-পূব এছিয়াত বিস্তাৰিত হৈ থকা তাই মূলীয় গোষ্ঠী। তেওঁলোক

মূলতঃ দক্ষিণ-পশ্চিম য়ুনানত অৱস্থিত মং মাঅ' অথবা মং মাও লুং ৰাজ্যৰ বাসিন্দা আছিল। আহোম বুৰঞ্জীত উল্লেখ থকা মতে, মং মাওৰ ৰাজধানী কিয়েং চেন মাও লুঙৰ পৰা আহোমসকল অসমলৈ আহিছিল।

আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা চুকাফাই ১২১৫ খ্ৰীষ্টাব্দত কিয়েং চেন মাও লুং এৰিছিল। সম্ভৱতঃ মং মাও ৰাজ্যৰ ৰাজকোঁৱৰ চুকাফাই তেওঁৰ এগৰাকী ভাতৃৰ সৈতে বিবাদৰ সৃষ্টি হোৱাত নিজৰ ভৱিষ্যৎ নিৰ্ণয় কৰিবলৈ আন ক'ৰবালৈ গুচি আহিছিল। তেওঁ অকলে অহা নাছিল, লগত মং (ৰাজ্য বা উপনিৱেশ)-ৰ পাঁচগৰাকী মুখ্য ব্যক্তি আৰু তেওঁলোকৰ উভয়ৰে লগত সেনাৰ দল, তিনি গৰাকী ৰাণী, দুজন পুত্ৰ আৰু এগৰাকী কন্যাক লৈ আনিছিল। তেওঁ জীন আৰু লাগামৰ সৈতে ৩০০টা ঘোঁৰাও আনিছিল আৰু ২টা হাতী আনিছিল, যিহে তেওঁক গধুৰ অস্ত্ৰসমূহ কঢ়িয়াই অনাত সহায় কৰিছিল।

আহোমৰ জনশ্ৰুতি আৰু ব্ৰাহ্মণ্য গণনাত প্ৰকাশ পোৱা মতে আহোমসকল স্বৰ্গীয় বংশোদ্ভূত আৰু স্বৰ্গৰ দেৱতা ইন্দ্ৰ অৰ্থাৎ দেওধাইসকলে উল্লেখ কৰা লেংডনৰ উত্তৰাধিকাৰী।



জানি থোৱা ভাল

দেওধাই ঃ আহোমৰ পূজাৰীসকলক দেওধাই বুলি জনা যায়।

৮.৪ আহোমসকলৰ আগমন

আহোমসকলে পাটকাই পাহাৰেদি আহি ব্ৰহ্মপুত্ৰৰ সাৱঁৰা সমতল ভূমিত উপস্থিত হৈছিল, যিটো দক্ষিণ-পশ্চিম য়ুনানৰ পৰা এটি প্ৰাচীন পথ আছিল। পাটকাই গিৰিপথ অতিক্ৰম কৰি এইখিনি পাবলৈ চুকাফা আৰু তেওঁৰ সহযাত্ৰীসকলক ১৩ বছৰ কাল লাগিছিল। মং মাওৰ পৰা অহাৰ পিছত বিভিন্ন মং অৰ্থাৎ ৰাজ্য পাৰ হৈ তেওঁলোকে নং য়াং হ্ৰদৰ পাৰৰ খামজাঙত বাহৰ পাতিলে। খামজাঙত থকাৰ সময়তে চুকাফাই নগাসকলক বশ কৰিছিল। খামজাঙত যথোপযুক্ত ব্যৱস্থা কৰাৰ লগতে চুকাফা আৰু তেওঁৰ অনুগামীসকলে আগুৱাই গৈ পাটকাই বা দৈ-কাও-ৰঙত উপস্থিত হ'ল। তাৰ পাছত তেওঁ পাহাৰৰ নামনিৰ ফালে আগুৱাই নাম নাং-পো পাৰ হৈ নামৰুক নৈ পালেগৈ। তেওঁলোকে নৈৰ পাৰেৰে ভটিয়াই নামৰুক আৰু বুটীদিহিং নৈৰ সংগম স্থল পালেগৈ। তাৰ পৰা তেওঁলোক উজাই গ'ল আৰু মং লা-খেন তেন্ চা (লাখেন টেলচা)-ত উপস্থিত হ'ল। তাৰ পৰা উভতি আহি চুকাফাই তেওঁৰ সহযাত্ৰীসকলৰ সৈতে বুটীদিহিং নৈৰ সুঁতি অনুসৰণ কৰি তিপামৰ কাষত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিলে, য'ত তেওঁ প্ৰথম ৰাজধানী পাতে।

চুকাফা তিনি বছৰ কাল তিপামত থাকিল আৰু তাৰ পৰা নৈৰ পাৰেৰে নামনিলৈ গতি কৰি কিছু বছৰ অভয়পুৰ আৰু হাবুঙত থাকি অৱশেষত দিখৌমুখ পালেগৈ। তেওঁ চং-

টাকতো দুবছৰ আছিল। পুনৰ তাৰ পৰা উভতি আহিল আৰু শিমলুগুৰিত থাকিবলৈ ল'লে। ইয়াৰ পৰা তেওঁ ডিমৌলৈ গ'ল। তাত তেওঁ ছবছৰ বাস কৰিছিল। কিন্তু ভয়ানক বানে তেওঁক লাং-তে-ফালৈ যাবলৈ বাধ্য কৰিলে য'ত তেওঁ এখন নগৰ প্ৰতিষ্ঠা কৰিলে। পুনৰ বানৰ বাবে চুকাফাই দলে-বলে কাষৰীয়া পাহাৰ অঞ্চললৈ গতি কৰিবলগীয়া হ'ল, য'ত তেওঁ চৰাইদেউ (চে তাম-দই) নামেৰে আন এখন নগৰ পাতে। ১২৬৮ খ্ৰীষ্টাব্দত এই ঠাইতে তেওঁ পৰলোকগামী হয়। চুকাফাই তেওঁৰ যাত্ৰাকালত বহুতো শত্ৰুস্থানীয় জনজাতীয় লোকক লগ পাইছিল, যিসকলক তেওঁ কৌশলেৰে পৰাস্ত কৰিছিল আৰু সকলোকে নিজৰ অধীনলৈ নিবলৈ সক্ষম হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক—

(ক) আহোমসকল ——————গোষ্ঠীৰ অন্তৰ্ভুক্ত।

(খ) আহোমসকলে —————— গিৰিপথেদি ব্ৰহ্মপুত্ৰৰ সাৱুৰা সমতলত উপস্থিত হৈছিল।

(গ) চুকাফা আৰু তেওঁৰ অনগামীসকলে —————— নৈৰ গতি অনুসৰণ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল।

(ঘ) চুকাফা —————— খ্ৰীষ্টাব্দত পৰলোকগামী হয়।

(ঙ) দেওধাইসকলে —————— দেৱতাক লেংডন আখ্যা দিছিল।

৮.৫ ১২৬৮-১৮২৬ খ্ৰীষ্টাব্দলৈ সামৰি লোৱা ঘটনাৱলী

• আহোম শাসনৰ বুনিয়াদ

চুকাফাই তেওঁৰ মৃত্যুৰ আগতেই ব্ৰহ্মপুত্ৰ উপত্যকাত এখন সবল আহোম ৰাজ্যৰ বুনিয়াদ গঢ়ি থৈ গৈছিল। তেওঁ স্থানীয় অঞ্চলৰ একাংশ মুৰব্বীৰ লগত যুদ্ধ কৰিছিল আৰু তেওঁলোকক নিজৰ অধীনলৈ আনিছিল। কিন্তু তেওঁলোকৰ প্ৰতি তেওঁ সহানুভূতিশীল নীতি কৰিছিল আৰু সকলোক সমমৰ্যাদা প্ৰদান কৰিছিল। চুকাফাই তেওঁৰ বংশৰ আদি ৰাজ্য মং মাওৰ সৈতেও সম্পৰ্ক ৰক্ষা কৰিছিল আৰু সেই ৰাজ্যৰ শাসনকৰ্তাসকলক শ্ৰদ্ধা-ভক্তিও কৰিছিল। এই পৰম্পৰা তেওঁৰ উত্তৰাধিকাৰী ৰজাসকলেও ৰক্ষা কৰিছিল আৰু উক্ত পৰম্পৰা চুখাংফাৰ (১২৯৩-১৩৩২ খ্ৰীষ্টাব্দ) শাসন কাললৈকে বৰ্তি আছিল।

উত্তৰপুৰুষক শ্ৰদ্ধাঞ্জলি দিবলৈ অস্বীকাৰ কৰাৰ বাবেই ১৪শ শতিকাৰ আৰম্ভণি কালছোৱাত চুখাংফাৰ ৰাজত্বকালত মং মাও ৰাজ্যৰ ক্ষমতা ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰে। তেওঁৰ শাসনকালতে শক্তিশালী কমতা ৰাজ্যৰ বিৰুদ্ধে আহোমৰ প্ৰথম যুদ্ধৰো সূচনা হয়। আন এজন উল্লেখযোগ্য আহোম ৰজা আছিল চুদাংফা, যাক বামুণী ৰজা বুলিও জনা যায়। এই কথাই আহোমসকলৰ মাজত ব্ৰাহ্মণসকলৰ প্ৰভাৱ বাঢ়ি অহাৰ কথা সূচায়।

১৪০৭ খ্ৰীষ্টাব্দত চুদাংফাৰ শাসনকাল শেষ হোৱাৰ পৰা ১৪৯৭ খ্ৰীষ্টাব্দত চুহুংমুঙৰ

শাসনকালৰ আৰম্ভণি হোৱালৈকে এই সময়ছোৱাত আহোম ৰাজ্যৰ অধিক বিস্তাৰ ঘটা নাছিল, যিহেতু তেওঁলোকে স্থানীয় জনজাতীয় লোকসকলৰ সৈতে সংঘর্ষ এৰাই চলিছিল। বৰঞ্চ স্থানীয় জনজাতীয় লোকসকলৰ মাজত বন্ধুত্ব আৰু মিলাপ্রীতিৰ মাজেৰে ব্রহ্মপুত্র উপত্যকাত এক শান্তিপূর্ণ পৰিৱেশ বর্তাই ৰাখিছিল।

● আহোম ৰাজ্যৰ প্রসাৰতা

১৪৯৭ খ্রীষ্টাব্দৰ পিছত আহোমসকলে ব্রহ্মপুত্র উপত্যকাত এক প্রসাৰ নীতি আৰম্ভ কৰিলে। চুহুংমুঙৰ শাসনকালছোৱাই চুতীয়া, কছাৰী আৰু মুছলমানসকলৰ আগ্রাসনৰ সাক্ষ্য দিয়ে। চুতীয়াসকলে বাৰে বাৰে আহোম ৰাজ্য আক্রমণ কৰে আৰু পৰাজিত হয়। চুতীয়াসকলৰ ৰাজধানী আহোম ৰাজ্যৰ লগত চামিল কৰাৰ পিছত সেই ঠাইৰ প্রশাসন চলাবৰ বাবে শদিয়াখোৱা গোহাঁই নাম দি এজন বিষয়া নিয়োগ কৰিলে। ১৫২৬ খ্রীষ্টাব্দত আহোমসকলে কছাৰীসকলৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিলে আৰু প্রচণ্ড যুদ্ধৰ অন্তত কছাৰীসকলক পৰাজিত কৰে। ১৫৩১ চনত কছাৰীসকলে আহোমসকলক এক কঠিন পৰিস্থিতিৰ সন্মুখীন কৰায়। কছাৰী ৰজা খুনখৰাই আহোমসকলক মৰঙিলৈ খেদি পঠিয়াবলৈ চেষ্টা কৰে। ফলস্বৰূপে কছাৰীসকল পৰাজিত হয় আৰু দেতচুং নামৰ এজন ৰাজকুমাৰক শাসনকর্তা পাতি দিয়া হয়।

চুহুংমুঙৰ শাসনকালছোৱাক আহোম বুৰঞ্জীত প্রথম মছলমানৰ আগ্রাসনৰ কাল হিচাপেও জনা যায়। মুছলমান সেনা দলৰ অধিনায়কজনক ৰাজিৰ নামেৰে জনা যায়। আহোম সৈন্যই মুছলমানসকলক বুৰৈ নৈৰ পাৰলৈকে খেদি পঠিয়াইছিল। ১৫৩২ চনত তুর্বকৰ নেতৃত্বত মুছলমানসকলে আহোমসকলক পৰাজিত কৰে। কিন্তু পিছৰ বছৰত ডুমুনীচিলাৰ ওচৰত আহোমে জলযুদ্ধত বিজয় সাব্যস্ত কৰে। আহোম-মুছলমানৰ শেষ যুদ্ধখন সংঘটিত হৈছিল ভৰলীত। যুদ্ধত তুর্বকে মৃত্যুবৰণ কৰিছিল আৰু মুছলমান সৈন্যবাহিনী সম্পূর্ণৰূপে উৎখাত হৈছিল। সি যি কি নহওক, ১৫৩৯ চনত কছাৰী লগুৰা ৰতিমনে বিহ পান কৰাই হত্যা কৰিছিল।

চুহুংমুং বা দিহিঙীয়া ৰজাৰ শাসনকালছোৱা সকলো দিশৰ পৰাই ঘটনাবহুল আছিল। নগা, চুতীয়া, কছাৰীসকলে বিদ্রোহ কৰিছিল যদিও তেওঁলোক আটাইকে পৰাস্ত কৰে। আক্রমণকাৰী মুচলমান সৈন্যকো ওভতাই পঠিওৱা হয়। এইজন ৰজাৰ দিনৰ পৰাই অসমত শকাব্দ মতে দিনপঞ্জী গণনাৰ পদ্ধতি আৰম্ভ হয়। এইটোও বিশেষভাৱে উল্লেখনীয় যে সেই সময়ৰ পৰাই লোকপিয়লৰ তথ্য সংগ্রহ কৰা হৈছিল। আগ্নেয়াস্ত্রৰ ব্যৱহাৰো চুহুংমুঙৰ শাসনকালৰ পৰাই আৰম্ভ হৈছিল। ৰজা চুহুংমুঙে নিজৰ পৰাক্রমেৰে সকলো দিশে আহোম ৰাজ্যৰ প্রসাৰণ ঘটাইছিল।

চুহুংমুঙৰ পৰৱর্তী আহোম শাসকজন আছিল চুক্লেনমুং। তেওঁৰ শাসনকালে কোচ ৰজা নৰনাৰায়ণৰ সৈতে সংঘর্ষৰ সাক্ষ্য দিয়ে। নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ নেতৃত্বত কোচ সেনাই দিকৰাই নৈৰ পাৰত আহোমৰ সৈতে যুদ্ধত লিপ্ত হয় আৰু আহোমসকলক পৰাজিত কৰিবলৈ সক্ষম হয়। আন এখন যুদ্ধ সংঘটিত হয় কলিয়াবৰত। এই যুদ্ধতো আহোমসকল পুনৰ বৃহৎ ক্ষতিৰে সৈতে উৎখাত হয়। চুক্লেনমুঙে নিচেই কম সময়ৰ ভিতৰত ওলোটাই আক্রমণে

কৰে আৰু কোচসকলক খেদি নি পিছলা নৈৰ পাৰত কোঠ পাতেগৈ। কোচ সেনাৰ অহা-যোৱাৰ বাট ভেটি দিয়াত ৰচদ-পাতিৰ অভাৱ ঘটাত তেওঁলোকৰ বহুতো মৃত্যুমুখত পৰে আৰু কোচ সৈন্যদল বিপর্যয়ৰ সন্মুখীন হয়। দ্বিতীয়বাৰ সমৰ প্ৰস্তুতি চলাই একে স্থানতে কোচ সেনাপতি চিলাৰায়ে আন এক আক্ৰমণ চলাই আহোমসকলক এশিকনি দিয়ে।

১৫৬৩ খ্ৰীষ্টাব্দৰ জুলাই মাহত কোচ সেনাপতি টিপুৱে ব্ৰহ্মপুত্ৰৰ পাৰত আন এক আক্ৰমণৰ নেতৃত্ব দিছিল। কিন্তু ১৫৭০ চনত আহোম সৈন্যই তেওঁৰ দলক পৰাস্ত কৰে। টিপু আৰু ভিতৰুৱালে আহোমৰ বিৰুদ্ধে এদল সৈন্য যোগাৰ কৰিছিল। কিন্তু আহোম সেনা তেওঁলোকৰ প্ৰচেষ্টা বিফল কৰাত সফল হয়। কোচ ৰজা নৰনাৰায়ণৰ মৃত্যুৰ পিছত আহোম-কোচ সম্পৰ্কই নতুন গতি লয়। নৰনাৰায়ণ-চিলাৰায়ৰ উত্তৰাধিকাৰীসকলৰ মাজত কোচ ৰাজ্যৰ অধিকাৰক লৈ মত বিভাজনৰ ফলত সংঘৰ্ষৰ সূচনা হয়, যিয়ে মুছলমান আৰু আহোমসকলৰ প্ৰৱেশৰ বাট সহজ কৰি তোলে। কোচ ৰজা ধৰ্মনাৰায়ণ আহোমসকলৰ লগত চামিল হয় আৰু লক্ষ্মীনাৰায়ণে মুছলমান সেনাৰ পক্ষ লয়। অৱশেষত সুবৃহৎ কোচ ৰাজ্য এখন স্বাধীন ৰাজ্য হিচাপে থকা অস্তিত্ব নোহোৱা হয়। দৰঙত কোচ ৰজাই ৰাজত্ব কৰিলেও আহোমৰ তলতীয়া ৰজা হিচাপেহে থাকে। তাৰ পিছত আহোমসকলে মুছলমানৰ সৈতে হোৱা বেছিভাগ যুদ্ধতে সফলতা লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক—

প্ৰশ্ন নং ২ ঃ চুদাংফাৰ শাসনকালৰ বিশেষ গুৰুত্ব কি?

.....

প্ৰশ্ন নং ৩ ঃ শদিয়াখোৱা গোহাঁইৰ ভূমিকা কি আছিল?

.....

প্ৰশ্ন নং ৪ ঃ আহোম বুৰঞ্জীত মুছলমানৰ আক্ৰমণৰ নেতৃত্ব দিয়া প্ৰথমগৰাকী মুছলমান কোন আছিল?

.....

প্ৰশ্ন নং ৫ ঃ চিলাৰায় কোন আছিল আৰু কাৰ শাসনকালত তেওঁ আহোম ৰাজ্যত আক্ৰমণ চলাইছিল?

.....

● আহোম-মোগল সংঘাত

আহোম ৰাজ্যৰ পৰৱৰ্তী উল্লেখযোগ্য শাসনকৰ্তা আছিল চুচেংফা বা প্ৰতাপসিংহ। তেওঁৰ শাসনকালত মোগলৰ অন্য এক আগ্ৰাসন হৈছিল। বংগৰ নবাব শ্বেখ কাছিমে আহোমৰ বিৰুদ্ধে এদল সৈন্য পঠিয়াইছিল আৰু হঠাতে উদ্ভৱ হোৱা সেই যুদ্ধত মোগল সৈন্য আহোমৰ হাতত পৰাজিত হয়। পিছে আহোম সৈন্য দলৰ মুখিয়ালসকলে ৰজাৰ আদেশলৈ মন-কাণ

নিদিয়াৰ ফলত কিছু দিনৰ পিছতে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয়। ১৬১২ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহত নতুনকৈ যুদ্ধ সংঘটিত হোৱাত মোগলসকল অতি শোচনীয়ভাৱে পৰাস্ত হয়। ভৰলীমুখৰ সেই প্ৰখ্যাত যুদ্ধত বহুসংখ্যক মোগল সৈন্যই মৃত্যুবৰণ কৰিছিল। কিছু বছৰৰ পিছত আহোমে ৰক্ষণাবেক্ষণ দি ৰখা হৰিকেশক লৈ সমস্যাৰ সৃষ্টি হয়। মোগলে হৰিকেশক বলেৰে কাঢ়ি ল'বলৈ প্ৰস্তুতি চলালে। তেতিয়াও আহোম সৈন্যবলে উচিত প্ৰত্যুত্তৰ দিয়ে আৰু সেইবাৰৰ যুদ্ধতো মোগলসকল পৰাজিত হয়। ৰজা প্ৰতাপসিংহই নিজা সৈন্যৰ উপৰি কাষৰীয়া বন্ধুস্থানীয় ৰাজ্যৰ পৰাও সৈন্যৰ দল পঠিয়ায়। তাৰ ফলত আহোমসকলে মোগলক শুৱালকুছিলৈকে খেদি পঠাবলৈ সক্ষম হয়। ১৬৩৮ খ্ৰীষ্টাব্দত মোগলসকল পুনৰ ভৰলী নৈলৈকে আগুৱাই আহিল। ফলত অতি সোনকালেই সংঘৰ্ষৰ সৃষ্টি হ'ল। এইবাৰ আক্ৰমণকাৰীসকলক গুৱাহাটীলৈ ওভতাই পঠিয়ায়। লগে লগে দুয়ো পক্ষৰ মাজত শান্তি চুক্তি হয় আৰু উভয়ৰ ৰাজ্যৰ মাজত এটা সীমা নিৰ্ধাৰণ কৰা হ'ল।

প্ৰতাপসিংহৰ উত্তৰাধিকাৰী হয় জয়ধ্বজ সিংহ। তেওঁ শাসনকালে মিৰ জুমলাৰ আক্ৰমণক চিহ্নিত কৰে। ১৬৬২ খ্ৰীষ্টাব্দত বংগৰ শাসক মিৰজুমলাৰ তত্ত্বাৱধানত মোগল সৈন্য আহোমৰ বিৰুদ্ধে আগুৱাই আহে। তেওঁৰ সংগী আছিল ৰছিদ খান। যোগীঘোপাত থকা আহোমৰ গড়ে মোগল সৈন্যদলক ভেটিব নোৱাৰিলে। ফলত শত্ৰু পক্ষই প্ৰথমে শৰাইঘাটত ৰ'লহি আৰু তাৰ পিছত চামধৰা পালেগৈ।

ইতিমধ্যে মিৰ জুমলাই গড়গাঁৱৰ ফালে গতি কৰিছিল। সেই সময়ত আহোমে এক ধৰণৰ পাতলীয়া প্ৰতিৰোধৰ ব্যৱস্থাহে কৰিছিল। সেয়ে মোগলৰ বাবে শিমলাগড় দুৰ্গ জয় কৰাটো সহজ হৈ পৰিল। এই বাতৰিয়ে চামধৰা দুৰ্গত থকা আহোম সৈন্যৰ সাহস হেৰুৱালে আৰু সেই দুৰ্গও অতি সহজে মোগলৰ দখললৈ গ'ল। আহোমসকলে মোগলৰ যুদ্ধ জাহাজত পৰৱৰ্তী আক্ৰমণ চলায় আৰু বৰগোহাঁইৰ তত্ত্বাৱধানত তেওঁলোকে কিছু সফলতা লাভ কৰে যদিও মোগল গোপনে পলাই যায়। ১৬৬২ খ্ৰীষ্টাব্দৰ ১৭ মাৰ্চত মিৰজুমলাই আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱত প্ৰৱেশ কৰে আৰু গড়গাঁও অধিকাৰ কৰি লয়। কিন্তু লাহে লাহে বৰ্ষা ঋতু আৰম্ভ হয়। আহোম সৈন্যই ইয়াৰে সুবিধা লৈ অনুপ্ৰৱেশকাৰী মোগল সৈন্যৰ ওপৰত কেইটামান আকস্মিক আক্ৰমণ চলালে। আহোম সৈন্যই পুনৰ ৰাজ্যৰ বেছিভাগ ঠাই মোগলৰ অধীনৰ পৰা হস্তগত কৰিলে আৰু জয়ধ্বজ সিংহই পুনৰ দায়িত্বভাৰ ল'লে। আহোম সৈন্যই মোগলৰ ওপৰত প্ৰায় প্ৰত্যেক দিনাই আক্ৰমণ চলালে। বানৰ প্ৰকোপ কমি অহাত মোগলে নতুনকৈ আক্ৰমণৰ প্ৰস্তুতি চলালে। কিন্তু বংগত সেই সময়ত ভয়ংকৰ আকাল সৃষ্টি হোৱাৰ বাবে মোগল সৈন্যদলৰ প্ৰয়োজনীয় ৰচদ-পাতি আহি পোৱা নাছিল, যাৰ বাবে মিৰ জুমলাও অসুখত পৰিল আৰু তেওঁৰ সৈন্যবিলাকে অনিশ্চয়তাক ভুগিবলৈ আৰম্ভ কৰিলে। এনে পৰিস্থিতিত বংগৰ নবাবে আহোমৰ লগত শান্তিৰ আহ্বানেৰে আলোচনা কৰিবলৈ বাধ্য হ'ল। এনেকৈয়ে ১৬৬৩ খ্ৰীষ্টাব্দত প্ৰখ্যাত ঘিলাধাৰী চুক্তিৰ মাজেৰে সেইবাৰলৈ যুদ্ধৰ সামৰণি পৰে।

পৰৱৰ্তী মুচলমান আক্ৰমণ চক্ৰধ্বজ সিংহ অৰ্থাৎ চুপুংমুঙৰ দিনত সংঘটিত হৈছিল।

১৬৬৮ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ঔৰংজেৱে ৰজা ৰামসিংহক ৰছিদ খানৰ সৈতে অসম আক্ৰমণ কৰিবলৈ পঠিয়াই দিয়ে।

উদয়াদিত্য সিংহ বা চুন্যাৎফাৰ শাসনকালত ৰজা ৰামসিংহই আহোম আৰু মোগলৰ ৰাজ্যৰ পু�ৰণি সীমাকে বাহাল ৰখাৰ বাবে দাবী কৰাত পুনৰ এক নতুন সমস্যাৰ উদ্ভৱ হয়। পিছে আহোম ৰজাই সেই দাবী মানি নলৈ যুদ্ধ ঘোষণা কৰে। তেতিয়া জল আৰু স্থলত দুখনকৈ যুদ্ধ সংঘটিত হৈছিল। আহোমৰ সাহসী সেনাপতি লাচিত বৰফুকনে ১৬৭১ খ্ৰীষ্টাব্দত মোগল সেনাৰ বিৰুদ্ধে হোৱা যুদ্ধত বিজয়েৱে নেতৃত্ব দিয়ে, যিখন যুদ্ধক বিখ্যাত শৰাইঘাটৰ ৰণ হিচাপে জনা যায়। এই যুদ্ধত হোৱা পৰাজয়ে মোগলসকলৰ ভাগ্যকে সলনি কৰে। হাদিৰাচকী আহোম আৰু মোগলৰ ৰাজ্যৰ নতুন সীমা হয়।

গদাধৰ সিংহৰ ৰাজত্বৰ সময়ছোৱাত ১৬৮১ খ্ৰীষ্টাব্দত মুচলমানসকলৰ বিৰুদ্ধে ইটাখুলিৰ ৰণ সংঘটিত হয়। ফলস্বৰূপে আহোমে পুনৰ গুৱাহাটী অধিকাৰ কৰে। মানাহ নৈখন আহোম আৰু মোগলৰ ৰাজ্যৰ নতুন সীমা হিচাপে ঘোষিত হয়। এইখনেই আছিল মুচলমানৰ সৈতে আহোমৰ অন্তিমখন ৰণ। এইবাবে গদাধৰ সিংহৰ শাসনৰ কালছোৱা আহোমসকলৰ মৰ্যাদাৰ সুৰক্ষাৰ বাবে জনাজাত।

গদাধৰ সিংহৰ পৰৱৰ্তী শাসনকৰ্তা আছিল তেওঁৰ পুত্ৰ চুখুংফা, যি ৰুদ্ৰসিংহ হিচাপে জনাজাত। তেওঁ কছাৰীসকলৰ বিৰুদ্ধে এক বৃহৎ সেনাবাহিনী লৈ আক্ৰমণৰ নেতৃত্ব দিছিল। কছাৰীসকলে আহোমৰ সৈতে থকা চুক্তি ভংগ কৰি তেওঁলোকৰ শাসক তাম্ৰধ্বজৰ নেতৃত্বত স্বাধীনতা ঘোষণা কৰিছিল। ৰুদ্ৰসিংহই কছাৰীসকলক বশ কৰিবলৈ বৰবৰুৱা আৰু পানীফুকনক পঠিয়াই দিয়ে। লগে লগে কছাৰীসকলৰ ৰাজধানী মাইবং অধিকাৰ কৰা হয় আৰু তাৰ পৰা ভালেমান সা-সামগ্ৰী হস্তগত কৰা হয়। যেতিয়া পানীফুকন ৰহাৰ ফালে আগুৱাই গ'ল তেওঁ কছাৰীসকলৰ পৰা কোনা বাধা নোহোৱাকৈ ডিমেৰাও অধিকাৰ কৰে। কছাৰীসকল আহোম সেনাৰ প্ৰতি ভীতিগ্ৰস্ত হৈ আছিল। কিন্তু বাৰিষা কাল আৰম্ভ হোৱাৰ বাবে অতি সোনকালে ৰুদ্ৰসিংহই সৈন্য দলক মাতি পঠিয়াব লগা হ'ল।

ইফালে তাম্ৰধ্বজে জয়ন্তীয়া শাসক ৰাম সিংহৰ ওচৰলৈ সহায় বিচাৰি পলাই গ'ল। কিন্তু ৰাম সিংহই কছাৰী ৰজা আৰু তেওঁৰ পৰিয়ালক বন্দী কৰিহে ৰাখে। যাৰ বাবে পৰিয়ালটো পুনৰ আহোম ৰজা ৰুদ্ৰসিংহৰে শৰণাপন্ন হ'ব লগা হ'ল। বৰবৰুৱা আৰু বৰফুকনে আহোম সৈন্যৰ নেতৃত্ব দিলে। মুলাগুলত উপস্থিত হৈ জয়ন্তীয়া ৰজা ৰাম সিংহলৈ বতৰা পঠিয়ালে যে অতি শীঘ্ৰে তাম্ৰধ্বজ আৰু তেওঁৰ পৰিয়ালে আত্মসমৰ্পণ কৰিব লাগে। ৰাম সিংহই ইয়াৰ যোগাত্মক সঁহাৰি দিয়ে যদিও চৰ্ত ৰাখে যে বৰবৰুৱা আৰু বৰফুকন দুয়োজনৰ সেনা বাহিনীয়ে যুদ্ধযাত্ৰা স্থগিত ৰাখিব লাগিব। ৰাম সিংহই বন্দীকেইজনক এৰি দিলে। কিন্তু আহোম সেনাই জয়ন্তীয়াৰ ৰাজধানীলৈ গতি কৰিয়েই থাকিল। ৰাম সিংহই এক তুমুল সংগ্ৰামৰ প্ৰস্তুতি চলালে। কিন্তু শেষত বৰবৰুৱাৰ ওচৰত আত্মসমৰ্পণ কৰিব লগা হ'ল আৰু ৰাম সিংহক বন্দী কৰা হ'ল। অতি সোনকালেই জয়ন্তীয়া সেনাই আহোম সেনাক শক্তিশালী ৰূপত আক্ৰমণ কৰিলে। আহোমসকলে

সাহায্যৰ বাবে দুনাই সেনা পঠিয়ালে যদিও জয়ন্তীয়া সেনাক পৰাজিত কৰিব পৰা নগ'ল আৰু আহোম সেনা উভতি যাবলৈ বাধ্য হ'ল। ইফালে তাম্রধ্বজ সিংহৰ গ্রহণী ৰোগত মৃত্যু হ'ল আৰু তেওঁৰ পুত্রক ৰুদ্রসিংহই মুক্তি দিয়ে। ইয়াৰ পিছত আহোম ৰজাজনে মুছলমান সৈন্যৰ মতি-গতিতহে অধিক নজৰ দিবলৈ ধৰিলে। তাৰ বাবে তেওঁ এক বিশাল সৈন্যদল সংগঠিত কৰি যুদ্ধৰ আয়োজন কৰে। কিন্তু তেওঁ আকস্মিকভাৱে অসুস্থ হৈ পৰাত ১৭১৪ খ্রীষ্টাব্দত তেওঁৰ মৃত্যু হয়। ৰুদ্রসিংহই তেওঁৰ পূর্বপুৰুষসকলৰ দৰে পৃথকীকৰণৰ নীতি পছন্দ কৰা নাছিল। তেওঁ আহোম ৰজাসকলৰ ভিতৰতে এজন মহান শাসনকর্তা।

ৰুদ্রসিংহৰ পিছত শিৱসিংহই শাসনভাৰ লয় আৰু তেওঁৰ শাসনৰ সময়ছোৱাত ডফলাসকলৰ বিৰুদ্ধে আহোমসকলে যুদ্ধযাত্রা কৰিবলগীয়া হৈছিল । সেই যুদ্ধত ডফলাসকল পৰাজিত হৈছিল। শিৱসিংহৰ দিনতে অসমত শাক্ত হিন্দু ধর্মীয় কার্যকলাপ ক্রমান্বয়ে বৃদ্ধি পাইছিল। প্রমত্ত সিংহৰ (১৭৫১-১৭৬৯ খ্রীষ্টাব্দ) ৰাজত্বৰ সময়ছোৱাত ঘিলাধাৰীত উপদ্রৱ চলোৱা ডফলাসকলৰ বিৰুদ্ধে হোৱা যুদ্ধলৈ সৈন্য পঠাইছিল। মিকিৰ আৰু জয়ন্তীয়াসকলকো বশ কৰা হৈছিল। কছাৰী ৰজাকো বশ হৈ থাকিবলৈ বাধ্য কৰা হৈছিল। যি কি নহওক, সেই সময়তে মণিপুৰৰ ৰজাজনক পুনৰ ক্ষমতা প্রদানৰ বাবে মণিপুৰৰ পৰা ব্রহ্মদেশৰ মান সৈন্যৰ বিৰুদ্ধে এক যুদ্ধ অভিযান হৈছিল। সেই অভিযান এক দুর্যোগৰ মাজেৰে সমাপ্ত হৈছিল। আহোম সেনাই অভিযান চলাওঁতে বহুত দুখ-কষ্টৰ সন্মুখীন হ'বলগীয়া হয় আৰু যুদ্ধ এৰি উভতি আহিব লগা হয়।

লক্ষ্মী সিংহৰ (১৭৬৯-১৭৮০) আমোলত মোৰামৰীয়া গোহাঁয়ে ৰাজদ্রোহ ঘোষণা কৰিছিল। ৰৰৰুৰাৰ দম্ভালিয়ে মোৰামৰীয়াসকলক আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ চল দিছিল। কছাৰী আৰু মৰাণসকলে মোৰামৰীয়াসকলক সমর্থন জনাইছিল। প্রথম ৰণখন সংঘটিত হৈছিল ডিৰৰু নৈৰ পাৰত। মোৰামৰীয়াসকলে সেই ৰণত কিছু অগ্রগতি লাভ কৰিছিল। তাৰ লগে লগে লক্ষ্মী সিংহক মোৰামৰীয়াসকলে বন্দী কৰে আৰু তেওঁৰ বিষয়াসকলক মৃত্যুদণ্ড বিহা হয়। যি কি নহওক, তেওঁৰ বন্দিত্ব বহুদিনলৈ নাথাকিল। পুনৰ লক্ষ্মী সিংহ ৰাজপাটত বহে। অৱশেষত মোৰামৰীয়া গোহাঁইক শাস্তি বিহা হয় আৰু বহুতকে মৃত্যুদণ্ডও বিহা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰ কৰক—

(ক) ————ৰ ৰাজত্বৰ সময়ছোৱাত ভৰলীমুখৰ ৰণ হৈছিল।

(খ) ————এ শৰাইঘাটৰ ৰণত আহোম সেনাৰ নেতৃত্ব দিছিল।

(গ) ————ৰ ৰাজত্বকালত মোৰামৰীয়া বিদ্রোহ হৈছিল।

প্রশ্ন নং ৭ ঃ তলৰ প্রশ্নকেইটাৰ উত্তৰ দিয়া—

(ক) মুছলমান সৈন্যৰ সৈতে আহোমসকলৰ অন্তিমখন যুদ্ধ কেতিয়া হৈছিল?

.....

(খ) মিৰ জুমলা কোন আছিল?

.....

● আহোম সাম্ৰাজ্যৰ পতন

আহোম ৰাজ্যৰ পতনৰ আগতীয়া লক্ষণ গৌৰীনাথ সিংহৰ ৰাজত্বৰ সময়ছোৱাৰ পৰা দেখিবলৈ পোৱা গৈছিল। এইগৰাকী ৰজাই ১৭৮০ খ্ৰীষ্টাব্দত ৰাজসিংহাসনত আৰোহণ কৰিছিল। তেওঁৰ আমোলত দ্বিতীয় মোৱামৰীয়া বিদ্রোহৰো সূচনা হয়। মোৱামৰীয়া বিষয়া-কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ ওপৰত আহোমে আধিপত্য বিস্তাৰৰ বাবে চলোৱা অত্যাচাৰৰ পৰিণতিয়ে নতুন নতুন ষড়যন্ত্ৰ আৰু পটভূমিৰ সৃষ্টি কৰে। মোৱামৰীয়াসকলৰ প্ৰাৰম্ভিক প্ৰচেষ্টাসমূহ বিফল হৈছিল। কিন্তু ৰজাঘৰীয়া সৈন্যই বিদ্রোহী মোৱামৰীয়াসকলৰ শক্তি বাধা দি ৰাখিব নোৱাৰিলে আৰু ফলত অতি সোনকালেই বুঢ়াগোহাঁই ৰংপুৰলৈ ভটিয়াই গ'ল। লগে লগে বিদ্রোহীসকলে গড়গাঁও অধিকাৰ কৰিলে। সংঘৰ্ষ বহুদিন ধৰি বাহাল থাকিল আৰু সকলো মানুহে লাহে লাহে সাহস হেৰুৱাই পেলালে আৰু বিদ্রোহী শৰণাপন্ন হ'ব খুজিও বৰগোহাঁইৰ বিশ্ৰামহীন প্ৰচেষ্টাৰ বাবে টিকি থাকিল। মণিপুৰৰ ৰজায়ো গৌৰীনাথ সিংহক সহায় আগবঢ়াইছিল। কিন্তু বিদ্রোহীৰ কাৰ্য কলাপে গম্ভীৰ ৰূপ লোৱাত ৰজাই ব্ৰিটিছৰ সহায় বিচাৰিলে। যাৰ ফলত কেপ্টেইন ৰেল্‌ছ অসমত উপস্থিত হ'লহি। কেপ্টেইন ৰেল্‌ছ বিদ্রোহীক নিৰ্মূল কৰাত সফল হ'ল।

স্বৰ্গীয় ৰজাৰ ভাতৃ চন্দ্ৰকান্ত সিংহ তেওঁৰ ঘটনাবহুল ৰাজত্বকালত ৰাজ্যৰ সমস্যসমূহ ক্ষমতাশালী বিষয়াৰ দ্বাৰা পৰিচালনা কৰাৰ বাবে এজন দুৰ্বল ৰজা হিচাপে পৰিগণিত। বুঢ়াগোহাঁয়ে বহুদিন ধৰি ৰাজ্যৰ সমস্যাসমূহ সমাধা কৰি আহিছিল, কিন্তু বৰফুকন বদন চন্দ্ৰৰ কাৰ্যকলাপৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ বুঢ়াগোহাঁইক বাধ্য কৰায়। বদন চন্দ্ৰই কোনো মতে পলাই গৈ কলিকতাত থকা ব্ৰহ্মদেশীয় চৰকাৰৰ প্ৰতিনিধিৰ সহায় ভিক্ষা কৰে। তাৰ পিছত ঘিলাধাৰীত এখন যুদ্ধ হৈছিল য'ত আহোমে পৰাজয় বৰণ কৰে। ইয়াৰ পিছত বুঢ়াগোহাঁইৰ মৃত্যু হোৱাত আহোমৰ আন এক ক্ষতি হয়। বুঢ়াগোহাঁইৰ উত্তৰাধিকাৰী তেওঁৰ পুত্ৰৰ তেওঁৰ দৰে দূৰদৰ্শিতা নাছিল। সেয়ে আহোম ৰাজশক্তি মান সেনাক বাধা দিয়াত বিফল হয়। মানবিলাকে যোৰহাট অধিকাৰ কৰে আৰু বৰফুকনক পুনৰ ৰাজ্যৰ ভাৰ প্ৰদান কৰে। মান ওভতাৰ পিছত ৰাজসভাসদসকলৰ ষড়যন্ত্ৰৰ বাবে ৰাজ্যত চৰম ৰাজনৈতিক অস্থিৰতাই বিৰাজ কৰে। চন্দ্ৰকান্ত সিংহই তেওঁৰ জীৱন ৰক্ষাৰ বাবে পলাই যায়। বিশৃংখল পৰিস্থিতিত পুৰন্দৰ সিংহ ৰজা হয়।

পুৰন্দৰ সিংহ নামতহে ৰজা আছিল, অসমৰ প্ৰত্যক্ষ শাসনকাৰ্য পৰিচালনা কৰিছিল মানে। তেওঁ অতি কম সময়ৰ বাবেহে শাসনভাৰ লৈছিল। কম দিনৰ ভিতৰতে মানহঁতে চন্দ্ৰকান্ত সিংহক শাসনকৰ্তা হিচাপে নিযুক্ত কৰে। মানৰ নিষ্ঠুৰ শাসনে চন্দ্ৰকান্ত আৰু পুৰন্দৰ সিংহক তেওঁলোকৰ কবলৰ পৰা ওলাই আহিবলৈ বাধ্য কৰে। দুয়ো ব্ৰিটিছৰ শৰণাপন্ন হৈ

তেওঁলোকৰ সহায়ত সঘনে মানক আক্রমণ কৰিবলৈ ধৰিলে। কিন্তু ১৮২৩ চনত চন্দ্রকান্ত সিংহক মান সেনাই ধৰি কাৰাবন্দী কৰে।

সর্বসাধাৰণ দুখীয়া প্রজাৰ ওপৰত কৰা চৰম শাস্তি আৰু অত্যাচাৰৰ বাবে অসমত মানৰ ৰাজত্বৰ কালছোৱা ঘোৰ অন্ধকাৰৰ দিন হিচাপে চিহ্নিত হৈ ৰ'ল। কিন্তু মানহঁতে ইয়াত বৰ বেছি দিন ৰাজত্ব কৰিব নোৱাৰিলে। ব্রিটিছ সাম্রাজ্যৰ সীমামূৰীয়া গাঁওকেইখনমানক মানৰ সেনাই আক্রমণ চলোৱাত ব্রিটিছৰ সৈতে তুমুল সংঘর্ষ হয়। এনেকৈয়ে অসমত ব্রিটিছ আৰু মানৰ মাজত যুদ্ধৰ সূত্রপাত হয়। পোনপ্রথমে কাছাৰত মানৰ বিৰুদ্ধে প্রথমটো অভিযান আৰম্ভ হয়। কাছাৰতে ব্রিটিছে তেওঁলোকৰ সাম্রাজ্যৰ অধীনৰ সুৰক্ষিত অঞ্চল বুলি দাবী কৰিছিল আৰু বিভিন্ন প্রকাৰৰ সমৰ প্রস্তুতিৰে বহুবাৰ যুঁজি মানহঁতক হাৰ মানি ল'বলৈ বাধ্য কৰিছিল। তাৰ পিছত মানহঁত গুৱাহাটীৰ পৰাও উভতিবলৈ বাধ্য হয়। তাৰ ফলত গুৱাহাটী ব্রিটিছৰ অধীনলৈ যায়। মান সৈন্যই উজনি অসমত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছিল আৰু ৰহা, নগাঁও আৰু কলিয়াবৰো অধিকাৰ কৰি লৈছিল। ব্রিটিছৰ আগমনত কথমপি মান সৈন্য পিছ হুঁহকিবলৈ বাধ্য হ'ল। তাৰ পিছত চিংফৌসকল আৰু ব্রহ্মদেশত চলা সফল অভিযানৰ অন্তত মানৰ বিৰুদ্ধে চলা যুদ্ধৰ প্রায় অন্ত পৰিল। ১৮২৬ চনত আভা (ব্রহ্মদেশ)ৰ ব্রিটিছৰ সৈতে ইয়াণ্ডাবু চুক্তিত স্বাক্ষৰ কৰে। এনেকৈয়ে ব্রিটিছে অসমত মানৰ আধিপত্য অন্ত পেলাই ব্রিটিছ শাসনৰ বুনিয়াদ তৈয়াৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰ কৰক—

(ক) ————ৰ কালছোৱাত কেপ্টেইন ৱেল্‌ছ অসমত উপস্থিত হয়হি।

(খ) ————ৰ ৰাজত্ব কালত ঘিলাধাৰীৰ যুদ্ধ সংঘটিত হয়।

(গ) ————চনত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰ হয়।

(ঘ) মোৱামৰীয়া বিদ্রোহৰ সময়ত ————ৰ ৰজাই গৌৰীনাথ সিংহক সহায় কৰিছিল।

(ঙ) ————ত পোনপ্রথমে ব্রিটিছ আৰু মানৰ মাজত যুদ্ধ সংঘটিত হৈছিল।



৮.৬ অধ্যায়টোৰ পৰা কি শিকিলোঁ

এই অধ্যায়ৰ অধ্যয়ন কৰি আপুনি—

- আহোমসকলৰ পৰিচয় আৰু অসমত তেওঁলোকে কি দৰে প্রাৰম্ভিক ভেটি প্রতিষ্ঠা কৰিছিল তাৰ বিষয়ে জানিব পাৰিলে।

- ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৭৮০ খ্ৰীষ্টাব্দলৈ আহোমসকলৰ গৰিমাময় উত্থান আৰু তাৰ লগত জড়িত বিভিন্ন ঘটনাৰ লেখ পালে।
- শক্তিশালী আহোম ৰাজত্বৰ পতন তথা ব্ৰিটিছ আৰু মানৰ পৰৱৰ্তী যুদ্ধসমূহৰ বিৱৰণ লাভ কৰিলে।

৮.৭ অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) তাই।

(খ) পাটকাই।

(গ) বুঢ়ীদিহিং।

(ঘ) ১২৬৮।

(ঙ) ইন্দ্ৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত ব্ৰাহ্মণ্য প্ৰভাৱৰ সূচনাৰ কথা তেওঁৰ ৰাজত্বই চিহ্নিত কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আহোমসকলে নতুনকৈ অধিকাৰ কৰা চুতীয়া ৰাজ্যৰ প্ৰশাসন তদাৰক কৰিবলৈ শদিয়াখোৱা গোহাঁইক নিযুক্তি দিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজিৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ চিলাৰায় বা শুক্লধ্বজ কোচ ৰজা নৰনাৰায়ণৰ ভাতৃ আৰু তেওঁ ৰজা চুক্লেংমুঙৰ ৰাজত্ব কালত আহোম ৰাজ্য আক্ৰমণ কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) প্ৰতাপসিংহ।

(খ) লাচিত বৰফুকন।

(গ) লক্ষ্মী সিংহ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ১৬৮১ খ্ৰীষ্টাব্দ।

(খ) মিৰজুমলা বংগৰ শাসক আছিল আৰু প্ৰতাপসিংহৰ ৰাজত্ব কালত মিৰজুমলাই অসম আক্ৰমণ কৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) গৌৰীনাথ সিংহ।

(খ) চন্দ্ৰকান্ত সিংহ।

(গ) ১৮২৬।

(ঘ) মণিপুৰ।

(ঙ) কাছাৰ।



৮.৮ আৰ্হি প্ৰশ্নাৱলী

অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰাৰ পিছত চুকাফাই পোনতে ক'ত তেওঁৰ ৰাজ্যৰ প্ৰথম ৰাজধানী পাতিছিল?

প্ৰশ্ন ২ ঃ চুকাফাই কিয়েং চেন মাও-লুং কেতিয়া এৰিছিল?

প্ৰশ্ন ৩ ঃ কোনজন আহোম ৰজাক 'বামুণী ৰজা' বুলি জনা যায়?

প্ৰশ্ন ৪ ঃ ৰাজা ৰামসিংহ কোনজন আহোম ৰজাৰ সমসাময়িক আছিল?

চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমু টোকা—

ৰুদ্ৰসিংহ, চুকাফা, আহোম আৰু কছাৰীৰ সংঘাত, কেপ্টেইন ৰেল্‌ছৰ অভিযান

ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ মিৰ জুমলাৰ অসম আক্ৰমণৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ ১৭শ শতিকাত অসমত আহোমসকলৰ ক্ষমতাৰ উত্থানৰ এটি বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ আহোম ৰাজবংশৰ পতনৰ কাৰক সন্দৰ্ভত আপোনাৰ অভিমত কি?

প্ৰশ্ন ৪ ঃ অসমত মোৱামৰীয়াসকলৰ অভ্যুত্থানৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৯ ঃ কোচসকল

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ কোচসকলৰ উৎপত্তি

৯.৪ বিশ্ব সিংহ

৯.৫ নৰনাৰায়ন

৯.৬ কোচ সাম্ৰাজ্যৰ বিভাজন

৯.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৯.৮ অগ্রগতি ৰ খতিয়ান

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কোচসকলৰ উৎপত্তি সম্পর্কে জানিব পাৰিব,
- বিশ্ব সিংহ, নৰনাৰায়ণ আৰু অন্যান্য কোচ ৰজাৰ অৱদান আলোচনা কৰিব পাৰিব,
- কোচ সাম্ৰাজ্যৰ উত্থান আৰু পতন ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি অসমলৈ আহোমসকলৰ আগমন আৰু তেওঁলেকৰ কৃতিত্বৰ বিষয়ে জানিলো। এই অধ্যায়টোত আমি কোচশক্তিৰ কথা আলোচনা কৰিম যি শক্তি ১৬ শতিকাত অসমৰ পশ্চিম প্রান্তত উদ্ভৱ হোৱা এক বিশেষ শক্তি আছিল। সম্ভৱতঃ কোচসকল মংগোলীয় মূলৰআছিল। অসমৰ ইতিহাসত তেওঁলোকক মেছ বুলিও জনা যায়। এই অধ্যায়ত আমি বিভিন্ন জন কোচ ৰজাসকলৰ অধীনত কোচ শক্তিৰ উত্থান আৰু বংশগত বিবাদৰ বাবে ১৫৮১ চনত হোৱা কোচ সাম্ৰাজ্যৰ বিভাজনৰ বিষয়ে ব্যাখ্যা কৰিম। কোচসকলৰ ইতিহাসত আহোমসকল আৰু মুছলিম প্রব্রজনকাৰীসকলৰ সৈতে দীঘলীয়া যুদ্ধৰ বর্ণনা পোৱা যায়।

৯.৩ কোচসকলৰ উৎপত্তি

পুৰাণ আৰু *তন্ত্রসমূহ*ৰ মতে কোচসকল আছিল মংগোলীয়, মেছ, থাৰুৰ, গাৰো আৰু দ্রাবিড়সকলৰ মিশ্রিত তেজ। সেই কিংবদন্তী অনুসৰি হিন্দু ধর্ম গ্রহণ কৰি তেওঁলোকে কৌশলগত ভাৱে উচ্চ সামাজিক আসন লাভ কৰিবলৈ সক্ষম হয়।

কোচ ৰাজপৰিয়ালৰ আদি পূৰ্বপুৰুষ ৰূপে হাৰিয়া মণ্ডলক জনা যায় যি এটা পৰগণাৰ ১২ টা কোচ বা মেছ পৰিয়ালৰ চৰ্দাৰ আছিল। । তেওঁৰ দুজন পুত্ৰ আছিল বিশু আৰু শিশু। বিশু পৰৱৰ্তী সময়ত বিশ্ব সিংহ নামেৰে জনাজাত হৈ পৰে। *দৰং ৰাজবংশাৱলী'*ৰ মতে শিশু অথবা হিন্দুনাম শিৱ সিংহ নামেৰে পৰিচিত নিজৰ ভাতৃৰ সহযোগত বিশ্ব সিংহই কোচ ৰাজনৈতিক শক্তিৰ ভেঁটি প্ৰতিষ্ঠা কৰে।

৯.৪ বিশ্ব সিংহ

বিশ্ব সিংহ আছিল এজন সাহসী ব্যক্তিগৰাকী যি ১৫১৫ শতিকামানত ক্ষমতালৈ আহিছিল। তেওঁ সকলো বাৰ ভূঞাক (স্থানীয় জমিদাৰসকলৰ শক্তিশালী শ্ৰেণী) পৰাস্ত কৰিছিল আৰু চিকনগ্ৰামক ৰাজধানী ৰূপে গ্ৰহণ কৰি এক শক্তিশালী আৰু স্বতন্ত্ৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ৰাজধানী কোচবিহাৰলৈ স্থানান্তৰ কৰে। আহোমসকলৰ সৈতে বিশ্ব সিংহৰ প্ৰথম বিবাদ আৰম্ভ হয় প্ৰায় ১৫২৩-৩৩ শতিকাত। প্ৰথম অৱস্থাত বিশ্ব সিংহই আহোমসকলৰ সৈতে কোনো ধৰণৰ সশস্ত্ৰ সংঘৰ্ষৰ পৰা বিৰত আছিল। বাৰ্ষিক কৰৰ ৰূপত বিশ্ব সিংহই আহোম ৰজাক ঘোঁৰা আগবঢ়াবলৈ সন্মত হৈছিল আৰু আহোম ৰজাৰ অধীনত তলতীয়া ৰজাৰ মৰ্যাদা লাভ কৰিছিল। তেওঁৰ এই আছিল মুছলমানসকলৰ আগ্ৰাসনৰ পৰা সুৰক্ষা লাভ কৰা আৰু একে সময়তে নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰা। এনেদৰে আহোম-কোচৰ মাজত কাৰ্যৰ মূলতে এক শান্তিপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল।

আহোমসকলৰ সুৰক্ষা নিশ্চিত হোৱাৰ পিছত বিশ্ব সিংহই নিজৰ সাম্ৰাজ্য লাহে লাহে বিস্তাৰ কৰিবলৈ ধৰে। প্ৰথমাৱস্থাত আহোমসকলক তেওঁ নিয়মীয়াকৈ কৰ আদায় দি আহিছিল। কিন্তু ক্ষমতা বৃদ্ধি হোৱাৰ লগে লগে তেওঁ কৰ আদায় দিয়াত অনিয়মীয়া হ'বলৈ ধৰে আৰু তলতীয়া ৰজাৰ মৰ্যাদা নাকচ কৰি আহোম সাম্ৰাজ্যত আক্ৰমণ চলায়। ১৫৪০ শতিকাত তেওঁৰ মৃত্যু ঘটে আৰু নিজৰ পৰৱৰ্তী প্ৰজন্মৰ বাবে তেওঁ এৰি থৈ যায় এক দক্ষ প্ৰশাসন। নিজৰ প্ৰশাসনত তেওঁৰ ১২ জন মন্ত্ৰী আছিল যিসকলক ঠাকুৰিয়া, শইকীয়া, হাজৰি, উমৰা। আৰু নৱাব নামৰ কাজী বুলি জনা গৈছিল। এই মন্ত্ৰীসকল মেচসকলৰ মুৰব্বী অথবা কোচ পৰিয়ালৰ সন্তান আছিল। তেওঁ লগতে সীমান্তৰ সুৰক্ষাৰ বাবে ৰাজিৰ, লস্কৰ, ভূঞা, বৰুৱা আদি বিষয়া নিয়োগ কৰিছিল। তেওঁ কৃষকসকলৰ পৰা কৰ সংগ্ৰহ কৰিছিল। হিন্দু ধৰ্ম গ্ৰহণ কৰি তেওঁ কামাখ্যাৰ উপাসনা কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁ আন ধৰ্মৰ প্ৰতিও সহানুভূতিশীল আছিল।

৯.৫ নৰনাৰায়ন

নৰনাৰায়ণক মল্ল দেৱ নামেৰেও জনা যায়, বিশ্ব সিংহৰ জ্যেষ্ঠ পুত্ৰ নৰনাৰায়ণে পিতৃৰ মৃত্যুৰ পিছত কোচ ৰাজসিংহাসনত অধিষ্ঠিত হৈছিল। তেওঁৰ মৰমৰ ভাতৃ শুক্লধ্বজক দেৱানৰূপে নিযুক্তি প্ৰদান কৰিছিল আৰু তেওঁ প্ৰধানমন্ত্ৰী তথা সেনাধ্যক্ষৰ পদৱীৰ দায়িত্ব একেলগে পালন

কৰিছিল। যুদ্ধথলীত চিলাৰ দৰে যুদ্ধ কৰা বাবে শুক্লধ্বজক চিলাৰায় নামেৰে জনা গৈছিল।

নৰনাৰায়ণৰ ৰাজত্বকাল এইকাৰণে গুৰুত্বপূৰ্ণ যে সেইসময়তে আহোমসকলৰ সৈতে কোচসকলৰ সংঘাত আৰম্ভ হৈছিল। ইয়াৰ কাৰণ আছিল এজন তলতীয়া চৰ্দাৰৰ ষড়যন্ত্ৰ, যিজনে আহোম স্বৰ্গদেউ চুক্লেংমুঙৰ ওচৰলৈ পলায়ন কৰিছিল। চুক্লেমুঙে সেই চৰ্দাৰজনক আশ্ৰয় প্ৰদান কৰিছিল আৰু ইয়াৰ ফলতে আহোম আৰু কোচসকলৰ মাজত যুদ্ধৰ সূত্ৰপাত হয়।

দিকৰাই নদীৰ পাৰত চিলাৰায়ৰ নেতৃত্বত কোচ সেনাই যুদ্ধ কৰি প্ৰতিপক্ষক পৰাভূত কৰিবলৈ সক্ষম হয়। কলিয়াবৰত সংঘটিত আন এখন যুদ্ধতো আহোসকলে মুখ থেকেচা খায়।

চুক্লেংমুঙে শীঘ্ৰেই পুনৰ আক্ৰমণ চলাই পিচলা নদীৰ পাৰত শিবিৰ স্থাপন কৰে, যাৰ ফলত কোচ সেনাৰ ৰচদ যোগান বন্ধ হৈ তেওঁলোক শলঠেকত পৰিছিল। এই যুদ্ধত কোচ সেনাৰ বহুতো সৈনিক মৃত্যুমুখত পৰে। ইয়াৰ পৰিণতি স্বৰূপে নৰনাৰায়ণে আহোম সীমাৰ ভিতৰৰ কেইবাখনো গাওঁ জ্বলাই দিয়ে। আহোমসকলে কোচ সেনাক আক্ৰমণ চলায় কিন্তু দিখৌ নদীৰ পাৰৰ যুদ্ধত আহোমসকল পৰাস্ত হয়। একে স্থানতে কোচ সেনাধ্যক্ষ চিলাৰায়ৰ নেতৃত্বত কোচসকলৰ হাতত আহোমসকল পৰাস্ত হয় । আহোম স্বৰ্গদেউ আৰু তেওঁৰ পাত্ৰ মন্ত্ৰীসকলে পলায়ন কৰিবলগীয়া হয় আৰু ৰাজধানী গড়গাঁও কোচসকলে দখল কৰে। আহোমসকলে শান্তি চুক্তি কৰিবলৈ বাধ্য হৈ পৰে। আহোম স্বৰ্গদেউয়ে নিজৰ বহুকেইজন পুত্ৰ আৰু বিষয়াক পণবন্দীৰূপে গটাই দিয়াৰ লগতে শান্তিচুক্তিৰ বাবদ যাঠীটা হাতী, যাঠীখন বস্ত্ৰ আৰু বৃহৎ পৰিমাণৰ ধন-সোণ কোচসকলক দিবলগীয়া হয়।

অৱশ্যে কোচসকলে সকলোতে সাফল্যৰ মুখ দেখিলেও কোচসকলে গৌড়ৰ পাদছাহৰ পৰা ব্যাপক আহুকালৰ সন্মুখীন হৈছিল। কোচ ইতিহাসৰ মতে চিলাৰায়ৰ নেতৃত্বত কোচ সৈন্যৰ পৰাজয়ৰ পিছত চিলাৰায় গৌড়ৰ হাতত বন্দী হৈ পৰিছিল আৰু ভাতৃক মুকলি কৰিবলৈ উদগ্ৰীৱ নৰনাৰায়ণে আহোমসকলৰ সৈতে বন্ধুত্ব কৰিবলৈ প্ৰয়াস চলায়। ইয়াৰ বাবে উদ্দেশ্যপ্ৰণোদিতভাৱে পাশাখেলৰ আয়োজন কৰি ইচ্ছাকৃতভাৱে পৰাজয় বৰণ কৰি বন্দীসকলক মুকলি কৰি আহোমসকলৰ সৈতে বন্ধুত্ব স্থাপন কৰে।

কিন্তু গৌড়ৰ পাদছাহৰ সৈতে কোচসকলৰ বন্ধুত্ব স্থাপন হোৱা নাছিল। বৰং কিছু বছৰৰ পিছত নৰ নাৰায়নে মোগল বাদছাহ আকবৰে(১৫৫৬-১৬০৫ চনত) প্ৰেৰণ কৰা মুনিন খানৰ সৈতে লগ হৈ গৌড় আক্ৰমণৰ সিদ্ধান্ত লয়। শুক্লধ্বজ ওৰফে চিলাৰায়ৰ নেতৃত্বত কোচ সেনাই পূৱ দিশৰ পৰা আক্ৰমণ চলায় আনহাতে মুনিন খানৰ নেতৃত্বত মোগল সেনাই পশ্চিমৰ পৰা গৌড়ৰ দিশে আগুৱাই যায়। গৌড়ৰ পাদছাহ সহজেই ৰণত পৰে আৰু মোগল সম্ৰাট আকবৰ আৰু কোচ ৰজা নৰনাৰায়ণে গৌড় সাম্ৰাজ্য সমানে ভগাই নিজৰ অধীনলৈ আনে। কিন্তু এই অভিযানৰ সময়তে শুক্লধ্বজৰ শৰীৰত সৰু আইয়ে দেখা দিয়ে আৰু গংগা নদীৰ পাৰত তেওঁৰ মৃত্যু হয়।

১৫৬৩ চনত কোচ সেনাধ্যক্ষ টিপুয়ে ব্ৰহ্মপুত্ৰলৈকে এক অভিযান চলায়। কিন্তু আহোমসকলে তেওঁক পৰাস্ত কৰে। ১৫৭০ চনত পুনৰ টিপু আৰু ভিতৰুৱালে আহোমসকলৰ

বিৰুদ্ধে এক সেনাবাহিনী প্ৰস্তুত কৰি আক্ৰমণ চলায় । কিন্তু ইয়াতো আহোমসকলে তেওঁলোকক পৰাস্ত কৰে। ১৫৭৭ ; চনত নৰনাৰায়নৰ বিৰুদ্ধে তিনিজন ব্যক্তিয়ে বিদ্রোহ কৰে। কিন্তু তেওঁলোকে বিফল হৈ আহোম ৰজাৰ ওচৰত শৰণ লবলগীয়া হয়। আহোম স্বৰ্গদেউ চুখামফাই তেওঁলোকক গজালাত স্থান প্ৰদান কৰে। ১৫৮৫ চনত কোচ হাজোৰ কোচ ৰজা ৰঘুদেৱে নিজৰ জীয়েক শংকলাক বৃহৎ পৰিমাণৰ যৌতুকৰ সৈতে চুখামফালৈ বিয়া দিয়ে। ইয়াৰ বিনিময়ত চুখামফাই কোচ ৰজাক উপযুক্ত ভাৱে পুৰষ্কৃত কৰে।

নৰনাৰাযণৰ ৰাজসভাত বিভিন্ন শ্ৰেণীৰ বহু বিদ্বান আৰু পণ্ডিতৰ সমাগম ঘটিছিল। শংকৰদেৱ আৰু মাধৱদেৱৰ লগতে এইক্ষেত্ৰত নাম ল'ব লাগিব পুৰুষোত্তম বিদ্যাবাগীশ, ৰাম সৰস্বতী, অনন্ত কন্দলী, শ্ৰীধৰ আৰু বকুল কায়স্থ। এই বাবে নৰনাৰায়ণক অসমৰ বিক্ৰমাদিত্য বুলিও জনা গৈছিল। কোচ ৰজাৰ আন এজন ভাতৃ গোঁহাই কমলে কোচ ৰাজধানীৰ পৰা নাৰায়ণপুৰ (উত্তৰ লখিমপুৰ উপ খণ্ড) লৈকে গোঁহাই কমল আলী নামৰ পথটো নিৰ্মাণ কৰিছিল। কোচসকলে ইয়াৰ লগতে নাৰায়ণপুৰত এটা দুৰ্গও নিৰ্মাণ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ১ ঃ কোচ বংশৰ আদিপুৰুষৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ২ ঃ নৰনাৰায়ণৰ সমসাময়িক আহোম ৰজাৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৩ ঃ কাৰ নিৰ্দেশত গোঁহাই কমল আলি নিৰ্মাণ কৰা হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ বিশ্ব সিংহই কি ধৰ্ম পালন কৰিছিল?


.....

৯.৬ কোচ সাম্ৰাজ্যৰ বিভাজন

নৰনাৰায়ণৰ মৃত্যুৰ পিছত আহোম-কোচসকলৰ সম্পৰ্কই এক নতুন মোৰ লয়। সোণকোষ নদীক সীমাৰেখা নিৰ্ধাৰণ কৰি লৈ কোচ সাম্ৰাজ্যক দুটা ভাগত বিভক্ত কৰা হয়। সন্তানহীন হোৱা বাবে নৰনাৰায়ণে নিজৰ ভতিজা ৰঘূদেৱক (শুক্লধ্বজৰ পুত্ৰ) নিজৰ উত্তৰাধিকাৰ ঘোষণা কৰিছিল। কিন্তু বৃদ্ধ বয়সত তেওঁৰ লক্ষ্মী নাৰায়ণ নামেৰে এটি পুত্ৰ সন্তানৰ জন্ম হয়। এই ঘটনাই ৰঘূদেৱক শংকিত কৰি তোলে আৰু কেইজনমান বিষয়াৰ উচটনিত তেওঁ নিজকে বৰনগৰৰ ৰজা বুলি ঘোষণা কৰে। ৰঘূদেৱৰ সৈতে যুদ্ধ কৰাৰ সলনি নৰনাৰায়ণে ১৫৮১ চনত কোচ সাম্ৰাজ্যক দুভাগত বিভক্ত কৰে।

সোণকোষ নদীৰ পূৱ দিশৰ অঞ্চল কোচ হাজো নামেৰে পৰিচিত হৈ পৰে আৰু ইয়াক ৰঘূদেৱৰ হাতত অর্পণ কৰা হয়। আনহাতে পশ্চিম অংশ নৰনাৰায়ণে নিজৰ আৰু নিজৰ উত্তৰাধিকাৰীসকলৰ বাবে সুৰক্ষিত ৰাখে। ৰঘুদেৱে কোচ হাজোত ৰাজত্ব কৰিলেও ৰৱদেউতাক নৰনাৰায়ণৰ অধীনত্ব স্বীকাৰ কৰি কৰ আদায় দি আহিছিল। কিন্তু ১৫৮৭ খ্ৰীষ্টাব্দত নৰনাৰায়ণৰ মৃত্যুৰ পিছত ৰঘু দেৱে কৰ আদায় দিয়া বন্ধ কৰে আৰু নিজৰ নামত মুদ্রা খোদিত কৰি স্বাধীনতা ঘোষণা কৰে।

নৰনাৰায়ণৰ মৃত্যুৰ লগে লগে কোচ বিহাৰৰ গৌৰৱোজ্জ ল সাম্রাজ্যৰ অন্ত পৰে। লক্ষ্মী নাৰায়ণে (১৫৮৭-১৬২৭ চনত) কোচ বিহাৰৰ নতুন শাসক ৰূপে দায়িত্ব গ্রহণ কৰে। কোচ হাজোৰ ওপৰত কোচ বিহাৰৰ আধিপত্য অন্ত পেলাই ৰঘুদেৱে গ্রহণ কৰা স্বাধীন ৰাজত্বৰ ধাৰণাক লক্ষ্মী নাৰায়ণে সমূলি পচন্দ কৰা নাছিল। ফলস্বৰূপে দুই কোচ সাম্রাজ্যৰ মাজত সংঘাতৰ সূত্রপাত হৈ আহোম-মোগলৰ সংঘাতৰ কাৰণ হৈ পৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক—

ক) নৰনাৰায়ণৰ মৃত্যু হৈছিল ..... চনত।

খ) কোচ সাম্রাজ্যক বিভাজন কৰা হৈছিল ..... চনত।

বিভাজনৰ পিছত লক্ষ্মী নাৰায়ণে..... ত শাসন গ্রহণ কৰে।

ঘ) ৰঘূদেৱ আছিল .....ৰ পুত্র।)



৯.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কোচসকলৰ উৎপত্তি আৰু বংশৰ বিষয়ে জানিব পাৰিলে।
- বিশ্ব সিংহৰ অধীনত কোচসকলৰ ৰাজনৈতিক ইতিহাসৰ বিষয়ে জানিব পাৰিলে।
- চিলাৰায় আৰু নৰনাৰায়ণৰ কার্যকলাপৰ বিষয়ে জানিব পাৰিলে।



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ হাৰিয়া মণ্ডল।

২ নং প্রশ্নৰ উত্তৰ ঃ চুক্লেংমুঙ।

৩ নং প্রশ্নৰ উত্তৰ ঃ গোঁহাই কমল

৪ নং প্রশ্নৰ উত্তৰ ঃ হিন্দু

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) ১৫৮৭ (খ) ১৫৮১ (গ) কোচ বিহাৰ (ঘ) শুক্লধ্বজ



৯.৯ আৰ্হি প্ৰশ্ন

অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ বাৰ ভূঞা সকল কোন আছিল?

প্ৰশ্ন ২ ঃ তলতীয়া ৰজা বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ৩ ঃ বিশ্ব সিংহ কিয় আহোমসকলৰ সৈতে কোনো ধৰণৰ সংঘাতৰ পৰা বিৰত আছিল?

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ চমু টোকা লিখক।

ক) বিশ্ব সিংহ

খ) চিলাৰায়

গ) ৰঘূদেৱ

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ নৱনাৰায়ণৰ দিনত আহোম-কোচসকলৰ সংঘৰ্ষৰ সময়সীমা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কোচ বংশৰ ভেঁটি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিশ্ব সিংহৰ ভূমিকা ব্যাখ্যা কৰত।

প্ৰশ্ন ৩ ঃ কোচসকলৰ পতনৰ কাৰণ বিস্তৃতভাৱে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ঃ আহোমসকলৰ অধীনত মধ্যযুগীয় অসমৰ সমাজ, অর্থনীতি, ধর্ম আৰু প্রশাসন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সামাজিক পৰিস্থিতি

১০.৪ অর্থনৈতিক পৰিস্থিতি

১০.৫ ধর্মীয় বিশ্বাস

১০.৬ মধ্যযুগৰ অসমৰ প্রশাসন প্রশাসনীয় ব্যৱস্থা

১০.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১০.৮ অগ্রগতিৰ খতিয়ান

১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আহোম সাম্রাজ্যৰ অধীনত সামাজিক পৰিস্থিতি আলোচনা কৰিব পাৰিব,
- আহোম যুগৰ অর্থনীতি বিশ্লেষণ কৰিব পাৰিব,
- আহোম শাসনৰ অধীনত ধর্মীয় পৰম্পৰা ব্যাখ্যা কৰিব পাৰিব,
- অসমত ভক্তি আৰু নৱবৈষ্ণৱবাদৰ ধাৰা তথা অসমৰ সংস্কৃতিৰ ওপৰত ইয়াৰ প্রভাৱ ব্যাখ্যা কৰিব পাৰিব,
- আহোম প্রশাসনৰ এক বিশেষ বৈশিষ্ট্য পাইক প্রথাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়ত আমি আহোম শাসনৰ সময়ত প্রচলিত আর্থ-সামাজিক আৰু অর্থনৈতিক পৰিস্থিতিৰ বিষয়ে অধ্যয়ন কৰিম। লগতে এই অধ্যায়ত আমি প্রশাসনীয় দিশত আহোমসকলে আৰম্ভ কৰা বৈশিষ্ট্যপূর্ণ প্রথাৰ বিষয়েও বুজিবলৈ চেষ্টা কৰিম।

১০.৩ সমাজ

আহোম যুগত উপলব্ধ বৃহৎ পৰিমাণৰ সাহিত্যিক নিদর্শনে সমকালীন সমাজৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰাৰ লগতে ইয়াৰ পৰা সেই যুগৰ লোকসকলৰ মাজত প্রচলিত ৰীতি-নীতিৰ বিষয়ে জানিব পাৰি।

আমি ব্ৰাহ্মণসকলৰ বিষয়ে জানিব পাৰো যিসকলে অসমত বসতি স্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। অসমৰ ৰজাসকলে বিদ্বান ব্ৰাহ্মণসকলক অসমলৈ আনি ৰাজ্যত ব্ৰাহ্মণ্যবাদী পৰম্পৰা শক্তিশালী কৰিবলৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। বৃত্তিগতভাৱে জ্যোতিষচৰ্চাৰ সৈতে জড়িত *দৈৱজ্ঞ* অথবা *গণক*সকলে আহোম ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰাৰ লগতে সমাজত উচ্চ আসন দখল কৰিছিল। ইয়াৰ পিছতে কায়স্থসকলৰ কথা উল্লেখ কৰিব পাৰি, এইসকলৰ কাম আছিল হিচাপ-পত্ৰ চোৱা-চিতা কৰা আৰু বিভিন্ন বিভাগৰ নথি সংৰক্ষক ৰূপে কাৰ্যনিৰ্বাহ কৰা। তেওঁলোকক *সৎ কৰ্মী* বুলিও কোৱা হৈছিল কাৰণ তেওঁলোকে ছয়বিধ সংস্কাৰ ৰূপায়ন কৰিছিল। সংখ্যাৰ দিশৰ পৰা কলিতাসকলে ব্ৰাহ্মণ অথবা *দৈৱজ্ঞ*সকলক চেৰ পেলাইছিল। অসমত *কলিতা*সকলক দুটা ভাগত বিভক্ত কৰা হৈছিল *বৰ কলিতা* আৰু *সৰু কলিতা*। সামাজিক পদানুক্ৰমত পৰৱৰ্তী স্থান দখল কৰিছিল কেওটসকলে । কেওটসকলৰ সৰ্বপ্ৰথম উল্লেখ কৰা *গুৰু চৰিতত* পোৱা যায়। *কেওট*সকলৰ দুটা শ্ৰেণী আছিল- *হালোৱা কেওট* যিসকলক উচ্চবৰ্গৰ হিন্দু ৰূপে গণ্য কৰা হৈছিল আৰু *জালোৱা কেওট*, যিসকল আছিল মাছমৰীয়া সম্প্ৰদায়ৰ অৱদমিত নিম্ন শ্ৰেণীৰ লোক। *কৈৱৰ্ত*সকলে বৈষ্ণৱ ধৰ্ম অনুসৰণ কৰিছিল।

সামাজিক জখলাত কোঁচ অথবা *ৰাজবংশী*সকল আছিল আন এক উচ্চ শ্ৰেণী। *চুতিয়া*সকল আছিল আন এক জনজাতীয় গোট, এওঁলোকৰ এটা অংশ আহোমসকলৰ সৈতে সংমিশ্ৰিত হোৱাৰ বিপৰীতে আন একাংশ *মিছিং*সকলৰ লগত সংমিশ্ৰিত হৈ পৰিছিল। আনহাতে তৃতীয় এটা গোট পূৱ অসমৰ *ৰৱাহী*সকলৰ এটা অংশলৈ পৰিণত হৈ *ৰৱাহী চুতিয়া* ৰূপে জনাজাত হৈছিল। *চুতিয়া* অথবা *দেউৰী*সকলৰ পুৰোহিত শ্ৰেণীয়ে নিজস্ব বিশ্বাসত অটল আছিল। *চুতিয়া*সকলৰ যিসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল তেওঁলোকে নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল।

অসমীয়া সমাজত আন বহুতো জাতি, উপজাতি আৰু বৃত্তিগত শ্ৰেণী আছিল। বিখ্যাত কবি মাধৱ কন্দলীয়ে নাথযোগী আৰু হৰিসকলৰ বিষয়ে কৰা উল্লেখৰ পৰা সমাজত সেই দুটা জাতিৰ নিম্ন স্থানৰ কথা সূচিত হয়। কেতবোৰ বিশেষ জাতি ভিত্তিক বৃত্তিৰ বাহিৰে অধিকাংশ বৃত্তিতে সকলো জাতি আৰু বৰ্ণৰ লোক নিয়োজিত হ'ব পাৰিছিল।

অসমত বৃহৎ সংখ্যক জনজাতি আছিল যিসকলে নিজৰ সম্প্ৰদায়ৰ নীতি-আইন মতে পৰিচালিত হৈছিল। *লালুং* অথবা *তিৱা* আৰু *ডিমাছা*সকল আছিল *বড়ো-কছাৰী* জনজাতিৰ। ১৮ শতিকাৰ প্ৰথমাৰ্ধত প্ৰব্ৰজন ঘটা বৌদ্ধধৰ্মীয় লোকসকলৰ ভিতৰত *খামটি*সকল, *দোৱান*সকল, *টাই-ফাকে*সকল, *তুৰুং*সকল, *আইতনীয়া*সকল আৰু *নৰা*সকলে সৰু সৰু গোট গঠন কৰিছিল। বখতিয়াৰ খিলজীৰ নেতৃত্বত মুছলিমসকলৰ প্ৰব্ৰজনৰ ফলত ৰাজ্যত মুছলমানসকলৰ বসতি স্থাপিত হৈছিল।

মধ্যযুগীয় অসমৰ সমাজে কলা আৰু স্থাপত্যবিদ্যাৰ বিকাশলৈ যথেষ্ট পৰিসৰ প্ৰদান কৰিছিল। আহোম আৰু কোচ শাসকসকলে বহুতো পুৰণি মন্দিৰ পুনৰ নিৰ্মাণ কৰিছিল, নতুন মন্দিৰো নিৰ্মাণ কৰিছিল আৰু এক নতুন ধৰনৰ অষ্টভুজকাৰ গম্বুজ আৰু মৌবাহৰ দৰে তোৰণৰ

নিৰ্মাণশৈলীৰ প্ৰৱৰ্তন কৰিছিল। লগতে তেওঁলোকে শিলৰ টুকুৰাৰ সলনি ইটাৰ বিস্তৃত ব্যৱহাৰ আৰম্ভ কৰিছিল। নৱবৈষ্ণৱ আন্দোলনৰ ফলত আহোম আৰু কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সাঁচিপতীয়া পুথিৰ লিখনশৈলীৰ বিকাশ হৈছিল। ধৰ্মনিৰপেক্ষ সাঁচিপতীয়া পুথিৰ ভিতৰত আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ নিদৰ্শন হৈছে *হস্তীবিদ্যাৰ্ণৱ*।

নৱবৈষ্ণৱ আন্দোলনৰ পূৰ্বে সংস্কৃত আছিল প্ৰধান ভাষা। কিন্তু লাহে লাহে অসমীয়া ভাষাই ইয়াৰ স্থান দখল কৰিবলৈ লয় আৰু ভূমি প্ৰদান ফলিত সংস্কৃতৰ লগতে অসমীয়া ভাষাৰো ব্যৱহাৰ হ'বলৈ ধৰে। আহোম ৰজাই আগবঢ়োৱা পৃষ্ঠপোষকতাৰ বাবে মাধৱ কন্দলী, শংকৰদেৱ, অনন্ত কন্দলী আদিৰ হাতত অসমীয়া সাহিত্য সমৃদ্ধিশালী হৈছিল। শংকৰদেৱৰ *কীৰ্তনঘোষা, ৰুক্মিণী হৰণ, ভক্তি ৰত্নাকৰ* আদি হৈছে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। *সত্ৰীয়া বংশাৱলী* আৰু *চৰিত পুথি*সমূহৰ (সন্তসকলৰ জীৱন আধাৰিত) দ্বাৰা অসমীয়া ভাষা আৰু সাহিত্যই এক নতুন মৰ্যাদা লাভ কৰিছিল। বহুতো ধৰ্মনিৰপেক্ষ লিখনি যেনে বকুল কায়স্থৰ *কিতাবত মঞ্জৰী*, শ্ৰীধৰৰ *সন্ধ্যাকাণ্ড* আদিয়েও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। আহোম শাসকসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা আটাইতকৈ উল্লেখযোগ্য অৱদান হৈছে বুৰঞ্জীসমূহ।

আহোমসকল খেল-ধেমালি, নৃত্য আৰু সংগীতৰো পৃষ্ঠপোষক আছিল। জন্তুৰ যুঁজ আছিল অৱসৰ বিনোদনৰ অন্যতম আহিলা। শেনছোৱা বৰুৱা (শেন চৰাইৰ প্ৰশিক্ষণৰ বাবে নিযুক্ত বিষয়া), কুকুৰাচোৱা বৰুৱা (কুকুৰা যুঁজৰ বাবে কুকুৰা প্ৰশিক্ষক) আদিৰ নিযুক্তিয়ে এইধৰণৰ খেলৰ জনপ্ৰিয়তাৰ উমান দিয়ে। কৃষিভিত্তিক উৎসৱ যেনে বিহুৰ সময়ত নৃত্য-সংগীত উদযাপন কৰা হৈছিল, শাক্তধৰ্মৰ প্ৰভাৱত দুৰ্গা পূজাও অসমত সমান উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছিল। মন্দিৰসমূহত *নটী*সকলে প্ৰদৰ্শন কৰা *দেৱদাসী* নৃত্যৰো প্ৰচলন আছিল। সত্ৰৰ দৰে অনুষ্ঠানে *ওজা-পালি, সূত্ৰধাৰী, দশাৱতাৰ আৰু কৃষ্ণ নৃত্য*ৰ দৰে বিভিন্ন শৈলীৰ নৃত্যৰ প্ৰসাৰত উৎসাহ যোগাইছিল।

সমাজত যৌথ পৰিয়ালৰ প্ৰথা প্ৰচলিত আছিল। পিতৃতান্ত্ৰিক সমাজব্যৱস্থাৰ অধীনত অসমীয়া নাৰীয়ে বাস কৰিছিল যদিও দেশৰ অন্য প্ৰান্তত প্ৰচলিত থকাৰ দৰে সতীদাহ আদি সামাজিক কুসংস্কাৰৰ বলি হোৱা নাছিল। অৱশ্যে *হৰিদেৱ চৰিত*ত ইয়াৰ দুই-এটা ব্যতিক্ৰমী উদাহৰণ পোৱা যায়। ব্ৰাহ্মণ আৰু কায়স্থসকলৰ বিধৱাসকল কঠোৰ নীতি-নিয়মৰ মাজত থাকিবলগীয়া হৈছিল। আনুষ্ঠানিক শিক্ষাক ভাল চকুৰে চোৱা হোৱা নাছিল। *ৰত্নাৱলী, কীৰ্তন* আৰু *নামঘোষা* পঢ়িব পৰা হ'লেই তেওঁলোকক শিক্ষিত বুলি ধৰা হৈছিল। অৱশ্যে মহিলাসকলে কঠিয়া ৰোৱা, চপোৱা আদি কৃষিভিত্তিক কাৰ্যত পুৰুষৰ সমানে সমানে অংশগ্ৰহণ কৰিছিল। প্ৰতিঘৰৰ মহিলা আছিল একোগৰাকী সুনিপুণ শিপিনী।

সমাজৰ সকলোতে বিবাহৰ প্ৰথা একে ধৰণৰ নাছিল। আহোমসকলে *চকলং* প্ৰথাৰে বিবাহ সম্পন্ন কৰিছিল। অৱশ্যে আহোম ৰজাই যদি আন সম্প্ৰদায়ৰ যুৱতী বিয়া কৰাই তেতিয়া বৈদিক ৰীতি-নীতি পালন কৰা হৈছিল। ৰাজ্যৰ জনজাতীয় গোটসমূহে নিজা নিজা নিয়ম পালন কৰিছিল।

খাদ্যাভ্যাসৰ ভিতৰত ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে প্ৰধান আহাৰ ৰূপে গ্ৰহণ কৰিছিল ভাত, গাখীৰ, মাছ আৰু মাহ। পানৰ সৈতে তামোল চোবাই খোৱাটো আছিল মানুহৰ সাধাৰণ অভ্যাস।

আহোম শাসনৰ আৰম্ভণিতে সমাজৰ বিভিন্ন গোট আৰু শ্ৰেণীৰ মাজত সম্প্ৰীতিৰ ভাৰ আছিল। আহোম শাসন সুপ্ৰতিষ্ঠিত হোৱাৰ পিছত আমি সমাজত স্তৰীকৰণ দেখা পাওঁ। ৰজা, *পাত্ৰ-মন্ত্ৰী* আৰু পুৰোহিত শ্ৰেণীয়ে অভিজাত মৰ্যাদা উপভোগ কৰিছিল। ইয়াৰ পিছতে আছিল *চমুৱা* শ্ৰেণী যিসকলক *বৰুৱা, হাজৰিকা, শইকীয়া* আদি উপাধি প্ৰদান কৰা হৈছিল। সমাজৰ একেবাৰে নিম্ন স্থানত ৰখা হৈছিল পাইক বা লগুৱাসকলক আৰু এইসকলৰ স্থান আছিল সামৰিক বাহিনী আৰু গা-ৰে খাটি খোৱা শ্ৰেণীত। শ্ৰেণীসমূহৰ মাজত সামাজিক বিভাজন পৰিস্ফুট হৈছিল প্ৰধানকৈ সাজ-পাৰ, খাদ্যাভ্যাস, পাইকৰ গৰাকীস্বত্ব আদিৰ মাজত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক—

ক) .....সকল আছিল বৃত্তিগতভাৱে জ্যোতিষী।

খ) কেওটসকলৰ আটাইতকৈ পুৰণি উদাহৰণ পোৱা যায়.....ত।

গ) নাথযোগী আৰু হৰিসকলৰ বিষয়ে উল্লেখ কৰিছিল.....য়ে।

ঘ) আহোমসকলে.....প্ৰথাৰে বিবাহ সম্পন্ন কৰিছিল।

ঙ) সমাজৰ একেবাৰে নিম্ন স্থানত থকা লোকসকল আছিল.....।

চ) বৰুৱা, হাজৰিকা, শইকীয়া আদি বিষয়বাবৰ দায়িত্বত আছিল ..... শ্ৰেণী।

১০.৪ অৰ্থনীতি

কৃষি আছিল আহোম যুগৰ অৰ্থনীতিৰ মেৰুদণ্ড। কৃষিভিত্তিক অৰ্থনীতি আছিল স্বয়ংসম্পূৰ্ণ আৰু যুদ্ধ তথা প্ৰাকৃতিক দুৰ্যোগৰ বাহিৰে জনসাধাৰণে কেতিয়াও খাদ্যৰ সংকটত ভুগিব লগা হোৱা নাছিল।

গাঁওসমূহক এনেদৰে গঠন কৰা হৈছিল যে একে বৃত্তি আৰু জাতিৰ পৰিয়ালসমূহে একেলগে থকাৰ সুবিধা লাভ কৰে, যেনে *তাঁতীকুছি, কমাৰকুছি*আদি। গ্ৰামাঞ্চলৰ জীৱন আছিল অতি কঠিন কাৰণ সাধাৰণ ৰাইজে ৰজাক গা-ৰে খাটি দিয়াৰ লগতে যুদ্ধৰ সময়ত অংশগ্ৰহণ কৰি কৰ আদায় দিবলগীয়া হৈছিল। একে সময়তে তেওঁলোকে সত্ৰৰ মুৰব্বীসকলক কৰ আদায় দি সন্মান প্ৰদৰ্শন কৰিবলগীয়া হৈছিল।

ৰংপুৰ, গড়গাঁও, গুৱাহাটী, হাজো আদিত নগৰ কেন্দ্ৰ আছিল যিসমূহ প্ৰশাসনীয়, বাণিজ্যিক অথবা ধৰ্মীয় কেন্দ্ৰলৈ পৰ্যবসিত হৈছিল।

বিদেশী পৰ্যটকসকলৰ লিখনিত উল্লেখ থকা অনুসৰি অসম কৃষিভিত্তিক উৎপাদনত চহকী আছিল। ধানৰ খেতি বৃহৎ পৰিমাণে কৰা হৈছিল লগতে মাহ, তেলৰ বীজ, মচলা, সৰিয়হ, পপি (নিচাযুক্ত সামগ্ৰীৰূপে), বাঁহ আদিৰ খেতিও কৰা হৈছিল। ফল-মূলৰ ভিতৰত উল্লেখযোগ্য আছিল থেকেৰা, ঔ-টেঙা, অমৰা, কমলা আদি। চাহাবুদ্দিন তালিছে স্থানীয় লোকসকলে নিমখৰ সলনি *খাৰ* ব্যৱহাৰ কৰাৰ প্ৰসংগ উল্লেখ কৰিছিল। *বাঁহবাৰী, জালুকবাৰী, আদাবাৰী, বেতকুছি* আদি ঠাইৰ নামৰ পৰা সেই স্থানত হোৱা খেতিৰ বিষয়ে ধাৰণা কৰিব পাৰি। পাহাৰীয়া এলেকাত তেজপাতৰ খেতি কৰা হৈছিল। চাহাবুদ্দিন তালিছে (মীৰ জুমলাৰ সৈতে অহা বুৰঞ্জীবিদ) কুঁহিয়াৰৰ তিনিবিধ প্ৰজাতিৰ খেতি কৰাৰ বিষয়ে উল্লেখ কৰিছিল। ধঁপাত আছিল অসমৰ এক গুৰুত্বপূৰ্ণ ধন উপাৰ্জনকাৰী ফচল। তামোল আৰু পাণ বৃহৎ পৰিমাণে পোৱা গৈছিল আৰু এইসমূহৰ ব্যৱহাৰো আছিল বিস্তৃত।

ব্যৱহৃত সঁজুলিসমূহ আছিল প্ৰধানকৈ কৃষিভিত্তিক যেনে বাঁহৰ মৈ, খেতিত ব্যৱহৃত হাল, নাঙল, জবকা, কুঠাৰ, কাঁচী আদি। কৃষি কাৰ্যত বলদ, ম'হ আৰু কিছুক্ষেত্ৰত ঘোঁৰাৰো ব্যৱহাৰ কৰা হৈছিল। পাহাৰীয়া এলেকাত বাস কৰা জনজাতীয় লোকসকলে *ঝুম* প্ৰথাৰে খেতি কৰিছিল। বস্ত্ৰ, ধাতু নিষ্কাষণ, কাঠ আদিক কেন্দ্ৰ কৰি কেতবোৰ সৰু-সৰু উদ্যোগ গঢ়ি উঠিছিল। হাতী দাঁতৰ উদ্যোগ, সোণ পৰিষ্কৰণ, লোহা পিটা, নিমখ উৎপাদন, তাম আৰু পিতলৰ উদ্যোগসমূহো সমানে সমৃদ্ধিশালী হৈছিল। কাঠৰ শিল্পই কিছু উচ্চ মান লাভ কৰিছিল যদিও সৰ্বোচ্ছ শিখৰত আৰোহন কৰিব পৰা নাছিল। *কুমাৰ* আৰু *হীৰা* সম্প্ৰদায়ে গ্ৰহণ কৰা মাটিৰ বাচন-বৰ্তন নিৰ্মান আছিল আন উদ্যোগ। ৰাষ্ট্ৰৰ কাঢ়া নিৰ্দেশনাৰ অধীনত ইটা নিৰ্মান উদ্যোগ ঠন ধৰি উঠিছিল।

আহোম যুগৰ আৰম্ভনিতে আমদানিৰ পৰিমান সীমিত আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতহে বহিঃস্থানৰ সৈতে বাণিজ্যক উৎসাহ যোগোৱা হয়। অৱশ্যে *চৰিত পুথি*সমূহত কেতবোৰ লোকৰ উদাহৰণ পোৱা যায় যিসকলে বাণিজ্যৰ মাধ্যমেদি জীৱন নিৰ্বাহ কৰিছিল। বুৰঞ্জীসমূহত আভ্যন্তৰীণ ব্যৱসায়ৰ ক্ষেত্ৰত আহোম শাসকসকলে যোগোৱা উৎসাহৰ বৰ্ণনা পোৱা যায়। আভ্যন্তৰীণ বাণিজ্যৰ বাবে আহোমসকলে বিভিন্ন বজাৰ বা *হাট*প্ৰতিষ্ঠা কৰিছিল। সমগ্ৰ পাহাৰীয়া এলেকাৰ বাবে শদিয়া আছিল কেন্দ্ৰীয় বজাৰ। বিভিন্ন পাহাৰীয়া জনজাতীয় লোকসকলে লগত অনা গম আৰু সৈন্ধক লৱণ আদি ভৈয়ামৰ লোকসকলৰ সৈতে বিভিন্ন বস্তুৰ বিনিময়ত আদান-প্ৰদান কৰিছিল যিহেতু মুদ্ৰাৰ ব্যৱহাৰ অতি সীমিত আছিল।

ব্যৱসায়ৰ কাৰ্যাৱলীক উৎসাহ দিবলৈ বিভিন্ন *চকী* অথবা নীৰিক্ষণ দ্বাৰ নিৰ্মাণ কৰা হৈছিল। এইসমূহৰ তত্বাৱধানত থকা *দুৱৰীয়া বৰুৱা* অথবা *চকীয়াল বৰুৱাই* কৰ সংগ্ৰহ কৰি সামগ্ৰীৰ চোৰাং পৰিবহন নিয়ন্ত্ৰণ কৰিছিল। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে ব্যৱসায় সম্প্ৰসাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। বংগ আৰু মোগলসকলৰ সৈতে ব্যৱসায়ৰ বাহিৰেও ভূটান আৰু তিব্বতৰ সৈতেও অসমৰ ব্যৱসায়িক সম্পৰ্ক আছিল। তালিছৰ মতে *কড়ি*, টকা, সোণৰ মুদ্ৰা আদি আহোম সাম্ৰাজ্যত ব্যৱহৃত হৈছিল। একেদৰে কোঁচসকলৰ

মুদ্ৰা, নাৰায়ণী টকা আদিও অসমত মুদ্ৰাৰূপে ব্যৱহৃত হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ লিখা—

(ক) চাহাবুদ্দিন তালিছ আছিল মীৰ জুমলাৰ সৈতে অহা মুছলিম বুৰঞ্জীবিদ। (শুদ্ধ নে অশুদ্ধ)

(খ) কুমাৰ আৰু হীৰাসকল নিমখ উৎপাদনৰ সৈতে জড়িত আছিল। (শুদ্ধ নে অশুদ্ধ)

(গ) তাঁতীকুছি, কমাৰকুছি আদি আছিল আহোম সাম্ৰাজ্যৰ অধীনত নগৰ কেন্দ্ৰ। (শুদ্ধ নে অশুদ্ধ)

(ঘ) সমগ্ৰ পাহাৰীয়া এলেকাৰ বাবে শদিয়া আছিল কেন্দ্ৰীয় বজাৰ। (শুদ্ধ নে অশুদ্ধ)

(ঙ) দুৰৰীয়া বৰুৱাসকলক কৰ সংগ্ৰহ আৰু সামগ্ৰীৰ অবৈধ সৰবৰাহ ৰোধ কৰিবলৈ নিয়োগ কৰা হৈছিল। (শুদ্ধ নে অশুদ্ধ)

১০.৫ ধৰ্ম

মধ্যযুগৰ অসমীয়া সমাজত ব্ৰাহ্মণ্যবাদী ধৰ্মই সৰ্বোচ্চ আসন দখল কৰিছিল। কিন্তু সময়ৰ সোঁততে এই ধৰ্মত বিভিন্ন ৰীতি-নীতি সংলগ্ন হৈ অধিক জটিল হৈ পৰাৰ ফলত সাধাৰণ ৰাইজৰ মাজত ইয়াৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিছিল। ইন্দ্ৰজাল ভিত্তিক উপাসনা আৰু *বামাচাৰী পন্থা*, যাদু আৰু মোহিনী বানৰ অনুশীলন চলিছিল। নৱ-বৈষ্ণৱবাদী আন্দোলনৰ প্ৰসাৰৰ বহুদিনলৈকে এইধৰণৰ অনুশীলন অব্যাহত আছিল।

তান্ত্ৰিকবাদ আছিল উপাসনাৰ আন এক পদ্ধতি য'ত পশু আৰু মানুহ উভয়ৰে বলি দিয়া হৈছিল। প্ৰবাদ আছে যে কামাখ্যা, কেচাইখাইত আৰু জয়ন্তেশ্বৰীত নৰবলি দিয়া হৈছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহই নিষেধাজ্ঞা জাৰি নকৰালৈকে এইসমূহৰ প্ৰচলন অব্যাহত আছিল। শাসকীয় পৰিয়াল আৰু জনজাতীয় সম্প্ৰদায়সমূহে বিভিন্ন ৰূপত শিৱ আৰু শক্তিৰ আৰাধনা কৰিছিল। ইয়াৰ উদাহৰণ পোৱা যায় শিৱ আৰু শক্তিৰ নামত নিৰ্মিত বিভিন্ন মন্দিৰ আৰু দৌলৰ পৰা। স্থানীয় লোকৰ মাজত শক্তি পূজাৰো বহুল প্ৰচলন আছিল।

সাহিত্যিক নিদৰ্শনৰ পৰা পোৱা যায় যে শংকৰদেৱৰ সময়ৰ পৰা বৌদ্ধধৰ্মৰ প্ৰচলন আছিল। পিছ ই অতি ক্ষীণভাৱে *ব্ৰজায়ন* ধাৰাৰ এক নিম্নখাপৰ তান্ত্ৰিকতাবাদৰ সৈতেহে সংপৃক্ত হৈ আছিল। কামৰূপত শিখ ধৰ্মৰ প্ৰচলন হয় গুৰু নানকৰ কামৰূপ ভ্ৰমণৰ সময়ৰ পৰা। শিখ গুৰুগৰাকীৰ কামৰূপ ভ্ৰমণৰ ফলত বহুসংখ্যক লোকে শিখ ধৰ্মৰ প্ৰতি অনুৰক্ত হয়। ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমনৰ লগে লগে অসমত খ্ৰীষ্টান ধৰ্মই শিপাবলৈ ধৰে।

বিদেশী শক্তিৰ অভিযানৰ পিছত অসমত বৈ যোৱা মুছলমানসকলৰ দ্বাৰা ইছলাম

ধৰ্মৰ অসমত প্ৰসাৰ হ'বলৈ ধৰে। পাঁচজন *পীৰ্ব্ব দৰগাহ* ক্ৰমে শ্বাহ আখাৰ, শ্বাহ বাগমাৰ, শ্বাহ চৰণ, শ্বাহ চুফী আৰু ধুবুৰীৰ শ্বাহ কামাল হৈছে অসমত ইছলাম ধৰ্মৰ প্ৰসাৰৰ প্ৰধান হোতা। শ্বাহ মিলানো আছিল এজন *পীৰ* আৰু তেওঁ জনপ্ৰিয় আছিল *আজান পীৰ* নামেৰে। তেওঁৰ দ্বাৰা অসমীয়া ভাষাত বহুমূলীয়া ভক্তিমূলক *জিকিৰ*আৰু জাৰীসমূহ সৃষ্টি হৈছিল। আহোম ৰজাসকলে মুছলমান সন্তসকলৰ লগতে তেওঁলোকৰ পৱিত্ৰ স্থানক পৃষ্ঠপোষকতা আগবঢ়াইছিল। মুছলমান সাধুসকলৰ নামত ভূমিও আৱণ্টন দিয়া হৈছিল।

- **নৱ-বৈষ্ণৱ আন্দোলন**

ভক্তি আন্দোলনৰ সূচনা হোৱাৰ লগে লগে ধৰ্মীয় জগতত চলি থকা উত্তেজনাপূৰ্ণ সময়ছোৱাৰ অন্ত পৰিছিল। শংকৰদেৱে আৰম্ভ কৰা ভক্তি আন্দোলনটোক **মহাপুৰুষীয়া ধৰ্ম** বুলিও কোৱা হৈছিল। কাৰণ শংকৰদেৱক **মহাপুৰুষ** বুলি সম্বোধন কৰা হৈছিল। ধৰ্মটোৰ আনুষ্ঠানিক নাম আছিল **এক-শৰণ-ধৰ্ম**। এই ধৰ্মৰ অধিকাংশ শিক্ষাই **ভাগৱত পুৰাণ**ৰ ওপৰত আধাৰিত আছিল বাবে ইয়াক ভাগৱত ধৰ্মও বোলা হৈছিল। নৱ-বৈষ্ণৱ ধৰ্ম চাৰিটা নীতিৰ ওপৰত আধাৰিত— **গুৰু, দেৱ, ভক্ত** আৰু **নাম**। শংকৰদেৱৰ মতে এই চাৰিওটা নীতিৰ আন্তঃসম্পৰ্ক আছে। এগৰাকী ভক্তই আন ভক্তসকল আৰু গুৰুৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখিব লাগে। শংকৰদেৱে কেতিয়াও মূৰ্তি পূজাক গুৰুত্ব দিয়া নাছিল। ইয়াৰ সলনি মহাপুৰুষজনাই নতুন শিষ্যসকলক ভাগৱত শাস্ত্ৰৰ আগত সাষ্টাংগে প্ৰণিপাত ক�ৰিবলৈ কৈছিল। তেওঁ সমাজৰ সকলো শ্ৰেণীৰ লোককে শিষ্য হিচাপে আদৰি লৈছিল আৰু সম-মৰ্যদা প্ৰদান কৰিছিল। এইদৰেই শংকৰদেৱে অসমৰ সমাজত সামাজিক সমতা স্থাপন আৰু বিৰোধহীন জীৱন নিৰ্বাহৰ পথ সুগম কৰি তোলাৰ প্ৰয়াস কৰিছিল । সমূহীয়া মনোভাৱ সম্পৰ্কে থকা শংকৰদেৱৰ ধাৰণা তেওঁৰ বাণী আৰু প্ৰাৰ্থনা গৃহত **(নামঘৰ)** কৰা প্ৰাৰ্থনাসমূহৰ **(কীৰ্তন-নাম)** মাজেৰে সমাজত বিয়পি পৰিছিল। শিক্ষালাভৰ সৰ্বশ্ৰেষ্ঠ অনুষ্ঠানত পৰিণত হোৱা **সত্ৰ** সমূহ হ'ল হৈষ্ণৱ সংস্থাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশ। শংকৰদেৱে ১৪৯৪ খৃষ্টাব্দত বৰগোৱাত প্ৰথমখন সত্ৰ প্ৰতিষ্ঠা কৰিছিল । সত্ৰৰ ধৰ্মীয় ক্ৰমৰ শীৰ্ষত থাকে **সত্ৰাধিকাৰ** সকল । তাৰপাছতেই **ভক্ত** আৰু **শিষ্য**সকলৰ স্থান। সত্ৰাধিকাৰসকলে কেতিয়াবা চিৰকুমাৰ ৰূপে জীৱন অতিবাহিত কৰে আৰু তেওঁলোকক **গোঁসাই** অথবা **মহন্ত** বুলি জনা যায়। তেওঁ শিষ্যসকলক নতুন ধৰ্মৰ দীক্ষা দিয়ে আৰু অন্য ধৰ্মীয় অনুষ্ঠানবোৰ পৰিচালনা কৰে। ভক্ত সকল হ'ল সেৱক। তেওঁলোকে সত্ৰ বিভিন্ন কামত সহায় কৰে। সত্ৰৰ চিৰকুমাৰ সেৱকসকলক **কেৱলীয়া ভকত** বুলি কোৱা হয়। সত্ৰৰ বাহিৰত থকা সাধাৰণ ভক্তসকলক **শিষ্য** বোলা হয়।

প্ৰাচীন কালত অসমত বৈষ্ণৱবাদ অথবা বিষ্ণুক পূজা কৰাৰ প্ৰথা প্ৰচলিত আছিল। **পুষ্পভদ্ৰ গ্ৰন্থ**ত উল্লেখ আছে যে পাল বংশৰ ৰজা ধৰ্মপালে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল । শংকৰদেৱৰ উত্থানৰ আগতে বৰ্তি থকা বৈষ্ণৱ উপাসকসকলৰ পঞ্চৰাত্ৰ উপাসকসকলৰ সৈতে সম্পৰ্ক আছিল। **পঞ্চৰাত্ৰ** বৈষ্ণৱবাদৰ আকৌ তান্ত্ৰিক ধৰ্মাচাৰৰ সৈতে সম্পৰ্ক আছিল ।

শংকৰদেৱৰ নেতৃত্বত উত্থান ঘটা বৈষ্ণৱ সম্প্ৰদায়টোৰ ধৰ্মীয় ভেটি আছিল গীতা

আৰু **ভাগৱত পুৰাণ**ৰ শিক্ষাসমূহ। এই শিক্ষাসমূহে অনুগামীসকলৰ পথ প্ৰদৰ্শকৰ ভূমিকা লৈছিল। নৱ-বৈষ্ণৱবাদৰ উপাসকসকলে অনুগামীক কেৱল ভগৱান কৃষ্ণ অথবা বিষ্ণুৰ পৰম শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ উৎসাহিত কৰিছিল। শংকৰদেৱে ঘোষণা কৰিছিল যে এগৰাকী প্ৰকৃত বিষ্ণু উপাসকে কেতিয়াও বিষ্ণুমন্দিৰৰ বাহিৰে অন্য মন্দিৰলৈ যোৱা অনুচিত। তেওঁলোকে বিষ্ণুত বাদে অন্য দেৱ-দেৱীৰ নামত আগবঢ়োৱা প্ৰসাদো গ্ৰহণ কৰিব নালাগে। আধ্যাত্মিক সিদ্ধিলাভৰ বাবে ব্ৰহ্মচাৰ্য অথবা সন্নাস ধৰ্ম পালন কৰাৰ প্ৰয়োজনীয়তা নাই বুলি শংকৰদেৱে ভাবিছিল। তেওঁ নিঃসংকোচে মহিলাসকলকো ধৰ্মৰ দীক্ষা দিছিল।

এই নতুন বিশ্বাসৰ জনপ্ৰিয়তীই সাহিত্য ক্ষেত্ৰখনতো সৃজনশীলতাৰ জোৱাৰ তুলিছিল। শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য তথা উত্তৰাধিকাৰী মাধৱদেৱ উভয়েই আছিল কৃতবিদ্য কবি। শংকৰদেৱে তেওঁৰ সম্পৰ্কীয় ভ্ৰাতৃ ৰামৰাইৰ সৈতে লগ লাগি ধৰ্মীয় আলোচনা, সমূহীয়া প্ৰাৰ্থনা, মাজে-সময়ে নৃত্য আৰু নাট প্ৰদৰ্শন আদি কামৰ বাবে **নামঘৰ** নামৰ প্ৰাৰ্থনা গৃহৰ জন্ম দিছিল। শংকৰদেৱৰ মহাপ্ৰয়াণৰ পাছত এই আন্দোলন বিভিন্ন সমস্যাৰ গৰাহত দুৰ্বল হৈ পৰিল। দামোদৰদেৱে আৰু হৰিদেৱৰ নেতৃত্বত উত্থান ঘটা বিভাজনবাদী ধৰ্মীয় বিশ্বাসেও নৱ-বৈষ্ণৱবাদক দুৰ্বল কৰি পেলাইছিল। ইয়াৰ উপৰি শক্তি উপাসকসকলে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিবলৈ লোৱা বাবেও বৈষ্ণৱবাদে বিভিন্ন প্ৰত্যাহবানৰ সন্মুখীন হ'বলগীয়া হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) স্বৰ্গদেউ ..... নিষেধাজ্ঞা জাৰি নকৰালৈকে নৰ বলিৰ প্ৰচলন অব্যহত আছিল।

(খ) ..... মহাপুৰুষীয়া ধৰ্ম আৰম্ভ কৰিছিল।

(গ) শংকৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বে প্ৰচলিত থকা বৈষ্ণৱ ধৰ্ম ..... ধৰ্মৰ লগত জড়িত আছিল।

প্ৰশ্ন নং ৪ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

(ক) কাক ভকত হিচাপে জনা যায়?

.....

(খ) সৰ্বসাধাৰণৰ বাবে নামঘৰসমূহে কি কি উদ্দেশ্য পুৰণ কৰিছিল?

.....

(গ) 'সত্ৰ'ৰ মুখ্য ব্যক্তিগৰাকীক কি বুলি জনা যায়।

.....

১০.৬ আহোমসকলৰ প্ৰশাসন

আহোমসকল কঠোৰ ৰীতি-নীতিৰে পৰিচালিত হৈছিল। আহোমসকলৰ প্ৰশাসন আছিল অতি দক্ষ আৰু এই ব্যৱস্থাই আহোম সাম্ৰাজ্য বিস্তাৰিত হোৱাত স্থিৰতা প্ৰদান কৰি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আহোমৰাজ স্থাপন হোৱাত সহায় কৰিছিল।

আহোমসকলৰ প্ৰশাসনীয় ব্যৱস্থা আছিল অতি ভিন্ন আৰু ইয়াত কোনো কেন্দ্ৰ, প্ৰাদেশিক আৰু স্থানীয় প্ৰশাসনৰ বিভাজন নাছিল। আহোমসকলৰ প্ৰশাসনীয় ব্যৱস্থাত ৰজা বা স্বৰ্গদেউৰ হাতত চৰম ক্ষমতা আৰু বিষয়াবৰ্গৰ ওপৰত সৰ্বোচ্ছ কৰ্তৃত্ব আছিল। ৰজাৰ পিছতে আছিল সম্ভ্ৰান্ত শ্ৰেণীৰ মন্ত্ৰী যিসকলক *পাত্ৰ-মন্ত্ৰী* বুলি জনা গৈছিল আৰু তেওঁলোকে প্ৰশাসনীয় বিষয়ত ৰজাক পৰামৰ্শাৱলী প্ৰদান কৰিছিল। তেওঁলোকৰ ভিতৰত তিনিজনা গোঁহাই আছিল স্থায়ী আৰু বংশানুক্ৰমিকভাৱে ৰাজ্যৰ মন্ত্ৰী। তিনিওজনৰে পদৱী আছিল সমান। গোঁহাইসকলৰ পৰামৰ্শ মতে স্বৰ্গদেউয়ে কাম কৰিবলগীয়া হৈছিল। তেওঁ চৰম ৰজা ৰূপে শাসন চলাব নোৱাৰিছিল। গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে *বৰচ'ৰাৰ* ব্যৱস্থা আছিল।



জানি থোৱা ভাল

পাত্ৰমন্ত্ৰী আছিল পাঁচজনীয়া মন্ত্ৰীৰ পৰিষদ যিসকলে ৰজাক সহযোগিতা কৰিছিল। ইয়াৰ ভিতৰত আছিল বুঢ়াগোঁহাই, বৰগোঁহাই, বৰপাত্ৰগোঁহাই, বৰবৰুৱা আৰু বৰফুকন

নাগৰিক প্ৰশাসন চোৱা-চিতা কৰিবলৈ ১২ জন ফুকন আৰু ২০ জন বৰুৱাক বংশানুক্ৰমিকভাৱে বিষয়বাব লাভ কৰা ব্যক্তিৰ মাজৰ পৰা নিৰ্বাচন কৰা হৈছিল। এইসকল স্বৰ্গদেউৰ ওচৰত দায়বদ্ধ আছিল। প্ৰশাসনত বৰবৰুৱাক সহযোগিতা কৰিছিল *চৰৰ ফুকন* বা *চৰুৱা ফুকনৰ* এক উপদেষ্টা পৰিষদে। বৰফুকনক সহযোগিতা কৰিবলৈ *দিহিঙীয়া ফুকন, চেতিয়া ফুকন, পানী ফুকন, ডেকা ফুকন, ৰাজখোৱা* আৰু *পানীদিহিঙীয়াৰ* দৰে বিষয়া আছিল। ইয়াৰ লগতে *বৰুৱা, হাজৰিকা, শইকীয়া, বৰা* আদি বিষয়াও আছিল। তদুপৰি আন বহুতো বিষয়া যেনে *কটকী* (ৰাজকীয় দূত), *কাকতি* (কৰাণী), *দলৈ* (জ্যোতিষী), *নেওগ* (সামৰিক আৰু দেৱানী উভয়) আদি।

স্থানীয় প্ৰশাসন সুচাৰুৰূপে চলিবলৈ আহোম চৰকাৰে বিভিন্ন শ্ৰেণীৰ প্ৰশাসক নিয়োগ কৰিছিল। এইসকল প্ৰশাসকৰ ভিতৰত *শদিয়া খোৱা গোঁহাই, মৰঙী খোৱা গোঁহাই* আৰু *সলাল গোঁহাই*য়ে আহোম প্ৰশাসনত বিশিষ্ট স্থান দখল কৰিছিল। এই প্ৰশাসকসকলে নিজৰ নিজৰ দায়িত্বত থকা অঞ্চলৰ প্ৰশাসন চোৱা-চিতা কৰাৰ লগতে চাৰি সীমাৰ নিৰাপত্তাৰ প্ৰতিও চকু দিব লাগিছিল। সাধাৰণ অৰ্থত প্ৰশাসকসকলে আইন আৰু শৃংখলা বলৱৎ কৰিছিল, ৰাজহ সংগ্ৰহ কৰিছিল আৰু নিজৰ কৰ্তৃত্বৰ ভিতৰত ন্যায় প্ৰদান কৰিছিল। ৰাজকুমাৰ অথবা গাদীত থকা স্বৰ্গদেউসকলৰ নিকটাত্মীয়সকলক *মেলদাগীয়া* অথবা *মেলখোৱা* ৰজাৰূপে নিযুক্তি প্ৰদান কৰি স্থানীয় প্ৰশাসন চলোৱাৰ দায়িত্ব দিয়া হৈছিল।

ন্যায় প্ৰদানৰ ক্ষেত্ৰত স্বৰ্গদেউৰ দৰবাৰেই আছিল সৰ্বোচ্ছ কৰ্তৃত্বশীল আৰু চৰম ক্ষমতাসম্পন্ন। স্বৰ্গদেউৰ অনুপস্থিতিত ন্যায় সোধা ফুকনে ন্যায় প্ৰদানৰ দায়িত্ব লৈছিল। *ববৰবৰুৱা* আৰু *ফুকনৰ* আদালতৰ গোচৰৰ স্বৰ্গদেউৰ দৰবাৰত আপীল কৰাৰ ব্যৱস্থা আছিল। এই আদালত ইমানেই শক্তিশালী আছিল যে তিনিজন ডাঙৰীয়াইও ইয়াৰ ন্যায়ৰ পৰা বাহিৰত নাছিল। গ্ৰামাঞ্চলৰ সৰু-সুৰা বিবাদসমূহ নামঘৰৰ মজিয়াত, ৰাজহুৱা স্থান অথবা কোনো প্ৰভাৱশালী ব্যক্তিৰ ঘৰত গাঁৱবাসীৰ উপস্থিতিত নিষ্পত্তি কৰা হৈছিল। ইয়াক *মেলদোৱান* আখ্যা দিয়া হৈছিল। এনেধৰণৰ মেলসমূহৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে মানি লোৱা হৈছিল। যদি সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰাত অসুবিধা আহিছিল তেনেহ'লে গৰিষ্ঠ সংখ্যক লোকৰ মতক অগ্ৰাধিকাৰ দিয়া হৈছিল।

আমি এতিয়া পাইক প্ৰথাৰ বিষয়ে আলোচনা কৰিম।

- **পাইক প্ৰথা**

পাইক প্ৰথাক *খেল* প্ৰথা বুলিও জনা গৈছিল। এই ব্যৱস্থাৰ অধীনত ১৬ ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰত ৰাজ্যৰ প্ৰাপ্তবয়স্ক পুৰুষ জনসংখ্যাৰ প্ৰতিজন লোকক দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে পাইক ৰূপে পঞ্জীয়ন কৰা হৈছিল। দেশৰ প্ৰতি দায়িত্ব পালন কৰাৰ লগতে পাইকসকলে নিজৰ গৰাকীৰ প্ৰতিও সেৱা আগবঢ়াব লাগিছিল।

পাইকসকলক বহলভাৱে দুটা ভাগত বিভক্ত কৰা হৈছিল *কানৰি* আৰু *চমুৱা*। সাধাৰণ শ্ৰেণীৰ কৃষক যিসকলে যুদ্ধৰ সময়ত সৈনিকৰূপে আৰু শান্তিৰ সময়ত শ্ৰমিকৰূপে কাৰ্য নিৰ্বাহ কৰিছিল সেইসকলক *কানৰি পাইক* বুলি কোৱা হৈছিল। আনহাতে এই শ্ৰেণীৰ পাইকতকৈ উন্নত অথবা ভাল ঘৰত জন্ম লাভ কৰাসকলক চমুৱা পাইক বুলি কোৱা হৈছিল। এইশ্ৰেণীৰ পাইকে *গা-ধন*ৰ ৰূপত বাৰ্ষিক গাইপতি ৩ টকাকৈ আদায় দি দেশৰ প্ৰতি ব্যক্তিগত সেৱাৰ পৰা ৰেহাই পোৱাৰ সুযোগ লাভ কৰিছিল। সেইদৰে *বিলতীয়া* নামৰ আন এক শ্ৰেণীৰ পাইক আছিল যিসকলে ডাঙৰীয়াসকলৰ ব্যক্তিগত ভূমিত আধিয়াৰৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। *দেৱলীয়া পাইক*সকলে মন্দিৰ আৰু সত্ৰসমূহত কাৰ্য নিৰ্বাহ কৰিছিল। *বহতীয়া* পাইকসকলে নিজৰ নিজৰ পাহাৰীয়া গৰাকীৰ ঘৰত সেৱা আগবঢ়াব লগীয়া হৈছিল। *বিলতীয়া* আৰু *দেৱলীয়া*সকলক বহুকেইবিধ কৰৰ পৰা আৰু বিশেষ কিছুমান পৰিস্থিতিৰ বাহিৰে দেশৰ প্ৰতি সামৰিক সেৱা আদায় দিয়াৰ পৰা ৰেহাই দিয়া হৈছিল।

দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবদ প্ৰতিজন পাইকক বিনামূলীয়াকৈ ২ পুৰা ভূমি *গা-মাটি* ৰূপে প্ৰদান কৰা হৈছিল। পেছাদাৰী খেলৰ অধীনস্থ পাইকসকলক কৃষক বুলি বিবেচনা কৰা হৈছিল। তেওঁলোকে যেতিয়া আন কাৰ্যত লিপ্ত হৈছিল তেতিয়া তেওঁলোকৰ পৰা নিৰ্ধাৰিত কাৰ্যৰ ভিত্তিত কৰ সংগ্ৰহ কৰা হৈছিল। পাইকসকলৰ মাজত যাতে বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠিব নোৱাৰে তাৰ বাবে ৰাজকীয় কৰ্তৃপক্ষই পেছাদাৰী পাইকসকলৰ ওপৰত কঠোৰ দৃষ্টি ৰাখিছিল।

পাইকসকলে যাতে পাইক বা খেল প্ৰথাৰ ভিতৰত নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰে তাৰ বাবে তেওঁলোকক শেন দৃষ্টিৰে চোৱা-চিতা কৰা হৈছিল। প্ৰতি ২০ জন পাইকৰ ওপৰত *বৰা* উপাধিৰ এজন বিষয়া নিয়োগ কৰা হৈছিল। তেওঁৰ ওপৰত প্ৰতি ১০০ জন পাইকৰ

দায়িত্বত আছিল *শইকীয়া*। ইয়াৰ পিছতে প্ৰতি ১০০০ জন পাইকক চলোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল *হাজৰিকা*ৰ ওপৰত। *হাজৰিকা*ৰ ওপৰত আছিল *বৰুৱা* যিজনে ২০০০ জন পাইকক চলাইছিল। ইয়াৰ পিছতে *ৰাজখোৱা*ৰ দায়িত্বত ৩০০০ জন পাইক আৰু *ৰাজখোৱা*ৰ ওপৰত *ফুকনে* ৬০০০ জন পাইকক চলাইছিল।

ওপৰত উল্লেখ কৰা অনুসৰি পাইক প্ৰথা উজনি অসমত কলিয়াবৰৰ পৰা শদিয়ালৈকে প্ৰচলিত আছিল। কামৰূপত মোগলসকলে প্ৰৱৰ্তন কৰা *পৰগণা প্ৰথা* প্ৰচলিত আছিল। কামৰূপ দখল কৰাৰ পিছত আহোমসকলে প্ৰশাসনীয় প্ৰয়োজন পূৰণ কৰিবলৈ পাইক প্ৰথাৰ সৈতে পৰগণা ব্যৱস্থাক মিশ্ৰিত কৰি অব্যাহত ৰাখিছিল। এই ব্যৱস্থাত কামৰূপক ২৬ টা পৰগণাত বিভক্ত কৰা হৈছিল। প্ৰতিটো পৰগণাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল এজন চৌধুৰীৰ ওপৰত। নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবদ চৌধুৰীয়ে নিজৰ অধীনত এটুকুৰা ভূমি লাভ কৰিছিল। এটা পৰগণাক আকৌ ৪ বা ৫ খন গাঁৱৰ সমষ্টিৰে *তালুক*ত বিভক্ত কৰা হৈছিল। *তালুক*ৰ দায়িত্ব অৰ্পণ কৰা হৈছিল একোজন *তালুকদাৰক*। নিজৰ দায়িত্ব পালন কৰাৰ বাবদ *তালুকদাৰ*সকলৰ নামত ভূমি আৱণ্টন কৰা হৈছিল। *তালুকদাৰ*সকলক দায়িত্ব পালন কৰাত সহযোগিতা আগবঢ়াইছিল *ঠাকুৰিয়া* আৰু *পাটগিৰি*ৰ দৰে কনিষ্ঠ বিষয়াই। এওঁলোককো পাৰিশ্ৰমিকৰ ৰূপত ভূমি প্ৰদান কৰা হৈছিল।

- **সামৰিক প্ৰশাসন**

আহোমসকলৰ এক অতি দক্ষ সামৰিক সংগঠন আছিল। আহোম সেনাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য এইয়ে যে ইয়াত সমাজৰ সকলো শ্ৰেণীৰ লোক আছিল। পাইক প্ৰথাৰ অধীনত আহোম সাম্ৰাজ্যৰ সকলো সক্ষম ব্যক্তিয়ে বাধ্যতামূলকভাৱে সামৰিক সেৱা আগবঢ়াব লগীয়া হৈছিল। ইয়াৰ লগতে প্ৰয়োজনৰ সময়ত ভূঞাসকল আৰু আন আন মুৰব্বীসকলে সৈন্যৰ যোগান ধৰিছিল

উজনি অসমত বৰবৰুৱা আৰু নামনি অসমত বৰফুকনে সেনাধ্যক্ষৰ দায়িত্ব পালন কৰিছিল। জৰুৰীকালীন পৰিস্থিতিত গোঁহাইসকল, ৰাজকুমাৰ আৰু আনকি স্বৰ্গদেউয়ে নিজে যুদ্ধত নেতৃত্ব প্ৰদান কৰিছিল। আহোম সেনাত বিষয়াসকলৰ নিয়মীয়া পদোন্নতিৰ ব্যৱস্থা আছিল।

আহোম সেনাত পদাতিক, নৌবাহিনী, হিলৈদাৰী, গজবাহিনী, অশ্বাৰোহী আৰু চোৱাংচোৱা এইসমূহ অন্তৰ্ভুক্ত আছিল। অসমীয়া সেনাৰ দক্ষতা আৰু মান আছিল অতি উচ্চ- পাৰ্চী বুৰঞ্জীবিদৰ লেখনীতো ইয়াৰ উল্লেখ আছে। পদাতিক সেনাৰ শক্তি আছিল অতি উচ্চ। আহোম সেনাৰ এক অবিচ্ছিন্ন অংগ আছিল নৌসেনা। *নাওশলীয়া ফুকন*ৰ অধীনত নৌ সেনাবাহিনীৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। *বাছাৰী* অৰ্থাৎ যুদ্ধ জাহাজসমূহ আছিল অতি শক্তিশালী আৰু দীৰ্ঘস্থায়ী। ইয়াত বৃহৎ বৃহৎ হিলৈ সংলগ্ন কৰাৰ লগতে এই ধৰণৰ নাওসমূহে ৭০-৮০ জন ব্যক্তি কঢ়িয়াই নিব পাৰিছিল। বৃহৎ নাও নিৰ্মাণৰ বাবে প্ৰথমে গড়গাওঁ আৰু পৰৱৰ্তী সময়ত ৰংপুৰত *বৰনাওশাল* নামৰ নাও নিৰ্মাণৰ কাৰখানা আছিল। ইয়াৰ লগতে গড়গাঁও, জয়পুৰ, মাজুলী আৰু দেৱগাঁৱত *নাওশাল* নামৰ সৰু-সৰু কাৰখানসমূহ আছিল।

আহোম যুদ্ধৰ এক অভিন্ন অংগ আছিল হিলৈসমূহ। আহোম সেনা আছিল বিভিন্ন বন্দুক, তলা, হিলৈ আদি নিৰ্মাণত নিপণ। আগ্নেয়াস্ত্ৰ আৰু খাৰ বাৰুদ উৎপাদনৰ দায়িত্বত আছিল *খাৰঘৰীয়া ফুকন* নামৰ এজন বিষয়া। গজবাহিনীৰ দায়িত্বত আছিল *হাতী বৰুৱা*। বিভিন্ন দুৰ্গ-ভেঁটা আদি ভাঙিবলৈ আৰু হাবি-বন পৰিষ্কাৰ কৰি সেনা আগবাঢ়িব পৰাকৈ বাট মুকলি কৰিবলৈ হাতী ব্যৱহাৰ কৰা হৈছিল। অশ্বাৰোহী সেনাৰ দায়িত্বত আছিল *ঘোঁৰা বৰুৱা*। তেওঁ ঘোঁৰাসমূহৰ তত্বাৱধান কৰিছিল। জাতি, বয়স, ৰং আৰু আকৃতি অনুসৰি ঘোঁৰাসমূহক বিভিন্ন গোটত ভাগ কৰাটো ঘোঁৰা বৰুৱাৰ দায়িত্ব আছিল।

আহোমসকলৰ চোৰাংচোৱা ব্যৱস্থা আছিল অতি উচ্চমানৰ। যিকোনো অভিযানৰ প্ৰাক্ ক্ষণত শত্ৰুৰ শিবিৰলৈ চোৰাংচোৱা প্ৰেৰণ কৰি তেওঁলোকৰ শক্তি আৰু যুদ্ধৰ কৌশলৰ বিষয়ে তথ্য আহৰণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছিল। যুদ্ধক্ষেত্ৰসমূহত আহোমসকলে দুৰ্গ নিৰ্মাণ কৰিছিল। অনুৰূপ ব্যৱস্থাৰে গুৱাহাটী, যোগীঘোপাত দুৰ্গ নিৰ্মাণ কৰি স্থানসমূহ শক্তিশালী কৰি তোলা হৈছিল। যুদ্ধৰ প্ৰধান অস্ত্ৰসমূহ আছিল তৰোৱাল, যাঠী, কুঠাৰ, ধনু-কাঁড় আদি। সৈনিকসকল গেৰিলা যুদ্ধৰ নীতি-নিয়মত পাকৈত আছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) নেওগসকল আছিল আনুষ্ঠানিকভাৱে কেৰাণী। (শুদ্ধ নে অশুদ্ধ)

খ) আগ্নেয়াস্ত্ৰ আৰু খাৰ-বাৰুদ উৎপাদনৰ দায়িত্ব আছিল খাৰঘৰীয়া ফুকনৰ। (শুদ্ধ নে অশুদ্ধ)

গ) নৌসেনাৰ দায়িত্ব আছিল নাওশলীয়া ফুকনৰ। (শুদ্ধ নে অশুদ্ধ)

ঘ) একোটা তালুক চৌধুৰীৰ অধীনত অৰ্পণ কৰা হৈছিল। (শুদ্ধ নে অশুদ্ধ)

প্ৰশ্ন নং ৬ ঃ তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক—

ক) গা-মাটি বুলিলে কি বুজে?

.....

খ) কানৰি পাইক কাক কোৱা হৈছিল?

.....

গ) মেলদোৱান কি?

.....

ঘ) আহোমসকলৰ দিনৰ দুৰ্গযুক্ত দুখন নগৰৰ নাম উল্লেখ কৰা।

.....

ঙ) আহোমসকলৰ দিনত সৈনিকসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰৰ বিষয়ে উল্লেখ কৰা।)

.....



১০.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যাযটি অধ্যয়ন কৰি আপুনি—

- আহোমসকলৰ দিনৰ সমাজ আৰু ৰাইজৰ জীৱনশৈলীৰ বিষয়ে বহুতো কথা জানিব পাৰিলে।
- আহোম যুগৰ ব্যৱসায়-বাণিজ্য আদি অৰ্থনৈতিক দিশৰ বিষয়ে আলোচনা কৰিবলৈ বিভিন্ন তথ্যৰ সন্ধান পালে।
- আহোমসকলৰ দিনৰ ধৰ্মীয় পৰম্পৰা সম্বন্ধে জানিব পাৰিলে।
- নৱ-বৈষ্ণৱ আন্দোলন আৰু অসমীয়া সমাজত ইয়াৰ প্ৰভাৱ সম্বন্ধে আলোচনা পঢ়িলে।
- আহোমসকলৰ দিনৰ প্ৰশাসনীয় ব্যৱস্থা বিশেষকৈ পাইক প্ৰথাৰ বিষয়ে জানিব লগীয়া বহুত তথ্য লাভ কৰিলে।

১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) দৈৱজ্ঞ।

খ) কথা গুৰুচৰিত।

গ) মাধৱ কন্দলী।

ঘ) চকলং।

ঙ) পাইক।

চ) চমুৱা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) শুদ্ধ।

খ) অশুদ্ধ।

গ) অশুদ্ধ।

ঘ) শুদ্ধ।

ঙ) শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) গৌৰীনাথ সিংহ।

খ) শংকৰদেৱ।

গ) পঞ্চৰত্ন ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ভকতসকল আছিল সেইসকল শিষ্য যিসকলে হিচাপ-পত্ৰ চোৱা-

চিতাৰ কাম সম্পন্ন কৰিছিল। অবিবাহিত ভকতসকলক কেৱলীয়া ভকত বুলি কোৱা হৈছিল।

(খ) নামঘৰসমূহ আছিল এনেধৰনৰ প্ৰাৰ্থনা গৃহ য'ত ধৰ্মীয় আলোচনা, সমূহীয়া প্ৰাৰ্থনা, সময়সাপেক্ষে নৃত্য আৰু অভিনয় প্ৰদৰ্শন কৰা হৈছিল।

(গ) সত্ৰাধিকাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) অশুদ্ধ।

খ) শুদ্ধ।

গ) শুদ্ধ।

ঘ) অশুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) দেশৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবদ প্ৰতিজন পাইকক বিনামূলীয়াকৈ ২ পুৰা কৃষিযোগ্য ভূমি প্ৰদান কৰা হৈছিল। এই ভূমিক কোৱা হৈছিল গা-মাটি।

(খ) স্বাভাৱিক অৱস্থাত শ্ৰমিকৰূপে দেশৰ প্ৰতি সেৱা আগবঢ়োৱা পাইকসকলক কোৱা হৈছিল কানৰি পাইক।

(গ) গ্ৰামাঞ্চলৰ সৰু-সুৰা বিবাদসমূহ নামঘৰৰ মজিয়াত, ৰাজহুৱা স্থান অথবা কোনো প্ৰভাৱশালী ব্যক্তিৰ ঘৰত গাঁৱবাসীৰ উপস্থিতিত নিষ্পত্তি কৰা হৈছিল। ইয়াক মেলদোৱান আখ্যা দিয়া হৈছিল।

(ঘ) গুৱাহাটী আৰু যোগীঘোপা।

(ঙ) যুদ্ধৰ সময়ত ব্যৱহৃত অস্ত্ৰসমূহ আছিল তৰোৱাল, যাঠী, কুঠাৰ, ধনু-কাঁড় আদি।



১০.৯ আৰ্হি প্ৰশ্ন

অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ সত্ৰসমূহে উদগনি যোগোৱা বিভিন্ন প্ৰকাৰৰ নৃত্যৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ সত্ৰাধিকাৰৰ দায়িত্ব কি আছিল?

প্ৰশ্ন ৩ ঃ বাছাৰী কি?

প্ৰশ্ন ৪ ঃ বিলতীয়া পাইক কাক কোৱা হৈছিল?

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰতিষ্ঠাপকৰ দেহাৱসানৰ পিছত নৱ-বৈষ্ণৱবাদী আন্দোলনে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমত ভক্তি আন্দোলনক কিয় মহাপুৰুষীয়া ধৰ্ম আখ্যা দিয়া হয়?

চমু টোকা লিখক

(ক) আহোমসকলৰ দিনত বাণিজ্য।

(খ) তান্ত্ৰিকবাদ।

(গ) আহোমসকলৰ ন্যায়িক প্ৰশাসন।

(ঘ) পাইক প্ৰথা।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰ লিখক)

প্ৰশ্ন ১ ঃ আাহোমসকলৰ প্ৰশাসনীয় ব্যৱস্থাৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ নৱ-বৈষ্ণৱ আন্দোলন আৰু সমাজত ইয়াৰ প্ৰভাৱ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ আহোম যুগত প্ৰচলিত সামাজিক সংগঠনৰ ওপৰত আলোকপাত কৰক।

প্ৰশ্ন ৪ ঃ চাহাবুদ্দিন তালিছৰ লেখনিত উল্লেখ থকা অনুসৰি আহোমসকলৰ দিনত অসমৰ অৰ্থনৈতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ব্রিটিছ শাসনৰ প্ৰতিষ্ঠা আৰু ব্রিটিছবিৰোধী আন্দোলন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ইংৰাজ-মান যুদ্ধ

১১.৪ ইয়াণ্ডাবু সন্ধি আৰু অসমত ব্রিটিছ শাসনৰ পাতনি

১১.৫ ব্রিটিছসকলৰ প্ৰশাসনীয় ব্যৱস্থা

১১.৬ ১৮৫৭ চনৰ বিদ্রোহ

১১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত মান বা বাৰ্মিজসকলৰ আক্ৰমণৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- কি পৰিস্থিতিত অসমত ব্রিটিছসকলে হস্তক্ষেপ কৰিছিল সেই বিষয়ে আৰু ইংৰাজ-বাৰ্মিজ যুদ্ধৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ইয়াণ্ডাবু সন্ধিৰ দফাসমূহ আৰু অসমৰ ইতিহাসত এই ঐতিহাসিক চুক্তিৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব,
- অসমত ব্রিটিছসকলৰ প্ৰশাসনীয় ব্যৱস্থা বৰ্ণনা কৰিব পাৰিব,
- অসমত ১৮৫৭ চনৰ বিদ্রোহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টো আমি আৰম্ভ কৰিম অসমত মানসকলৰ আক্ৰমণৰ আঁৰৰ চমু ইতিবৃত্তৰে। লগতে অসমত বিদেশীসকলৰ হস্তক্ষেপৰ কাৰকসমূহ আলোচনা কৰিম। প্ৰথম ইংৰাজ-বাৰ্মিজ যুদ্ধৰ (১৮২৪ চন) চমু আলোচনাৰ লগতে যুদ্ধৰ সমাপ্তি কৰিবলৈ গ্ৰহণ কৰা ইয়াণ্ডাবু সন্ধিৰ দফাসমূহো ইয়াত সন্নিবিষ্ট কৰা হৈছে। এই সকলোবোৰ ৰাজনৈতিক পৰিঘটনাৰ ওপৰিউ আমি অসমত ১৮৫৭ চনৰ বিদ্রোহৰ বিষয়ে আলোচনা কৰিম।

১১.৩ ইংৰাজ-মান যুদ্ধ

ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমনৰ পূৰ্বে অসমত আহোমসকলে ৰাজত্ব কৰিছিল।

কিন্তু ১৮ শতিকাৰ মধ্যভাগৰ পৰা আহোম ৰজাসকলৰ অদক্ষতা আৰু পাত্ৰ-মন্ত্ৰীসকলৰ পাৰস্পৰিক বিবাদৰ বাবে আহোম সাম্ৰাজ্যৰ লাহে লাহে পতন হ'বলৈ ধৰিছিল। ১৮১১ চনত স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ মৃত্যুৰ পিছত পৰিস্থিতিৰ আৰু অধিক অৱনমন ঘটে। তেওঁৰ মৃত্যুৰ পিছত পূৰ্ণানন্দ বুঢ়াগোঁহাই আৰু আন আন পাত্ৰ-মন্ত্ৰীসকলে প্ৰয়াত স্বৰ্গদেউৰ ভাতৃ চন্দ্ৰকান্ত সিংহক ৰাজপাটত বহুওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। নতুন স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ নাবালক হোৱাৰ বাবে পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে সুযোগৰ সদ্ব্যৱহাৰ কৰি আহোম সাম্ৰাজ্যৰ উঠি ৰজা হৈ পৰিল। চন্দ্ৰকান্ত সিংহৰ স্থান পুতলা ৰজালৈ পৰ্যবসিত হ'ল।

অৱশ্যে নাবালক স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই আজীৱন পুতলা ৰজা হৈ থাকিব বিচৰা নাছিল। তেওঁ আছিল আমোদপ্ৰিয় কিন্তু ক্ষমতালোভী শাসক। স্বৰ্গদেউৱে নিজৰ সমনীয়া সৎৰাম নামৰ এজন যুৱকৰ সৈতে বন্ধুত্ব কৰিছিল যিজন আছিল কুকুৰাৰ প্ৰতিপালক বিষয়াৰ পুত্ৰ আৰু তেওঁলোকৰ এই বন্ধুত্বই সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিৱৰ্তন সাধন কৰিছিল। স্বৰ্গদেউয়ে সৎৰামক চাৰিঙীয়া ফুকনৰ পদত অধিষ্ঠিত কৰিছিল। ডঃ এছ.এল বৰুৱাৰ ভাষাত ক'বলৈ গ'লে 'সৎৰাম লাহে লাহে স্বৰ্গদেউৰ কাৰণে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হৈ পৰিছিল'। সৎৰামৰ এই উত্থান আৰু স্বৰ্গদেউৰ সৈতে বন্ধুত্ব আহোম পাত্ৰ-মন্ত্ৰীসকলৰ ব্যাপক অসন্তুষ্টিৰ কাৰণ হৈ পৰিছিল। প্ৰধান মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে এইক্ষেত্ৰত আপত্তি প্ৰদৰ্শন কৰা সত্বেও স্বৰ্গদেউৱে কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নাছিল। স্বৰ্গদেউৰ প্ৰশ্ৰয় লাভ কৰি সৎৰাম ইমানেই ক্ষমতাশালী হৈ পৰিছিল যে তেওঁ নিজে ৰজা হোৱাৰ সপোন ৰচিবলৈ ধৰে। এই লক্ষ্যৰে সৎৰামে স্বৰ্গদেউ চন্দ্ৰকান্তৰ সৈতে গোপন অভিসন্ধি কৰি পূৰ্ণানন্দ বুঢ়াগোঁহাইক হত্যাৰ ষড়যন্ত্ৰ কৰে। কিন্তু এই অভিসন্ধি ধৰা পৰিল। সৎৰামৰ বাহিৰে আন সকলো ষড়যন্ত্ৰকাৰীক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হয়। সৎৰামক নামৰূপলৈ নিৰ্বাসন দিয়া হয় য'ত পৰৱৰ্তী সময়ত তেওঁক নগাই হত্যা কৰে।

একে সময়তে কলিয়াভোমোৰা বৰফুকনৰ মৃত্যুৰ পিছত বদন চন্দ্ৰক গুৱাহাটীত বৰফুকন ৰূপে নিযুক্তি দিয়া কাৰ্যই অসমৰ ৰাজনীতিলৈ এক নতুন মোৰ আনে। বদন চন্দ্ৰ আছিল অবিবেচক, দাম্ভিক আৰু ভীষণ অত্যাচাৰী। তদুপৰি তেওঁ আছিল পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ ঘোৰ শত্ৰু। গতিকে পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে বদন চন্দ্ৰক বৰফুকনৰ পদত নিয়োগ কৰি নিজৰ ভৰিত নিজে কুঠাৰ মাৰি লৈছিল। ডঃ এছ.এল বৰুৱাৰ সঠিক পৰ্যবেক্ষণ অনুসৰি 'এই কাৰ্যৰ দ্বাৰা প্ৰধান মন্ত্ৰীগৰাকীয়ে কেৱল নিজৰ কবৰেই খন্দা নাছিল, ইয়াৰ দ্বাৰা অসমত মানসকলৰ আক্ৰমণৰ বাটো মুকলি কৰিছিল।'

প্ৰথমাৱস্থাত বদন চন্দ্ৰই অতি কম সময়ৰ বাবে বৰফুকনৰ পদত থাকি সততাৰে নিজৰ দায়িত্ব পালন কৰিছিল। কিন্তু এয়া দীৰ্ঘসময় বৰ্তি নাথাকিল। অতি শীঘ্ৰেই ক্ষমতা আৰু সম্পদৰ লোভে তেওঁক মোহাচ্ছন্ন কৰি তোলে আৰু তেওঁ অত্যন্ত অহংকাৰী হৈ উঠে। কামৰূপ লোকসকলৰ ওপৰত তেওঁ নানা ধৰণৰ অত্যাচাৰ কৰি এক আতংকৰ বাতাবৰণৰ সৃষ্টি কৰে। বদনচন্দ্ৰক আটক কৰিবলৈ পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে সেনাৰ এক দল প্ৰেৰণ কৰে। কিন্তু বদন চন্দ্ৰই এই কথাৰ আগতীয়া উমান লাভ কৰি বংগৰ ৰংপুৰলৈ পলায়ন কৰে।

ৰংপুৰত ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গভর্নৰ জেনেৰেলক সাক্ষাৎ কৰি তেওঁ প্রধান মন্ত্রী পূর্ণানন্দ বুঢ়াগোহাইৰ কু-শাসনৰ বিৰুদ্ধে অভিযোগ কৰি আহোম স্বর্গদেউৰ সহায়ৰ বাবে সেনা প্রেৰণৰ অনুৰোধ কৰে। পূর্ণানন্দ বুঢ়াগোঁহাইৰ ক্ষমতা কর্তন কৰি স্বর্গদেউৰ কর্তৃত্ব পুনৰ প্রতিষ্ঠা কৰিবলৈ বদন চন্দ্রই ব্রিটিশসকলৰ হস্তক্ষেপ বিচাৰে। কিন্তু কলকাতাৰ উচ্চতম কর্তৃপক্ষই আহোম সাম্রাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ ক্ষেত্রত অসন্মতি প্রকাশ কৰি বদন চন্দ্রক বিমুখ কৰে। বদন চন্দ্রই তেতিয়া কলকাতাস্থিত মান চৰকাৰৰ প্রতিনিধিৰ সৈতে বুজাবুজিলৈ আহি কৰি তেওঁৰ সহায়ত মানদেশত উপস্থিত হয় আৰু আহোম সাম্রাজ্যৰ বিষয়ত মান ৰজাৰ হস্তক্ষেপ বিচাৰে।

ব্রিটিছসকলৰ বিপৰীতে মানসকলে বদন চন্দ্রক সহায় কৰিবলৈ সন্মত হয়। অসমৰ ৰাজনৈতিক অস্থিৰতাৰ সুযোগ গ্রহণ কৰি মানসকলে তেওঁলোকৰ সাম্রাজ্যবাদী স্বার্থ সিদ্ধি কৰিবলৈ লক্ষ্য বান্ধি লয়। বদন চন্দ্রই ৰজা বাদাপায়াৰ ৰাজসভাত পূর্ণানন্দ বুঢ়াগোঁহাইৰ বিৰুদ্ধে সহায় বিচৰা কার্য মানসকলৰ বাবে সোণালী সুযোগ হৈ পৰে আৰু মান ৰজাই তাৎক্ষণিকভাৰে বদন চন্দ্রক সহায় কৰিবলৈ সন্মতি প্রকাশ কৰে।

১৮১৭ চনৰ মার্চ মাহত বদন চন্দ্রৰ নেতৃত্বত ৮০০০ সেনাৰ এটা দলে অসমত আক্রমণ চলায়। এয়া আছিল অসমত মানৰ প্রথম আক্রমণ। পাটকাই-নংইয়াং পথেৰে অসমলৈ অহাৰ সময়ত কেতবোৰ স্থানীয় নেতা-সৈন্যইও যোগদান কৰাত সেনাৰ শক্তি ১৬০০০ জনলৈ বৃদ্ধি পাইছিল। মানসকলে আহোম সেনাক বহুকেইখন যুদ্ধত পৰাস্ত কৰে আৰু সকলো ধৰণৰ বিৰোধিতা মষিমূৰ কৰি চন্দ্রকান্ত সিংহক পুনৰ ক্ষমতাত অধিষ্ঠিত কৰে আৰু যুদ্ধ জয়ৰ অভিজ্ঞতাৰে স্বদেশলৈ প্রত্যাৱর্তন কৰে।

- **মানৰ দ্বিতীয় আক্রমণ**

বার্মিজ সেনাৰ প্রস্থানৰ পিছত আহোম ৰাজত্বৰ আভ্যন্তৰীণ বিবাদ অন্ত পৰে। এই অস্থিৰতাৰ সময়তে পূর্ণানন্দ বুঢ়াগোঁহাইৰ মৃত্যু হয় অথবা কোনো কোনোৰ মতে তেওঁ আত্মহত্যা কৰে। বদন চন্দ্র বৰফুকনকো ৰূপ সিং নামৰ এজন ভাৰাতীয়া হত্যাকাৰীয়ে হত্যা কৰে আৰু চন্দ্রকান্ত সিংহ পদচ্যুত হয়। আহোম ৰাজসিংহাসনত অধিষ্ঠিত হয় পুৰন্দৰ সিংহ নামৰ ৰাজপৰিয়ালৰ এজন সদস্য। এই পৰিৱর্তনসমূহৰ বিষয়ে জানিব পাৰি মান ৰজাই ক্ষুব্ধ হৈ পৰে আৰু বদন চন্দ্রৰ মৃত্যুৰ প্রতিশোধ লোৱাৰ লগতে চন্দ্রকান্তক পুনৰ সিংহাসনত অধিষ্ঠিত কৰিবলৈ আলামিংগিৰ নেতৃত্বত এক শক্তিশালী সেনাৰ দল অসমলৈ প্রেৰণ কৰে। ইয়াৰ ফলত ১৮১৯ চনত মানৰ দ্বিতীয় আক্রমণ সংঘটিত হয়।

ইয়াৰ ফলস্বৰূপে আহোম স্বর্গদেউ পুৰন্দৰ সিংহ গুৱাহাটীলৈ পলায়ন কৰে। মানসকল যোৰহাটলৈ আগবাঢ়ি আহে আৰু চন্দ্রকান্ত সিংহক মুকলি কৰি তেওঁক সিংহাসনত অধিষ্ঠিত কৰে। এনেদৰে অসমত নিজৰ কর্তৃত্ব প্রতিষ্ঠা কৰি ১৮১৯ চনৰ এপ্রিলত ২০০০ সৈনিকৰ সৈতে মিংগিমাহা তিলোৱাৰ ওপৰত দায়িত্ব অর্পণ কৰি আলামিংগিয়ে অসম ত্যাগ কৰে।

- **মানৰ তৃতীয় আক্রমণ (১৮২১)**

লাহে লাহে মানসকলৰ প্রকৃত উদ্দেশ্য সম্পর্কে চন্দ্রকান্ত সিংহৰ সন্দেহ উপজিবলৈ ধৰে। নিজৰ সুৰক্ষাৰ প্রতি শংকিত হৈ তেওঁ কলকাতালৈ পলায়ন কৰে। মানসকলে তেতিয়া যোগেশ্বৰ সিংহক (১৮২১-১৮২৪) অসমৰ ৰাজপাটত অধিষ্ঠিত কৰে। একে সময়তে চন্দ্রকান্ত সিংহই বল-শক্তি গোটাই অসমৰ পৰা মানসকলক খেদাৰ প্রয়াস চলায়। কিন্তু ১৮২২ চনৰ জুন মাহত হাদিৰাচকীৰ ৰণত তেওঁ বেয়াকৈ পৰাস্ত হয়। ইয়াৰ ফলত অসম প্রত্যক্ষভাৱে মানৰ শাসনৰ অধীনলৈ আহে। অসমক মান সাম্রাজ্যৰ এক অংগ বুলি বিবেচনা কৰা হয়।

যদিও অসমত মানৰ আক্রমণৰ কাৰণৰূপে অসমৰ অস্থিৰ পৰিস্থিতি, আহোম সেনাৰ দুর্বলতা আৰু বদন চন্দ্রৰ কু অভিসন্ধিকে দায়ী কৰা হয়, তথাপিও ইয়াৰ প্রকৃত কাৰণ আছিল অতি গভীৰ। অসমত চলোৱা আক্রমণ প্রকৃততে আছিল পূৱ দিশত মানসকলৰ সাম্রাজ্যবাদী মনোভাৱৰ প্রতিফলন। পশ্চিম দিশত অভিযান চলোৱাৰ পিছত পূৱ দিশত তেওঁলোকে এনেদৰে অভিযান চলাইছিল।

১১.৩ ইংৰাজসকলৰ হস্তক্ষেপ আৰু প্রথম ইংৰাজ-মান যুদ্ধ

১৮ শতিকাৰ শেষৰফালে আল-য়াং পায়াৰ নেতৃত্বত মান সাম্রাজ্য হৈ পৰিছিল এক শক্তিশালী সাম্রাজ্য। তেওঁৰ পুত্র বাদাৰপায়া (১৭৭২-৯২)ৰ শাসনকালত মানদেশে এক সাম্রাজ্যবাদী নীতি গ্রহণ কৰে। এই সাম্রাজ্যবাদী আঁচনি পূর্ণৰূপত ফলৰতী হয় যেতিয়া মানসকলে উজনি আৰু নামনি মানদেশে দখল কৰে, আৰাকানত বিজয় সাব্যস্ত কৰে আৰু মণিপুৰ নিজৰ অধীনলৈ আনে। চহকী প্রদেশ বংগ দখল কৰিবলৈ মানসকলে বংগৰ মাজেৰে সঘন আহ-যাহ কৰিবলৈ ধৰে। প্রথমাৱস্থাত ব্রিটিশসকলে মানৰ এই গতিবিধি কেৱল লক্ষ্য কৰি আছিল যদিও তেওঁলোকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্রহণ কৰা নাছিল। তেওঁলোক আছিল বুজাবুজিৰ মাজেৰে পাৰস্পৰিক সন্ধিৰ পক্ষপাতি। কিন্তু মানসকলৰ মনত সন্ধিৰ প্রতি কোনো সদিচ্ছা নাছিল। ১৮২৩ চনৰ নৱেম্বৰ মাহত মানে চট্টগামৰ শ্বাহপুৰী দ্বীপ দখল কৰাৰ লগে লগে পৰিস্থিতি বিষম হৈ পৰে।

উত্তৰ-পূৱ সীমান্তত মানসকলে ১৮১৯ চনত ৰজা গম্ভীৰ সিঙক পদচ্যুত কৰি মণিপুৰ দখল কৰে। চিলেট সীমান্তত বিপদৰ আগজাননীয়ে দেখা দিছিল। ইতিমধ্যে মানসকলে মণিপুৰ দখল কৰিছিল আৰু কাচাৰ দখল কৰিবলৈ উদ্যত হৈছিল। ইয়াৰ কাৰণে তেওঁলোকে ব্রিটিশৰ দখলত থকা বংগৰ নিচেই কাষ চাপি আহিছিল।

এনে সময়তে ৰংপুৰৰ দেৱানী আয়ুক্ত ডেভিদ স্কটক অতিৰিক্ত দায়িত্বভাৰ দি উত্তৰ-পূৱ সীমান্তৰ গর্ভনৰ জেনেৰেলৰ এজেণ্টৰূপে নিয়োগ কৰা হৈছিল। ১৮২৪ চনৰ ফেব্রুৱাৰী মাহৰ প্রথমভাগত তেওঁ উর্ধতন কর্তৃপক্ষক মানৰ পৰা হ'ব পৰা সম্ভাব্য বিপদৰ আগজাননী দিছিল। তেওঁৰ মতে মান সেনাই বংগ দখল কৰিবলৈ তিনিটা সম্ভাব্য পন্থা গ্রহণ কৰিব পাৰে।

প্ৰথম তিপেৰাহ হৈ মণিপুৰৰ মাজেৰে, কাচাৰ আৰু জয়ন্তীয়া হৈ অসমৰ মাজেৰে আৰু ব্ৰহ্মপুত্ৰৰ মাজেৰে অসম হৈ। তেওঁৰ মতে যদিহে মানে তৃতীয় পথ গ্ৰহণ কৰে তেনেহ'লে ব্রিটিশসকলৰ বাবে মানৰ নাঁওসমূহক বাধা দিয়াটো অতি কঠিন হৈ পৰিব। সেইবাবে মানক বাধা দিয়াৰ স্বাৰ্থত তেওঁ অসমত ব্রিটিশসকলৰ কঠোৰ হস্তক্ষেপ দাবী কৰিছিল।

ডেভিদ স্কটৰ পৰামৰ্শ মতে গভৰ্নৰ জেনেৰেল লৰ্ড আৰ্মহাৰ্ষ্টে (১৮২৩-২৮) ১৮২৪ চনৰ ৫ মাৰ্চত আভাৰ ৰজাৰ (অমৰাপুৰ) বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এনেদৰে আৰম্ভ হয় প্ৰথম ইংৰাজ-মান যুদ্ধৰ। অসমৰ পৰা মানসকলক বিতাৰিত কৰাই আছিল এই যুদ্ধৰ অন্যতম লক্ষ্য।

এতিয়া আমি প্ৰথম ইংৰাজ-মানৰ যুদ্ধৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিম। এই যুদ্ধ তিনি ঠাইত সংঘটিত হৈছিল-অসম, আৰাকান আৰু ৰেংগুনত। অসমৰ ব্রিটিশ সৈন্যৰ নেতৃত্বত আছিল লেফটেনেণ্ট কর্নেল জর্জ মেক মৰেইন। ১৮২৪ চনৰ মে' মাহত কলেৰা ৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয়। তেওঁৰ স্থান প্ৰদান কৰা হয় লেফটেনেণ্ট কর্নেল আলফ্ৰেড ৰিচার্ডচক। ডেভিদ স্কটে কমাণ্ডাৰৰ সৈতে নিকট সম্পৰ্ক বৰ্তাই ৰাখিছিল আৰু বাহিৰৰ পৰা সকলো ধৰণৰ সহায় আগবঢ়াইছিল। ১৮২৪ চনৰ মাৰ্চ মাহত ব্রহ্মপুত্ৰ উপত্যকাত যুদ্ধ আৰম্ভ হয়। কেপ্তেইন নেইডৰ নেতৃত্বত ব্রিটিছসকলে অতি সহজেই কোনো ধৰণৰ ৰক্তপাত নোহোৱাকৈ গুৱাহাটী দখল কৰিবলৈ সক্ষম হয়, কাৰণ বার্মিজসকলে ইতিমধ্যে গুৱাহাটীৰ পৰা পলায়ন কৰিছিল। এনেদৰে বিটিছে এমাহৰ ভিতৰতে গুৱাহাটী, ৰহা আৰু নগাঁও দখল কৰিবলৈ সক্ষম হয়। বাৰিষাৰ আগমনৰ বাবে সকলো অভিযান বন্ধ কৰি দিয়া হয় যদিও নৱেম্বৰ মাহত পুনৰ অভিযানসমূহ আৰম্ভ হয়। মানসেনাই উজনি অসমত সর্বশক্তি গোটাই ৰংপুৰ দূৰ্গত আক্ৰমণ চলায়। কিন্তু মানসেনাই ব্রিটিছসকলৰ সন্মুখত অধিক পৰ টিকি থকাত ব্যর্থ হয় আৰু ইয়াৰ কাৰণ আছিল, উপযুক্ত শক্তিৰ অভাৱ, আভ্যন্তৰীণ বিবাদ আৰু খাদ্যৰ নাটনি। সেইবাবে ১৮২৫ চনৰ মাৰ্চ মাহত তেওঁলোকে ৰংপুৰ ত্যাগ কৰিবলৈ বাধ্য হয় আৰু ব্রহ্মপুত্ৰ উপত্যকা মানৰ পৰা মুক্ত হৈ পৰে। এ.চি বেনার্জীৰ মতে 'ৰংপুৰৰ অধিগ্ৰহণে বাস্তৱিক অর্থত অসমত ব্রিটিছসকলৰ দখলক পূৰ্ণতা প্ৰদান কৰে।'

কেইবামাহলৈকে আৰাকান আৰু ৰেংগুনত যুদ্ধ অব্যাহত থাকে। ১৮২৬ চনৰ জানুৱাৰী মাহত মণিপুৰৰ পৰা মানসকলক বিতাৰিত কৰা হয়। আৰাকানৰ অভিযানৰ অন্ত পৰে ১৮২৫ চনৰ এপ্ৰিল মাহত। এ.চি বেনার্জীৰ মতে মে', ১৮২৪ চনত ৰংগুন দখলেৰে মানৰ বিৰুদ্ধে বিটিছৰ প্ৰকৃত অভিযান আৰম্ভ হৈছিল আৰু ১৮২৫ চনৰ এপ্ৰিল মাহত মিংগিমাহা বন্দুলাৰ মৃত্যুৰ পিছত ১৮২৬ চনৰ ফেব্ৰুৱাৰী মাহত এই অভিযানৰ অন্ত পৰে। যেতিয়া জেনেৰেল ছাৰ আর্কিবিল্ড কেম্পবেল আভাৰ পৰা চাৰিদিনৰ দূৰত্বত অৱস্থিত ইয়াণ্ডাবু নামৰ গাঁৱত উপস্থিত হয় তেতিয়া মানসকলৰ ওচৰত শান্তিচুক্তিৰ বাহিৰে আন একো বিকল্প নাছিল। এনেদৰে ১৮২৬ চনৰ ২৪ মাৰ্চত আভাৰ মান চৰকাৰ আৰু ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত প্ৰথম ইংৰাজ-মান যুদ্ধৰ অন্ত পেলাই ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ প্রশ্নৰ উত্তৰ দিয়ক—

ক) প্রথম ইংৰাজ-মান যুদ্ধ কি কি স্থানত সংঘটিত হৈছিল ?

.....

খ) মানৰ হাতত চন্দ্রকান্ত সিংহ কেতিয়া পৰাস্ত হৈছিল ?

.....

গ) মানে অধিষ্ঠিত কৰা আহোম স্বগদেউৰ নাম উল্লেখ কৰক।

.....

ঘ) প্রথম ইংৰাজ-মান যুদ্ধৰ সময়ৰ ভাৰতৰ গভর্নৰ জেনেৰেলৰ নাম উল্লেখ কৰক।

.....

ঙ) কেতিয়া মিংগিমাহা বন্দুলাৰ মৃত্যু হৈছিল ?

.....

চ) ইয়াণ্ডাবু সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল ?

.....

১১.৪ ইয়াণ্ডাবু সন্ধি আৰু অসমত ব্রিটিছ শাসনৰ পাতনি

এতিয়ালৈকে আমি অসমত মানৰ আক্রমণৰ পটভূমি আৰু কি পৰিস্থিতিত ব্রিটিছসকলে ইয়াত হস্তক্ষেপ কৰিবলগীয়া হ'ল সেই বিষয়ে আলোচনা কৰিলো। কিন্তু ইংৰাজ-মান যুদ্ধ আৰু অসমৰ ক্ষেত্রত ব্রিটিছসকলৰ হস্তক্ষেপৰ প্রকৃত উদ্দেশ্য আছিল দুয়ো পক্ষৰ সাম্রাজ্যবাদী আৰু ঔপনিৱেশিক উদ্দেশ্য। সেই বাবে অসমত মানৰ আক্রমণৰ পিছত ব্রিটিছসকলে মানৰ বিৰুদ্ধে নিজৰ অভিযান আৰম্ভ কৰে (প্রথম মান যুদ্ধ, ১৮২৪-২৬ চন)। প্রথমে নামনি অসম মানৰ কবলৰ পৰা মুক্ত কৰা হৈছিল আৰু তাৰ পিছত উজনি অসমত মানসকলক ব্রিটিছে পৰাস্ত কৰে। ইয়াৰ পিছতে স্বাক্ষৰিত হয় ইয়াণ্ডাবু সন্ধি।

২৪ ফেব্রুৱাৰী, ১৮২৬ চনত মান আৰু ব্রিটিছসকলৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়। এই সন্ধি অসমৰ ইতিহাসত এক গুৰুত্বপূর্ণ সন্ধিক্ষণৰ কাৰণ—

এই সন্ধিৰ দ্বাৰা অসমত ৬০০ বছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটাৰ লগতে ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ হৈছিল। ইয়াণ্ডাবু সন্ধিৰ ২ নম্বৰ দফাত মান ৰজাই অসম আৰু ইয়াৰ ওপৰত নির্ভৰশীল সকলো স্থানৰ লগতে, ইয়াৰ সৈতে সংলগ্ন কাচাৰ আৰু জয়ন্তীয়াৰ ওপৰত সকলো দাবী প্রত্যাহাৰ কৰি, ভৱিষ্যতে কোনো ধৰণৰ হস্তক্ষেপ নকৰাৰ চর্ত স্বীকাৰ কৰিছিল। মণিপুৰৰ ক্ষেত্রত চুক্তি হৈছিল যে যদিহে গম্ভীৰ সিং পুনৰ দেশলৈ ঘুৰি আহে তেনেহ'লে আভাৰ ৰজাই তেওঁক মণিপুৰৰ ৰজা ৰূপে স্বীকৃতি প্রদান কৰিব।

প্ৰথম ইংৰাজ-মান যুদ্ধৰ ফলাফল আছিল অসমৰ ইতিহাসৰ এক দিক নিৰ্ণায়ক সিদ্ধান্ত। কে. এন দত্তৰ মতে সাধাৰণ অৱস্থাত মান সেনাৰ ছত্ৰভংগৰ পিছত অসমে নিজৰ উপযুক্ত শাসকৰ হাতলৈ যাব লাগিছিল, কিন্তু মানসকলৰ আগমনৰ পূৰ্বেই অসমীয়া মানুহ তথা শাসকসকলৰ আভ্যন্তৰীণ বিবাদৰ সুযোগ গ্ৰহণ কৰি শত্ৰুপক্ষৰ আগমন ঘটিল আৰু এই ভূখণ্ড দখল কৰাটো শত্ৰুৰ বাবে সহজ হৈ পৰিল। যুদ্ধৰ সময়ত এই ভূমি দখল কৰা ব্রিটিছসকলে অসমৰ ৰাজকুমাৰ আৰু পাত্ৰ-মন্ত্ৰীসকলৰ বিবাদৰ সুযোগ গ্ৰহণ কৰে। সাধাৰণ ৰাইজৰ দৃষ্টিত ইংৰাজে মানৰ পৰা (অসমীয়াৰ পৰা নহয়) অসমক নিজৰ দখললৈ আনে যদিও যুদ্ধৰ পিছত পূৰ্বে তেওঁলোকে প্ৰদান কৰা আহোম ৰাজত্বৰ পুনৰ প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণৰূপে ভংগ কৰে।

এইখিনিতে মন কৰিবলগীয়া যে যুদ্ধৰ আৰম্ভনিৰ সময়ত ব্রিটিছসকলে ঘোষণা কৰিছিল যে ক্ষমতাৰ লোভত তেওঁলোকে এই ঠাইলৈ অহা নাই আৰু তেওঁলোকে অসমীয়া ৰাইজৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ আৰু সকলো শ্ৰেণীৰ লোকৰ সুখ-শান্তিৰ বাবে এখন চৰকাৰ পুনৰ প্ৰতিষ্ঠা কৰিব। কিন্তু অসমৰ ক্ষেত্ৰত ব্রিটিছসকলে নিজৰ সাম্ৰাজ্যবাদী মানসিকতা প্ৰতিৰোধ কৰিব নোৱাৰিলে। অসমক সম্পূৰ্ণৰূপে নিজৰ অধীনলৈ আনিবলৈ সকলো প্ৰয়াস চলায়। গতিকে ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অতি কম সময়ৰ ভিতৰত অসম ব্রিটিছসকলৰ অধীনলৈ আহে।

১১.৫ ব্রিটিছসকলৰ প্ৰশাসনীয় ব্যৱস্থা

আমি দেখা পালো যে ব্রিটিশসকলে কেনেদৰে ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম দখল কৰিলে। গতিকে উৰ্ধতন কৰ্তৃপক্ষৰ বাবে ইয়াৰ পিছতে এই অঞ্চলৰ বাবে সুকীয়া প্ৰশাসনিক ব্যৱস্থা নিৰ্ধাৰণ কৰাটো জৰুৰী হৈ পৰিছিল। ইয়াণ্ডাবু সন্ধিৰ বহু পূৰ্বে উজনি আৰু নামনি অসম, এই দুটা পৃথক প্ৰাদেশিক এলেকাৰ বাবে দুটা সাধাৰণ নীতি গ্ৰহণ কৰিছিল ব্রিটিশসকলে। এই চুক্তিৰ পিছতে অসমক দুটা ভাগত বিভক্ত কৰা হয়ঃ পশ্চিম বা নামনি অসম আৰু পূৱ বা উজনি অসম। উত্তৰ পাৰত বিশ্বনাথক সীমাৰেখা ৰূপে ধৰি লৈ এই বিভাজন কৰা হৈছিল।

নামনি অসমত গুৱাহাটীক মুখ্য কাৰ্যালয় ৰূপে ধৰি লৈ কামৰূপ, নগাঁও আৰু দৰঙৰ একাংশক অন্তৰ্ভুক্ত কৰা হৈছিল। উজনি অসমৰ অধীনত আছিল মটক প্ৰদেশ বাদ দি বিশ্বনাথৰ পৰা বুঢ়িদিহিং পৰ্যন্ত দৰঙৰ বাকী অংশ। ইয়াৰ মুখ্য কাৰ্যালয় আছিল ৰংপুৰত। প্ৰতিখন প্ৰদেশ একোজন আয়ুক্তৰ অধীনত আছিল। নামনি অসমৰ দায়িত্ব প্ৰদান কৰা হৈছিল ডেভিদ স্কটক আৰু তেওঁৰ পদৱী আছিল জ্যেষ্ঠ আয়ুক্তৰ। কৰ্নেল ৰিচাৰ্ডছক উজনি অসমৰ দায়িত্ব অৰ্পণ কৰা হৈছিল আৰু তেওঁৰ পদৱী আছিল কনিষ্ঠ আয়ুক্তৰ। সামৰিক দায়িত্বৰ লগতে পূৱ অসমৰ সকলো দেৱানী কাৰ্যকলাপৰ নিয়ন্ত্ৰণৰ ভাৰ তেওঁক দিয়া হৈছিল।

দুজনকৈ আয়ুক্ত থকাৰ পিছতো ডেভিদ স্কটক সামগ্ৰিক প্ৰশাসনৰ দায়িত্ব অৰ্পণ কৰা হৈছিল যাতে প্ৰশাসনীয় ব্যৱস্থাত সমভাৱ বৰ্তি থাকে। ৰাজ্যৰ আৰু অঞ্চলটোৰ সকলো জনজাতিৰ

সৈতে ৰাজনৈতিক সম্পৰ্ক চলাই নিয়াৰ একমাত্ৰ ভাৰ তেওঁৰ ওপৰত আছিল। গতিকে ইয়াৰ পৰা ক'ব পৰা যায় যে সেইসময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়া হৈ পৰিছিল ডেভিদ স্কট। যদিও প্ৰতিজন আয়ুক্তই স্বতন্ত্ৰভাৱে নিজৰ দেৱানী দায়িত্ব সম্পন্ন কৰিবলগীয়া হৈছিল, তথাপিও নিজৰ নিজৰ ক্ষেত্ৰৰ বিষয়সমূহৰ সন্দৰ্ভত ইজনে সিজনৰ সৈতে যোগাযোগ বৰ্তাই ৰখাটো বাঞ্ছনীয় বুলি ভবা হৈছিল। তেওঁলোকক দেৱানী বিবাদ নিষ্পত্তি, অপৰাধৰ ন্যায় প্ৰদান, আৰক্ষী ব্যৱস্থাৰ সংগঠন, কাৰাগাৰ নিৰ্মাণ আদি দায়িত্ব অৰ্পণ কৰা হৈছিল। ডিচেম্বৰত লেফটেনেণ্ট কৰ্নেল ৰিচাৰ্ডছে নিজৰ দায়িত্বৰ পৰা অব্যাহতি লয় আৰু তেওঁৰ স্থানত লেফটেনেণ্ট কৰ্নেল কুপাৰে দায়িত্ব গ্ৰহণ কৰে। একে সময়তে আদাম হোৱাইটক স্কটৰ সহযোগী ৰূপে গুৱাহাটীত আৰু কেপ্তেইন ডেভিডছনক স্কটৰ সহযোগী ৰূপে গোৱালপাৰাত নিয়োগ কৰা হয়।

উল্লেখযোগ্য যে সামৰিক আধিপত্যৰ আৰম্ভণিৰ সময়ছোৱাতো ব্রিটিশসকলে উজনি অসম আৰু নামনি অসমৰ ৰূপত দুটা প্ৰাদেশিক এলেকাত ৰাজ্য বিভক্ত কৰি প্ৰশাসন চলোৱাৰ সিদ্ধান্ত লয়। সম্ভৱতঃ নামনি অসমক প্ৰত্যক্ষভাৱে ব্রিটিশৰ অধীনলৈ আনিবলৈ চেষ্টা কৰা হৈছিল আৰু ১৯২৮ চনত নামনি অসমক ব্রিটিশ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হয়। কিন্তু উজনি অসমৰ ক্ষেত্ৰত এয়া সম্ভৱ হোৱা নাছিল। উজনি অসমৰ ভৱিষ্যত তেতিয়াও অনিশ্চিত হৈ আছিল। মানসকলৰ শাসনৰ সময়ত উজনি অসমত মানৰ আক্ৰমণৰ প্ৰভাৱ আছিল অতি নৃশংস আৰু ইয়াৰ ফলত এক অস্থিৰ পৰিৱেশে উজনি অসমত বিৰাজ কৰিছিল। উজনি অসমত তেতিয়াও আহোম ৰাজত্বৰ প্ৰভাৱ আছিল। গতিকে ডেভিদ স্কটে সেই এলেকাত পুৰণিকলীয়া প্ৰশাসন ব্যৱস্থা অব্যাহত ৰখাৰ পক্ষপাতি আছিল। উজনি অসমত আহোম ৰাজত্ব পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁলোকে সক্ৰিয়ভাৱে চিন্তা-চৰ্চা চলাইছিল।

১১.৬ ১৮৫৭ চনৰ বিদ্রোহ

১৭৫৭ চনৰ পৰা ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাম্ৰাজ্যবাদী নীতিয়ে ভাৰতীয়সকলৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। দখলীকৰণৰ নীতি, অৰ্থনৈতিক শোষণ আৰু প্ৰশাসনীয় পৰিৱৰ্তনে সকলো শ্ৰেণীৰ লোকৰ ওপৰত কুপ্ৰভাৱ পেলাইছিল। ব্রিটিছ এই সকলোবোৰ নীতিয়ে ভাৰতৰ বিভিন্ন প্ৰান্তত ৰাইজৰ মাজত বিদ্রোহৰ অগনি জ্বলাইছিল। অৱশেষত ব্রিটিছ শাসনৰ বিৰুদ্ধে অসন্তুষ্টিয়ে চৰম ৰূপ গ্ৰহণ কৰি ১৮৫৭ চনৰ বিদ্রোহৰ ৰূপ লয়। ভাৰতৰ অন্য প্ৰান্তৰ লগতে অসমতো ৰাইজে এই বিদ্রোহত অংশ লয়। দুৰ্ভাগ্যবশতঃ এই বিদ্রোহৰ উদ্দেশ্য সফল নহ'ল, কিন্তু ইয়াৰ দ্বাৰা স্বাধীনতা সংগ্ৰামৰ জুইকুৰা জ্বলি উঠিল আৰু তাৰ বাবে এই বিদ্রোহক আখ্যা দিয়া হয় ভাৰতৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰাম ৰূপে।

এয়া কোনো তাৎক্ষণিক ঘটনা অথবা নিৰ্দিষ্ট এলেকাত সীমাবদ্ধ ঘটনা নাছিল। এই বিদ্রোহ আৰম্ভ হৈছিল ব্রিটিছ সেনাৰ কেইজনমান চিপাহীৰ দ্বাৰা, কিন্তু পৰৱৰ্তী সময়ত কৃষক, শ্ৰমিক, কাৰিকৰ, জনজাতীয় লোক, সম্ভ্ৰান্ত লোক আৰু সৈনিক আদি সমাজৰ সকলো শ্ৰেণীৰ

লোকে এই বিদ্রোহত অংশ লয়। ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে কেইবাখনো ভাৰতীয় ৰাজ্যই। ভাৰতৰ আন ঠাইৰ দৰে অসমবাসীৰ মনতো ব্রিটিছৰ প্ৰতি বিদ্বেষ ভাৱৰ সৃষ্টি হৈছিল। প্ৰথম অৱস্থাত ব্রিটিছসকলক অসমীয়াই ৰক্ষাকৰ্তাৰ দৃষ্টিৰে চাইছিল যদিও পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰতি অসমবাসীৰ দৃষ্টিভংগী সলনি হয় আৰু অসমতো বিদ্রোহে মুৰ দাঙি উঠে। অসমত ব্রিটিছৰ শাসনৰ ফলাফল তলত আলোচনা কৰা হ'ল—

ইয়াণ্ডাবু সন্ধিৰ (২৪ ফেব্রুৱাৰী, ১৮২৬) পিছত অসমৰ বিষয়াসকল নিজৰ পূৰ্বৰ ক্ষমতা হেৰুৱাই পেলোৱাৰ বাবে বিদেশী শাসনৰ বিৰুদ্ধে ক্ষুব্ধ হৈ উঠিছিল। ধনঞ্জয় পিয়লি ফুকন আৰু গোমধৰ কোঁৱৰ আদিৰ নেতৃত্বত তেওঁলোকে বিদ্রোহ আৰম্ভ কৰে। এয়া আছিল স্বাধীনতাৰ প্ৰতি অসমীয়াৰ আকাংখ্যাৰ বহিঃপ্রকাশ।

পাইকঃ সেৱা আগবঢ়োৱা পুৰুষ কৰ্মচাৰী

ইয়াৰ লগতে ব্রিটিছ আয়ুক্ত ডেভিদ স্কট আছিল উজনি অসমত আহোম ৰাজত্বৰ পুনৰ সংস্থাপনৰ পক্ষপাতি কিয়নো উজনি অসমৰ পৰা সংগৃহিত ৰাজহ ব্রিটিছ প্ৰশাসন চলাব পৰাকৈ যথেষ্ট নাছিল। দ্বিতীয়তে এই কাৰ্যই আহোমসকলক বিশেষকৈ আহোম বিষয়াসকলক সন্তুষ্ট কৰিব।

স্কটৰ যুক্তি কেন্দ্রীয় চৰকাৰে মানি লোৱা নাছিল আৰু সেইবাবে উজনি অসমত আহোমসকলৰ পুনৰ সংস্থাপন সিদ্ধান্ত বাতিল কৰা হৈছিল। লৰ্ড আৰ্মহাৰ্ষ্টৰ উত্তৰসূৰী লৰ্ড বেণ্টিংকে ১৮২৮ চনত দায়িত্বভাৰ গ্ৰহণ কৰি সমগ্ৰ বিষয়টোৰ বাস্তৱসন্মত দৃষ্টিৰে পৰ্যবেক্ষণ কৰে। প্ৰশাসনীয় আউল আৰু আহোম বিষয়াসকলৰ তীব্ৰ অসন্তুষ্টিয়ে বেণ্টিংকক কোনো ধৰণৰ বিলম্ব নকৰাকৈ উজনি অসমৰ ক্ষেত্রত স্থিৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰে। ২৪ এপ্রিল, ১৮৩৩ চনত উজনি অসমত পুৰন্দৰ সিংহক সিংহাসনত অধিষ্ঠিত কৰা হয়। কিন্তু অনুপযুক্ত শাসনৰ বাবে ১৮৩৮ চনত উজনি অসমক কোম্পানীয়ে প্রত্যক্ষভাৱে নিজৰ অধীনলৈ আনে। তেতিয়াৰ পৰা উজনি অসমৰ লোকসকলে কোম্পানী শাসনৰ বিৰোধী হৈ পৰে। ১৮২৬ চনৰ চুক্তি অনুসৰি মৰাণ-মটকসকলৰ মুৰব্বীক বৰ সেনাপতি নিয়োগ কৰি ব্রিটিছে উপঢৌকনৰ পৰিৱৰ্তে তিনিশ পাইকৰ এটা দল বিচাৰিছিল। তেওঁৰ উত্তৰসূৰী মাজু গোঁহাইৰ সৈতে এক নতুন চুক্তি স্বাক্ষৰিত কৰি তেওঁৰ পৰা বাৰ্ষিক১০,০০০ টকা বিচৰা হৈছিল। ধৰ্মীয় ভিত্তিত মৰাণসকলে এই চুক্তি মানি ল'ব পৰা নাছিল।

১৮৩৯ চনৰ নৱেম্বৰ মাহত ব্রিটিশে মটক ৰাজ্য দখল কৰে। এক আগ্রাসী মনোভাৱ গ্ৰহণ কৰি ব্রিটিছে অসমবাসীৰ আবেগক গুৰুত্ব নিদিয়াকৈ উত্তৰ-পূৱৰ ইখনৰ পিছত সিখন ৰাজ্য দখল কৰি গৈছিল। ইয়াৰ ফলত ব্রিটিছৰ বিৰুদ্ধে অসমবাসীৰ মনত বিদ্রোহৰ জুইকুৰা দপদপাই জ্বলি উঠিছিল।

নতুন চৰকাৰে ৰায়তসকলৰ অৰ্থনৈতিক দুৰৱস্থাৰ প্ৰতি পিঠি দি কেৱল কৰ সংগ্রহতে ব্যস্ত হৈ পৰিছিল। চৰকাৰৰ শোষণ ক্রমাৎ বৃদ্ধি পোৱাত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। প্ৰথম ইংৰাজ-বাৰ্মিজ যুদ্ধৰ পূৰ্বে ব্রিটিছে অসমবাসীক প্রদান কৰা প্রতিশ্রুতি পূৰণ কৰাত ব্রিটিছে বেয়াকৈ বিফল হৈছিল। নতুন পৰিস্থিতিৰ প্রথম বিৰোধিতা কৰিছিল অভিজাত শ্রেণীয়ে। ব্রিটিছসকলে প্রৱর্তন কৰা প্রতিটো প্রশাসনীয় ব্যৱস্থাই পুৰণি অভিজাত শ্রেণীৰ স্বাৰ্থত আঘাত হানিছিল।

১৮৪৩ চনত ব্রিটিশসকলে দাসত্ব প্রথাৰ নিৰ্মূল কৰা কাৰ্যই অসমৰ পুৰণি অভিজাত শ্রেণীৰ ক্ষমতা আৰু স্বাৰ্থ ক্ষতিগ্রস্ত কৰিছিল। চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে সকলো স্থানতে বিদ্রোহ হৈছিল। কেপ্তেইন নিউভিলৰ স্থানীয় অভিজাত শ্রেণীৰ পৰিৱৰ্তে চুবুৰীয়া বংগৰ পৰা ব্যক্তিক কামত নিয়োগ কৰা কাৰ্যই পৰিস্থিতিৰ অধিক অৱনতি ঘটাইছিল।

তদুপৰি ব্রিটিছসকলৰ অর্থনৈতিক নীতিয়ে অসমৰ ৰাইজক অতিষ্ঠ কৰি তুলিছিল। অসমত ব্রিটিছসকলে চাহ খেতি আৰম্ভ কৰিছিল। ব্রিটিছসকলে 'অব্যৱহৃত ভূমি আইন' নামৰ এক নতুন নীতিৰ প্রৱর্তন কৰিছিল যাৰ দ্বাৰা স্থানীয় ৰাইজ চাহখেতি কৰাৰ পৰা বঞ্চিত হৈছিল। চতুৰালিৰে ব্রিটিছ চৰকাৰে সাম্রাজ্যবাদী স্বাৰ্থ সিদ্ধি কৰিবলৈ সমগ্র চাহ উদ্যোগক ব্রিটিছৰ অধীনস্থ কৰিছিল। তেওঁলোকে বিহাৰ, বংগ, উৰিষ্যা, তেলেংগানাৰ পৰা কম খৰচত বনুৱা আমদানি কৰিছিল। এই আমদানিকৃত কম খৰচী শ্রমিকসকলক নাম দিয়া হৈছিল 'কুলি'। এইসকল লোকক অসমৰ স্থানীয় ৰাইজে সন্দেহৰ দৃষ্টিৰে চাইছিল। ইয়াৰ লগতে ব্রিটিছসকলে গ্রহণ কৰা কানি খেতিৰ নীতিত অভিজাত শ্রেণীৰ অসমীয়া ক্ষুব্ধ হৈছিল। তেওঁলোকে চৰকাৰক অসমীয়া লোকক কানি যোগান বন্ধ কৰি বদ অভ্যাস আতৰ কৰাৰ বাবে অনুৰোধ কৰিছিল।

ব্রিটিছসকলৰ সামাজিক আৰু ধর্মীয় সংস্কাৰেও অসমৰ পুৰণিকলীয়া মানুহৰ মনত সন্দেহৰ ভাৰৰ উদ্রেক কৰিছিল। চৰকাৰী বিষয়া আৰু খ্রীষ্টান মিছনেৰীসকলৰ কার্যাৱলীয়ে ধর্ম নষ্ট কৰিব বুলি হিন্দু আৰু মুছলমানসকলক শংকিত কৰি তুলিছিল। ব্রিটিছসকলৰ বর্ণ বৈষম্যবাদী মানসিকতাইও অসমীয়া লোকসকলক ক্ষুব্ধ কৰি তুলিছিল।

গতিকে পুৰণি অভিজাত শ্রেণী আৰু সাধাৰণ বর্গৰ উভয়েই নতুন ব্রিটিছ নীতিৰ সৈতে খাপ খাই চলিবলৈ অসুবিধাৰ সন্মুখীন হৈছিল। কিছু সংখ্যক লোকে অধিক উত্তেজিত হৈ পুৰণি প্রথা ঘুৰাই আনিবলৈ অনাটোৱেই মোক্ষ লাভৰ একমাত্র উপায় বুলি বিবেচনা কৰিছিল। প্রাক্তন স্বর্গদেউ চন্দ্রকান্তই নিজৰ পুৰণি প্রতিষ্ঠা ঘুৰাই পাবলৈ বহুবাৰ চেষ্টা কৰি বিফল হৈছিল আৰু বেদনাগধুৰ হৃদয় লৈয়ে মাত্র ৪৩ বছৰ বয়সত মৃত্যুক সাৱটি লৈছিল। অন্তিমজন আহোম স্বর্গদেউ পুৰন্দৰ সিংহইও নিজৰ পুৰণি ক্ষমতা ঘুৰাই পাবলৈ বহুবাৰ চেষ্টা কৰি বিফল হয় আৰু ১৮৪৬ চনৰ অক্টোবৰত তেওঁৰ মৃত্যু হয়। তেওঁৰ একমাত্র পুত্র আৰু উত্তৰসূৰী কামেশ্বৰ সিংহৰো কেইবছৰমানৰ পিছতে মৃত্যু হয়। সেইসময়ত তেওঁ ৰ পুত্র কন্দর্পেশ্বৰ সিংহৰ বয়স আছিল মাত্র এঘাৰ বছৰ। এই সময়তে কোম্পানীৰ অন্যতম বিশ্বস্ত বিষয়া মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা ওৰফে মণিৰাম দেৱানে স্বাধীনতা সংগ্রামৰ নেতাৰূপে ভুমুকি মাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ তলৰ প্রশ্নৰ উত্তৰ দিয়ক—

(ক) ব্রিটিছসকলে প্রৱর্তন কৰা প্রশাসনীয় ব্যৱস্থাত নামনি অসমৰ দায়িত্বত কোন আছিল?

.....

(খ) গভর্নৰ জেনেৰেল লর্ড আর্মহার্ষ্টৰ উত্তৰসূৰী কোন আছিল?

.....

(গ) মণিৰাম দেৱান বুলি কাক জনা যায়?

.....



১১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যাযটি অধ্যয়ন কৰি আপুনি—

- অসমত মানৰ অভিযান আৰু ইয়াৰ পৰৱর্তী সময়ত অসমত ব্রিটিছৰ হস্তক্ষেপৰ বিষয়ে বিস্তৃতভাবে জানিব পাৰিলে।
- প্রথম ইংৰাজ-বার্মিজ যুদ্ধ আৰু ইয়াৰ ফলাফলৰ বিষয়ে জানিলে।
- ব্রিটিছসকলে আৰম্ভ কৰা প্রশাসনীয় ব্যৱস্থা আৰু ডেভিদ স্কট তথা ৰবার্টছনৰ প্রশাসনীয় সংস্কাৰৰ বিষয়ে বিস্তৃত আলোচনা পঢ়িবলৈ পালে।
- অসমত ১৮৫৭ চনৰ বিদ্রোহৰ প্রভাৱ কি দৰে পৰিছিল সেই বিষয়ে জানিব পাৰিলে।



১১.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) তিনিটা ভাগ

(খ) হাদিৰা চকী।

(গ) চন্দ্রকান্ত সিংহ আৰু যোগেশ্বৰ সিংহ।

(ঘ) লর্ড আর্মহার্ষ্ট

(ঙ) এপ্রিল, ১৮২৫।

(চ) ১৮২৬।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ডেভিদ স্কট।

(খ) লর্ড বেণ্টিংক।

(গ) মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱা।



১১.৯ আৰ্হি প্ৰশ্ন

অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইংৰাজ-মানৰ যুদ্ধৰ অন্ত পেলোৱা চুক্তিখনৰ নাম কি আছিল?

প্ৰশ্ন ২ ঃ গোমধৰ কোঁৱৰ কোন আছিল?

প্ৰশ্ন ৩ ঃ ব্রিটিছসকলৰ প্ৰশাসনীয় ব্যৱস্থাৰ অধীনত নামনি অসমত কোন ঠাইত মুখ্য কার্যালয় আছিল?

প্ৰশ্ন ৪ ঃ চন্দ্রকান্ত সিংহ কোন আছিল?

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ধনঞ্জয় পিয়লি ফুকন কোন আছিল?

প্ৰশ্ন ২ ঃ ব্রিটিছসকলে প্ৰৱর্তন কৰা নামনি অসমৰ প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পাইক প্ৰথা বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ 'কুলি' বুলিলে কাক বুজা যায়?

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক—

ক) পূৰ্ণানন্দ বুঢ়াগোঁহাই।

খ) বদন চন্দ্র বৰফুকন।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ইংৰাজ-মান যুদ্ধৰ বিষয়ে বর্ণনা কৰক।

প্ৰশ্ন ২ ঃ ডেভিদ স্কট আৰু টি চি ৰবার্টচনৰ অধীনত অসমৰ প্ৰশাসনীয় ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমত ১৮৫৭ চনৰ বিদ্রোহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ঔপনিৱেশিক যুগত অসমৰ আর্থ-সামাজিক পৰিৱর্তন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অর্থনৈতিক গাঁথনিৰ পৰিৱর্তন
১৩.৪ কৃষক বিদ্রোহ
১৩.৫ আধুনিক যুগৰ দিশত অসমৰ সামাজিক পৰিৱর্তন
১৩.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিৱেশিক শাসনৰ সময়ত অর্থনৈতিক দিশত অহা পৰিৱর্তনসমূহ ব্যাখ্যা কৰিব পাৰিব,
- ব্রিটিছ শাসনৰ সময়ত অসমৰ সামাজিক পৰিৱর্তন বর্ণনা কৰিব পাৰিব,
- বিভিন্ন প্রকাৰৰ কৃষক বিদ্রোহ আলোচনা কৰাৰ লগতে কৃষকৰ ক্ষোভৰ আঁৰৰ কাৰণসমূহ চালি-জাৰি চাব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়ত আমি ঔপনিৱেশিক নীতিয়ে অনা পৰিৱর্তন বিশেষকৈ সমাজ আৰু অর্থনীতিৰ ওপৰত ইয়াৰ প্রভাৱ আলোচনা কৰিম। ব্রিটিছসকলে বহুতো কৃষি নীতিৰ প্রৱর্তন কৰিছিল যিসমূহে থলুৱা কৃষকসকলৰ ওপৰত গভীৰ প্রভাৱ পেলাইছিল। ইয়াৰ ফলত স্থানীয় কৃষকসকলে ব্রিটিছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছিল।

এই অধ্যায়ত স্থানীয় ৰাইজে সন্মুখীন হোৱা পৰিৱর্তনৰ ফলত তেওঁলোকৰ প্রতিক্রিয়াৰ বিষয়ে সম্যক জ্ঞান তুলি ধৰাৰ প্রয়াস কৰিম।

১২.৩ অর্থনৈতিক গাঁথনিৰ পৰিৱর্তন

ব্রিটিছসকলৰ দিনত কঠোৰভাৱে বলৱৎ কৰাশোষণমূলক কৰ সংগ্রহৰ ব্যৱস্থাই কৃষকসকলৰ অৱস্থা শোচনীয় কৰি তুলিছিল।

খেল ব্যৱস্থাৰ বিলুপ্তিৰ ফলত ভূমিৰ নাটনিৰ বাবে কৰৰ পৰিমাণ অস্বাভাৱিক হাৰত

বৃদ্ধি পাইছিল। শিৱসাগৰ আৰু লখিমপুৰ ভূমি কৰ ব্যৱস্থা প্ৰৱর্তন কৰাৰ বাবে এই কৰৰ পৰিমাণ আৰু অধিক বৃদ্ধি পায়। ভূমিৰ ওপৰত কৰৰ লগতে কৃষকে হালবোৱাৰ কৰ, কোৰ মৰা আদিৰো কৰ আদায় দিবলগীয়া হৈছিল। ১৮৩৭-৩৮ চনলৈকে গাইগুটীয়া কৰৰ লগতে এজন ব্যক্তিয়ে জাতিৰ ভিত্তিতো কৰ-কাটল দিবলগীয়া হৈছিল। সময় সাপেক্ষে মূল্যায়নৰ হাৰৰো সঘন পৰিৱর্তন হৈছিল যাৰ ফলত ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল। ১৮৫১-৫২ চনত কানিৰ ওপৰত কৰৰ প্ৰৱর্তন হয়। ১৮৫৯ চনত কামৰূপ জিলাৰ সমান হাৰত মূল্যায়নৰ দৰ বৃদ্ধি কৰাৰ প্ৰয়াস চলোৱা হৈছিল।

আনহাতে ১৮৫৭ চনৰ বিদ্রোহৰ ফলত সৃষ্টি হোৱা অর্থনৈতিক ক্ষতিয়ে নতুন কৰৰ প্ৰৱর্তনৰ বাট মুকলি কৰি দিয়ে। ১৮৬০ চনত আয়কৰ ব্যৱস্থাৰ প্ৰৱর্তন হয়। প্ৰথমাৱস্থাত এই কৰৰ পৰিমাণে নিচেই সামান্য আছিল যদিও পর্যায়ক্ৰমে আন আন জিলালৈ ইয়াৰ সম্প্ৰসাৰণ হোৱাৰ ফলত এই কৰৰ পৰিমাণ বৃদ্ধি হয়। ব্ৰিটিছসকলে ৰায়তসকলক নগদ ধন উপার্জনকাৰী ফচলৰ খেতি কৰিবলৈ উৎসাহ দিয়াৰ লগতে অধিক কৰ সংগ্ৰহৰ লক্ষ্যৰে নৈপৰীয়া ভূমিৰ ওপৰত কৰ আৰোপ কৰিছিল। পাহাৰীয়া জনজাতিৰ ক্ষেত্ৰত গৃহ কৰ আৰোপ কৰা হৈছিল আৰু বহিৰাগত শত্ৰুৰ পৰা ৰক্ষা পোৱাৰ বাবে জনজাতিসকলে স্বেচ্ছাই এই কৰ আদায় দিছিল। ব্ৰিটিছসকলৰ কৰ সংগ্ৰহৰ ব্যৱস্থা আছিল কৃষক আৰু ৰায়তসকলৰ স্বার্থৰ পৰিপন্থী। নিজৰ ভূমি আৰু সম্পদৰ ওপৰত তেওঁলোকে অধিকাৰ চর্ত হেৰুৱাইছিল।

১৮৮৬ চনৰ ভূমি সংশোধনী আইনৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ ভূমি সম্পর্কৰ প্ৰৱর্তন হয়। এই অনুসৰি তিনি শ্ৰেণীৰ লোক আছিল- জমিদাৰ, মধ্যস্থতাকাৰী আৰু কৃষক শ্ৰেণী। নিজৰ ভূমি হেৰুৱাবলগীয়া হোৱাৰ বাবে কৃষকসকলে চৰম দাৰিদ্র্যৰ সৈতে মোকাবিলা কৰিবলগীয়া হৈছিল। ১৮৮৬ চনৰ নীতিয়ে আধিয়াৰ ব্যৱস্থাৰ প্ৰৱর্তন কৰে। বর্ধিত ভূমি কৰৰ বাবে কৃষকসকলে ধনী শ্ৰেণীৰ ওচৰত শৰণাপন্ন হ'বলগীয়া হৈছিল। ঔপনিৱেশিক শাসনে কেৱল সামন্তবাদী শোষণ ব্যৱস্থাক উৎসাহী কৰিছিল। বিদেশীক কৃষক ৰূপে স্থান প্ৰদান কৰা প্ৰব্ৰজনকাৰী নীতিৰ ফলত ভূমিৰ ওপৰত চাপ বৃদ্ধি পাইছিল।

সুস্থিৰ অর্থনীতিৰ বাবে অসমীয়া লোকসকল যথেষ্ট পৰিমাণে সমৃদ্ধিশালী আছিল। কিন্তু ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকা উভয়তে ঋণগ্ৰস্ততাৰ উদাহৰণ আছিল। ৰেলৰে সেৱা আৰু ইয়াৰ সৈতে সম্পর্কিত অর্থনৈতিক উন্নয়নৰ বাবে গাঁওসমূহৰ স্ব-নির্ভৰশীলতা লোপ পাইছিল। পৰম্পৰাগত কুটিৰ শিল্প ক্ষতিগ্ৰস্ত হৈছিল আৰু ভূমিৰ ওপৰত অধিকাৰ চর্ত ক্ৰমাৎ হ্ৰাস পাইছিল। মহাজনসকলৰ শোষণৰ বাবে কৃষকৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল।

নতুন নতুন কৰ ব্যৱস্থাৰ প্ৰৱর্তন আৰু ভূমিৰ ৰাজহৰ প্ৰতিবাৰৰ বৃদ্ধিয়ে জনসাধাৰণৰ মাজত অসন্তুষ্টি দিনক দিনে বৃদ্ধি কৰিছিল। অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কানিৰ ব্যৱসায়ৰ বিৰুদ্ধে মণিৰাম দেৱানে প্ৰতিবাদ সাব্যস্ত কৰিছিল। কিন্তু তেওঁৰ এই প্ৰতিবাদ উপেক্ষা কৰি কানি আৰু নিমখৰ ৰমৰমীয়া বেহা অব্যাহত আছিল আৰু ইয়াৰ দ্বাৰা চৰকাৰে লাভ কৰিছিল বৃহৎ পৰিমাণৰ ৰাজহ। জনসাধাৰণৰ অসুবিধাৰ খতিয়ান ল'বলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত স্থানীয়

নেতা যেনে গোঁসাই, দলৈ আদিৰ নেতৃত্বত ৰাইজ মেল অনুষ্ঠিত হোৱাৰ পৰম্পৰা অব্যাহত আছিল। ব্রিটিছ ৰাজৰ স্বেচ্ছাচাৰিতা আৰু অন্যায়মূলক ৰাজহ ব্যৱস্থাৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰিবলৈ গোঁসাই, দলৈ অথবা গাওঁবুঢ়া আদি নেতাৰ ছত্রছায়াত হিন্দু-মুছলমান সমন্বিতে সকলো ৰায়ত একগোট হৈছিল।

ৰাজহ আৰু কৰ ব্যৱস্থাৰ দিনক-দিনে বৃদ্ধি অন্যায়মূলক বুলি পৰিগণিত হৈছিল, কিয়নো ব্রিটিশসকলে ইয়াৰ বাবদ কৃষি ব্যৱস্থাৰ উন্নতিৰ বাবে কোনো ব্যৱস্থা গ্রহণ কৰা নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিম্নোক্ত কথাবোৰ শুদ্ধ নে অশুদ্ধ লিখক

ক) ১৮৬৬ চনত আয়কৰ ব্যৱস্থাৰ প্রৱর্তন হৈছিল। (শুদ্ধ নে অশুদ্ধ)

খ) শিৱসাগৰত ভূমি কৰৰ প্রৱর্তন হৈছিল। (শুদ্ধ নে অশুদ্ধ)

গ) পৰম্পৰাগত কুটিৰ শিল্পৰ মান অৱনমিত হৈছিল। (শুদ্ধ নে অশুদ্ধ)

ঘ) ঔপনিৱেশিক শাসনৰ ফলত কৃষকসকল সমৃদ্ধিশালী হৈছিল। (শুদ্ধ নে অশুদ্ধ)

ঙ) কানিৰ ব্যৱসায়ৰ বিৰুদ্ধে মণিৰাম দেৱানে প্রতিবাদ কৰিছিল। (শুদ্ধ নে অশুদ্ধ)

১২.৪ কৃষক বিদ্রোহ

প্রথমাৱস্থাত কেৱল ৰাজকীয় পৰিয়াল আৰু ধনী-মানীসকলৰ মাজত আৱদ্ধ হৈ থকা বিদেশী শাসনৰ প্রতি অসন্তুষ্টি ক্রমাৎ সমাজৰ প্রতিটো স্তৰলৈ বিয়পি পৰে। ইয়াৰ ফলত বহুকেইটা বিখ্যাত বিদ্রোহৰ সৃষ্টি হয়। অসমৰ বিভিন্ন অংশত কৃষক বিদ্রোহে মুৰ দাঙি উঠে। এনে কেতবোৰ বিদ্রোহৰ উদাহৰণ তলত তুলি ধৰা হ'ল।

- **ফুলগুৰি ধেৱা, ১৮৬১**

নগাঁও জিলাৰ ফুলগুৰি অঞ্চলত ১৮৬১ চনত কৃষকসকলে (যিসকলৰ অধিকাংশই আছিল তিৱা আৰু কছাৰী) ৰাইজ মেলৰ জৰিয়তে কানিৰ খেতি নিষিদ্ধ কৰাৰ বিৰুদ্ধে তীব্র প্রতিবাদ সাব্যস্ত কৰে। একে বছৰতে আয়কৰ আৰু তামোল-পাণৰ ওপৰত কৰ আৰোপ কৰাৰ উৰা বাতৰিয়ে কৃষকসকলক ক্ষুব্ধ কৰি তুলিছিল। কিন্তু ব্রিটিছ কর্তৃপক্ষই তেওঁলোকৰ আবেগৰ প্রতি কোনো গুৰুত্ব প্রদান কৰা নাছিল ১৮৬১ চনৰ কৃষকসকলৰ ক্ষোভ দমন কৰিবলৈ বলপূর্বক প্রয়াস চলাইছিল। ব্রিটিছৰ গুলীত বহু লোকে প্রাণ হেৰুওৱাৰ লগতে বহুকেইজন আহত হৈছিল। হত্যাৰ অভিযোগত ৪১ জন লোকক গ্রেপ্তাৰ কৰা হৈছিল আৰু ৮-৯ জন নেতাক (বিশেষকৈ জনজাতীয় নেতা) ব্রিটিছে হয় ফাঁচীকাঠত ওলোমাইছিল নহ'লে নির্বাসন দিছিল। এই ঘটনাক অসমবাসীৰ বাবে ফুলগুৰি ধেৱা বা ফুলগুৰিৰ যুদ্ধৰ নামেৰে বিখ্যাত। ঔপনিৱেশিক শোষণমূলক

নীতিৰ বিৰুদ্ধে অসমত আটাইতকৈ পুৰণি বিদ্রোহ ৰূপে জনা যায় ফুলগুৰি ধেৰাক।

- **জয়ন্তীয়া বিদ্রোহ, ১৮৬০-৬৩**

ব্রিটিছ চৰকাৰে প্ৰৱৰ্তন কৰা গৃহ কৰ, ষ্টাম্প কৰ আদি নতুন ধৰণৰ কৰ পদ্ধতিয়ে জয়ন্তীয়া পাহাৰৰ লোকসকলক অসন্তুষ্ট কৰি তুলিছিল। তেওঁলোকে ইয়াৰ বিৰুদ্ধে মুকলিকৈ বিদ্রোহত নামি পৰে। ব্রিটিছকসকলে তেওঁলোকক কঠোৰ হাতেৰে দমন কৰে যদিও ইয়াতে সমস্যাৰ অন্ত পৰা নাছিল। ইয়াৰ কিছু দিনৰ পিছতে লাইচেঞ্চ কৰ (বন্দুক ৰখাৰ বাবদ কৰ) আৰোপ কৰাৰ ফলত খাছীসকলে বিদ্রোহত কৰে, কাৰণ এই কাৰ্যই তেওঁলোকৰ জনজাতীয় ৰীতি পালনত প্রভাৱ পেলাইছিল। এক দীঘলীয়া আৰু কঠিন অভিযানৰ অন্তত ব্রিটিছসকলে ১৮৬৩ চনত তেওঁলোকক দমন কৰিবলৈ সক্ষম হয়।

- **অসম বিদ্রোহ, ১৮৯৪**

অসমৰ কৃষক বিদ্রোহসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিদ্রোহেই হৈছে ১৮৯৩-৯৪ ৰ অসম বিদ্রোহ। ভূমি কৰ বৃদ্ধি কৰাৰ ফলত এই বিদ্রোহত কৃষকৰ ক্ষোভৰ বহিঃপ্রকাশ ঘটিছিল। নতুন নীতিত ভূমিৰ ওপৰত কৰ ৭০ ৰ পৰা ৮০ শতাংশ বৃদ্ধি কৰা হৈছিল আৰু ইয়ে কৃষকসকলক ক্ষুব্ধ কৰি তুলিছিল। বিভিন্ন ৰাইজ মেলৰ জৰিয়তে ৰাজহুৱা অসন্তুষ্টিৰ প্রকাশ ঘটিছিল।

ভূমি আৰু কৃষি নিৰ্ভৰশীল খাটি খোৱা কৃষক শ্রেণীয়ে এই নীতি প্রত্যাহাৰ কৰিবলৈ সজোৰে দাবী উত্থাপন কৰিছিল। কামৰূপ জিলাৰ ৰঙিয়া আৰু লচিমাৰ লগতে দৰং জিলাৰ পথৰুঘাটৰ জনসাধাৰণে 'কৰ আদায় নিদিয়া' ৰ অভিযান আৰম্ভ কৰিছিল। ৰাইজৰ এই সিদ্ধান্ত উলাই কৰা সকলৰ সৈতে সম্পর্ক বিচ্ছেদ কৰা হৈছিল।

- **ৰঙিয়া**

ৰঙিয়াৰ আন্দোলন আৰম্ভ হৈছিল ৰঙিয়া বজাৰ লুট-পাতৰ মাজেৰে। কামৰূপৰ উপায়ুক্ত মেককেৰে ঘটনাস্থলীত উপস্থিত হৈ বহুকেইজন নেতাক গ্রেপ্তাৰ কৰিছিল। ১০ জানুৱাৰীত ৰঙিয়া আৰক্ষী থানাৰ সমীপৰ মুকলি পথাৰত হাজাৰ হাজাৰ লোক সমবেত হৈ গ্রেপ্তাৰ কৰা নেতাসকলক মুকলি কৰি দিবলৈ দাবী জনায়। যেতিয়া মেককেৰে তেওঁলোকক নির্দেশ দিয়ে তেতিয়া তেওঁলোকে সজোৰে চিঞৰি উঠে, 'আমি বর্ধিত কৰ নিদিও'। পৰিস্থিতি অধিক জটিল হৈ পৰাত মেককেৰে অতিৰিক্ত বাহিনী মাতি পঠিয়ায়। সংঘাতত বহুলোকে প্রাণ হেৰুৱাৰ লগতে আন বহুকেইজন ঘুণীয়া হয়। কঠোৰ হাতেৰে এই বিদ্রোহ দমন কৰা হৈছিল।

- **লাচিমা**

লাচিমাত কৰ সংগ্রহ কৰিবলৈ যোৱা এজন মৌজাদাৰ আৰু মণ্ডলৰ ওপৰত ১৮৯৪ চনৰ জানুৱাৰী মাহত হোৱা আক্রমণেৰে এই বিদ্রোহ আৰম্ভ হয়। এই অভিযোগত ৭৫ জন লোকক গ্রেপ্তাৰ কৰা হৈছিল। ৰায়তসকলৰ উগ্র মূর্তিৰ বাবে মেককেৰেই লাচিমাত উপস্থিত হৈ কঠোৰ হাতেৰে এই বিদ্রোহ দমন কৰিছিল।

- **পথৰুঘাট**

১৮৯৪ চনৰ জানুৱাৰী মাহত দৰং জিলাৰ পথৰুঘাটত একে ধৰণৰ বিদ্রোহৰ সূত্রপাত হৈছিল। ৰায়তসকলে কেৱল কৰ আদায় দিয়া বন্ধ কৰাই নহয় চৰকাৰক কৰ আদায় দিবলৈ যোৱা আনসকলোকো বাধা প্রদান কৰিছিল। এই পৰিস্থিতি নিয়ন্ত্রণ কৰিবলৈ দৰঙৰ উপায়ুক্ত জে.ডি এণ্ডাৰছনে লেফটেনেণ্ট বেৰিংটনৰ নেতৃত্বত এক সামৰিক বাহিনীৰে সুসজ্জিত হৈ পথৰুঘাটত উপস্থিত হয়। ইয়াৰ পৰৱর্তী দিনা পুৱা এণ্ডাৰছনে আশ্রয় লোৱা বাসগৃহৰ বাহিৰৰ এক খেতি পথাৰত বৃহৎ সংখ্যক লোক সমবেত হয়। তেওঁলোকক আতৰি যাবলৈ এণ্ডাৰছনে কোৱাৰ পিছতো ৰাইজে এই কথালৈ গুৰুত্ব নিদি এণ্ডাৰছনলৈ লক্ষ্য কৰি লাঠী-দলি চপৰা দলিয়াবলৈ ধৰে। ইয়াৰ পিছতে ব্রিটিছৰ গুলীচালনাত ১৫ জন ৰায়তৰ মৃত্যু হোৱাৰ লগতে বহুকেইজন আহত হয়। পথৰুঘাটৰ ঘটনাক এতিয়াও 'দলি ৰণ' বুলি জনা যায় কাৰণ ৰাইজে ইয়াত ব্রিটিছসকলক দলি-চপৰাৰে আক্রমণ কৰিছিল।

এনে ধৰণৰ আন বহুতো বিদ্রোহ অসমৰ ভিন্ন প্রান্তত সংঘটিত হৈছিল। এই বিদ্রোহসমূহ দমন কৰিবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা গ্রহণ কৰিছিল। ব্রিটিশ ৰাজত্বৰ অধীনত ৰাইজে সন্মুখীন হোৱা দুখ-দুর্দশাৰ বিষয়ে সজাগতা আনিবলৈ ৰাইজ মেলসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। এই বিদ্রোহৰ পৰা ব্রিটিছসকলে এটা কথা অনুধাৱন কৰিব পাৰিছিল যে ৰাইজ মেলসমূহ মষিমূৰ কৰিব নোৱাৰালৈকে অসমত ব্রিটিছৰ সার্বভৌমত্ব প্রতিষ্ঠা অসম্ভৱ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ নিম্নোক্তসমূহ মিলাওক—

ক) দলি ৰণ ———— ১৮৬১ চন।

খ) ফুলগুৰি ধেৰা ———— ১৮৯৪ চন।

গ) লাইচেঞ্চ কৰ ———— অসম বিদ্রোহ।

ঘ) ৰাজ আদায় নিদিয়া অভিযান ———— দৰঙৰ উপায়ুক্ত।

ঙ) জে.ডি এণ্ডাৰছন ———— জয়ন্তীয়া বিদ্রোহ।

১২.৫ আধুনিক যুগৰ দিশত অসমৰ সামাজিক পৰিৱৰ্তন

সম্প্রীতিৰ এনাজৰী দৃঢ় হোৱাৰ বাবে অসমীয়া সমাজত সাধাৰণ অৱস্থাত কোনো শ্রেণী বিভাজন নাছিল। কিন্তু ঔপনিৱেশিক শাসনৰ ফলত চৰকাৰে গ্রহণ কৰা কঠোৰ ব্যৱস্থাৰ বাবে সমাজত নতুন শ্রেণী ব্যৱস্থাই দেখা দিয়ে।

আধুনিক শিক্ষাৰ প্রৱর্তন আৰু চুবুৰীয়া বংগৰ সৈতে সংস্পর্শৰ বাবে অসমীয়া সমাজত ব্যাপক পৰিৱর্তনে দেখা দিয়ে। পূর্বৰ জাতিভিত্তিক উগ্র বাধা-নিষেধ লাহে লাহে নোহোৱা হ'বলৈ ধৰে। সমাজে পুৰণিকলীয়া চিন্তা-চর্চাবোৰ বাদ দিবলৈ ধৰে। বিভিন্ন ক্ষেত্রত সামাজিক প্রতিবন্ধকতাৰ সন্মুখীন হোৱা ইছলামধর্মী লোকসকলেও পূর্বৰ তুলনাত এক সন্মানজনক স্থান

দখল কৰে। নগৰীকৰণ আৰু বিভিন্ন কৰ্মীৰ চাহিদাই তথাকথিত অস্পৃশ্যতাৰ ধাৰণা মষিমূৰ কৰিলো। জ্ঞান আৰু বাণিজ্যৰ উদ্দেশ্যৰে সাধাৰণ ৰাইজে নিজৰ স্থানৰ পৰা বিভিন্ন স্থানলৈ যাবলৈ আৰম্ভ কৰে।

শ্রেণীৰ ক্ষেত্রত উচ্চ আসন দখল কৰা ধাৰাই স্থানৰ পৰিৱৰ্তন সাধন কৰে। ব্যক্তিসকলে নিজৰ নামৰ পৰিৱৰ্তন সাধন কৰি নতুন শ্রেণীভুক্ত হোৱাৰ লগতে আন একাংশই নিজৰ জনজাতীয় উপাধিৰ পৰিৱৰ্তন কৰে।

নৱ-বৈষ্ণৱ সংস্কৃতি আৰু শংকৰদেৱে বিলোৱা জ্ঞানৰ পোহৰে জাতি প্রথাৰ উদাৰমূলক দৃষ্টিভংগীক বৃহৎ পৰিমাণে প্রভাৱিত কৰে। পিয়ল ব্যৱস্থাৰ বাবে পিছপৰা শ্রেণীৰ লোকসকলে সমাজত উচ্চ আসন লাভ কৰিবলৈ ধৰে। অৱশ্যে অন্তঃবিবাহ, বহিঃবিবাহ আৰু উচ্চ-নীচৰ মাজত বিবাহৰ ব্যৱস্থা প্রচলিত হৈ আছিল।

প্রেছ্ব প্রতিষ্ঠাইও সামাজিক পৰিৱৰ্তনত যথেষ্ট অৰিহণ যোগাইছিল। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত অসমীয়া যুৱকসকলে পাশ্চাত্যৰ সংস্কৃতি অনুসৰণ কৰিবলৈ ধৰিছিল। ব্রাহ্মণসকলে পালন কৰা কঠোৰ নীতি-নিয়ম শিথিল হৈ পৰিছিল। সামাজিক কু-সংস্কাৰ বিলোপ কৰাৰ প্রয়োজনীয়তা আহি পৰিছিল আৰু বিধৱাৰ পুনঃবিবাহ, আদি সংস্কাৰৰ দাবী উত্থাপন হৈছিল। নাৰী শিক্ষাৰ প্রয়োজনীয়তা ব্যাপক হাৰত সমাদৰ লাভ কৰিছিল আৰু ইয়াৰ সমর্থনত সজোৰে জনমত গঢ়ি উঠিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

ক) বৈষ্ণৱ আন্দোলন হৈছে ..... শিক্ষাৰ সৈতে জড়িত।

খ) ঔপনিৱেশিক শাসনত ..... অনুশীলনক উৎসাহ যোগাইছিল।

গ) বিভিন্ন সামাজিক প্রতিবন্ধকতাৰ সন্মুখীন হোৱা.....সকল এতিয়া উন্নত স্থানত অধিষ্ঠিত হৈছিল।



১২.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিৱেশিক শাসনৰ সময়ত সমাজৰ অর্থনৈতিক ৰূপান্তৰৰ বিষয়ে জানিব পাৰিলে।
- কৃষকসকলৰ ওপৰত ঔপনিৱেশিক নীতিৰ প্রভাৱ আৰু তাৎক্ষণিক প্রতিক্রিয়াৰ বিষয়ে বহুতো তথ্য লাভ কৰিলে।
- অসমৰ বিভিন্ন স্থানত মুৰ দাঙি উঠা কৃষক বিদ্রোহৰ চমু লেখ পালে।
- ব্রিটিছ শাসনৰ বাবে সমাজত সৃষ্টি হোৱা পৰিৱৰ্তনৰ বিষয়ে বিস্তৃত ভাৱে জানিব পাৰিলে।



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ।

খ) শুদ্ধ।

গ) শুদ্ধ।

ঘ) অশুদ্ধ।

ঙ) শুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ

ক) দলি ৰণ	----------	১৮৯৪ চন।
খ) ফুলগুৰি ধেৰা	----------	১৮৬১ চন।
গ) লাইচেঞ্চ কৰ	----------	জয়ন্তীয়া বিদ্রোহ।
ঘ) কৰ আদায় নিদিয়াৰ অভিযান	----------	অসম বিদ্রোহ।
ঙ) জে. ডি এণ্ডাৰছন	----------	দৰঙৰ উপায়ুক্ত।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) শ্রীমন্ত শংকৰদেৱ।

খ) বিধৱা পুনঃবিবাহ।

গ) মুছলিমসকল।



১২.৮ আৰ্হি প্রশ্ন

অতি চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কৃষকসকলৰ ওপৰত আৰোপ কৰা কেতবোৰ কৰৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ কৃষকসকলৰ বিদ্রোহ সংগঠিত কোনো কৰিছিল?

প্রশ্ন ৩ ঃ ৰঙিয়া বিদ্রোহৰ সময়ত কামৰূপৰ উপায়ুক্ত কোন আছিল।

চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমু টোকা লিখক

ক) ফুলগুৰি ধেৰা।

খ) ৰাইজ মেল।

গ) দলি ৰণ।

ঘ) ভূমি সংশোধনী আইন।

ঙ) অসমৰ নিম্নগামী উদ্যোগীকৰণ।

ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ব্ৰিটিছ যুগত সামাজিক পৰিৱৰ্তন ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অসমত কৃষক বিদ্ৰোহৰ কাৰণ ব্যাখ্যা কৰক ইয়াৰ পৰিণতি কি আছিল?

প্ৰশ্ন ৩ ঃ ব্ৰিটিছসকলৰ ভূমি ৰাজহ নীতি আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ অসমত ৰাজনৈতিক সচেতনতাৰ উন্মেষ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অসমীয়া জাতীয়তাবাদৰ উত্থান

১৩.৪ অসমীয়া জাতীয়তাবাদৰ উত্থানৰ কাৰণসমূহ

১৩.৫ বিভিন্ন অনুষ্ঠান গঠন

১৩.৬ অধ্যায়টোৰ পৰা কি শিকিলোঁ

১৩.৭ অগ্রগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত জাতীয়তাবাদৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- অসমত জাতীয়তাবাদৰ উত্থানৰ কাৰকসমূহ বর্ণনা কৰিবলৈ সমর্থ হ'ব,
- অসমত গঢ়ি উঠা বিভিন্ন অনুষ্ঠানৰ বিৱৰণ আগবঢ়াব পাৰিব।

১৩.২ পৰিচয়

আগৰ অধ্যায়ত ব্রিটিছে অসমত সামাজিক আৰু আর্থিক ক্ষেত্রত সাধন কৰা গাঁথনিগত পৰিৱর্তনৰ বিষয়ে আমি আলোচনা কৰিলোঁ। এই পৰিৱর্তনে অসমৰ জন সমাজত বহু গভীৰলৈকে প্রভাৱ পেলাইছিল, যদিওবা ই উপনিৱেশবিৰোধী চেতনাৰ বিকাশ ঘটাইছিল।

এই অধ্যায়ত অসমত জাতীয়তাবাদৰ উত্থানৰ কাৰণসমূহ আলোচনা কৰিম। অসমত জাতীয়তাবাদৰ উত্থানৰ লগে লগে বহু ৰাজনৈতিক সংগঠন গঢ় লৈ উঠিছিল। এই সংগঠনসমূহৰ কার্যকলাপৰ যোগেদি অসমৰ জনসাধাৰণে স্বাধীনতাৰ বাবে যুঁজিবলৈ অনুপ্রেৰণা পাইছিল।

পিছৰ অধ্যায়ত স্বাধীনতাৰ বাবে হোৱা বিভিন্ন সংগ্রামৰ বিষয়ে আৰু সেই সংগ্রামত অসমৰ জনসাধাৰণৰ অংশগ্রহণৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰিম।

১৩.৩ অসমত জাতীয়তাবাদৰ উত্থান

অসমত খোপনি পোতা ব্রিটিছ শাসকসকলে অসমৰ ৰাজনীতি, অর্থনীতি আৰু সমাজ জীৱনলৈ ব্যাপক পৰিৱর্তন কঢ়িয়াই আনিছিল। ১৮৫৮ চনৰ শেষৰ ফালে অসমত ইষ্ট ইণ্ডিয়া

কোম্পানীৰ শাসন সমাপ্ত হয়। কোম্পানীৰ শাসন শেষ হোৱাৰ লগে লগে ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াই ১৮৫৮ চনৰ ১ নৱেম্বৰত ভাৰতৰ প্ৰশাসনৰ দায়িত্ব প্ৰত্যক্ষভাৱে গ্ৰহণ কৰি এক ঘোষণাপত্ৰ গৃহীত কৰে। ভাৰতৰ শাসন ব্যৱস্থাৰ প্ৰতিটো ক্ষেত্ৰতে ব্ৰিটিছে পৰিৱৰ্তনৰ সূচনা কৰিছিল। যাৰ ফলত সময়ৰ বঢ়াৰ লগে লগে ভাৰতবাসীৰ মনত ঔপনিৱেশিক শাসক গোষ্ঠীয়ে শোষণ কৰাৰ মনোভাব এটাই গা কৰি উঠিছিল।

যদিওবা ব্ৰিটিছ শাসকসকল পোনতে অসমবাসীৰ ত্ৰাণকৰ্তাৰ ৰূপতে অসমলৈ আহিছিল, তথাপি তেওঁলোকৰ সাম্ৰাজ্যবাদী চৰিত্ৰ কম দিনৰ ভিতৰতে স্পষ্ট হৈ পৰিছিল। সেই কাৰণে ব্ৰিটিছ শাসনৰ ওপৰত অসন্তুষ্টিয়ে তীব্ৰ ৰূপ ধাৰণ কৰিলে। অসমৰ জনসাধাৰণে ব্ৰিটিছ শাসনক লৈ আৰম্ভণিৰ পৰাই অপমান বোধ কৰিছিল। ব্ৰিটিছ শাসকৰ আগমনে আচলতে তেওঁলোকৰ পু�ৰণি শাসন ব্যৱস্থাৰ আন্তঃগাঁথনিটো ভাঙি পেলাইছিল। অসমবাসীৰ হাতত থকা ক্ষমতা আৰু প্ৰভুত্ব হেৰাই যোৱাত ব্ৰিটিছসকলৰ উদ্দেশ্যক লৈ পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰিলে। তেওঁলোকে ব্ৰিটিছ শাসনৰ অধীনত নিজৰ ভৱিষ্যৎ অন্ধকাৰ আৰু ধ্বংসমুখী হোৱা দেখা পাইছিল।

১৩.৪ অসমত জাতীয়তাবাদৰ উত্থানৰ কাৰণসমূহ

অসমৰ জনসাধাৰণৰ ঔপনিৱেশ বিৰোধী দৃষ্টিভংগীৰ লগতে আৰু কেতবোৰ সামাজিক উপাদানে ক্ৰিয়া কৰাৰ ফলত এক ৰাজনৈতিক সচেতনতা আৰু সজাগতাৰ উদ্ভৱ হৈছিল। অসমীয়া জাতীয়তাবাদ উদ্ভৱ হোৱাৰ প্ৰধান কাৰণসমূহ আমি এতিয়া আলোচনা কৰিম—

- **উচ্চপদস্থ সম্ভ্ৰান্ত, ডাঙৰীয়া শ্ৰেণীৰ লোকসকলৰ অসন্তুষ্টি**

ব্ৰিটিছ শাসনৰ তলত অসমৰ সম্ভ্ৰান্ত শ্ৰেণী, উচ্চপদস্থ লোক আৰু ডাঙৰীয়া শ্ৰেণীৰ লোকসকল বাৰুকৈয়ে অসন্তুষ্ট হৈছিল। তেওঁলোকক প্ৰাপ্য সা-সুবিধাসমূহৰ পৰা বঞ্চিত কৰাত আৰু তেওঁলোকৰ ওপৰতো কৰ ধাৰ্য কৰাত তেওঁলোকৰ সামাজিক মৰ্যাদা হ্ৰাস পায়। অসমৰ প্ৰশাসন ব্যৱস্থাত নতুনকৈ বিদেশী ভাষা বঙালী প্ৰয়োগ কৰাত আহোম ডা-ডাঙৰীয়াসকল একাষৰীয়া হোৱাৰ দৰে অৱস্থাৰ সৃষ্টি হ'ল। তেওঁলোকৰ ঠাইত বংগৰ পৰা অনা আমোলাৰ সমাগমে পিছৰ পৰ্যায়ত স্থানীয় ডাঙৰীয়া শ্ৰেণীৰ লোকসকলক বিদ্ৰোহী কৰি তোলে আৰু অসমীয়া ডাঙৰীয়া শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ সমূহীয়া উদ্দেশ্যৰ বাবে ই এক সজাগতাৰ সৃষ্টি কৰে।

- **মুদ্ৰা অৰ্থনীতি আৰু খাজনা বৃদ্ধিকৰণ**

মুদ্ৰা অৰ্থনীতিৰ আৰম্ভণিয়ে অসমীয়া কৃষক সমাজত গুৰুতৰ প্ৰভাৰ পেলাইছিল। ক্ৰমাগতভাৱে বাঢ়ি অহা খাজনাৰ বাবে তেওঁলোকে উৎপাদন কৰা বস্তুৰ সৰহভাগেই বিক্ৰী কৰিব লগা হৈছিল। খাজনা বৃদ্ধিৰ প্ৰত্যেকতো পদক্ষেপতে কৃষকসকলৰ অৱস্থা শোচনীয় কৰি তুলিছিল। অতিৰিক্ত কৰ যেনে, গ্ৰেজিং কৰ (গৰুৰ ওপৰত কৰ), নৈৰ ঘাট, বজাৰ, জলাশয়ৰ ওপৰত লগোৱা কৰ আদিয়ে জনসাধাৰণক তীব্ৰ ভাৱে অসন্তুষ্ট কৰি তুলিছিল আৰু এই অসন্তুষ্টিয়ে তেওঁলোকৰ প্ৰধান শত্ৰু ব্ৰিটিছৰ বিৰুদ্ধে একগোট হ'বলৈ বাধ্য কৰাইছিল।

- **আফিং নীতি**

১৮৬০ চনত ব্রিটিছ চৰকাৰে অসমত আফিং খেতি বন্ধ কৰিছিল। কিন্তু শাসকসকলৰ একচেতিয়া আধিপত্যৰ বাবে আফিং বা কানিৰ ব্যৱসায় বাঢ়ি গৈ আছিল। কানিৰ মাধ্যমেৰে মোটা কৰ সংগ্রহৰ উদ্দেশ্যে অসমত কানিৰ ওপৰত অত্যাধিক কৰ জাপি দিয়াত এই কৰৰ বোজা জনসাধাৰণৰ বাবে ডাঙৰ সমস্যা হৈ পৰিছিল। চৰকাৰে আফিং বিক্রিৰ ওপৰত কোনো ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰা নাছিল আৰু কানিৰ ব্যৱহাৰ বাঢ়ি গৈ আছিল।

- **থলুৱা উদ্যোগৰ পতন**

ব্রিটিছে প্রতিষ্ঠা কৰা অনা-ঔদ্যোগীকৰণ প্রক্রিয়াই গতি লোৱাৰ লগে লগে অসমৰ বজাৰত ব্রিটিছ উৎপাদিত সামগ্রীয়ে প্রৱেশ কৰে আৰু থলুৱা পৰম্পৰাগত উদ্যোগসমূহৰ পতন হয়। ফলত অসমৰ জনসাধাৰণে তেওঁলোকৰ আনুষংগিক উপার্জনৰ পথো হেৰুৱায়। চাহ, কয়লা, তেল উদ্যোগে স্থানীয় জনসাধাৰণক নিযুক্তিৰ উপযুক্ত উৎসৰ সম্ভেদ নিদিয়া হ'ল। ফলত ইয়াৰ মালিকীস্বত্ব আৰু পৰিচালনা ইউৰোপিয়ানসকলে লোৱা হ'ল আৰু প্রব্রজিত শ্রমিকৰ দ্বাৰা কাম কৰোৱা হ'ল। ফলত অসমত উদ্যোগীকৰণ ঠেক পৰিসৰতে সীমাবদ্ধ থাকিল।

- **প্রব্রজন**

সেই সময়ত বহু মাত্রাত চাহ বাগান, কয়লা আৰু তেল খনিৰ বাবে বাহিৰৰ পৰা শ্রমিক অনা হৈছিল। এই প্রব্রজনকাৰী শ্রমিকসকলে অসমৰ জনসংখ্যা বৃদ্ধি কৰিছিল যদিও অসমৰ কৃষি ক্ষেত্রৰ উন্নতিত তেওঁলোকে একো অৰিহণা যোগোৱা নাছিল। আমদানিকৃত খাদ্য সামগ্রীৰ ওপৰত নির্ভৰ কৰাত উপার্জনমুখী অর্থনীতিত ভাবুকিৰ সৃষ্টি হৈছিল।

- **পশ্চিমীয়া শিক্ষাৰ সূচনা**

পাশ্চাত্য শিক্ষাৰ প্রভাৱ পৰাত বহিঃজগতৰ উদাৰ নীতি আৰু জ্ঞানে মানুহৰ মাজত ক্রমে সজাগতাৰ সৃষ্টি কৰিছিল। ইয়াৰ জৰিয়তে শিক্ষিত শ্রেণীৰ লোকসকলে সামাজিক আৰু অর্থনৈতিক সংশোধন বিচাৰিছিল। অসমৰ ছাত্র-ছাত্রীসকল বাহিৰলৈ, বিশেষকৈ বংগলৈ উচ্চ শিক্ষা গ্রহণৰ বাবে যোৱাৰ ফলত ভাৰতীয় জাতীয়তাবাদৰ অসমতো উৎপত্তি হয়। অসমৰ ছাত্র-ছাত্রীসকলৰ মনত জাতীয়তাবাদী ভাবধাৰাই গঢ় লৈছিল আৰু তেওঁলোকে ঘূৰি আহি অসমীয়া সমাজত এই ধাৰণা বিয়পাই দিছিল।

- **সংবাদ মাধ্যমৰ উদ্ভৱ আৰু ক্রমবিকাশ**

ছপাশালৰ ক্রমবিকাশ আৰু উন্নয়নৰ লগে লগে সংবাদ মাধ্যমৰ উত্তৰণে অসমবাসীৰ মাজত সজাগতাৰ সৃষ্টি কৰিছিল। অসমত ১৮৪৪ চনত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে শিৱসাগৰত ছপাশাল প্রতিষ্ঠা কৰি ১৮৪৬ চনৰ পৰা অসমৰ প্রথম সংবাদপত্র 'অৰুনোদই' প্রকাশ কৰে। কম সময়ৰ ভিতৰতে অসমত আৰু কেইবাখনো বাতৰিকাকত আৰু সংবাদপত্র প্রকাশ হয়। তাৰ ভিতৰত 'আসাম বিলাসিনী', 'আসাম মিহিৰ', 'আসাম দর্পণ', 'আসাম বাতৰি' ইত্যাদি উল্লেখযোগ্য। এই বাতৰিকাকতসমূহে সজাগতা সৃষ্টিৰ লগতে সমসাময়িক ঘটনাৰাজি যেনে— আফিং চুক্তি, চাহ বাগানৰ শ্রমিকসকলৰ দুৰৱস্থা আদিৰ ওপৰত জনমত প্রকাশ কৰিছিল। ১৮৭২

চনত অসমত বঙালী ভাষাৰ পৰিৱর্তে অসমীয়া ভাষাৰ পুনৰ প্রচলনে মানুহৰ মাজত প্রয়োজনীয় নৈতিক স্থিতিৰ বিকাশ ঘটায়।

- **অসমীয়া বৌদ্ধিক সমাজৰ উত্তৰণ**

পশ্চিমীয়া শিক্ষাৰ সূচনা আৰু ছপাশালৰ উত্তৰণে জনসাধাৰণৰ অর্থনৈতিক অসন্তুষ্টি বঢ়োৱাৰ সমানে অসমীয়া বৌদ্ধিক শ্রেণী এটাৰো বিকাশ ঘটায়। সমাজৰ এই গোটটোৱে আধুনিক চিন্তাধাৰা আৰু পশ্চিমীয়া যুক্তিবাদৰ দ্বাৰা শিক্ষিত হৈ উঠে। তেওঁলোকৰ দৃষ্টিভংগীত নতুনত্ব আছিল আৰু তেওঁলোকে অসমত নৱজাগৰণৰ সূত্রপাত ঘটাইছিল। আনন্দৰাম ঢেকিয়াল ফুকন অসমৰ এই নৱজাগৰণৰ প্রধান হোতা আছিল আৰু তেওঁৰ কর্মৰাজিয়ে হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা প্রমুখ্যে আৰু বহুজনক উদ্বুদ্ধ কৰিছিল। তেওঁলোকৰ ৰচনাই অসমীয়া সাহিত্যক সমৃদ্ধ কৰাৰ লগতে অসমবাসীৰ মানসিকতাক পশ্চিমীয়া উদাৰতাবাদ আৰু অসমৰ ঐতিহ্যৰ বিষয়ে চিন্তা কৰিবলৈ অনুপ্রেৰণা যোগাইছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক (২০-৩০টা শব্দৰ ভিতৰত) ঃ

প্রশ্ন নং ১ ঃ 'আমোলা' সকল কোন আছিল?

.....

.....

প্রশ্ন নং ২ ঃ অসমত উদ্ভৱ হোৱা 'বৌদ্ধিক শ্রেণী'টোৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ৩ ঃ অনা-ঔদ্যোগীকৰণে অসমৰ সাধাৰণ ৰাইজৰ ওপৰত পেলোৱা প্রভাৱ সম্বন্ধে উল্লেখ কৰক।

.....

.....

.....

১৩.৫ বিভিন্ন অনুষ্ঠান গঠন

ব্রিটিছ সামাজ্যৰ বিৰুদ্ধে বাঢ়ি অহা আক্রোশে ব্রিটিছৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত কেইবাটাও সংগঠনৰ জন্ম দিয়ে। জনসাধাৰণৰ ওজৰ-আপত্তি সমূহ আলোচনাৰ বাবে 'ৰাইজমেল'সমূহ আছিল প্রধান মাধ্যম আৰু ই জনসাধাৰণৰ মাজত প্রত্যক্ষ ভূমিকা গ্রহণ কৰিছিল। ভাৰতীয় জাতীয় কংগ্রেছ জন্ম হোৱাৰ আগতে বাঢ়ি অহা ভূমি ৰাজহ বা খাজনাৰ বিৰুদ্ধে কিছুমান মানুহে ৰায়ত সভা গঠন কৰিছিল আৰু এই অনুষ্ঠানেও মুখ্য ভূমিকা গ্রহণ কৰিছিল।

অসমত ৰাইজমেলসমূহ আছিল তেওঁলোকৰ সমাজ আৰু ৰাজনীতিৰ বিভিন্ন কথা আলোচনা কৰা এখন থলুৱা সদন। ১৮৮৫ চনত অসমত কংগ্রেছ আনুষ্ঠানিকভাৱে প্রতিষ্ঠা নহ'লেও বিভিন্ন *ৰাইজমেল* বা সভাসমূহৰ পৰা কংগ্রেছৰ বৈঠকসমূহত ৰাইজক উপস্থিত থাকিবলৈ কোৱা হৈছিল। ৰাইজমেলসমূহ শিৱসাগৰ, নগাঁও, দৰং, কামৰূপ আৰু লখিমপুৰত সক্রিয় আছিল আৰু কংগ্রেছত জনসাধাৰণৰ অংশগ্রহণত ই বিশেষ ইন্ধন যোগাইছিল। গাঁওসমূহক ভিত্তি কৰি ১৮৮৪ চনত তেজপুৰ ৰায়ত সভা প্রতিষ্ঠা হৈছিল। ৰায়ত সভা মূলতঃ গঠিত হৈছিল ৰাজহ নীতিৰ সংশোধন আৰু খাজনাৰ বিৰুদ্ধে।

১৮৮৫ চনত শিৱসাগৰত *আসাম দেশ হিতৈষিনী সভা*, ১৮৫৭ চনত আনন্দৰাম বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ নেতৃত্বত নগাঁৱত *জ্ঞান প্রদায়িনী সভা* গঠিত হৈছিল। ১৮৮৪ চনত জগন্নাথ বৰুৱাই প্রতিষ্ঠা কৰা ৰাজনৈতিক সংগঠন *যোৰহাট সার্বজনীক সভা* অসমৰ বুৰঞ্জীত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ ৰ'ব। *সার্বজনীক সভাই* থলুৱা লোকসকলৰ নিযুক্তি আৰু আফিঙৰ কেঁচামাল পপী ফুলৰ খেতিৰ বন্ধ কৰাৰ দাবী জনাইছিল। ১৯০৩ চনত অসমৰ শিক্ষিত বৌদ্ধিক সমাজৰ প্রতিনিধি মাণিক চন্দ্র বৰুৱা, ঘনশ্যাম বৰুৱা আৰু বহুকেইজন সমাজহিতৈষী লগ লাগি '*আছাম এছোচিয়েচন*' গঠন কৰে। *আছাম এছোচিয়েচন* আৰু যোৰহাট সার্বজনীক সভাৰ মূল উদ্দেশ্য আছিল অসমবাসীৰ মতামতৰ বিপৰীতে অসমক পূব বংগৰ লগত চামিল কৰাৰ বিৰুদ্ধে জনমত গঠন কৰা। ১৯১৫ চনত প্রতিষ্ঠা হোৱা '*অসম ছাত্র সম্মিলন*' নামৰ সংগঠনে বিভিন্ন দাবী তুলিছিল যদিও তেওঁলোকৰ মূল ভেটি আছিল ৰাজনৈতিক। তেওঁলোকে অসমীয়া জাতীয়তাবাদ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনত বহু ত্যাগ স্বীকাৰ কৰিছিল। ১৯০৩ চনত *আসাম এছোচিয়েচন* গঠন হয় ৰাজা প্রভাত চন্দ্র বৰুৱাৰ সভাপতিত্বত। এই এছোচিয়েচনে ৰাজনৈতিক সংগঠন হিচাপে একেখন কমিটিৰ ভিতৰত কাম কৰিব পাৰিছিল সদস্যসকলৰ অশেষ ত্যাগৰ জৰিয়তে।

অসমত আৰু কেইবাটাও সামাজিক-সাংস্কৃতিক অনুষ্ঠান গঠন হৈছিল। তাৰ ভিতৰত শিৱসাগৰত ১৯১৭ চনত *অসম সাহিত্য সভা* গঠন হৈছিল, তাৰ পূর্বে অসমীয়া ভাষা উন্নতিসাধিনী সভা কলিকতাত অসমীয়া ভাষা আৰু সাহিত্যৰ প্রচাৰৰ বাবে গঠন হৈছিল। বৃহত্তৰ খাচীসকলৰ সাংস্কৃতিক ঐতিহ্য ৰখাৰ কাৰণে আৰম্ভ হৈছিল *চেং খাচী* নামৰ অনুষ্ঠান। মন কৰিবলগীয়া কথা যে এই সংগঠনসমূহৰ প্রায়ভাগ গুৰি ধৰোঁতাই আছিল পাশ্চাত্য শিক্ষাৰে শিক্ষিত আৰু ভাৰতীয় জাতীয়তাবাদৰ ভেটি স্বৰূপ বংগৰ লগত সংযোগ থকা ব্যক্তি।

আপাততঃ এই সংগঠনসমূহে মানুহৰ মাজত এক সঠিক ৰাজনৈতিক সচেতনতাৰ সৃষ্টি কৰিছিল। যি কি নহওক এই সংগঠনসমূহৰ প্রায় ভাগেই চৰকাৰৰ আগত সমজুৱা সমস্যাসমূহো পোনপটীয়াভাৱে প্রকাশ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'ক'-অংশৰ লগত 'খ'-অংশ মিলাওক ঃ

ক	খ
১। অসম দেশ হিতৈষিনী সভা	১। ১৮৮৪
২। যোৰহাট সার্বজনীক সভাৰ গঠন	২। ১৮৮৫
৩। অসম ছাত্র সন্মিলন	৩। ১৮৫৭
৪। জ্ঞান প্রদায়িনী সভা	৪। ১৯১৫
৫। অসম সাহিত্য সভা	৫। ১৯১৭



১৩.৬ অধ্যয়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া জাতীয়তাবাদৰ উৎথান আৰু ইয়াৰ কাৰণসমূহৰ বিষয়ে জানিবলৈ পাৰিলে।
- অসমত বিভিন্ন সাংস্কৃতিক-ৰাজনৈতিক সংগঠনৰ অভ্যুত্থান সম্বন্ধে প্রয়োজনীয় কথা জানিলে।
- সাধাৰণ মানুহৰ মাজত সচেতনতা সৃষ্টি কৰাত এই সংগঠসমূহৰ ভূমিকা কেনে ধৰণৰ আছিল, তাৰ বিষয়ে তথ্য পূর্ণ আলোচনা পঢ়িবলৈ পালে।



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বংগৰ পৰা অহা আৰু অসমত ব্রিটিছৰ বাবে কাম কৰা বিষয়াবিলাকক থলুৱা লোকে আমোলা বুলি কৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া সমাজত যিসকল লোকে পশ্চিমীয়া শিক্ষা আৰু আধুনিক চিন্তাধাৰা আৰু পশ্চিমীয়া মূল্যবোধেৰে শিক্ষিত তেওঁলোকক বৌদ্ধিক শ্রেণী আখ্যা দিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ অনা-ঔদ্যোগীকৰণৰ প্রভাৱসমূহ—

- থলুৱা শিল্পীসকলৰ উপার্জনত ক্ষতি হৈছিল।
- পৰম্পৰাগত উদ্যোগসমূহ ধ্বংস হৈছিল।
- থলুৱা যুৱকসকলৰ মাজত নিবনুৱা বৃদ্ধি পাইছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ

১। অসম হিতসাধিনী সভা	১। ১৮৮৫
২। যোৰহাট সার্বজনীক সভাৰ গঠন	২। ১৮৮৪
৩। অসম ছাত্র সন্মিলন	৩। ১৯১৫

৪। জ্ঞান প্রদায়িনী সভা	৪। ১৮৫৭
৫। অসম সাহিত্য সভা	৫। ১৯১৭



১৩.৮ আৰ্হি প্রশ্নাৱলী

অতি চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সার্বজনীক সভা কোনে প্রতিষ্ঠা কৰিছিল?

প্রশ্ন ২ ঃ ক'ত আৰু কেতিয়া প্রথমে 'অৰুনোদই' প্রকাশ পাইছিল?

প্রশ্ন ৩ ঃ কোন চনত অসমীয়া ভাষাৰ ঠাইত বঙালী ভাষাই কার্যালয়ৰ ভাষা হিচাপে অন্তর্ভুক্ত হৈছিল?

চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'ৰাইজমেল' বা 'ৰায়ত সভাৰ' সংজ্ঞা লিখক?

প্রশ্ন ২ ঃ অসমত নতুন যুগৰ ইতিহাস গঢ়া কেইগৰাকীমান অগ্রণী ব্যক্তিৰ নাম উল্লেখ কৰক?

প্রশ্ন ৩ ঃ আধুনিক শিক্ষাই কিদৰে দেশবাসীক ব্রিটিছ বিৰোধী আন্দোলনৰ বাবে উদ্বুদ্ধ কৰিছিল?

ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ অসমত ছপাশালৰ ক্রমবিকাশৰ এটি খতিয়ান আগবঢ়াওক।

প্রশ্ন ২ ঃ অসমীয়া জাতীয়তাবাদৰ উত্থানৰ কাৰকসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জনসজাগতা বৃদ্ধিত ৰাইজমেলৰ ভূমিকাৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১৪ ঃ স্বাধীনতা সংগ্রামত অসমৰ যোগদান

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ বংগৰ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ

১৪.৪ অসমত অসহযোগ আন্দোলন

১৪.৫ অসম আৰু আইন অমান্য আন্দোলন

১৪.৬ অসমত ভাৰত ত্যাগ আন্দোলন

১৪.৭ বর্গীয়কৰণ সমস্যা আৰু স্বাধীনতা

১৪.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বংগৰ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ ব্যাখ্যা কৰিব পাৰিব,
- অসহযোগ আন্দোলনত অসমৰ ভূমিকা আলোচনা কৰিব পাৰিব,
- আইন অমান্য আন্দোলনত অসমৰ ভূমিকা বর্ণনা কৰিব পাৰিব,
- ভাৰত ত্যাগ আন্দোলন আৰু অসমত ইয়াৰ প্রভাৱ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়ত আমি অসমত ১৮৫৭ চনৰ বিদ্রোহ আৰু ব্রিটিছ চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন ঠাইত মুৰ দাঙি উঠা কৃষক বিদ্রোহৰ বিষয়ে জানিলো। বিদেশী শাসনৰ বিৰুদ্ধে এই আন্দোলনসমূহে অসমৰ ৰাইজক ৰাজনৈতিকভাৱে সচেতন কৰি তোলে আৰু ইয়াৰ কাৰণে অসমত জাতীয়তাবোধৰ ভাৱধাৰা গঢ়ি উঠাত সহায়ক হয়।

এই অধ্যায়ত অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলন তথা এই আটাইবোৰ ৰাষ্ট্রীয় আন্দোলনত অসমৰ অংশগ্রহণৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ বংগৰ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ

১৯ শতিকাৰ শেষৰফালে ভাৰতৰ ৰাষ্ট্রীয়তাবাদৰ উত্থানৰ কেন্দ্র আছিল বংগ। বংগ

এক বৃহৎ প্রদেশ হোৱাৰ বাবে ইয়াত শাসন চলোৱাটো ব্রিটিছ চৰকাৰৰ পক্ষে সম্ভৱ হোৱা নাছিল। কলকাতাৰ সচিবালয়ে এই ক্ষেত্রত প্রচণ্ড চাপৰ সন্মুখীন হোৱাৰ লগতে বংগৰ লেফটেনেণ্ট গভর্নৰে ইমান বিশাল প্রদেশ এখনক ব্যক্তিগতভাৱে পৰিচালনা কৰিব পৰা নাছিল। প্রশাসনীয় অসুবিধাৰ বাবে ব্রিটিছ চৰকাৰে বংগক দুটা ভাগত বিভাজনৰ সিদ্ধান্ত লয়-ক) পূৱ বংগ আৰু অসম আৰু খ) পশ্চিম বংগ। সমগ্র ভাৰতৰ লগতে এই বিভাজনৰ প্রস্তাৱে অসমতো প্রভাৱ পেলাইছিল।

এইখিনিতে এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰিব লাগিব যে ১৯ শতিকাৰ ৬০ ৰ দশকৰ পৰাই প্রদেশসমূহৰ পুনৰ সংগঠন আৰম্ভ হৈছিল। ১৮৯৬ ত অসমৰ মুখ্য সচিব উইলিয়াম বার্ডে প্রস্তাৱ আগবঢ়াইছিল যে চট্টগাম খণ্ড আৰু ঢাকা তথা মৈমনসিঙৰ দুখন জিলা অসমৰ সৈতে সংলগ্ন কৰিব লাগে। কিন্তু এই প্রস্তাৱ নতুন মুখ্য সচিব হেনৰী কটনে মানি লোৱা নাছিল, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে এই পৰিৱর্তনে বৃহৎ প্রতিবাদৰ সৃষ্টি কৰিব। গতিকে সাময়িকভাৱে এই সিদ্ধান্ত বাতিল কৰা হৈছিল।

কিন্তু ১৯০৩ চনৰ প্রথমার্ধত বংগৰ গভর্নৰ এন্দ্রিউ ফ্রেছাৰে পূর্বৰ প্রস্তাৱ নতুনকৈ উত্থাপন কৰি চট্টগাম খণ্ড, ঢাকা আৰু মৈমনসিং জিলাৰ স্থানান্তৰ সপক্ষে জোৰ দিয়ে। তেওঁ এইক্ষেত্রত ভাৰতৰ ভাইচৰয় লর্ড কার্জনৰ স্বীকৃতিও লাভ কৰে। লর্ড কার্জনৰ মনত ইয়াৰ আঁৰত আন এক উদ্দেশ্য নিহিত হৈ আছিল যে বংগৰ বিভাজনে প্রশাসনীয় দক্ষতা বৃদ্ধি কৰিব। কিন্তু এই বিভাজনৰ প্রকৃত উদ্দেশ্য আছিল বংগৰ লোকসকলক ধর্মৰ ভিত্তিত বিভাজিত কৰি বংগৰ পৰা দেশৰ আন ঠাইলৈ বিয়পি পৰা ৰাষ্ট্রীয়তাবাদৰ ভাৱক মষিমূৰ কৰা। তেওঁ লক্ষ্য কৰিছিল যে চট্টগাম, ঢাকা অথবা মৈমনসিঙ ৰ ৰাইজ আৰু প্রশাসনৰ সৈতে চিলেট আৰু অসমৰ কাচাৰৰ কোনো পার্থক্য নাছিল। ভাইচৰয়ে সেইবাবে ঢাকা আৰু মৈমনসিং জিলাৰ লগতে চট্টগাম খণ্ডক অসমৰ সৈতে সন্মিলিত কৰি 'পূৱ বংগ আৰু অসম' নামেৰে এক নতুন প্রদেশ গঠনত জোৰ দিয়ে।

সেই সময়ত অসমত জাতীয়তাবোধৰ ভাৱ নিচেই সামান্য স্তৰত আছিল। ব্রহ্মপুত্র উপত্যকাৰ তুলনাত চুৰমা উপত্যকা বংগৰ বিভাজনক লৈ অধিক সচেতন আছিল কাৰণ বংগৰ সৈতে ইয়াৰ নিকট সম্পর্ক আছিল। প্রথমাৱস্থাত বংগৰ বিভাজনক লৈ অসমীয়া ৰাইজৰ প্রতিক্রিয়া নিষ্প্রভ আছিল। মূল সূতিৰ ৰাজনীতিৰ পৰিৱর্তে তেওঁলোক ধর্মীয় দিশৰ ক্ষেত্রতহে অধিক সচেতন আছিল। গতিকে বংগৰ বিভাজনৰ আইনৰ পৰিণতি সম্পর্কে তেওঁলোক অজ্ঞাত আছিল। ব্যক্তিগত স্তৰত অসমীয়া বুদ্বিজীৱীসকলে এই বিষয়ক বহলভাৱে বুজাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে এই কথা বুজাই দিছিল যে যদিহে বংগৰ উন্নত জিলাসমূহৰ সৈতে যদি অসমক সংলগ্ন কৰি দিয়া হয় তেনেহ'লে অসমীয়া ৰাইজে পদে পদে পূৱ বংগৰ বাংলাভাষীসকলৰ সৈতে সংগ্রাম কৰিব লাগিব। যদিহে প্রশাসনৰ কেন্দ্র ঢাকালৈ স্থানান্তৰ কৰা হয় তেনেহ'লে অসমে পূর্বে লাভ কৰা মর্যাদা হেৰুৱাবলগীয়া হ'ব। কিন্তু বুদ্বিজীৱীসকলৰ এই প্রতিবাদী ভাষা কেৱল চিঠী-পত্র আৰু সংবাদ মাধ্যমৰ প্রবন্ধৰ মাজতে সীমাবদ্ধ হৈ ৰৈছিল।

জানি থোৱা ভাল



ইউৰোপীয় খেতিয়কসকলে এই বিভাজনক আদৰণি জনাইছিল কাৰণ ‘পূৱ বংগ আৰু অসম’ নামৰ নতুনকৈ গঠন কৰা প্ৰদেশত ‘অসম’ শব্দক অন্তৰ্ভুক্ত কৰা হৈছিল। তেওঁলোকৰ একমাত্ৰ সংশয়ৰ কাৰণ আছিল যদিহে ‘অসম’ নামটো নতুন প্ৰদেশৰ পৰা বাদ দিয়া হয় তেনেহ’লে ‘অসমৰ চাহ’ নামেৰে তেওঁলোকে চলাই অহা চাহৰ ব্যৱসায় ক্ষতিগ্ৰস্ত হ’ব।

বংগত এই বিভাজনৰ বিভিন্ন কাৰণত তীব্ৰ প্ৰতিবাদ হৈছিল। ইয়াৰে অন্যতম গুৰুত্বপূৰ্ণ কাৰণটো আছিল বংগৰ বিভাজনৰ সৈতে জড়িত হৈ থকা সাম্প্ৰদায়িক দিশ। কিন্তু অসমবাসীয়ে লাহে লাহে অনা-অসমীয়াৰ দমনৰ আশংকাত বংগৰ বিভাজনৰ বাবে শংকিত হৈ পৰে। প্ৰস্তাৱিত ‘পূৱ বংগ আৰু অসম’ প্ৰদেশত নিজৰ স্বকীয় পৰিচয় হেৰুওৱাৰ লগতে চৰকাৰত ন্যায্য অংশীদাৰিত্ব হেৰুওৱাৰ আশংকাই অসমবাসীক উদ্বিগ্ন কৰি তুলিছিল।

বংগৰ বিভাজনে ব্ৰিটিছসকলৰ ধ্বংসাত্মক উদ্দেশ্যৰ বিষয়ে অসমবাসীক সজাগ কৰি তুলিছিল। চুৰমা উপত্যকাত জনতাৰ ক্ষোভ উগ্ৰৰূপত প্ৰকাশ পাইছিল।

বিভাজন বিৰোধিতাৰে আৰম্ভ হোৱা স্বদেশী আন্দোলনে ভাৰতৰ স্বাধীনতা আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। ‘চুৰমা উপত্যকা সম্থা’ই বিভিন্ন স্থানত স্বদেশী আৰু বৰ্জনৰ বৈঠক বৈঠকৰ আয়োজন কৰিছিল। শিলচৰত সাধাৰণ ৰাইজৰ মাজত স্বদেশী বাৰ্তা প্ৰচাৰ কৰিবলৈ এক ‘স্বদেশী মিছন’ আৰম্ভ হৈছিল। কিন্তু স্বদেশী আন্দোলনতকৈ বৰ্জনৰ ধাৰণাই অসমবাসীক অধিক আকৰ্ষিত কৰিছিল, কাৰণ ইয়াৰ দ্বাৰা থলুৱা উদ্যোগসমূহৰ পুনৰ উত্থানৰ আশা পৰিস্ফূত হৈছিল। কিন্তু এই ধাৰণা কেৱল নগৰ কেন্দ্ৰসমূহতে সীমাবদ্ধ আছিল। ধুবুৰী, গোৱালপাৰা, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড় আৰু আন আন চহৰসমূহত বিদেশী সামগ্ৰী জ্বলাই দিয়া হৈছিল আৰু স্বদেশী সামগ্ৰী ক্ৰয় কৰাৰ ঢৌ উঠিছিল। এই আন্দোলনৰ এক চকুত লগা বিশেষত্ব আছিল হিন্দু আৰু মুছলমানসকলৰ গভীৰ বুজাবুজি।

স্বদেশী আন্দোলন জনপ্ৰিয় কৰি তোলাত ছাত্ৰ সমাজৰ অৱদান আছিল অতিশয় গুৰুত্বপূৰ্ণ। বৰপেটা, তেজপুৰ আৰু আন ঠাইত ছাত্ৰসকলে প্ৰতিবাদী সভা অনুষ্ঠিত কৰাৰ লগতে ৰাইজক বিদেশী বস্ত্ৰ ক্ৰয় নকৰিবলৈ উৎসাহিত কৰিছিল। সূতা কটা আৰু বস্ত্ৰ বোৱা অসমৰ ঘৰে ঘৰে এক চিনাকী দৃশ্য আছিল আৰু এনেদৰে বহু পূৰ্বৰে পৰা ৰাইজৰ মাজত স্বদেশী বস্ত্ৰ ব্যৱহাৰৰ ধাৰা প্ৰচলিত আছিল। গতিকে বিদেশী সামগ্ৰী বৰ্জন কৰা কাৰ্যক সমৰ্থন জনাই সৰহ সংখ্যক লোকে বিদেশী সামগ্ৰী ক্ৰয় কৰিবলৈ অস্বীকাৰ কৰিছিল।

বিদ্ৰোহী ধাৰণা আৰু গোপন সংগঠনসমূহে লাহে লাহে অসমত খোপনি পুতিবলৈ আৰম্ভ কৰিছিল। শিলচৰৰ সমীপৰ ‘অৰুণাচল আশ্ৰমে’ বিদ্ৰোহী ধাৰণা গভীৰ কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সংগঠনৰ মুখপত্ৰ ‘প্ৰজা শক্তি’ৰ দ্বাৰা যুৱপ্ৰজন্মৰ মাজত স্বদেশী আৰু স্বৰাজৰ উগ্ৰ ভাৱধাৰা জগাই তোলা হৈছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত কটন কলেজৰ একাংশ

ছাত্রাবাসত বিদ্রোহী সাহিত্যৰ প্রচাৰ হৈছিল। এই সময়তে বংগৰ 'অনুশীলন সমিতি'ৰ আৰ্হিত অসমত অম্বিকাগিৰি ৰায়চৌধুৰীৰ নেতৃত্বত 'সেৱা-সংঘ' নামৰ স্বেচ্ছাসেৱী সংগঠন গঢ়ি উঠিছিল। কিন্তু বিদ্রোহী ৰাষ্ট্রীয়তাবাদৰ ধাৰাত অসমত স্বদেশী আৰু স্বৰাজৰ ধাৰণাই বহুল প্রচাৰ লাভ কৰাত ব্যর্থ হয় আৰু ইয়াৰ কাৰণ আছিল তৃণমূল পর্যায়ত ৰাজনৈতিক সচেতনতাৰ অভাৰ।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ১ ঃ বংগৰ বিভাজনৰ দ্বাৰা সৃষ্টি হ'বলগীয়া দুখন প্রদেশৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ২ ঃ বংগৰ বিভাজন কেতিয়া হৈছিল?

.....

প্রশ্ন নং ৩ ঃ স্বেচ্ছাসেৱী সংগঠন 'সেৱা সংঘ'ৰ নেতা কোন আছিল?

.....

১৪.৪ অসমত অসহযোগ আন্দোলন

বিভাজন বিৰোধী আন্দোলনৰ বোকোচাত উঠি আৰম্ভ হোৱা **স্বদেশী** আন্দোলনে ৰাষ্ট্রীয় একতা আৰু দেশৰ সংহতিৰ ভাৰ সুদৃঢ় কৰিছিল। এই ধাৰণাই প্রসাৰতা লাভ কৰি কংগ্রেছৰ মজিয়াতো স্থান লাভ কৰিছিল। ১৯০৬ চনত দাদাভাই নৌৰাজীয়ে **স্বৰাজ**ক কংগ্রেছৰ উদ্দেশ্যৰূপে ঘোষণা কৰে। কিন্তু ভাৰতৰ স্বাধীনতাৰ বাবে যুজিবলৈ নতুন পদ্ধতি আৰু স্বকীয় শৈলীৰে ৰাজনীতিত মহাত্মা গান্ধীৰ আগমনৰ পিছতহে জাতীয় কংগ্রেছে স্বাধীনতাৰ ক্ষেত্রত ভাৰতৰ সংগ্রামৰ ইতিহাসত নতুন অধ্যায়ৰ বাট মুকলি কৰিবলৈ সক্ষম হয়। পঞ্জাৱৰ নৃশংসতা আৰু খিলাফৎ আন্দোলনে সমগ্র দেশজুৰি ব্যাপক অসন্তুষ্টিৰ সৃষ্টি কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। ১৯১৯ চনত কুখ্যাত ৰাওলাৎ আইন ব্রিটিছ চৰকাৰে গৃহীত কৰিছিল যাৰ উদ্দেশ্য আছিল ব্রিটিছক অত্যাধিক শোষণমূলক ক্ষমতা প্রদান কৰা।

এনে ধৰণৰ দমনমূলক নীতিৰ বিৰুদ্ধে মহাত্মা গান্ধীয়ে অহিংস প্রতিবাদী আন্দোলনৰ পথ গ্রহণ কৰিছিল। দেশৰ ভিন্ন প্রান্তত ৰাইজে ধর্মঘট আৰু সামূহিক প্রতিবাদ সাব্যস্ত কৰিছিল। চৰকাৰে এই আন্দোলন অতি কঠোৰ হাতেৰে দমন কৰিছিল। ইয়াৰে আটাইতকৈ নৃশংস উদাহৰণ হৈছে অমৃতসৰৰ জালিয়ান ৰালাবাগত সমবেত হোৱা নিৰীহ লোকসকলৰ ওপৰত যধে-মধে গুলীচালনা কৰি জেনেৰেল ডায়াৰৰ নেতৃত্বত হোৱা ভয়ানক হত্যালীলা। ইয়াক জালিয়ান ৰালাবাগৰ গণহত্যা (১৯১৯ চন) বুলি জনা যায়। পঞ্জাৱত সামৰিকশাসন আৰোপ কৰা হৈছিল। জালিয়ান ৰালাবাগৰ হত্যালীলা আৰু গান্ধীজীৰ আগমনে কেৱল সমগ্র দেশৰ সকলো শ্রেণীৰ লোকৰ মাজত ৰাজনৈতিক সচেতনতাৰ ভাৱেই জগাই তোলা নাছিল ইয়াৰ

স্বদেশী ঃ ব্রিটিছ ভাৰতৰ এনে এক ৰাজনৈতিক আন্দোলন য'ত বিদেশী সামগ্রীৰ বর্জন কৰি থলুৱা সামগ্রীৰ উৎপাদনক উৎসাহ যোগাই স্বৰাজত গুৰুত্ব প্রদান কৰা হৈছিল।

স্বৰাজঃ স্বৰাজ হৈছে স্বশাসন অথবা স্বদেশৰ শাসন।

দ্বাৰা ১৯২১ চনৰ ঐতিহাসিক অসহযোগ অন্দোলনৰ বাটো প্ৰশস্ত হৈছিল। দেশবাসীৰ ক্ষোভৰ এই প্ৰদৰ্শনৰ মাজতে এক নতুন বিষয়ে ভাৰতীয় মুছলমানসকলৰ আৱেগত আঘাত হানিছিল। এয়া আছিল খিলাফৎ, মুছলিম বিশ্বৰ আটাইতকৈ উচ্চ অনুষ্ঠান। প্ৰথম বিশ্বযুদ্ধৰ পিছত মিত্ৰ শক্তিয়ে খালিফৰ কাৰ্যালয় বন্ধ কৰি দিছিল। মুছলীম সম্প্ৰদায়ে এয়া তেওঁলোকৰ ধৰ্মৰ প্ৰতি অসন্মান বুলি অনুভৱ কৰিছিল।

অসমতো ৰাইজে অসহযোগ আন্দোলনৰ সমৰ্থনত দলে-বলে ওলাই আহে। অহিংস আন্দোলন তুংগত উঠাৰ সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হয় আৰু ইয়াৰ সমান্তৰালভাৱে জিলা পৰ্যায়তো কংগ্ৰেছ কমিটি প্ৰতিষ্ঠা কৰা হয় যাতে আন্দোলনৰ কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণ হয়।

অসহযোগ আন্দোলনৰ এক মন কৰিবলগীয়া দিশ আছিল ইয়াৰ গভীৰ সামূহিক আবেদন। সকলো শ্ৰেণীৰ লোক, শিক্ষাৰ্থী, কৃষক, পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৱে স্বৰাজৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল আৰু কম-বেছি পৰিমাণে অসহযোগ আন্দোলনৰ সৈতে জড়িত হৈ পৰিছিল। এই আন্দোলনত অসমৰ সকলো শ্ৰেণীৰ লোক জড়িত হৈ পৰাটো আছিল ইয়াৰ অন্যতম বৈশিষ্ট্য। অসমত অসহযোগ আন্দোলনৰ আন গুৰুত্বপূৰ্ণ দিশ আছিল চাহ বাগিচাৰ শ্ৰমিকসকলৰ অংশগ্ৰহণ। এই অসহযোগ আন্দোলনে চাহ শ্ৰমিকসকলক ব্ৰিটিছ শোষণৰ বিৰুদ্ধে মাত মতাৰ সুযোগ প্ৰদান কৰিছিল। ১৯২১ চনত অসমত মহাত্মা গান্ধীৰ আগমনে আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰে আৰু চাহ বাগিচাৰ শ্ৰমিসকসকলৰ সমস্যাই তেওঁৰ দৃষ্টি আকৰ্ষণ কৰে। চাহ শ্ৰমিকসকলৰ মাজত স্বৰাজৰ ভাৰ জগাই তুলিবলৈ তেওঁ চাহ খেতিয়কসকলক আহ্বান জনায়। অসমত অসহযোগ আন্দোলনৰ আন এক মন কৰিবলগীয়া দিশ আছিল কানিৰ সেৱনৰ বিৰোধিতা। কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলে ঘৰে ঘৰে গৈ ৰাইজক কানি সেৱনৰ অপকাৰিতাৰ বিষয়ে বুজাইছিল।

১৯২০ চনৰ ডিচেম্বৰ মাহত নাগপুৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় ছাত্ৰ সমাৱেশৰ সিদ্ধান্ত সাৰোগত কৰি ১৯২১ চনৰ জানুৱাৰী মাহত অসমৰ শিক্ষাৰ্থীসকলেও অসহযোগ আন্দোলনত অংশ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এইমৰ্মে তেওঁলোকে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শ্ৰেণী বৰ্জনৰে ব্যাপক আন্দোলনৰ পথ গ্ৰহণ কৰে। অসহযোগ আন্দোলন সফল কৰি তোলাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ ভূমিকা আছিল উল্লেখযোগ্য। প্ৰকৃততে ক'বলৈ গ'লে অসমত এই আন্দোলন শিক্ষাৰ্থীসকলেই আৰম্ভ কৰিছিল। বিদেশী সামগ্ৰীৰ বৰ্জন বিশেষকৈ বিদেশী বস্ত্ৰ বৰ্জন কৰা, খাদীৰ সমাদৰ বৃদ্ধি, সুৰা আৰু কানিৰ বিপণীৰ সন্মুখত পিকেটিং আদি আছিল স্বৰাজৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰহণ কৰা কাৰ্যসূচীৰ অন্যতম। কেতবোৰ নিৰ্দিষ্ট স্থানত কৰ আৰু ৰাজহ আদায় নিদিয়াৰো অভিযান গ্ৰহণ কৰা হৈছিল।

অসমত পুৰুষৰ সমানে মহিলাইও অসহযোগ আন্দোলনত অংশ লৈছিল। আন্দোলনক তীব্ৰতৰ কৰিবলৈ মহিলাসকলে বিভিন্ন স্থানত সভাৰ আয়োজন কৰিছিল। অসমৰ অসহযোগ আন্দোলনত সাধাৰণতে মহিলা গ্ৰেপ্তাৰ হোৱা নাছিল যদিও তেওঁলোকৰ মাজত এক নতুন ধৰণৰ সজাগতাই গঢ় লৈ উঠিছিল।



অসহযোগ আন্দোলনঃ এয়া হৈছে চৰকাৰ অথবা ক্ষমতাত অধিষ্ঠিত শক্তিৰ বিৰুদ্ধে ৰাইজে গ্ৰহণ কৰা অহিংস অসহযোগিতা।

ভাৰতত স্বৰাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে লক্ষ্যত উপনীত হোৱাত অসহযোগ আন্দোলন ব্যৰ্থ হৈছিল। ব্ৰিটিছ চৰকাৰে এই আন্দোলন মষিমূৰ কৰিবলৈ সকলো ধৰণৰ প্ৰয়াস চলাইছিল আৰু কাৰাগাৰসমূহ ৰাজনৈতিক বন্দীৰে ভৰি পৰিছিল। সাধাৰণ দৃষ্টিত এই আন্দোলন ব্যৰ্থ হোৱা যেন লাগিলেও ৰাইজৰ ওপৰত এই আন্দোলনে পেলোৱা গভীৰ প্ৰভাৱক আমি অস্বীকাৰ কৰিব নোৱাৰো। ইয়াৰ দ্বাৰা সৰ্বভাৰতীয় ৰাজনীতিত অসমৰ সক্ৰিয় অংশগ্ৰহণৰ আৰম্ভণি হৈছিল। ৰাষ্ট্ৰীয়তাবাদৰ উত্থানত মূল সূঁতিৰ সৈতে অসম মিলিত হৈছিল। অসহযোগ আন্দোলনৰ বিৰুদ্ধে ব্ৰিটিছ চৰকাৰৰ দমনমূলক নীতিয়ে জনসাধাৰণক নিৰুৎসাহ কৰাৰ পৰিৱৰ্তে তেওঁলোকক স্বাধীনতা আন্দোলনৰ অক্লান্ত সৈনিকলৈ পৰিণত কৰিছিল। ১৯২২ চনত গান্ধীজীয়ে অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰে আৰু ইয়াৰ কাৰণ আছিল বিহাৰৰ চৌৰি-চৌৰাত সংঘটিত এক হিংসাত্মক ঘটনা য'ত প্ৰাণ হেৰুৱাইছিল ২২ গৰাকী আৰক্ষীয়ে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক।

প্ৰশ্ন নং ৪ ঃ জালিয়ান ৰালাবাগৰ হত্যাকাণ্ডৰ সৈতে জড়িত ব্ৰিটিছ বিষয়াজনৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৫ ঃ ৰাওলাট আইন কেতিয়া গৃহীত হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ মহাত্মা গান্ধী অসমলৈ কেতিয়া আহিছিল?

.....

১৪.৫ অসম আৰু আইন অমান্য আন্দোলন

অসহযোগ আন্দোলন প্ৰত্যাহাৰৰ পিছত ভাৰতৰ ৰাষ্ট্ৰীয় আন্দোলনৰ গতি মন্থৰ হৈ পৰে আৰু আইন অমান্য আন্দোলনৰ আৰম্ভণিয়ে ইয়াক নতুন মাত্ৰা প্ৰদান কৰে। অৱশ্যে সেইসময়ৰ বিভিন্ন ধৰণৰ ঘটনাই আইন অমান্য আন্দোলনৰ উত্থানত অৱিহণা যোগায়। প্ৰথমে ১৯২৭ চনত ভাৰতত চাইমন আয়োগৰ নিযুক্তিয়ে ব্ৰিটিছৰ বিৰুদ্ধে দেশৰ বিভিন্ন দল-সংগঠনক একত্ৰিত হোৱাৰ সুযোগ প্ৰদান কৰিছিল। দ্বিতীয়তে চাইমন আয়োগৰ বিৰোধিতাক কেন্দ্ৰ কৰি স্বাধীনতাৰ আন্দোলনে নতুন ৰূপ লৈছিল। বম্বেত চাইমন আয়োগৰ সদস্যসকল উপস্থিত হোৱাৰ লগে লগে দেশৰ ভিন্ন প্ৰান্তত ৰাইজে প্ৰতিবাদী সমদল, ধৰ্মঘট, আদি ৰূপায়ন কৰিছিল। তৃতীয়তে চাইমন আয়োগৰ পৰামৰ্শ অনুসৰি পূৰ্ণ স্বৰাজৰ ধাৰণাক নাকচ কৰি সাংবিধানিক অসুবিধা দূৰ কৰিবলৈ সমাধান সূত্ৰ উলিয়াবলৈ লণ্ডনৰ ঘুৰণীয়া মেজমেলৰ প্ৰস্তাৱ কংগ্ৰেছে নাকচ কৰিছিল। ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰ অধিৱেশনত পূৰ্ণ স্বাধীনতা বা পূৰ্ণ স্বৰাজক কংগ্ৰেছে স্বাধীনতা সংগ্ৰামৰ লক্ষ্য ঘোষণা কৰে। এনেদৰে নতুন ধৰণৰ সংগ্ৰামৰ বাবে কংগ্ৰেছ সাজু

হৈছিল। বিধায়িনী সভাৰ পৰা কংগ্রেছ সদস্যসকলক পদত্যাগ কৰিবলৈ আহ্বান জনোৱা হৈছিল আৰু পৰাপক্ষত কৰ অনাদায় আদি কার্যৰে আইন অমান্য আন্দোলনৰ আৰম্ভনিৰ প্রস্তুতি চলোৱা হৈছিল। এনেধৰনৰ ঘটনাসমূহৰ বাবে গান্ধীজীয়ে দেশবাসীক আইন অমান্য আন্দোলনৰ (১৯৩০ চন) বাবে সাজু কৰি তুলিছিল।

অসমত আইন অমান্য আন্দোলনক লৈ কংগ্রেছ নেতাসকলৰ মাজত দ্বন্দ্ব আছিল। এই বিবাদ দূৰ নেহোৱাৰ বাবে একাংশই নিজৰ পদৰ পৰা পদত্যাগ কৰিছিল। তৰুণ ৰাম ফুকন, নবীন চন্দ্র বৰদলৈ আদি জ্যেষ্ঠ নেতাই অসম প্রদেশ কংগ্রেছ কমিটিৰ পৰা ওলাই আহিছিল। ইয়াৰ ফলত নেতৃত্বৰ ভাৰ বহন কৰিবলগীয়া হৈছিল বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শর্মা, তৈয়বুল্লাহ আৰু অম্বিকাগিৰি ৰায়চৌধুৰীৰ দৰে যুৱ নেতাই। আইন আমান্য আন্দোলনত ছাত্র সমাজে অতিশয় গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। লীলাধৰ বৰুৱা আছিল অন্যতম নেতা যিজনে শিক্ষার্থী সমাজক উদ্বুদ্ধ কৰি অসমৰ আইন অমান্য আন্দোলনক নতুন গতি প্রদান কৰিছিল।

১৯৩০ চনৰ এপ্রিল মাহত বিদেশী সামগ্রী বর্জনৰ ইতিহাস সৃষ্টিৰ পিছত মহাত্মা গান্ধীয়ে নিমখৰ সত্যাগ্রহ আৰম্ভ কৰে। অসমৰ কেতবোৰ প্রান্তত থলুৱা পদ্ধতিৰে নিমখ উৎপাদন আৰু বন আইনৰ উলংঘা হোৱাৰ উদাহৰণ আছে। এই আন্দোলনৰ গুৰি ধৰিছিল বিষ্ণুৰাম মেধিয়ে আৰু তেওঁক সহযোগিতা আগবঢ়াইছিল হেম চন্দ্র বৰুৱা আৰু আন আন নেতা যেনে অমিয় কুমাৰ দাস, ডঃ ভুৱনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শর্মা, দেৱেশ্বৰ শর্মা, লক্ষ্মীধৰ শর্মা, গড়মূৰ সত্রৰ সত্রাধিকাৰ আৰু বহুতে।

এই আন্দোলনত মহিলাসকলেও অংশগ্রহণ কৰিছিল। চন্দ্রপ্রভা শইকীয়ানী আৰু দূর্গাপ্রভা বড়োৱে গুৱাহাটীৰ কটন কলেজৰ সন্মুখত পিকেটিং কৰিবলৈ আগবাঢ়ি আহিছিল। সেই দিনাই চৰকাৰে পুৰুষ-মহিলা নির্বিশেষে সকলোৰে ওপৰত লাঠীচালনা, গ্রেপ্তাৰ আৰু বন্দী কৰা আৰু ভূমি ৰাজহ আদায় নিদিয়াৰ বাবে গাঁওবাসীৰ ভূমি জব্দ কৰা আদি নির্দেশ জাৰী কৰিছিল। ছাত্রসমাজৰ অংশগ্রহণে ব্রিটিছ চৰকাৰৰ শোষণমূলক নীতি বাধাগ্রস্ত কৰিছিল আৰু সেইবাবে ৰাজনৈতিক আন্দোলনৰ পৰা ছাত্রসমাজক আতৰাই ৰাখিবলৈ তেওঁলোকে তাৎক্ষণিক পদক্ষেপ ল'বলগীয়া হৈছিল। জে. কানিংহামে ইয়াৰ বাবে সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়ৰ প্রধান শিক্ষকলৈ এক চার্কুলাৰ প্রেৰণ কৰিছিল। কানিংহাম চার্কুলাৰ নামেৰে জনাজাত এই চার্কুলাৰত শিক্ষার্থীসকলক সকলো ধৰণৰ ৰাজনৈতিক আন্দোলনত যোগদান কৰাৰ পৰা নিষেধ কৰা হৈছিল। এই চার্কুলাৰত স্পষ্টভাৱে কোৱা হৈছিল যে পিত-মাতৃ অথবা অভিভাৱকে তেওঁলোকৰ সন্তান অথবা দায়িত্বত থকা শিক্ষার্থীয়ে ৰাজনৈতিক কার্যাৱলীত জড়িত নহয় বুলি লিখিত প্রতিশ্রুতি দিব লাগিব। বিদ্যালয়ত পুনৰ নামভর্তিৰ সময়ত এই চুক্তিপত্রত স্বাক্ষৰ কৰাটো বাধ্যতামূলক কৰা হৈছিল। কিন্তু এই চার্কুলাৰে শিক্ষার্থীসকলক ৰাজনীতিত যোগদান কৰাৰ পৰা বিৰত কৰিব পৰা নাছিল। বৰং এই কার্যই সমগ্র দেশজুৰি তীব্র প্রতিক্রিয়াৰ সৃষ্টি কৰে। সমগ্র অসমৰ শিক্ষার্থীসকলে শিক্ষানুস্থান বর্জন কৰি, বিদ্যালয়-মহাবিদ্যালয়ৰ প্ররেশদ্বাৰৰ সন্মুখত

পিকেটিং কৰি, চাৰ্কুলাৰ বিৰোধী শ্লগান আওৰাই সমদল বাহিৰ কৰি এই চাৰ্কুলাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শিক্ষাৰ্থীসকলৰ ওপৰত চৰকাৰৰ দমনে নতুন বিদ্যালয় স্থাপনত উৎসাহ প্ৰদান কৰে। গুৱাহাটীৰ কামৰূপ একাডেমী, শিৱসাগৰ বিদ্যাপীঠ, ডিব্ৰুগড়ৰ পাব্লিক হাইস্কুল আৰু আন কেইবাখনো বিদ্যালয় সেই সময়তে স্থাপন হয়। এই সকলোবোৰ আছিল ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু চৰকাৰৰ সৈতে এইসমূহৰ কোনো সম্পৰ্ক নাছিল।

আইন অমান্য আন্দোলনৰ প্ৰভাৱ অসমৰ পাৰ্বত্য জনজাতিসমূহৰ মাজতো পৰিছিল। গান্ধীজীৰ আইন অমান্য আন্দোলনৰ আহ্বানে নগাসকলক ব্ৰিটিছ শাসনৰ বিৰোধিতা কৰিবলৈ উদগনি যোগাইছিল। আইন অমান্য আন্দোলনৰ সময়ত ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহৰ অগনি প্ৰথম জ্বলাইছিল কুবেই নগাসকলে। এই আন্দোলন প্ৰত্যাহাৰ কৰা হৈছিল ১৯৩৪ চনত। একেবছৰতে ব্ৰিটিছ সংসদে ভাৰত চৰকাৰ আইন, ১৯৩৫ গৃহীত কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ৭ঃ কানিংহাম চাৰ্কুলাৰ কোন চনত প্ৰৱৰ্তন কৰা হৈছিল?

.....

প্ৰশ্ন নং ৮ঃ চাইমন আয়োগক কেতিয়া নিযুক্তি দিয়া হৈছিল?

.....

প্ৰশ্ন নং ৯ঃ অসমৰ আইন অমান্য আন্দোলনৰ দুজন নেতাৰ নাম উল্লেখ কৰক।

.....

১৪.৬ অসমত ভাৰত ত্যাগ আন্দোলন

১৯৪১ চনৰ শেষৰফালে দ্বিতীয় বিশ্বযুদ্ধত ক্ৰমাৎ শোচনীয় অৱস্থাৰ দিশলৈ গতি কৰাৰ বাবে ব্ৰিটিছ চৰকাৰে যুদ্ধত ভাৰতীয়সকলৰ সহযোগিতা কামনা কৰিছিল। ভাৰতৰ সমস্যা সমাধান কৰিবলৈ ব্ৰিটিছ চৰকাৰে চাৰ ষ্টাফৰ্ড ক্ৰিপছৰ নেতৃত্বত ভাৰতলৈ ১৯৪২ চনত এক দল প্ৰেৰণ কৰে। কিন্তু ভাৰতীয়সকলৰ প্ৰত্যাশা পূৰণ কৰাৰ ক্ষেত্ৰত ক্ৰিপছ মিছন ব্যৰ্থ হৈছিল। ক্ৰিপছ মিছনৰ ব্যৰ্থতাৰ বাবে সমগ্ৰ দেশজুৰি বিক্ষোভৰ সৃষ্টি হৈছিল। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমৰ বাবেও ১৯৪২ চন এক উল্লেখনীয় বৰ্ষ হৈ থাকিব। গোপীনাথ বৰদলৈ মন্ত্ৰীসভাৰ পদত্যাৰ পিছত মহম্মদ ছৈয়দুল্লাহৰ নেতৃত্বত এক নতুন মন্ত্ৰীসভা গঠন হৈছিল। এনে সময়তে দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫ চন) আৰম্ভণিয়ে দেশৰ স্বাধীনতা সংগ্ৰামত প্ৰভাৱ পেলাইছিল। যুদ্ধত ব্ৰিটেইনক সকলো প্ৰকাৰে সহায় কৰাৰ আশ্বাস দিয়াৰ বিনিময়ত ছাদুল্লাহক মন্ত্ৰীসভা গঠনৰ অনুমতি প্ৰদান কৰা হৈছিল। কিন্তু অসমত এই যুদ্ধৰ বিৰুদ্ধে কংগ্ৰেছে তীব্ৰ প্ৰচাৰ আৰম্ভ কৰে। গান্ধীজী আৰু কংগ্ৰেছৰ নীতিৰে যুদ্ধবিৰোধী শ্লগান প্ৰচাৰ কৰিবলৈ অসমত সত্যাগ্ৰহ কমিটি গঠন কৰা হৈছিল। অসমত যুদ্ধবিৰোধী স্থিতিয়ে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰে। ইফালে

এই জটিল সময়তে নতুনকৈ অধিষ্ঠিত হোৱা ছাদুল্লাহ মন্ত্রীসভাই বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰে অন্যতম আছিল পূৱ বংগৰ পৰা ব্যাপক হাৰত লোকৰ অসমলৈ প্রব্রজন। অসমীয়া ৰাইজে নিজৰ সংস্কৃতি আৰু স্বকীয় পৰিচয়ৰ বাবে ইয়াক প্রত্যহ্বান বুলি গণ্য কৰিছিল।

আন এক কাৰণ আছিল যুদ্ধৰ পূঁজিলৈ ছাদুল্লাহ চৰকাৰৰ ধনৰ যোগান। এই ধন সংগ্রহ কৰা হৈছিল চৰকাৰী বিষয়াৰ দৰমহা

কর্তন, বিভিন্ন প্রতিযোগিতা, শ্ব' আদি অনুষ্ঠিত কৰি। যুদ্ধৰ পূঁজিলৈ চৰকাৰে ধন আগবঢ়োৱাৰ এই কার্যৰ বিৰুদ্ধে ছাত্রসমাজে তীব্র প্রতিবাদ সাব্যস্ত কৰিছিল। সমগ্র অসমৰ ৰাইজৰ এনে ধৰণৰ প্রতিবাদ আৰু গৰিহণা সহিব নোৱাৰি ১৯৪১ চনত মুখ্যমন্ত্রীৰ পদৰ পৰা ছাদুল্লাই পদত্যাগ কৰে।

ক্রিপছ মিছনৰ ব্যর্থতাই ভৱিষ্যতৰ বুজাবুজিৰ সকলো পথ বন্ধ কৰিছিল। গান্ধীজীৰ দৃষ্টিত এতিয়া একমাত্র পথ আছিল ব্রিটিছসকলক ভাৰত ত্যাগ কৰোৱা। এই ধাৰণাই ক্রমাৎ ভাৰত ত্যাগ আন্দোলনৰ ৰূপ গ্রহণ কৰে। ১৯৪২ চনৰ ১৪ জুলাইত ৰার্ধাত কংগ্রেছৰ ৰর্কিং কমিটিৰ বৈঠকত গান্ধীজীৰ আদর্শৰে ভাৰত ভূমিৰ পৰা ব্রিটিছক তাৎক্ষণিকভাৱে সমূলঞ্চে উৎখাত কৰিবলৈ দেশজুৰি এক গণ আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হয়। ইয়াত গ্রহণ কৰা সংকল্প ১৯৪২ চনৰ ৭-৮ আগষ্টত বোম্বেত অনুষ্ঠিত সর্বভাৰতীয় কংগ্রেছৰ অধিৱেশনৰ জৰিয়তে প্রচাৰ কৰা হয়। এনেদৰে ভাৰতত 'কৰিম অথবা মৰিম' শ্লগানেৰে ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়। কিন্তু কংগ্রেছে এই আন্দোলন আৰম্ভ কৰাৰ পূর্বেই পৰৱর্তী দিনাই চৰকাৰে প্রায় সকলো কংগ্রেছ নেতাক গ্রেপ্তাৰ কৰে। ব্রিটিছ চৰকাৰে এনেদৰে কংগ্রেছ নেতাসকলক গ্রেপ্তাৰ কৰা কার্যই অসমৰ লোকসকলৰ মাজতো ব্যাপক প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল। অসমত ব্যাপক গণবিক্ষোভে দেখা দিছিল। ভাৰত ত্যাগ আন্দোলনত জড়িত হোৱাৰ বাবে অসমৰ উল্লেখযোগ্য কংগ্রেছ নেতাসকলক গ্রে প্তাৰ কৰা হৈছিল। মহম্মদ তৈয়বুল্লাহ, গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শর্মাক ধুবুৰীত গ্রেপ্তাৰ কৰা হৈছিল। আন একাংশ নেতা যেনে পীতাম্বৰ দেৱগোস্বামী আৰু কৃষ্ণ দেৱগোস্বামীকো ৰঙাঘৰলৈ প্রেৰণ কৰা হৈছিল। অসমৰ বিভিন্ন জিলা যেনে কামৰূপ, নগাঁও, দৰং, শিৰসাগৰ আৰু আন আন ঠাইত হিংসাত্মক ঘটনাৱলী সংঘটিত হৈছিল। এই ঠাইসমূহত ৰাইজে চৰকাৰী সম্পত্তি বিনষ্ট কৰি ৰেলৱে আৰু টেলিগ্রাফ লাইনৰো ক্ষতিসাধন কৰিছিল।

সাহসিকতাৰ অন্যতম নিদর্শন পোৱা যায় কনকলতা নামৰ গহপুৰৰ ১৮ বছৰীয়া এগৰাকী যুৱতীৰ কার্যত। এক বৃহৎ সমদলক নেতৃত্ব প্রদান কৰি গহপুৰ আৰক্ষী থানাত পতাকা উৰুৱাবলৈ হাতত ত্রিৰংগ পতাকা লৈ সাহসেৰে আগুৱাই গৈছিল কনকলতা। ইয়াৰ বিনিময়ত ব্রিটিছৰ গুলী বুকুত লৈ মৃত্যুক আকোৱালি ল'বলগীয়া হয় কনকলতাই। একে পৰিণতি হয় মুকুন্দ কাকতিৰো। আৰক্ষীৰ নির্যাতনৰ আন আন উদাহৰণো পোৱা যায়। দেশদ্রোহিতাৰ অপৰাধ জাপি দি যোৰহাট কা�ৰাগাৰত ফাঁচীকাঠত ওলমোৱা হৈছিল কোশল কোঁৰৰক। আন পাঁচজন সহযোগীৰ সৈতে কোশল কোঁৰৰক ৰেল লাইনচ্যুত কৰাৰ অপৰাধত অভিযুক্ত কৰা হৈছিল। ভাৰত ত্যাগ আন্দোলনত সু ৰমা উপত্যকাৰ লোকসকলেও গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।



দেশদ্রোহিতা ঃ এনে ধৰণৰ কার্য অথবা ভাষণ যাৰ দ্বাৰা এখন ৰাষ্ট্ৰৰ নেতৃত্ব অথবা শাসকৰ বিৰুদ্ধে বিদ্রোহ কৰিবলৈ উচতনি দিয়া হয়।

বিভিন্ন কমিটি গঠন কৰি ৰাইজে সত্যাগ্রহ চলাইছিল। এই আন্দোলনত চিলেটৰ মহিলাসকলেও সক্রিয় ভূমিকা লৈছিল। চিলেটৰ আন্দোলনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা সৰলাবালা আৰু স্নেহলতা হৈছে দুগৰাকী গুৰুত্বপূর্ণ নেত্রী।

সকলো প্রদেশৰ সকলো শ্রেণীৰ লোকৰ অংশগ্রহণে এই আন্দোলনক এক গণ আন্দোলনৰ ৰূপ প্রদান কৰিছিল। ভাৰত ত্যাগ আন্দোলনত অসমৰ মহিলাসকলেও গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। তেওঁলোকৰ বহুসংখ্যকে শান্তি সেনাৰ সদস্যপদ গ্রহণ কৰিছিল। অমলপ্রভা দাস, পুষ্পলতা দাস, চন্দ্রপ্রভা শইকীয়ানী আৰু বহু মহিলাই ৰাইজৰ মাজত সাংগঠনিক কামৰ দায়িত্ব গ্রহণ কৰিছিল। এই আন্দোলনৰ আন এক গুৰুত্বপূর্ণ দিশ আছিল গোপন সক্রিয়তা যাৰ জৰিয়তে কর্মীসকলক নেতৃত্বৰ দায়িত্ব দিয়া হৈছিল। অসমত সক্রিয় এনে ধৰণৰ সংগঠনসমূহৰ উল্লেখযোগ্য উদাহৰণ হৈছে বৰপেটাৰ অহিংস বিপ্লৱী সংঘ, নগাঁৱৰ মৃত্যুবাহিনী, দৰঙৰ শান্তিবাহিনী আদি। দৰং জিলাত শান্তি বাহিনী আৰু মৃত্যু বাহিনীৰ দৰে দক্ষতা সম্পন্ন স্বেচ্ছাসেৱী সংগঠনৰ পথ প্রদর্শক ৰূপে আছিল জ্যোতিপ্রসাদ আগৰৱালা আৰু এই সংগঠনসমূহে ব্রিটিছ ৰাজৰ বিৰুদ্ধে জনসাধাৰণক সংগঠিত কৰাত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। গোপন সংগঠনসমূহৰ কার্যাৱলীৰ ভিতৰত আছিল কৰ অনাদায়ৰ অভিযানৰ প্রচাৰ, ব্রিটিছৰ বিৰুদ্ধে সশস্ত্র বিপ্লৱ আদি।

আ�ৰক্ষীৰ ধাৰাবাহিক নির্যাতন আৰু চৰকাৰৰ অৱদমনে অৱশেষত এই আন্দোলন মষিমূৰ কৰাত সফল হৈছিল। তথাপিও ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত ভাৰত ত্যাগ আন্দোলনৰ অধ্যায় স্বর্ণিল আখৰেৰে লিপিৱদ্ধ হৈ ৰ'ব আৰু ইয়াৰ কাৰণ হৈছে ইয়াত ৰাইজৰ ব্যাপক অংশগ্রহণ আৰু দেশৰ বাবে বৃহৎ সংখ্যক লোকৰ আত্মাহুতি। আন্দোলনৰ জনপ্রিয় চৰিত্রই হৈছে ইয়াৰ গুৰুত্বৰ কাৰণ। উল্লেখযোগ্য যে আন্দোলনত গণ বিক্ষোভে ব্রিটিছ চৰকাৰক এই কথা ভালদৰে বুজাই দিছিল যে যিকোনো সময়ত ভাৰতত তেওঁলোকৰ শাসনৰ বাঘজৰীডাল সুলকি পৰাটো নিশ্চিত। এই আন্দোলন হৈছে স্বাধীনতা সংগ্রামৰ অন্তিম পর্যায়। ১৯৪২ চনৰ পিছত ব্রিটিছসকল ভাৰতবাসীৰ সৈতে কোনো সংঘাতত লিপ্ত হোৱা নাছিল।

১৪.৭ বর্গীকৰণ সমস্যা আৰু স্বাধীনতা

এনে এক সন্ধিক্ষণতে ব্রিটিছ লেবাৰ চৰকাৰে চাৰ পেট্রিক লৰেঞ্চৰ অধীনত ভাৰতীয়সকলৰ হাতত ক্ষমতা অর্পণ কৰিবলৈ দেশীয় নেতাসকলৰ সৈতে আলোচনা কৰিবলৈ এক কেবিনেট মিছন প্রেৰণ কৰে। এই কেবিনেট মিছনে ভাৰতৰ ভৰিষ্যতৰ সংবিধানৰ গাঁথনি তৈয়াৰ কৰিবলৈ এক সংবিধান সভা গঠনৰ পৰামর্শ দিয়ে। সেই মতে ১৯৪৬ চনত সংবিধান সভা গঠন কৰিবলৈ ভাৰতত নির্বাচন অনুষ্ঠিত হয়। অসমক বংগৰ সৈতে চামিল কৰি পূৱ ভাৰতত এক মুছলিম প্রদেশ গঠন কৰাৰ মিছনৰ পৰিকল্পনাৰ অসমবাসীয়ে কঠোৰভাৱে বিৰোধিতা কৰে। পৰিকল্পনা অনুসৰি সাংবিধানিক সভাত অসমৰ প্রতিনিধি বংগৰ প্রতিনিধিৰ সৈতে একেটা স্থানত বহিব লাগিব। অসম কংগ্রেছৰ নেতা গোপীনাথ বৰদলৈয়ে প্রাদেশিক স্বায়ত্বশাসনৰ বাবে দাবী উত্থাপন কৰে। অসমৰ পৰা চিলেট জিলাক বিচ্ছিন্ন কৰিবলৈ আৰু মুছলিম অধ্যুষিত এলেকা

ৰূপে অসমক পাকিস্তানৰ সৈতে সন্মিলিত কৰাৰ জিন্নাৰ দাবী নাকচ কৰিবলৈ অনুৰোধ জনাইছিল। তেওঁ কমিছনক কৈছিল যে এই দাবী একেবাৰে অসম্ভৱ। আনহাতে অসমত মুছলীম লীগৰ নেতা ছাদুল্লাহে কমিছনৰ আগত বিপৰীত পটভূমি তুলি ধৰি যুক্তি প্ৰদৰ্শন কৰিছিল যে অসম প্ৰকৃততে মুছলমান অধ্যুষিত এলেকাহে। কেৱল চিলেটক পাকিস্তানৰ সৈতে সন্নিবিষ্ট কৰাৰ ধাৰণাক তেওঁ নস্যাৎ কৰিছিল আৰু যুক্তি প্ৰদৰ্শন কৰিছিল যে প্ৰকৃততে সমগ্ৰ প্ৰদেশকে বংগৰ সৈতে চামিল কৰা উচিত। কেবিনেট মিছনৰ পৰিকল্পনাৰ বিৰুদ্ধে অসমৰ চুকে-কোণে তীব্ৰ প্ৰতিবাদ হৈছিল। অসমৰ স্থিতিক সম্পূৰ্ণৰূপে সমৰ্থন জনোৱা মহাত্মা গান্ধীৰ অনুপ্ৰেৰণা আৰু অসমৰ সমস্যাৰ বিষয়ে আন ভাৰতীয় নেতাসকলক সৈমান কৰোৱাত গোপীনাথ বৰদলৈৰ সক্ষমতাৰ বাবে কেবিনেট মিছনৰ সন্মিলিতকৰণৰ পৰিকল্পনা চূড়ান্তভাৱে ব্যৰ্থ হয়। এনে সময়তে লৰ্ড মাউণ্টবেটেনক ভাৰতৰ অন্তিমজন ভাইচৰয় ৰূপে নিযুক্তি প্ৰদান কৰা হয়। তেওঁ তাৎক্ষণিকভাৱে ভাৰতক বিভাজন কৰাৰ এক আঁচনি প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰে। ১৯৪৭ চনৰ ১৫ আগষ্টত ব্ৰিটিছ চৰকাৰে ভাৰতীয়সকলৰ হাতত সম্পূৰ্ণৰূপে ক্ষমতা অৰ্পণ কৰাৰ ফলত অসমত ১২ দশকজোৱা বিদেশী শাসনৰ অন্ত পৰে আৰু পৰৱৰ্তী সময়ত ভাৰত গণৰাজ্যলৈ পৰ্যবসিত হোৱা অসম স্বাধীন ভাৰতৰ অংগৰাজ্য ৰূপে পৰিগণিত হয় ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ ভাৰত ত্যাগ আন্দোলন কোন চনত আৰম্ভ হৈছিল?

.....

প্ৰশ্ন নং ১১ঃ কোন বৰ্ষত ষ্টেফৰ্ড ক্ৰিপছে ভাৰত ভ্ৰমণ কৰিছিল?

.....

প্ৰশ্ন নং ১২ঃ ভাৰত ত্যাগ আন্দোলনৰ সৈতে জড়িত দুটা গোপন সংগঠনৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ১৩ঃ ভাৰতৰ অন্তিমজন ভাইচৰয় কোন আছিল?

.....



১৪.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বংগৰ বিভাজন আৰু অসমত ইয়াৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিলে।
- অসমত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ আৰু অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন তথা ভাৰত ত্যাগ আন্দোলনত অসমৰ অংশগ্ৰহণৰ বিষয়ে বিস্তৃত তথ্য লাভ কৰিলে।

- ভাৰতৰ স্বাধীনতা সংগ্রামত অসমৰ অৱদানৰ মূল্যায়ন কৰিবলৈ নানান সমলৰ সন্ধান পালে।



১৪.৯ অগ্রগতি ৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পশ্চিম বংগ, পূৱ বংগ আৰু অসম।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯০৫।

৩ নং প্রশ্নৰ উত্তৰ ঃ অম্বিকাগিৰি ৰায়চৌধুৰী।

৪ নং প্রশ্নৰ উত্তৰ ঃ জেনেৰেল ডায়াৰ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৯১৯।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯২১।

৭ নং প্রশ্নৰ উত্তৰ ঃ ১৯৩০।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৯২৭।

৯ নং প্রশ্নৰ উত্তৰ ঃ অমিয় কুমাৰ দাস আৰু সিদ্ধিনাথ শর্মা।

১০ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪২।

১১ নং প্রশ্নৰ উত্তৰ ঃ মার্চ, ১৯৪২।

১২ নং প্রশ্নৰ উত্তৰ ঃ শান্তি বাহিনী, মৃত্যু বাহিনী।

১৩ নং প্রশ্নৰ উত্তৰ ঃ লর্ড মাউণ্টবেটেন।



১৪.১০ আহিঁ প্রশ্ন

অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কি কাৰণে বংগ বিভাজন কৰা হৈছিল?

প্রশ্ন ২ ঃ কেতিয়া গান্ধীজীয়ে অসম ভ্রমণ কৰিছিল?

প্রশ্ন ৩ ঃ কোন চনতপূর্ণ স্বৰাজৰ সংকল্প গ্রহণ কৰা হৈছিল?

প্রশ্ন ৪ ঃ ভাৰত ত্যাগ আন্দোলনত অসমৰ দুগৰাকী শ্বহীদৰ নাম উল্লেখ কৰক।

প্রশ্ন ৫ ঃ অসমৰ মুছলিম লীগৰ নেতা কোন আছিল?

প্রশ্ন ৬ ঃ কেবিনেট মিছনৰ নেতৃত্বত কোন আছিল?

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কানিংহাম চার্কুলাৰ বুলিলে কি বুজে?

প্রশ্ন ২ ঃ ভাৰত ত্যাগ আন্দোলনত অসমে কি ভূমিকা গ্রহণ কৰিছিল?

প্রশ্ন ৩ ঃ চমু টোকা লিখক—

ক) চৌৰি-চৌৰাৰ ঘটনা খ) কানিংহাম চার্কুলাৰ

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বংগৰ বিভাজনে অসমত পেলোৱা প্রভাৱ আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমত অসহযোগ আন্দোলনৰ প্রভাৱ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ স্বাধীনতা সংগ্রামত অসমৰ ছাত্রসমাজৰ ভূমিকা আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী ঃ

1. Barpujari, H.K.(2003)*: The Comprehensive History of Assam*, Vol. I, Vol.II, Vol.III, & Vol. IV, 2nd edn, Publication Board Assam, Guwahati
2. Baruah, S.L.,(1996): *A Comprehensive History of Assam*, Munshiram Manoharlal, Delhi
3. Bhuyan, A.C., (1999): *Political History Assam*, Publication Board Assam, Vol. I, II,III, 2nd edn, Guwahati.
4. Choudhury, P. C., (1959):*The History of Civilization of the people of Assamto the 12th century A.D.*
5. Dutt, K.N (1993): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall
6. Gait, E.,(2004): *A History of Assam*, Eastern Book House, Revised, Guwahati.
7. Saikia, Rajen., (2000): *Social and Economic History of Assam 1853-1921*, Munshiram Manoharlal, Delhi.

অসমীয়া ঃ

১) কলিতা, ৰমেশ চন্দ্ৰ (২০০৬) অসমৰ কালানুক্ৰমিক ইতিহাস, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী

২) বৰা, ধ্ৰুবজ্যোতি (১৯৮৩) মোৱামৰীয়া গণ অভ্যুত্থান, Vol- I & II, বনলতা প্ৰকাশন

৩) বৰবৰুৱা, হিতেশ, (১৯৮১) আহোমৰ দিন, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী

Website and Electronic Resources:

1. Google Images.